# ভাৰতবৰ্ষত মানৱ অধিকাৰ

# Human Rights in India



গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষাণ্মাসিকৰ সন্মান পাঠ্যক্ৰমৰ
ঐচ্ছিক প্ৰথম কাকতৰ **(POL- HE-6016)** পাঠ্যপুথি

# ভাৰতবৰ্ষত মানৱ অধিকাৰ
# Human Rights in India

## ষষ্ঠ ষাণ্মাসিকৰ ঐচ্ছিক প্ৰথম কাকত

**ড° ভবেন কাকতি**, *সহকাৰী অধ্যাপক*
*ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ মহাবিদ্যালয়, চামতা*

**মৃত্যুঞ্জয় প্ৰকাশন**
পাণবজাৰ, গুৱাহাটী- ৭৮১০০১

**Human Rights in India :** A text book on Political Science for B. A. semester (CBCS) system of Gauhati University, edited by Bhaben Kakati and Published by Binoy Kr. Deka and Paresh Patowary on behalf of Mrityunjoy Prakashan, Guwahati (Assam).

---

*No part of this book may be reprinted or reproduced or utilised in any form or by any electric, mechanicale or other means, now known or here after invented including photocopying and recording, or in any information storage and retrival system, without permission in writing from the publishers.*

---

Published by

**Mrityunjoy Prakashan**
Jaswanta Road, Panbazar, Guwahati -1
Contact No : 7002214227, 9365887805
E-mail: mrityunjoyprakashan@gmail.com

First Impression : 2022

© : Editor

ISBN : 978-93-90826-46-9

Printed at :

Price : 000/-

**পৰিবেশক**

মৃত্যুঞ্জয় প্ৰকাশন, পাণবজাৰ; অশোক বুক ষ্টল, পাণবজাৰ; নিউ বুক ষ্টল, পাণবজাৰ; বুক এম্প'ৰিয়াম, পাণবজাৰ; ডি. কে. বুক ষ্টল, পাণবজাৰ; বুক লেণ্ড, পাণবজাৰ; মৃত্যুঞ্জয় প্ৰকাশন, সৰ্থেবাৰী; ফ্ৰেইণ্ডচ বুক ষ্টল, পাণবজাৰ; বি. আৰ বুক ষ্টল, পাণবজাৰ; বুক ভেলী, পাণবজাৰ; আসাম বুকচ্, বৰপেটাৰোড।

মুদ্ৰণ ঃ অবিন্দম অফছেট এণ্ড ইমেজিং চিষ্টেমচ্
বাজগড়, গুৱাহাটী- ৭৮১০০৩

# পাতনি

ভাৰতবৰ্ষত মানৱ অধিকাৰৰ ইতিহাস অতি প্ৰাচীন। ভাৰতীয় পৰম্পৰা, ৰীতি-নীতি আদি সকলোবোৰৰ মাজতে মানৱ অধিকাৰৰ বিভিন্ন দিশ প্ৰতিফলিত হোৱা দেখা যায়। প্ৰাকবৈদিক যুগৰ এই অধিকাৰ সমৃদ্ধ পৰম্পৰা কালৰ সোঁতত কিছু নিশকতীয়া হৈছিল যদিও স্বাধীনোত্তৰ কালত তাক পুনৰুদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। অৱশ্যে এনে প্ৰচেষ্টাৰ মাজতো বিভিন্ন স্তৰত মানৱ অধিকাৰ উলংঘন বা প্ৰত্যাহ্বান হোৱাৰ ঘটনাবোৰ পোহৰলৈ আহি আছে। মূলতঃ মানুহৰ অসচেতনতা, অধিকাৰ সংৰক্ষণৰ ব্যৱস্থাৱলী সম্পৰ্কে জ্ঞানৰ অভাৱ, চৰকাৰৰ অদূৰদৰ্শিতা, একঘেয়ামী নীতি, পক্ষপাতমূলক দৃষ্টিভংগীয়েই মানৱ অধিকাৰ সমূহ হননৰ অন্যতম কাৰণ। 'ভাৰতবৰ্ষত মানৱ অধিকাৰ' কাকতখন এনে বিষয়বস্তুক সামৰি গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰৱৰ্তন কৰা পছন্দ ভিত্তিক মূল্যাংকন ব্যৱস্থাৰ অধীনত ৰাজনীতি বিজ্ঞান বিভাগৰ সন্মান পাঠ্যক্ৰমৰ ষষ্ঠ ষাণ্মাসিকৰ ঐচ্ছিক বিষয়ৰ প্ৰথম কাকতৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰিছে। এই পাঠ্যপুথিখনত এনে বিষয়বোৰক সামৰি সহজ ভাষাত ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হোৱাকৈ লিখাৰ যত্ন কৰা হৈছে। পাঠ্যপুথিখনৰ প্ৰথম অধ্যায় দুটি ক্ৰমে ভাৰতবৰ্ষত 'মানৱ অধিকাৰৰ উৎপত্তি আৰু বিকাশ' আৰু 'মানৱ অধিকাৰ সুৰক্ষাৰ আনুষ্ঠানিক ব্যৱস্থাৱলী' অধ্যায় দুটি ড° ভবেন কাকতিয়ে (সহঃ অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ মহাবিদ্যালয় চামতা) তৃতীয় অধ্যায়টি অৰ্থাৎ মানৱ অধিকাৰৰ ক্ৰমবৰ্ধমান সমস্যাৱলী ড° ছাইকী তালুকদাৰ (মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ মহাবিদ্যালয় চামতা) আৰু চতুৰ্থ অধ্যায়টি 'অসুৰক্ষিত গোটৰ মানৱ অধিকাৰটি শ্ৰীকংকণা তালুকদাৰে (গৱেষিকা, ৰাজনীতি বিজ্ঞান বিভাগ, কটন বিশ্ববিদ্যালয়) প্ৰস্তুত কৰিছে। বিষয়বস্তু ৰচনাৰ ক্ষেত্ৰত আমি মৌলিকতা দাবী কৰাৰ অধিকাৰ নাথাকে। বিভিন্ন দেশী-বিদেশী লোকৰ গ্ৰন্থ আৰু প্ৰবন্ধবোৰ অধ্যয়ন কৰিহে বিষয়বস্তুৰ আলোচনা আগবঢ়োৱা হৈছে। এই ছেগতে উক্ত গ্ৰন্থাকাৰ সকলৰ শলাগ লৈছোঁ। গ্ৰন্থ প্ৰণয়নত উৎসাহ যোগাই অহা প্ৰতিজন ব্যক্তিলৈ কৃতজ্ঞতা যাচিছোঁ। ছাত্ৰ-ছাত্ৰী আৰু পঢ়ুৱৈ সমাজৰ যৎকিঞ্চিৎ উপকাৰ সাধিলেও আমাৰ শ্ৰম সাৰ্থক হ'ব। শেষত গ্ৰন্থ প্ৰকাশক 'মৃত্যুঞ্জয়'ৰ স্বত্বাধিকাৰী বিনয় ডেকা আৰু পৰেশ পাটোৱাৰী তথা প্ৰকাশনৰ ডি টি পি অপাৰেটৰ ত্ৰিলোচনলৈও কৃতজ্ঞতা ভৰা ধন্যবাদ জনালোঁ। সম্পাদনাত হোৱা যিকোনো ভুলকে আপোনালোকৰ গঠনমূলক সমালোচনাৰ দ্বাৰা আঙুলিয়াই দিব বুলি আশা ৰাখিলোঁ।

—সম্পাদক

SYLLABUS

GAUHATI UNIVERSITY

# CBCS SYSTEM

# Human Rights in India

## POL HE 6016

**Unit I : Origin and Development of Human Rights in India**

- Ancient, medieval and colonial period
- Human rights and the Constitution of India
- Protection of Human Rights Act,1993

**Unit II : Institutional Mechanisms for Protection of Human Rights**

- National Human Rights Commission and Assam Human Rights Commission
- National Commission for Women
- National Commission for S.C and National Commission for S.T

**Unit III : Emerging issues of human rights**

- Terrorism in NE India
- Rights of Indigenous People
- Environmental Issues – Narmada Bachao movement, Chipko movement

**Unit IV : Human Rights of vulnerable groups**

- Women
- Children
- Minority

# — সূচীপত্ৰ —


| | | | |
|---|---|---|---|
| অধ্যায় ১ | ঃ | ভাৰতবৰ্ষত মানৱ অধিকাৰৰ উৎপত্তি আৰু বিকাশ | ৯-৪১ |
| | | ✍ ড° ভবেন কাকতি | |
| অধ্যায় ২ | ঃ | মানৱ অধিকাৰ সুৰক্ষাৰ আনুষ্ঠানিক ব্যৱস্থা | ৪২-৬০ |
| | | ✍ ড° ভবেন কাকতি | |
| অধ্যায় ৩ | ঃ | মানৱ অধিকাৰৰ ক্ৰমবৰ্দ্ধমান সমস্যাৱলী | ৬১-১০০ |
| | | ✍ ড° জুইকী তালুকদাৰ | |
| অধ্যায় ৪ | ঃ | অসুৰক্ষিত গোটৰ মানৱ অধিকাৰ | ১০১-১১৯ |
| | | ✍ শ্ৰীকংকণা তালুকদাৰ | |

অধ্যায় ১

# ভাৰতবৰ্ষত মানৱ অধিকাৰৰ উৎপত্তি আৰু বিকাশ
# Origin and Development of Human Rights in India

**প্ৰাচীন ভাৰতত মানৱ অধিকাৰৰ বিকাশ ঃ**

মানৱ অধিকাৰৰ ধাৰণা ভাৰতবৰ্ষত অতি শক্তিশালী ৰূপত অতি প্ৰাচীন কালৰ পৰাই প্ৰচলিত হৈ আহিছে। প্ৰাচীন কালত মানৱ অধিকাৰৰ ধাৰণা বিচাৰ কৰা হৈছিল ধৰ্মীয় ৰীতি-নীতি, নৈতিকতাৰ আধাৰত। পাপ-পূণ্য, উচিত-অনুচিত, শুদ্ধ-অশুদ্ধ আদি চিন্তাধাৰাৰ মাজতে ব্যাপকভাৱে এই অধিকাৰৰ ধাৰণা প্ৰচলন হৈ আছিল। প্ৰাচীন ধৰ্মীয় গ্ৰন্থ যেনে- বেদ, উপনিষদ, ভাগৱত-গীতা, ৰামায়ণ, মহাভাৰত আদিবোৰ আছিল এনে অধিকাৰৰ উৎস। লগতে সেই সময়ৰ চিন্তাবিদসকলৰ লিখনিৰ মাজতো এনে অধিকাৰ সম্পৰ্কীয় চিন্তাৰ প্ৰচলন দেখা যায়। প্ৰাচীন ভাৰতত প্ৰচলিত সংস্কৃতিৰ মূল ভিত্তি আছি 'বসুধৈবঃ কুটুম্বকম্' অৰ্থাৎ সমগ্ৰ বিশ্ববাসীয়ে মোৰ আপোন বা কুটুম্ব। ইয়েই আজিৰ মানৱ অধিকাৰৰ মূল দৰ্শন সাৰ্বজনীন ভাতৃত্ববোধকে প্ৰতিফলন কৰে। অৱশ্যে সেই সময়ত প্ৰচলন হোৱা বা মানৱ চিন্তাবিদসকলৰ চিন্তাধাৰাত প্ৰকাশ পোৱা অধিকাৰবোৰক মানৱ অধিকাৰ অভিধাৰে বিভূষিত কৰা হোৱা নাছিল তাৰ পৰিৱৰ্তে সুশৃংখল সমাজ জীৱন গঢ়াৰ স্বাৰ্থতে এই অধিকাৰবোৰৰ প্ৰচলন হৈছিল। অৱশ্যে আজিৰ মানৱ অধিকাৰৰ পৰিসৰৰ ভিতৰত এই অধিকাৰবোৰে এক অতি গুৰুত্বপূৰ্ণ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। মানবীয় প্ৰমূল্যবোধক আধাৰ হিচাপে গ্ৰহণ কৰা প্ৰাচীন ভাৰতীয় সংস্কৃতি বিশ্বৰ আন দেশসমূহৰ বাবে সেয়েহে অনুকৰণীয় আছিল। প্ৰাচীন ভাৰতীয় সমাজত মানৱ অধিকাৰৰ প্ৰসাৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

**প্ৰাচীন সাহিত্যসমূহৰ মাজত মানৱ অধিকাৰৰ প্ৰকাশ ঃ** বেদ হৈছে হিন্দু ধৰ্মৰ বা ভাৰতীয় সংস্কৃতিৰ আটাইতকৈ পুৰণি গ্ৰন্থ। বেদৰ অৰ্থ হৈছে 'জ্ঞান'। ভাৰতীয় বিশ্বাস অনুযায়ী বেদসমূহৰ নিৰ্দিষ্ট কোনো ৰচক

নাই। প্ৰাচীন ভাৰতীয় সভ্যতা বেদৰ ভিত্তিতে গঢ় দি তোলা হৈছিল আৰু জনজীৱনক বেদৰ ৰীতি অনুসৰিয়েই পৰিচালনা কৰিব বিচৰা হৈছিল। বেদ সম্পৰ্কত মেক্সমুলাৰে কৈছিল 'In the history of the world, the vedas fill a gap which no literary work any other language could fill' মুঠতে বেদ আছিল প্ৰাচীন বিশ্ব সাহিত্যৰ অন্যতম গ্ৰন্থ। বেদৰ প্ৰচাৰ কৰা বাণী অথবা নীতিকথাসমূহ ধৰ্মীয় আৰু নৈতিকতাৰ উচ্চ শিখৰত অৱগাহন কৰা। "অধিকাৰতকৈ কৰ্তব্যই শ্ৰেয়" আছিল বেদৰ মাজত প্ৰৱাহিত অন্যতম বাণী অৰ্থাৎ প্ৰতিজনেই নিজ দায়িত্ব বা কৰ্তব্য সম্পাদন কৰিলেই যে অধিকাৰ সকলোৰে বাবে উপভোগ্য হৈ উঠে সেই দৰ্শন প্ৰাচীন বেদসমূহৰ মাজত প্ৰচলিত। পৰৱৰ্তী সময়ত পাশ্চাত্য চিন্তাবিদ লাস্কিৰ চিন্তাধাৰৰ মাজতো এই ধাৰণাৰ প্ৰকাশ দেখা যায়।

স্বাধীনতাৰ ধাৰণা বেদসমূহৰ অন্যতম কেন্দ্ৰীয় বিষয়। প্ৰাচীনতম বেদ ঋক বেদত ব্যক্তিৰ দেহ (তন) বাসস্থান (স্কৃদ্ধি) আৰু জীৱনৰ (জিৱাসী) ওপৰত ব্যক্তিক স্বাধীনতা প্ৰদান কৰিছে। সাম্প্ৰতিক অধিকাৰৰ প্ৰেক্ষাপটত এইবোৰক খাদ্যৰ অধিকাৰ, বাসস্থানৰ অধিকাৰ আৰু জীয়াই থকাৰ অধিকাৰ হিচাবে ব্যাখ্যা কৰা হৈছে।

সমতাৰ ধাৰণা বেদসমূহত স্পষ্টৰূপত দেখিবলৈ পোৱা যায়। প্ৰত্যেক ব্যক্তিয়ে পৰমেশ্বৰৰ অংশ সকলো একেজন ভগৱানৰে সন্তান সেয়ে আমি সকলোৱে সম মৰ্য্যাদাৰ অধিকাৰী। অথৰ্ববেদত ব্যক্তিৰ এনে সমতাৰ ভিত্তিত সকলোৰে বাবে খাদ্য প্ৰাপ্তিৰ অধিকাৰ আৰু পানীৰ অধিকাৰক স্বীকৃতি দিছে। প্ৰতিজনক ভাতৃত্ববোধৰ বান্ধোনৰ দ্বাৰা আৱদ্ধ হৈ এখন ন্যায়সংগত সমাজ জীৱন প্ৰতিষ্ঠাক আৰ্হি হিচাবে গ্ৰহণ কৰাৰ বাণী অথৰ্ববেদৰ বিভিন্ন অংশত প্ৰবাহিত হৈ আছে।

নাৰীক উপযুক্ত মৰ্যাদা প্ৰদান কৰাটো আছিল বেদসমূহৰ এক অন্যতম দিশ। শিক্ষা আৰু ৰাজহুৱা স্থানত পুৰুষৰ সমানে নাৰীক অংশ গ্ৰহণ কৰিবলৈ দিয়াটো আছিল প্ৰাচীন বেদসমূহৰ এক অন্যতম দিশ। ঋক বেদত নাৰীৰ মৰ্যাদা উল্লেখ কৰা এটি অন্যতম বাণী হৈছে "The entire macrocosm of noble people bows to the majestic womans' glory in order for her to enlighten us with sagacity and fore-sight. She is a pillar of society who imparts wisdom to all. She is symbol of weath and famous sibling. May we value her in order for her to eradicate evil and hate from society." বৈদিক সাহিত্যসমূহৰ প্ৰধান উপজীব্য বিষয় আছিল মানৱীয় মৰ্য্যাদাবোধৰ সুৰক্ষাদান। আধ্যাত্মিক আৰু নৈতিক পোচাকেৰে পৰিবেষ্টিত দায়িত্ববোধ আৰু কৰ্মৰ মাজেদিয়েই সেয়া উপলব্ধ কৰিব বিচৰা হৈছিল।

বেদৰ দৰে সেই সময়ৰ উপনিষদ আৰু পুৰাণসমূহতো অধিকাৰ আৰু দায়বদ্ধতাক সংপৃক্ত কৰি ধৰ্মীয় অনুশাসনৰ দ্বাৰা মানৱ অধিকাৰ সুৰক্ষাৰ সম্পূৰ্ণ ব্যৱস্থা কৰা হৈছিল। ধৰ্ম (সত্যতা), অৰ্থ (সম্পত্তি), কৰ্ম (কাম) আৰু মোক্ষ (নিৰ্বাণ)ক জীৱনৰ অন্যতম লক্ষ্য হিচাপে প্ৰতিষ্ঠা কৰি এখন ভাৱসম্য আৰু শৃংখলাবদ্ধ সমাজ প্ৰতিষ্ঠাত গুৰুত্ব প্ৰদান কৰা হৈছিল।

প্ৰাচীন ভাৰতৰ মহাকাব্য ৰামায়ণ আৰু মহাভাৰতটো অধিকাৰ সম্পৰ্কে ব্যাখ্যা বিভিন্ন অংশত দেখিবলৈ পোৱা যায়। প্ৰজাহিতাৰ্থে ৰজাই ৰাজকাৰ্য পালন কৰাৰ বিভিন্ন উপদেশ বাণী এই দুই মহাকাব্যৰ উল্লেখনীয় বৈশিষ্ট্য। মহাভাৰতৰ শান্তি পৰ্বত ৰজাৰ কৰ্তব্য সম্পৰ্কে বিতং আলোচনা কৰা আছে। ৰজাৰ ৰাজকৰ্তব্যসমূহৰ ভিতৰত অন্যতম প্ৰাথমিক কৰ্তব্য হ'ল সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ সুৰক্ষাৰ ব্যৱস্থা কৰা, সুস্থিৰ দ্বন্দ্বনীতিৰ প্ৰয়োগৰ দ্বাৰা ন্যায় ব্যৱস্থা সুচল কৰা আৰু জনকল্যান সাধনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা। মহাভাৰতৰ দৰে বাল্মিকীৰ ৰামায়ণতো প্ৰজাহিতাৰ্থে ৰাজকাৰ্য সাধনৰ ওপৰত গুৰুত্ব প্ৰদানেৰে ৰজাৰ আৰু প্ৰজাৰ দায়িত্বৰ মাজতে অধিকাৰ, সুখ আৰু শান্তিৰ পৰিৱেশ সূচনাৰ প্ৰয়াস কৰা হৈছে।

প্ৰাচীন ভাৰতৰ চিন্তাবিদসকলৰ ভিতৰত কৌটিল্য, পানিনি, আৰু মনু অন্যতম। মনুৱে তেওঁৰ মনুস্মৃতিত অধিকাৰ আলোচনা কৰা দেখা যায়। চৰ্তুবৰ্ণ অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ নামত সমাজক শ্ৰেণী বিভক্ত কৰি মনুৱে এখন শৃংখলাবদ্ধ সমাজ প্ৰতিষ্ঠাৰ প্ৰচেষ্টা চলাইছিল। আধুনিক অধিকাৰৰ ধাৰণাত মনুৰ চৰ্তুবৰ্ণৰ ধাৰণা সমালোচিত হ'লেও সুশৃংখল আৰু অধিকাৰ ভোগৰ বাবে প্ৰয়োজনীয় সমাজ গঢ়াৰ ক্ষেত্ৰত মনুৰ অৱদান সেই সময়ৰ সমাজ ব্যৱস্থাত অতি প্ৰাসংগিক আছিল। ইয়াৰ উপৰিও জনসাধাৰণৰ বিকাশৰ বাবে (যাক আজিৰ সময়ত অধিকাৰ আখ্যা দিয় হয়) প্ৰয়োজনীয় কাৰ্য পদ্ধতি গ্ৰহণ সম্পৰ্কে ৰজাক ভালেমান নিৰ্দেশনা দিছিল। মহিলাৰ অধিকাৰ সম্পৰ্কেও মনুৰ চিন্তাধাৰাত প্ৰতিফলন ঘটা দেখা যায়। মহিলাৰ সুখ, আনন্দ বা অধিকাৰ সুৰক্ষিত ৰখাৰ বাবে মনুৱে কৈছে "যত্ৰ নাৰ্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ" অৰ্থাৎ য'ত নাৰীক পূজা কৰা হয় তাত দেৱতাসকলে আনন্দেৰে থাকে আনহাতে য'ত নাৰী অনাহূত হয় তাত সকলো কামৰে অপূৰ্ণতা বা অপ্ৰাপ্তি থাকে। মনুৱে আন এঠাইত পুনৰ কৈছিল যে যি বংশত স্ত্ৰী আৰু বোৱাৰীয়ে দুখ ভোগ কৰে সেই বংশ সহজতে নাশ হয়।

মনুৰ দৰে প্ৰাচীন ভাৰতীয় ব্যাকৰণবিদ পানিনিয়ে ধৰ্মীয় গুণাগুণ, প্ৰথা আৰু সামাজিক প্ৰতিমান বিলাকৰ দ্বাৰা অধিকাৰ ধাৰণাৰ ব্যাখ্যা আগবঢ়াইছিল। তেওঁৰ মতে প্ৰজাক অৰাজকতা আৰু বিপদৰ পৰা ৰক্ষা কৰাৰ উপৰিও জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ অধিকাৰ সুনিশ্চিত কৰাটো ৰজাৰ প্ৰাথমিক দায়িত্ব।

প্ৰাচীন ভাৰতৰ অন্যতম চিন্তাবিদ কৌটিল্যৰ অৰ্থশাস্ত্ৰতো মানুহৰ মৰ্যাদাবোধ সুৰক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা দেখা যায়। কৌটিল্যৰ ৰচনাত পৌৰ আৰু সামাজিক অধিকাৰৰ লগতে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক অধিকাৰৰো উল্লেখ পোৱা যায়। কৌটিল্যই তিনি ধৰণৰ সম্পত্তিৰ অধিকাৰক স্বীকৃতি দিছিল-- সামূহিক সম্পত্তি (Collective Property) সাধাৰণ সম্পত্তি (Common Property) আৰু ব্যক্তিগত সম্পত্তি (Private Property)। কৌটিল্যই বৰ্তমান সময়ত অসুৰক্ষিত গোট হিচাবে স্বীকৃত মহিলা, বৃদ্ধ, অনাথ লোকসকলৰ নিৰাপত্তাৰ বিষয়টোত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। মুঠতে কৌটিল্যৰ দৃষ্টিত ৰাজ্য শাসনৰ দ্বাৰা ৰজাই ব্যৱস্থাৰ স্থায়িত্বতাৰ লগতে বিশেষ আৰ্থ সামাজিক ব্যৱস্থাৰ পোষকতা কৰিছিল য'ত জনকল্যান আৰু মানৱীয় মৰ্যাদাবোধৰ গুৰুত্ব সৰ্বাধিক আছিল।

প্ৰাচীন ভাৰতৰ ভেটিত মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত হিন্দু ধৰ্মৰ লেখিয়াকৈ বৌদ্ধ আৰু জৈন ধৰ্মও বিশেষ অৱদান যোগাইছিল। এই দুই ধৰ্ম গঢ় লৈ উঠিছিল মূলতঃ সমাজত প্ৰচলিত মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়ক ৰোধৰ স্বাৰ্থত। প্ৰচলিত সমাজ ব্যৱস্থাত কৰ্ম ভিত্তিত গঢ়ি উঠা বৰ্ণবাদে ক্ৰমাৎ জন্মগত বৈষম্যক পোষকতা কৰা, ব্ৰাহ্মণ্যবাদৰ অসমতাপূৰ্ণ দৃষ্টিভংগীয়ে সমাজত অসমতা, নিপিড়নৰ সৃষ্টি কৰা আৰু এচাম লোকৰ আধিপত্যবাদে মানৱীয় মৰ্যাদাবোধত যথেষ্ট অৱক্ষয় আনিছিল। এনে এক সন্ধিক্ষণত মানৱতাবাদক পুনৰুদ্ধাৰ কৰি সমতা আৰু ন্যায়পূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ বাবে জৈন আৰু বৌদ্ধ ধৰ্মৰ অভ্যুত্থান ঘটিছিল। বৌদ্ধ ধৰ্মৰ মূল আধাৰ হ'ল সমতা আৰু শান্তি। সমাজত বসবাস কৰা প্ৰতিজন লোকেই সমান। প্ৰত্যেকেই সমাজৰ শৃংখলাবোধ আৰু ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত নিজ নিজ ধৰণে অৰিহণা যোগাব পাৰে। প্ৰত্যেকে পালন কৰিবলগা দায়িত্বৰ ভেটিতে সমাজৰ অধিকাৰৰ ধাৰণাটো বৌদ্ধ দৰ্শনত প্ৰতিফলিত হৈছে। সমাজৰ প্ৰতিপালন কৰিবলগা দায়িত্ব মোক্ষ প্ৰাপ্তিৰ বাবে ত্যাগ হিচাবে আলোচনা কৰি প্ৰাচীন সনাতনী সংস্কৃতিৰ দায়িত্বৰ মাজতে অধিকাৰৰ ধাৰণাক বৌদ্ধ চিন্তা-চৰ্চাতো প্ৰকাশ হোৱা দেখা যায়। জৈন ধৰ্মৰ অধিকাৰৰ ক্ষেত্ৰখন প্ৰচলিত অধিকাৰৰ ক্ষেত্ৰখনতকৈ যথেষ্ট বিস্তৃত। জৈন ধৰ্মত কেৱল মানুহৰ অধিকাৰৰ বিষয়টো আলোচনা কৰা হৈছে। জৈন দৰ্শন অনুসৰি প্ৰতিটো জীৱৰো একোটা আত্মা থাকে আৰু নিজে বিছৰা ধৰণে জীয়াই থাকিব বিচৰাটোত সকলোৰে অধিকাৰ আছে। অহিংসাৰ মাজেৰে এনে কল্যাকামী আদৰ্শ বাস্তৱায়িত কৰাটো জৈন দৰ্শনৰ অন্যতম উদ্দেশ্য। অহিংসা, সত্য, অস্তেয়, অপৰিগ্ৰহ আৰু ব্ৰহ্মাচাৰ্যৰ পঞ্চমহাব্ৰতৰ মাজেৰে দায়িত্ববোধৰ আৱৰণৰ মাজতে অধিকাৰ ভোগৰ পৰিৱেশ ৰচনা কৰাটো জৈন ধৰ্মৰো অন্যতম দিশ।

মুঠতে ধৰ্মীয়, নৈতিক আৰু আধ্যাত্মিক দায়িত্ববোধৰ মাজতে প্ৰাচীন ভাৰতবৰ্ষত অধিকাৰৰ ধাৰণাই গা কৰি উঠিছিল। মানৱীয় মৰ্যাদাবোধ ৰক্ষাৰ লগতে সুশৃংখল আৰু সুসংহত সমাজ জীৱনৰ মাজেদি সকলোৰে সুখ, শান্তি বাস্তৱায়িত কৰাটোৰ মাজতে প্ৰাচীন ভাৰতৰ চিন্তাধাৰাত মানৱ অধিকাৰৰ ধাৰণা প্ৰৱাহিত হৈ আছে। প্ৰাচীন ভাৰতত প্ৰতিষ্ঠিত হোৱা আৰু সম্প্ৰতি মানৱ অধিকাৰ হিচাবে চিহ্নিত হোৱা কেতবোৰ গুৰুত্বপূৰ্ণ অধিকাৰ হ'ল।

### ১। **সুখ লাভৰ অধিকাৰ (Right to Happiness) ঃ**

সমসাময়িক বিশ্বত সুখ বা শান্তিক জীৱনৰ চূড়ান্ত লক্ষ্য হিচাবে চিহ্নিত কৰা হৈছে। সুখ লাভৰ দ্বাৰা সম্প্ৰতি অনেক ৰাষ্ট্ৰই নিজৰ প্ৰগতি নিৰ্দ্ধাৰণ কৰিবলৈ লৈছে। ভূটানৰ বাৰ্ষিক বিকাশ সৰ্বমুঠ ঘৰুৱা সুখৰ পৰিমাণ (Gross Domestic Happiness) পৰিমাপণক বিশ্বৰ আন ৰাষ্ট্ৰসমূহৰ বাবে আদৰ্শ হিচাবে প্ৰতিষ্ঠিত হৈছে। প্ৰাচীন ভাৰতীয় পৰম্পৰাৰ মূল লক্ষ্য আছিল সুখী জীৱন যাপন কৰাৰ। প্ৰাচীন ভাৰতবৰ্ষৰ সকলো গ্ৰন্থতে ৰজা আৰু প্ৰজাৰ প্ৰতি যিবোৰ উপদেশ দিয়া হৈছিল তাৰ প্ৰধান উপজিব্য বিষয় আছিল জনকল্যান সাধন আৰু সুখ লাভ। সকলো শান্তিৰ বাণীতে উচ্চাৰণ কৰা হৈছিল--

"সৰ্ব ভৱন্তু সুখিনঃ
সৰ্বে সন্তু নিৰাময়াঃ

সৰ্ব ভদ্ৰানি পশ্চন্তু
মা কশ্চিদ দুঃখ ভাগ্ভবেৎ
ওম শান্তি ঃ শান্তিঃ শান্তিঃ"

অৰ্থাৎ সুখ প্ৰাপ্তি প্ৰাচীন ভাৰতীয় সমাজত প্ৰচলিত এটি অন্যতম গুৰুত্বপূৰ্ণ অধিকাৰ।

২। **সমতাৰ অধিকাৰ (Right to Equality)** ঃ প্ৰাচীন ভাৰতত প্ৰচলিত এটি অন্যতম মানৱ অধিকাৰ আছিল সমতাৰ অধিকাৰ। সকলো জীৱই ভগৱানৰ অংশ আৰু সেয়েহে সকলোৱে সমমৰ্যাদা লাভ কৰাটো দৰকাৰী। সনাতন ধৰ্মৰ উপৰিও পৰৱৰ্তী সময়ত সৃষ্টি হোৱা বৌদ্ধ আৰু জৈন ধৰ্মৰো মূল দৰ্শন আছিল সকলোৰে সমতা।

৩। **শিক্ষাৰ অধিকাৰ (Right to Education)** ঃ প্ৰাচীন ভাৰতবৰ্ষত প্ৰচলিত এটি অন্যতম অধিকাৰ হ'ল শিক্ষাৰ অধিকাৰ। বৈদিক যুগত পুৰুষৰ লগতে মহিলাৰ শিক্ষা গ্ৰহণকো আগস্থান দিয়া হৈছিল। বিদ্যা লাভক জীৱনৰ এক অন্যতম লক্ষ্য কৰিবলৈ কোৱা হৈছিল এনেদৰে–

"বিদ্যা দদাতি বিনয়
বিনয়াট যাতি পাত্ৰতাম
পাত্ৰত্বাত ধনমাপ্ৰোতি
ধনাত্ ধৰ্ম ততঃ সুখম"

অৰ্থাৎ বিদ্যা বা জ্ঞানে আমাক বিনম্ৰতা প্ৰদান কৰে, বিনম্ৰতাই যোগ্যতা লাভত সহায় কৰে, যোগ্যতাৰ দ্বাৰা ধন বা সম্পদ প্ৰাপ্তি সেই সম্পদৰ দ্বাৰা ধৰ্মকাৰ্য কৰি সুখ প্ৰাপ্তি হয়। বিদ্যা বিহীনজনক কমমৰ্যাদা সম্পন্ন আখ্যা দি বিদ্যা লাভৰ প্ৰতি জনসমাজক আকৃষ্ট কৰিছিল। অৱশ্যে বেদৰ পৰৱৰ্তী কালত ভালেমান চিন্তাবিদে শিক্ষা সকলোৰে বাবে প্ৰযোয্য নীতিৰ তীব্ৰ বিৰোধীতা কৰিছিল।

৪। **সুৰক্ষাৰ অধিকাৰ (Right to Protection)** ঃ

প্ৰাচীন ভাৰতত প্ৰচলিত এটি অন্যতম অধিকাৰ আছিল সুৰক্ষাৰ অধিকাৰ। ৰাষ্ট্ৰৰ মূল দায়িত্ব আছিল জনসাধাৰণক সুৰক্ষা দান কৰা। সমাজৰ দুৰ্বল আৰু অসহায় লোকসকলৰ সুৰক্ষাৰ ব্যৱস্থা কৰাটো আছিল এক অন্যতম গুৰুত্বপূৰ্ণ দিশ। বেদৰ উপৰিও কৌটিল্যৰ অৰ্থশাস্ত্ৰ, মহাভাৰতৰ শান্তি পৰ্বটো ব্যক্তিৰ সুৰক্ষাৰ দিশটোক অগ্ৰাধিকাৰ দিয়াটো ৰাষ্ট্ৰশাসকৰ অন্যতম ধৰ্ম হিচাপে উল্লেখ কৰা হৈছে।

৫। **ন্যায় লাভৰ অধিকাৰ (Right to justice)** ঃ

সঠিক দ্বন্দনীতিৰ প্ৰয়োগ প্ৰাচীন ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ এটা অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। দ্বন্দনীতিৰ মূল উদ্দেশ্য হ'ল সমাজত ন্যায় প্ৰতিষ্ঠা কৰা। দোষীক নিদৰ্শনমূলক শাস্তি প্ৰদানেৰে নিৰ্দোষীসকলক সুৰক্ষিত কৰাৰ লগতে সমাজত শান্তি প্ৰতিষ্ঠা কৰাই আছিল ইয়াৰ লক্ষ্য। ফলত প্ৰাচীন ভাৰতীয় সমাজত ন্যায় প্ৰাপ্তি

সকলোৱে অধিকাৰত পৰিণত হৈছিল। নিজৰ ন্যায়ৰ বাবে কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰি ন্যায় সুনিশ্চিত কৰিবলৈ সক্ষম হৈছিল।

প্ৰাচীন ভাৰতত ওপৰোক্ত অধিকাৰসমূহৰ উপৰিও সুশৃংখল সমাজ জীৱনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ অধিকাৰৰে উপস্থিতি দেখা যায়। তাৰ ভিতৰত খাদ্যৰ অধিকাৰ, জীৱনৰ অধিকাৰ, বাসস্থানৰ অধিকাৰ আদি অন্যতম। প্ৰাচীন ভাৰতত প্ৰচলিত এই মানৱ অধিকাৰবোৰৰ কিছুমান বিশেষ বৈশিষ্ট্য দেখা যায় যেনে--

১। প্ৰাচীন ভাৰতত অধিকাৰৰ ধাৰণাৰ বিকাশ হৈছিল ধৰ্মীয় চিন্তাধাৰাৰ মাজেদি। ন্যায়-অন্যায়, পাপ-পূণ্য উচিত-অনুচিত আদিৰ মাজেদিয়ে অধিকাৰৰ ধাৰণাৰ প্ৰকাশ হৈছিল। মোক্ষ জীৱনৰ লক্ষ্য হিচাবে নিৰ্দ্ধাৰিণ কৰি ন্যায়সংগত, পূণ্য আৰু উচিত কামত উদগণি যোগায় সকলোৱে অধিকাৰ ভোগৰ এক পৰিৱেশ ৰচনা কৰা হৈছিল।

২। প্ৰাচীন ভাৰতৰ অধিকাৰৰ ধাৰণাটো কৰ্ত্তব্যৰ লগত সংপৃক্ত আছিল। কৰ্ত্তব্য বা দায়িত্ব সম্পাদনৰ ওপৰতহে অধিকাৰ ভোগৰ চৰ্ত্ত নিহিত আছিল। সেয়েহে প্ৰাচীন ভাৰতীয় ধৰ্মগ্ৰন্থ বা চিন্তাবিদ সকলৰ লিখনিত প্ৰত্যক্ষভাৱে অধিকাৰৰ বিষয়ে আলোচনা কৰাৰ পৰিৱৰ্তে বিভিন্ন ব্যক্তি আৰু পদবীয়ে পালন কৰিলগা দায়িত্ব সম্পৰ্কেহে ব্যাখ্যা কৰা হৈছে। অৰ্থাৎ এজনৰ কৰ্তব্যৰ দ্বাৰা আনজনৰ অধিকাৰ ভোগ কৰিব পাৰিব আৰু আনজনে কৰ্তব্য সম্পাদন কৰিলেহে এজনে অধিকাৰ ভোগ কৰিব পাৰে।

৩। অসুৰক্ষিত লোকসকলক নিৰাপত্তা প্ৰদান প্ৰাচীন ভাৰতৰ অধিকাৰৰ এটি অন্যতম দিশ। সকলো জীৱই ঈশ্বৰৰ অংশস্বৰূপ। সেয়েহে কোনোৱে নিজৰ সুৰক্ষা গ্ৰহণ কৰিবলৈ অসমৰ্থ হ'লে সুৰক্ষা প্ৰদান এক সামাজিক দায়িত্ব। এনে মহান আদৰ্শ আৰু চিন্তাধাৰাই প্ৰাচীন ভাৰতৰ অধিকাৰৰ পৰিসৰ সমৃদ্ধ কৰিছিল।

মুঠতে প্ৰাচীন ভাৰতৰ সামাজিক মূল্যবোধ, চিন্তাধাৰা, দৰ্শন সকলোতে আজিৰ মানৱ অধিকাৰৰ পৰিসৰত স্বীকৃত ভালেমান অধিকাৰৰ প্ৰচলন দেখা যায়। এনে মানৱ অধিকাৰৰ শক্তিশালী ভেটিৰ বাবেই ভাৰতীয় সমাজ বিশ্বৰ অন্য প্ৰান্তৰ সমাজৰ বাবে পথ প্ৰদৰ্শক আছিল।

**মধ্য যুগত মানৱ অধিকাৰৰ বিকাশ ঃ**

বিশ্বৰ আন আন প্ৰগতিশীল চিন্তাধাৰাৰলৈ মধ্যযুগৰ বিশেষ অৱদান দেখা নাযায়। মধ্য যুগৰ সমগ্ৰ বিশ্বতে ধৰ্ম আৰু ৰাজসত্তাৰ মাজত ক্ষমতাকেন্দ্ৰীক দ্বন্দ্ব দেখা গৈছিল। যাৰ ফলত বৈজ্ঞানিক চিন্তা-চৰ্চা বা আন আন প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰখন ভালেমান দিশত পিছ পৰি ৰৈছিল। অৱশ্যে বিশ্ববাসীয়ে সামন্তবাদৰ বিপক্ষে ক্ৰমাৎ যুক্তিগত চিন্তা-চৰ্চাক প্ৰাধান্য দিয়াৰ ফলত অধিকাৰৰ ধাৰণাটোৱে লাহে লাহে বিশ্ব প্ৰেক্ষাপটত মূৰ দাঙি উঠিবলৈ ধৰিছিল।

ভাৰতৰ ইতিহাসত মধ্যযুগৰ সময়ছোৱা আছিল ভাৰতীয় সভ্যতাৰ বিপৰ্যয়ৰ সময়। ইছলামীয় বিদেশী লোকৰ আক্ৰমণে ভাৰতত পূৰ্বে প্ৰতিস্থিত শাসনৰ পৰিকাঠামো সম্পূৰ্ণৰূপে ভাঙি আৰবীয় শাসনৰ আৰ্হিত

এক নতুন ধৰণৰ শাসন ব্যৱস্থাৰ প্ৰচলন কৰিছিল। কোৰাণ আৰু শ্বৰিয়তৰ ওপৰত ভিত্তি কৰি এই শাসকসকলে আৰম্ভ কৰা প্ৰশাসনত জনসাধাৰণে যথেষ্ট দুৰ্যোগ ভুগিবলগা হৈছিল। অৱশেষত চুলতান শাসনৰ পতনৰ পিছত মধ্য এচিয়াৰ পৰা অহা মোগলসকলৰ শাসনকালত ভাৰতীয় ৰাজনীতিত অধিকাৰৰ ধাৰণাই ক্ৰমাৎ বিকাশ লাভ কৰিবলৈ আৰম্ভ কৰিছিল।

মানৱ অধিকাৰৰ দৃষ্টিকোণৰ পৰা মধ্যযুগৰ আকবৰৰ শাসন কালছোৱা বিশেষভাৱে উল্লেখনীয়। আকবৰৰ ৰাজত্বকালতে পোন প্ৰথমে ধৰ্মনিৰপেক্ষ শাসন ব্যৱস্থাৰ আৰম্ভণি আছিল। তেওঁ সাৰ্বজনীনতা, সমন্বয় আৰু সহনশীলতাৰ নীতিৰ ভিত্তিত ৰাষ্ট্ৰ প্ৰশাসন আৰম্ভ কৰিছিল। আকবৰৰ ৰাজত্বকালতে পূৰ্বে প্ৰচলিত কেৱল হিন্দু প্ৰজাৰ ওপৰত আৰোপিত কৰৰ বিলোপ সাধন কৰি সকলো প্ৰজাকে সমদৃষ্টি প্ৰদান কৰা নীতি আৰম্ভ কৰিছিল। আকবৰে সমতা আৰু ধৰ্মীয় স্বাধীনতাক অধিক প্ৰাধান্য দিছিল। সকলো ধৰ্মৰ লোকে পালন কৰিব পৰাকৈ তেওঁ 'দিন-ই-ইছলামী' নামেৰে এক ধৰ্ম প্ৰতিষ্ঠা কৰিছিল। ধৰ্মৰ ক্ষেত্ৰত বাধ্যবাধকতা মুঠেই আৰোপ কৰা নাছিল। তাৰ পৰিৱৰ্তে সাহিত্য-সংস্কৃতি বা আন ক্ষেত্ৰতো তেওঁ সমন্বয়ৰ বীজ ৰোপণ কৰিছিল। আকবৰৰ শাসনকালত ন্যায় আৰু সমতা নীতিৰ প্ৰৱৰ্ত্তন সম্পৰ্কে ইউৰোপীয় ভ্ৰমণকাৰীসকলে অতি উচ্চ প্ৰশংসা কৰিছিল। আকবৰৰ পৰবৰ্ত্তী কালত তেওঁৰ পুত্ৰ জাহাঙ্গীৰেও প্ৰজাহিতাৰ্থে যথেষ্ট কাম কৰিছিল। অৱশ্যে তেওঁলোকৰ উত্তৰসূৰী ঔৰংগজেবে সেই ধাৰা অক্ষুণ্ণ ৰখা নাছিল।

মধ্যযুগত ভাৰতবৰ্ষৰ মানৱ অধিকাৰ বিকাশৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান যোগোৱা দুটা আন্দোলন হ'ল ভক্তিবাদ আৰু চুফিবাদ। সমাজ সংস্কাৰকামী এই দুই আন্দোলনে সমাজৰ পৰা জাতিভেদ, ধৰ্মীয় অসহিষ্ণুতা নিস্কাষণৰ বাবে যথেষ্ট প্ৰচেষ্টা কৰিছিল। মূলতঃ সমাজ সংস্কাৰৰ দ্বাৰা ধৰ্মান্ধতা আৰু বৰ্ণবাদৰ নামত হোৱা শোষণৰ বিৰুদ্ধাচাৰণ কৰি সমতাপূৰ্ণ আৰু ন্যায়সংগত সমাজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই দুই আন্দোলনৰ ভূমিকা অনস্বীকাৰ্য।

**ভক্তি আন্দোলন (Bhakti movement) ঃ**

ভক্তি আন্দোলন শংকৰাচাৰ্য, কবীৰ, গুৰুনানক, ৰামানন্দৰ নেতৃত্বত আৰম্ভ হোৱা হিন্দু ধৰ্মৰ এক সংস্কাৰ মুখী আন্দোলন। প্ৰচলিত জাতিভেদ প্ৰথা আৰু ৰক্ষণশীলতাক ওফৰাই সমতাপূৰ্ণ সহনশীল আৰু উদাৰতাপূৰ্ণ এক সমাজ গঢ়ি তোলাটোৱে এই আন্দোলনৰ লক্ষ্য।

ভক্তি আন্দোলনৰ মাজত সেই সময়ত ভাৰতবৰ্ষত প্ৰচলিত হৈ থকা ইছলাম ধৰ্মৰ স্পষ্ট প্ৰভাৱ দেখা যায়। একেশ্বৰবাদত বিশ্বাস, মূৰ্ত্তি পূজাৰ বিৰোধীতা, জাতিভেদ প্ৰথা আতৰাই সমতাপূৰ্ণ সমাজ প্ৰতিস্থাৰ যি আদৰ্শ ভক্তিবাদী আন্দোলনত দেখা যায় সেয়া বহু পৰিমাণে ইছলামীয় দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত।

ভক্তি আন্দোলনে ভাৰতীয় সমাজত এক জনজাগৰণ আনিবলৈ সক্ষম হৈছিল। হিন্দু ধৰ্মক সংস্কাৰ কৰাৰ ক্ষেত্ৰত বিশেষ সফল নহলেও এই আন্দোলনে সাধাৰণ শ্ৰেণীৰ হিন্দু মুছলমান লোকৰ মাজত একতা স্থাপনত বিশেষ সফল হৈছিল। অধ্যাপক শ্ৰীবাস্তৱৰ মতে সম্ভৱত বৌদ্ধ ধৰ্মৰ পতনৰ পিছত ভক্তি আন্দোলনতকৈ

সুদূৰ প্ৰসাৰী আৰু জনপ্ৰিয় আন্দোলন ভাৰতত হোৱা নাছিল। তেওঁৰ মতে ভক্তি আন্দোলনৰ দুটা প্ৰধান উদ্দেশ্য আছিল ইছলাম ধৰ্মৰ আক্ৰমণক প্ৰতিৰোধ কৰিব পৰাকৈ হিন্দুধৰ্মক সংস্কাৰ কৰি শক্তিশালী কৰি তোলা আৰু হিন্দু ইছলামৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠাৰ দ্বাৰা সামাজিক ভাতৃত্ববোধ বৃদ্ধি কৰা।

**চুফি আন্দোলন (Sufi Movement) ঃ**

হিন্দু ধৰ্মৰ ভক্তিবাদৰ সমান্তৰালকৈ ইছলাম ধৰ্মৰ মাজতো গোড়ামী আৰু ৰক্ষণশীলতাক আতৰাই এখন সংস্কাৰমুখী সমাজ গঢ়াৰ বাবে চুফিবাদী আন্দোলন গঢ় লৈ উঠিছিল। ভাৰতত গঢ়ি উঠা চুফিবাদী আন্দোলনো দৰাচলতে সম্মিলিতবাদ (Syncretism) ৰে ফল। হিন্দুধৰ্মৰ সংস্পৰ্শত থাকি বেদ বেদান্তত উল্লিখিত উদাৰতা, অদ্বৈতবাদ আৰু সহনশীলতাক চুফি সাধক সকলে গ্ৰহণ কৰি ইছলাম ধৰ্মক সংস্কাৰ কৰিবলৈ বিচাৰিছিল।

চুফিবাদ মূলতঃ আৰম্ভ হৈছিল পশ্চিম এছিয়াত। ভাৰতলৈ অহা প্ৰথমজন চুফী পণ্ডিত আছিল আলি এল হুজবিৰি। তেওঁ চুফিবাদৰ ওপৰত ভালেমান গ্ৰন্থ ৰচনা কৰি ইছলামৰ এক নতুন ধাৰা আৰম্ভ কৰিছিল। ভাৰতত চুফিবাদী আন্দোলনৰ চাৰিটা শাখা দেখা যায় চিস্তিয়া, কাদিৰীয়া, চুহৰৱাদিয়া, নকচাভান্দিয়া। ইয়াৰে চিস্তিয়া শাখা অধিক প্ৰভাৱশালী আছিল। চিস্তিয়া শাখাৰ প্ৰতিষ্ঠাপক আছিল খাৱজা মইনুদ্দিন চিস্তি। চিস্তিৰ দ্বাৰা প্ৰচাৰিত চুফিৰ দৰ্শন বহুপৰিমাণে হিন্দু আদৰ্শৰ দ্বাৰা প্ৰভাৱিত। তেওঁলোকে পালন কৰা 'চিল্লা' হিন্দু ধৰ্মৰ 'সন্যাস'ৰ দ্বাৰা প্ৰভাৱিত। এওঁলোকে হিন্দু ধৰ্মৰ লোকৰ দৰে ৪০ দিন নিৰ্জনত আছিল সামান্য খাইছিল, প্ৰাৰ্থনা আৰু ধ্যানত অধিক সময় খৰছ কৰিছিল।

**আধুনিক ভাৰতত মানৱ অধিকাৰৰ বিকাশ ঃ**

মানৱ অধিকাৰৰ আধুনিক ভাৰতত বিকাশৰ পৰ্য্যায়ক দুটা স্তৰত আলোচনা কৰিব পাৰি।

(ক) উপনিবেশিক কালত মানৱ অধিকাৰৰ বিকাশ আৰু

(খ) স্বাধীনোত্তৰ কালত মানৱ অধিকাৰ।

**উপনিবেশিক কালত মানৱ অধিকাৰৰ বিকাশ ঃ**

মোগল আৰু দেশীয় ৰাজ্যসমূহক পৰাস্ত কৰি ইংৰাজ বাহিনীয়ে বাণিজ্য কৰাৰ অচিলাৰে ক্ৰমে ভাৰতৰ শাসনভাৰ নিজৰ হাতলৈ নিছিল। ১৮৫৮ চনৰ পৰা সম্পূৰ্ণৰূপে ভাৰতৰ শাসন ব্যৱস্থা বৃটিছ ৰাণীৰ অধীনস্থ হৈ পৰিল। আৰম্ভণিৰ পৰাই শোষণ, দমন আৰু অত্যাধিক কৰ-কাটলৰ বোজাই ভাৰতীয় জনসাধাৰণক বৃটিছ শাসনৰ প্ৰতি বিতুষ্ট কৰি তুলিছিল। বৃটিছ শাসনৰ বিৰুদ্ধে বিভিন্ন সময়ত ভাৰতীয় জনসাধাৰণে সু-সংগঠিত আন্দোলন গঢ়ি তুলিছিল। আন্দোলনসমূহৰ ভিত্তি আছিল বিভিন্ন পৌৰ, ৰাজনৈতিক আৰু অৰ্থনৈতিক দাবী। অনেক সময়ত বিভিন্ন দাবী সম্বলিত পত্ৰ বৃটিছ চৰকাৰলৈ প্ৰেৰণ কৰাৰ লগতে ভাৰতৰ জনসাধাৰণে সমান্তৰালভাৱে এক বৃটিছ প্ৰতিৰোধী আন্দোলন আগবঢ়াই নিছিল। এই আন্দোলনৰ মূল নেতৃত্ববহনকাৰী আছিল ভাৰতীয় জাতীয় কংগ্ৰেছ। ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিভিন্ন সম্মিলনত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ, বৃটিছ

চৰকাৰলৈ প্ৰেৰণ কৰা দাবীসমূহ আৰু বিভিন্ন প্ৰতিবেদনৰ পৰামৰ্শসমূহৰ মাজত মানৱ অধিকাৰৰ দিশসমূহ প্ৰস্ফুতিত হৈছে। আনফালে এনে দাবী বা প্ৰতিবেদনৰ পৰামৰ্শৰ ভিত্তিতে বৃটিছসকলেও বিভিন্ন সময়ত জনসাধাৰণক কিছুমান অধিকাৰ প্ৰদান কৰিছিল। বৃটিছ শাসনৰ কালছোৱাত ভাৰতত মানৱ অধিকাৰ বিকাশৰ ক্ষেত্ৰত অৱদান যোগোৱা কেইটামান উল্লেখযোগ্য ব্যৱস্থাৱলীৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

**১। ভাৰতীয় সংবিধান বিধেয়ক ১৮৯৫** (Constitution of India Bil, 1895) **:**

ভাৰতৰ মানৱ অধিকাৰ বিকাশৰ ক্ষেত্ৰত ভাৰতীয় সংবিধান বিধেয়ক ১৮৯৫ ৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই বিধেয়কখনক 'স্বৰাজ বিধেয়ক' নামেৰে জনা যায়। স্বশাসনৰ প্ৰতি উদ্বুদ্ধ হৈ ভাৰতীয় লোকৰ মাজত যি জাতীয়তাবাদৰ সৃষ্টি হৈছিল তাৰ ফলশ্ৰুতিতে এই বিধেয়কৰ জন্ম হৈছিল। এখন সম্পূৰ্ণ বৈধ আইন বা সংবিধানৰ আৰ্হিত প্ৰস্তুত কৰা এই দলিলখনত ১১০ টা অনুচ্ছেদ সন্নিবিষ্ট কৰা হৈছিল। এই বিধেয়কখনৰ বিভিন্ন অংশত ভালেমান গুৰুত্বপূৰ্ণ অধিকাৰ সন্নিবিষ্ট কৰা হৈছে যেনে- (ক) বাসস্থানৰ অধিকাৰ (খ) মতামত আৰু চিন্তা প্ৰকাশৰ অধিকাৰ (গ) সম্পত্তিৰ অধিকাৰ (ঘ) আইনৰ দৃষ্টিত সমতাৰ অধিকাৰ (ঙ) চৰকাৰী বিষয়ত জনসাধাৰণৰ অংশগ্ৰহণৰ অধিকাৰ (ছ) জনসাধাৰণে নিজৰ নিৰাপত্তাৰ স্বাৰ্থত অস্ত্ৰ ৰখাৰ অধিকাৰ (জ) আইনৰ দ্বাৰা অপৰাধী সাব্যস্ত নোহোৱালৈকে শাস্তি প্ৰদান কৰিব নোৱাৰাৰ অধিকাৰ (ঝ) মুক্ত শিক্ষা লাভৰ অধিকাৰ আৰু (ঞ) ভোটদানৰ অধিকাৰ আদি।

এই অধিকাৰবোৰ ঘোষণা কৰা ভাৰতীয় সংবিধান বিধেয়ক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বৃটিছ প্ৰশাসনে কোনো উৎসাহ দেখুৱা নাছিল। যাৰ ফলত এই অধিকাৰ বিধি অকাৰ্যকৰী হৈছিল। অৱশ্যে ১৯১৫ চনৰ ভাৰত চৰকাৰ আইনত জাতি, বৰ্ণ, ভাষা, ধৰ্ম নিৰ্বিশেষে চৰকাৰী সেৱা আগবঢ়োৱাৰ সমান অধিকাৰটো স্বীকৃত হৈছিল।

**১৯১৭ চনৰ পৰা ১৯১৯ চনলৈ ভাৰতীয় জাতীয় কংগ্ৰেছে গ্ৰহণ কৰা প্ৰস্তাৱ :**

ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯১৭ চনৰ পৰা ১৯১৯ চনলৈকে বিভিন্ন প্ৰস্তাৱ গ্ৰহণ কৰি পৌৰ অধিকাৰৰ দাবী উত্থাপন কৰিছিল। এই অধিকাৰসমূহৰ অন্যতম আছিল-

(ক) আইনৰ চকুত সমতাৰ অধিকাৰ (খ) স্বাধীনতাৰ অধিকাৰ (গ) সম্পত্তিৰ অধিকাৰ (ঘ) জীৱনৰ সুৰক্ষাৰ অধিকাৰ (ঙ) মত প্ৰকাশৰ অধিকাৰ (চ) আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ (ছ) সংস্থা গঠনৰ অধিকাৰ (জ) সমবেত হোৱাৰ অধিকাৰ আদি।

কংগ্ৰেছে গ্ৰহণ কৰা প্ৰস্তাৱসমূহৰ জৰিয়তে সেই সময়ৰ প্ৰাসংগিক ভালেমান অধিকাৰৰ দাবী উত্থাপন হোৱাৰ লগতে কাৰ্যকৰী কৰাৰ বাবে বিভিন্ন আন্দোলনৰ আশ্ৰয় লৈছিল।

**কমনৱেলথ বিধেয়ক ১৯২৫ :**

১৯২৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে আত্মনিয়ন্ত্ৰণ আৰু স্বাধীনতাৰ অধিকাৰ ৰক্ষাৰ বাবে এক চূড়ান্ত খছৰা, ভাৰতবৰ্ষৰ কমনৱেলথ বিধেয়ক প্ৰস্তুত কৰে। এই বিধেয়কে ভালেমান জনসাধাৰণৰ অধিকাৰৰ

ওপৰত দাবী উত্থাপন কৰিছিল- (ক) স্বাধীনতাৰ অধিকাৰ (খ) সমবেত হোৱাৰ অধিকাৰ (গ) সংস্থা গঠনৰ অধিকাৰ (ঘ) মুক্তভাৱে মতামত প্ৰকাশৰ অধিকাৰ (ঙ) ৰাজহুৱা পথ, ন্যায়ালয়, ব্যৱহাৰ কৰাৰ অধিকাৰ (চ) আইনৰ দৃষ্টিত সমতাৰ অধিকাৰ (ছ) সম দোষৰ বাবে সমপৰিমাণক শাস্তিৰ ব্যৱস্থা কৰা (জ) লিংগ ভিত্তিক অসমতা আতৰ কৰা (ঝ) ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ আদি।

**নেহৰু সমিতিৰ প্ৰতিবেদন (১৯২৮) ঃ** ১৯২৭ চনত ছাইমন আয়োগে ভাৰত ভ্ৰমণ কালত মাদ্ৰাজত অনুষ্ঠিত হোৱা জাতীয় কংগ্ৰেছৰ অধিৱেশনত দুটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছিল। প্ৰথমটো আছিল ছাইমন কমিছনৰ কোনো কামত সহযোগীতা নকৰা আৰু দ্বিতীয়টো আছিল সকলো ৰাজনৈতিক দল আৰু গোটৰ প্ৰতিনিধিক লৈ ভাৰতৰ কাৰণে এখন সংবিধানৰ খছৰা প্ৰস্তুত কৰা। সেই প্ৰস্তাৱ অনুসৰিয়েই ১৯২৮ চনৰ ফেব্ৰুৱাৰী মাহত সৰ্বদলীয় সন্মিলনখন অনুষ্ঠিত হয় আৰু মতিলাল নেহৰুৰ নেতৃত্বত এখন সংবিধান উপসমিতি গঠন কৰা হৈছিল। সমিতিৰ আন সদস্যসকল আছিল- তেজ বাহাদুৰ চাপ্ৰু চৰ্দাৰ মংগল সিং, মিঃ এম.এছ আলি, মিঃ কুৰেশ্চি, ছাৰ আলী ইমাম, জি.আৰ প্ৰধান আৰু নেতাজী সুভাষ চন্দ্ৰ বসু। মতিলাল নেহৰুৰ নেতৃত্বত উপ-সমিতিয়ে প্ৰস্তুত কৰা সংবিধানৰ প্ৰতিবেদনক নেহৰু প্ৰতিবেদন নামে জনা যায়। নেহৰু প্ৰতিবেদনত প্ৰশাসনৰ অন্যান্য দিশবোৰৰ লগতে নাগৰিকৰ বিভিন্ন অধিকাৰৰ অন্তৰ্ভুক্তিকৰণ কৰা হৈছিল। অধিকাৰৰ গুৰুত্ব সম্পৰ্কে প্ৰতিবেদনত উল্লেখ কৰা হৈছিল যে- “It is obvious that our first care should be to have our fundamantal rights guranteed in a manner which will not permit their widrawal under any circumstances”

(ক) জন সাৰ্বভৌমত্বক স্বীকৃতি প্ৰদান। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে কাৰ্যপালিকা, ন্যায়পালিকা আৰু বিধানমণ্ডলৰ ক্ষমতাৰ উৎস হৈছে জনসাধাৰণ।

(খ) ব্যক্তি স্বাধীনতা আৰু সম্পত্তি তথা বাসস্থানৰ নিৰাপত্তা।

(গ) বিবেক আৰু চিন্তা প্ৰকাশৰ স্বাধীনতা।

(ঘ) ধৰ্মৰ স্বাধীনতা।

(ঙ) শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা।

(চ) বিনামূলীয়া সাৰ্বজনীন প্ৰাথমিক শিক্ষা লাভৰ অধিকাৰ।

(ছ) আইনৰ দৃষ্টিত সমতা।

(জ) আইন বৰ্হিভূতভাৱে কোনো ব্যক্তিক দোষী সাব্যস্ত কৰিব নোৱাৰাৰ অধিকাৰ।

(ঝ) বন্দী প্ৰত্যাক্ষীকৰণ।

(ঞ) ৰাজহুৱা পথ, কুৱা বা অন্যান্য সম্পদ ব্যৱহাৰৰ ক্ষেত্ৰত সম অধিকাৰ।

(ট) স্বাস্থ্য ৰক্ষাৰ অধিকাৰ।

(ঠ) নীতি নিয়ম সন্মতভাৱে অস্ত্ৰ ৰখাৰ অধিকাৰ।

(ড) পুৰুষ-মহিলাৰ মাজত সমতাৰ অধিকাৰ আদি।

**কৰাচী অধিবেশন ১৯৩১ ঃ**

১৯৩১ চনত চৰ্দাৰ বল্লভভাই পেটেলৰ সভাপতিত্বত বহা কংগ্ৰেছৰ কৰাচী অধিবেশনত জৱাহৰলাল নেহৰুৰ নেতৃত্বত মৌলিক অধিকাৰ আৰু অৰ্থনৈতিক কাৰ্যসূচীৰ এক খচৰা প্ৰস্তুত কৰে। এই খচৰাত ভালেমান ৰাজনৈতিক স্বাধীনতাৰ লগতে ভাৰতীয় নাগৰিকসকলৰ বাবে অৰ্থনৈতিক স্বাধীনতাকো সামৰি লোৱা হৈছিল। এই খচৰাত সামৰি লোৱা কেতবোৰ গুৰুত্বপূৰ্ণ অধিকাৰ হ'ল (ক) বাক স্বাধীনতা (খ) মুক্তভাৱে মত প্ৰকাশৰ স্বাধীনতা (গ) সমবেত হোৱাৰ অধিকাৰ (ঘ) আইনৰ দৃষ্টিত সমতা (ঙ) সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ প্ৰদান আদি।

কৰাচী প্ৰস্তাৱৰ অধিকাৰবোৰ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনত অন্তৰ্ভুক্তিকৰণৰ বাবে দাবী উত্থাপন হৈছিল। অৱশ্যে বাস্তৱত সেয়া হোৱা নাছিল যদিও স্বাধীনোত্তৰ ভাৰতৰ সংবিধানত উল্লিখিত নিৰ্দেশনাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজত সেইবোৰ প্ৰতিস্থাপিত হৈছিল।

**চাপ্ৰু কমিটিৰ প্ৰতিবেদন (১৯৪৫) ঃ** ভাৰতৰ মানৱ অধিকাৰ বিকাশৰ ক্ষেত্ৰত চাপ্ৰু কমিটিৰ প্ৰতিবেদন এক উল্লেখযোগ্য দলিল। মূল সংখ্যালঘু লোকসকলৰ বিভিন্ন দিশবোৰ পৰীক্ষা কৰাৰ বাবে তেজ বাহাদুৰ চাপ্ৰুৰ নেতৃত্বত ১৯৪৫ চনত এখন কমিটি গঠন কৰি দিয়ে। চাপ্ৰুয়ে অদলীয় বৈঠক আহ্বান কৰি বিভিন্ন স্বাৰ্থন্বেষী গোট আৰু বিভিন্ন দিশসমূহক প্ৰতিনিধিত্ব কৰা প্ৰতিনিধিবৰ্গৰ লগত আলোচনাত মিলিত হয়। চাপ্ৰু কমিটিয়ে বিভিন্ন দিশ পৰীক্ষা কৰি ভালেমান মৌলিক অধিকাৰৰ সপক্ষত মত প্ৰদৰ্শন কৰিছিল। পৰৱৰ্তী পৰ্য্যায়ত সংবিধানৰ ৰচনা কালত এই প্ৰতিবেদনে এক উল্লেখযোগ্য প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। কিয়নো চাপ্ৰু সমিতিৰ ভালেমান সদস্যই সংবিধান সভাত স্থান পাইছিল।

**সংবিধান সভাৰ বিতৰ্ক আৰু মানৱ অধিকাৰৰ বিকাশ ঃ**

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ প্ৰক্ৰিয়া আৰম্ভ হয়। সেই অনুসৰিয়েই ভাৰতৰ ভৱিষ্যতৰ পন্থা নিৰ্ণয়ৰ বাবে এখন সংবিধান সভা গঠন কৰা হয়। সংবিধান সভাৰ প্ৰথম অধিবেশন অনুষ্ঠিত হয় ১৯৪৬ চনৰ ৯ ডিচেম্বৰত এখন সৰ্বাঙ্গ সুন্দৰ সংবিধান ভাৰতৰ বাবে প্ৰস্তুত কৰাৰ বাবে বিভিন্ন দিশবোৰ ফঁহিয়াই চোৱাৰ বাবে বিভিন্ন বিষয়ত বিতৰ্ক অনুষ্ঠিত হৈছিল আৰু গুৰুত্বপূৰ্ণ বিষয়বোৰৰ পুংখানুপুংখভাৱে পৰীক্ষা কৰোৱাৰ বাবে বিভিন্ন উপসমিতিও গঠন কৰি দিয়া হৈছিল। সংবিধান সভাৰ বিতৰ্কবোৰৰ ভিতৰত অন্যতম আছিল অধিকাৰৰ বিষয়টো। প্ৰায় দুশ বছৰ কাল বিদেশী শাসকৰ অধীনত জিয়াতু ভুগিব লগা হোৱা ভাৰতীয়সকলৰ আৰ্থ সামাজিক আৰু ৰাজনৈতিক দিশবোৰ শক্তিশালীকৰণৰ বাবে এক পৰিকাঠামো গঠন কৰাৰ বাবে আৰু এই পৰিকাঠামোত সকলো লোকৰে অংশ গ্ৰহণ সুনিশ্চিত কৰাৰ বাবে অতি সতৰ্কতাৰে সিদ্ধান্ত ল'বলগা হৈছিল। সংখ্যালঘুৰ অধিকাৰ, জনজাতীয় লোকসকলৰ বাবে পৃথক সংস্থাপন ব্যৱস্থা, ধৰ্মৰ

অধিকাৰৰ বিষয়বোৰ আছিল অতি স্পৰ্শকাতৰ। অধিকাৰৰ বিষয়টো নিৰ্দ্ধাৰণৰ বাবে চৰ্দাৰ বল্লভভাই পেটেলৰ নেতৃত্বত এক পৰামৰ্শ দান সমিতি গঠন কৰি দিছিল। পৰামৰ্শমূলক সমিতিয়ে জে বি কৃপালিনিৰ নেতৃত্বত মৌলিক অধিকাৰ উপ সমিতি গঠন কৰি দিছিল। উপসমিতিয়ে বিভিন্ন বিষয়বোৰ বিতং অধ্যয়ন কৰিছিল। ভাৰতৰ অৰ্থনৈতিক ক্ষমতা আৰু জনসাধাৰণৰ চাহিদাৰ মাজত ভাৰসাম্য ৰক্ষাৰ বাবে বিশেষ ব্যৱস্থাৰ চিন্তা কৰিছিল। যাৰ ফলত ভালেমান অধিকাৰক বাদযোগ্য হিচাবে মৰ্যাদা দিয়াৰ বিপৰীতে অৰ্থনৈতিক অধিকাৰবোৰক বাদযোগ্যতাৰ আওঁতাৰ পৰা আতৰত ৰাখি নিৰ্দেশনাত্মক নীতি হিচাবেহে স্থান দিয়াৰ পোষকতা কৰিছিল। এই ক্ষেত্ৰত প্ৰতিবেদন দাখিল কৰি বল্লভভাই পেটেলে কৈছিল "আমি এক সিদ্ধান্তত উপনীত হ'লো যে বাদযোগ্য অধিকাৰবোৰৰ উপৰিও সংবিধানত কিছুমান ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশনামূলক নীতিও অন্তৰ্ভূক্ত হ'ব। এই নীতিবোৰ বাদযোগ্য নহয় যদিও ৰাষ্ট্ৰ প্ৰশাসনৰ বাবে মৌলিক নীতি হিচাবে বিবেচিত হ'ব।"

এইবোৰৰ উপৰিও সংখ্যালঘুৰ বিষয়বোৰ পৃথকভাৱে চোৱাৰ বাবে এইচ চি মুখাৰ্জী আৰু জনজাতি সকলৰ দিশবোৰৰ বাবে গোপীনাথ বৰদলৈৰ নেতৃত্বত আন দুটা উপ-সমিতি গঠন কৰা হৈছিল। এই দুই সমিতিয়ে নিজ নিজ পৰিসৰৰ লোকসকলৰ অধিকাৰৰ দিশবোৰ বিস্তৃত আলোচনা আৰু প্ৰতিবেদনৰ সহায়ত সংবিধান সভাত দাখিল কৰিছিল আৰু সেই সম্পৰ্কে বিতৰ্ক বা আলোচনাও অনুষ্ঠিত হৈছিল। পৰিশেষত সংখ্যালঘুৰ অধিকাৰ সুৰক্ষা আৰু জনজাতিসকলৰ বাবে পৃথক ৰাজনৈতিক সুৰক্ষাব্যৱস্থাই সংবিধানত স্থান লাভ কৰিছিল।

এনে বিভিন্ন বিতৰ্ক আৰু আলোচনাৰ মাজেৰে ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে সংবিধান সভাই ভাৰতীয় সংবিধান গৃহীত কৰে আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰা কাৰ্যকৰী হয়। সংবিধানৰ বিভিন্ন ক্ষেত্ৰত প্ৰকাশিত অধিকাৰবোৰে আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতীয় সংবিধানক এক গুৰুত্বপূৰ্ণ মানৱ অধিকাৰৰ দলিল হিচাবে পৰিগণিত কৰিছে।

## মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান

ইতিমধ্যে উল্লেখ কৰা হৈছে যে ভাৰতৰ সংবিধান প্ৰণেতাসকলে নাগৰিকৰ সৰ্বতোপ্ৰকাৰৰ সা-সুবিধা, চিন্তা-চৰ্চা কৰি আৰু সকলো জনসাধাৰণক সংবিধানৰ পৰিসীমাৰ মাজত বিকাশৰ সা-সুবিধা দিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছিল। সংবিধান প্ৰণেতাসকলৰ এনে উদ্দেশ্যৰ বাবেই ভাৰতৰ সংবিধানৰ বিভিন্ন অংশত মানৱ অধিকাৰসমূহ প্ৰতিফলিত হোৱা দেখা যায়। সংবিধানৰ পাতনিৰ পৰাই অধিকাৰৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। সংবিধানৰ তৃতীয় আৰু চতুৰ্থ অধ্যায়ত বিস্তৃত ৰূপত মানৱ অধিকাৰবোৰ ঘোষণা কৰা হৈছে। ইয়াৰ উপৰিও পঞ্চম অনুসূচী, ষষ্ঠ অনুসূচী, অনুচ্ছেদ ৩০০ (ক) ৩২৫, ৩২৬ আদিত সিচৰিতভাৱে বিভিন্ন অধিকাৰৰ ব্যাখ্যা কৰা হৈছে। সংবিধান ৰচনাৰ পৰৱৰ্তী কালত বিভিন্ন আইন প্ৰণয়নেৰে অধিকাৰবোৰ সুনিশ্চিত কৰাৰ ব্যৱস্থা কৰা হৈছে।

ভাৰতীয় নাগৰিকৰ মানৱ অধিকাৰবোৰ এনেধৰণৰ—

১। **প্ৰস্তাৱনাত প্ৰকাশ পোৱা মানৱ অধিকাৰবোৰ ঃ** ভাৰতৰ সংবিধানৰ আত্মাস্বৰূপ প্ৰস্তাৱনাটো মানৱ অধিকাৰৰ আধাৰস্বৰূপ। প্ৰস্তাৱনাত সকলো নাগৰিকৰ বাবে সামাজিক, ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস আৰু উপাসনাৰ স্বাধীনতা ঘোষণা কৰি ঐক্য আৰু ভাতৃত্বৰ বাণীৰে জনসাধাৰণৰ মাজত মানৱ অধিকাৰ প্ৰচাৰ আৰু প্ৰতিষ্ঠাৰ বাবে দৃঢ়মত পোষণ কৰিছে।

২। **সংবিধানৰ তৃতীয় অধ্যায়ত প্ৰকাশ পোৱা মানৱ অধিকাৰবোৰ ঃ** ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়টো সম্পূৰ্ণৰূপে মানৱ অধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত।

**মৌলিক অধিকাৰ ঃ**

আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰায় সকলো ৰাষ্ট্ৰৰ সংবিধানত নাগৰিকৰ অত্যাৱশ্যকীয় অধিকাৰসমূহ লিপিবদ্ধ কৰা হৈছে। আমাৰ ভাৰতীয় সংবিধানৰ তৃতীয় অংশৰ অনুচ্ছেদ ১২-৩৫ ত নাগৰিকসকলৰ কাৰণে মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত সংবিধান নিৰ্মাতা সকল সংযুক্ত ৰাষ্ট্ৰ আমেৰিকাৰ (USA) সংবিধানৰ দ্বাৰা (Bill of Rights) বিশেষভাৱে অনুপ্ৰাণিত হৈছিল।

ভাৰতীয় সংবিধানৰ তৃতীয় অংশক (Part III) 'Magna Carta of India' বুলি বৰ্ণনা কৰা হয়। বাদযোগ্য (Justiciable) মৌলিক অধিকাৰবোৰৰ এক দীঘল আৰু ব্যাপক সূচী আমাৰ সংবিধানত দেখিবলৈ পোৱা যায়। আচলতে আমাৰ সংবিধানৰ অন্তৰ্ভুক্ত মৌলিক অধিকাৰবোৰ পৃথিৱীৰ বাকী দেশৰ সংবিধানৰ মৌলিক অধিকাৰতকৈ অধিক বিস্তৃত আৰু ব্যাপক।

মৌলিক অধিকাৰবোৰ ৰাজনৈতিক গণতন্ত্ৰ (Political democracy) ৰ আদৰ্শ প্ৰসাৰণত অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰৰ হস্তক্ষেপৰ বিৰুদ্ধে নাগৰিকৰ অধিকাৰ ৰক্ষণা-বেক্ষণৰ লগতে কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ চৰম কাৰ্য-কলাপৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰাৰ ক্ষেত্ৰত মৌলিক অধিকাৰৰ ভূমিকা মন কৰিবলগীয়া। চমুকৈ, মৌলিক অধিকাৰে 'লোক চৰকাৰৰ পৰিবৰ্তে আইনৰ চৰকাৰ' (Government of laws and not of men) গঠনত গুৰুত্ব আৰোপ কৰে।

এই অধিকাৰবোৰ মৌলিক, কাৰণ এইবোৰ সংবিধান প্ৰদত্ত আৰু সংবিধানৰ তৃতীয় অংশত সুস্পষ্টভাৱে লিপিবদ্ধ। এই অধিকাৰবোৰ মানুহৰ আচল প্ৰয়োজনত লাগে আৰু কোনেও ইয়াক ভংগ কৰিব নোৱাৰে। এই অধিকাৰবোৰ মৌলিক কাৰণ দেশৰ সংবিধান ইয়াৰ উৎস আৰু জনসাধাৰণৰ সৰ্বাংগীন বিকাশৰ (material, intellectual, moral and spiritual) বাবে ই অতিকৈ প্ৰয়োজনীয়।

মূল সংবিধানত সাত প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে—

(১) সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪-১৮)

(২) স্বাধীনতা অধিকাৰ (অনুচ্ছেদ ১৯-২২)

(৩) শোষণৰ বিৰুদ্ধে অধিকাৰ (অনুচ্ছেদ ২৩-২৪)

(৪) ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ ২৫-২৮)

(৫) সংস্কৃতি আৰু শিক্ষাৰ অধিকাৰ (অনুচ্ছেদ ২৯-৩০)

(৬) সম্পত্তিৰ অধিকাৰ (অনুচ্ছেদ ৩১)

(৭) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (অনুচ্ছেদ ৩২)

কিন্তু পৰৱৰ্তী সময়ত ১৯৭৮ চনত সংবিধানৰ ৪৪ নং সংশোধনী অনুযায়ী সম্পত্তিৰ অধিকাৰ মৌলিক অধিকাৰ সূচীৰ পৰা বাদ পৰে আৰু সংবিধানৰ দ্বাদশ (XII) অংশৰ ৩০০ এ অনুচ্ছেদত এক বৈধ অধিকাৰ (legal right) হিচাপে স্বীকৃতি লাভ কৰে। (অনুচ্ছেদ ৩০০ এ অনুসৰি আইনৰ দ্বাৰা সুৰক্ষিত কোনো সম্পত্তিৰ পৰা নাগৰিকক বঞ্চিত কৰিব নোৱাৰি।) গতিকে বৰ্তমান সময়ত ছয় প্ৰকাৰৰ মৌলিক অধিকাৰ দেখিবলৈ পোৱা যায়।

**মৌলিক অধিকাৰ আৰু আন অধিকাৰৰ পাৰ্থক্য (Difference between FR and other rights) ঃ**

নাগৰিকৰ মৌলিক অধিকাৰ আৰু আন অধিকাৰৰ মাজত কিছুমান পাৰ্থক্য দেখিবলৈ পোৱা যায়—

(১) মৌলিক অধিকাৰবোৰ ব্যক্তিৰ জীৱনৰ প্ৰাথমিক বা মৌলিক অধিকাৰ। জাতি, ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে সকলো লোকৰে মৌলিক অধিকাৰ আছে। কিন্তু এইবোৰৰ বাহিৰে নাগৰিকৰ আন অধিকাৰবোৰ মৌলিক নহয়।

(২) মৌলিক অধিকাৰবোৰ সংবিধানৰ দ্বাৰা সুনিশ্চিত আৰু সুৰক্ষিত। বিধানমণ্ডলে প্ৰণয়ন কৰা সাধাৰণ আইনৰ দ্বাৰা মৌলিক অধিকাৰক পৰিৱৰ্তন নাইকিয়া কৰিব নোৱাৰি। সংসদে বিশেষ পদ্ধতি অৱলম্বন কৰি এইবোৰ সংশোধন কৰিব পাৰে। ৰাজ্যসমূহৰ এই বিষয়ত কোনো হাত নাই। কিন্তু মৌলিক অধিকাৰৰ বাহিৰে আন অধিকাৰবোৰ সাধাৰণ আইনৰ দ্বাৰা সুৰক্ষিত, যিবোৰ বিধানমণ্ডলে সলনি কৰিব পাৰে।

(৩) মৌলিক অধিকাৰবোৰ ৰাষ্ট্ৰৰ বিৰুদ্ধে ব্যক্তিৰ অধিকাৰ। সংবিধানত সন্নিৱিষ্ট মৌলিক অধিকাৰ সমূহৰ ফলত কাৰ্য পালিকা আৰু বিধানমণ্ডল নাগৰিকৰ প্ৰতি সদায় সচেতন থাকিব। জনমতৰ ভয়ত এইবোৰৰ ওপৰত হস্তক্ষেপ কৰিবলৈ সাহস নকৰিব। কিন্তু নাগৰিকৰ আনবোৰ অধিকাৰৰ ক্ষেত্ৰত ৰাষ্ট্ৰই হস্তক্ষেপ কৰাৰ সম্ভাৱনীয়তাক নুই কৰিব নোৱাৰি।

(৪) ন্যায়ালয় হ'ল মৌলিক অধিকাৰৰ ৰক্ষক (Protector of Fundamental Rights)। কোনো ব্যক্তি, সংস্থা নাইবা চৰকাৰৰ কোনো অংগই মৌলিক অধিকাৰ ওপৰত অযথা হস্তক্ষেপ কৰিলে সংবিধানত ৩২ আৰু ২২৬ নং অনুচ্ছেদৰ জৰিয়তে মৌলিক অধিকাৰ ৰক্ষাৰ কাৰণে ক্ৰমান্বয়ে উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ওচৰ চাপিব পাৰি। কিন্তু মৌলিক অধিকাৰৰ বাহিৰে আনবোৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ২২৬ নং অনুচ্ছেদ কিছু পৰিমাণে প্ৰযোজ্য হলেও, ৩২ নং অনুচ্ছেদ অকল মৌলিক অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰতহে প্ৰযোজ্য।

(৫) সংবিধান হ'ল মৌলিক অধিকাৰৰ উৎস আৰু এইবোৰ সংবিধানৰ অবিচ্ছেদ্য অংগ। সংবিধানৰ তৃতীয় অংশত অকল মৌলিক অধিকাৰবোৰ বিয়পি আছে। সংবিধানত লিপিবদ্ধ নাথাকিলে এই অধিকাৰবোৰক মৌলিক বুলি ক'ব নোৱাৰি। কিন্তু নাগৰিকৰ আনবোৰ অধিকাৰ সংবিধানত লিপিবদ্ধ আৰু সুনিশ্চিত নহ'বও পাৰে।

(৬) মৌলিক অধিকাৰ কোনেও ভংগ কৰিব নোৱাৰে। কিন্তু আনবোৰ অধিকাৰ ভংগ হোৱা দেখা যায়। উদাহৰণস্বৰূপে, জীৱনৰ অধিকাৰৰ পৰা কোনো লোককে সাধাৰণতে বঞ্চিত কৰিব নোৱাৰি; কিন্তু অন্যান্য অধিকাৰ যেনে ভোটদানৰ অধিকাৰৰ পৰা ব্যক্তিক কিছু কিছু ক্ষেত্ৰত বাধা আৰোপ কৰিব পৰা যায়।

**মৌলিক অধিকাৰৰ উৎস আৰু পৃষ্ঠভূমি ঃ**

মূলত ঃ আমেৰিকাৰ বিল অৱ ৰাইটচ্ (Bill of Rights) ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মৌলিক অধিকাৰৰ উৎস যদিও আন ঐতিহাসিক বিল বা ঘোষণা পত্ৰ যেনে ইংলেণ্ডৰ অধিকাৰ সম্পৰ্কীয় বিল, ফৰাছী ঘোষণা পত্ৰ ইত্যাদিয়েও ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰণত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। স্বাধীনতা আন্দোলনৰ সময়ছোৱাতো বিভিন্ন সময়ত অধিকাৰৰ দাবী উত্থাপন হৈছিল। ১৮৯৫ চনত লোকমান্য তিলকৰ নেতৃত্বত গৃহীত হোৱা স্বৰাজ বিল (Swaraj Bill) ত প্ৰথমবাৰৰ বাবে অধিকাৰৰ দাবী উত্থাপন হৈছিল। ইয়াত মূলতঃ বাক স্বাধীনতা, ব্যক্তি স্বতন্ত্ৰতা, ভোটদানৰ অধিকাৰৰ দাবী উত্থাপন কৰা হৈছিল। ১৯২৮ চনত দাখিল হোৱা নেহৰু প্ৰতিবেদনে ভাৰতীয় নাগৰিকৰ বাবে ১৯ টা মৌলিক অধিকাৰৰ দাবী উত্থাপন কৰিছিল য'ত ধৰ্মৰ অধিকাৰ, স্বতন্ত্ৰতাৰ অধিকাৰ আদি অন্তৰ্ভুক্ত আছিল। ইয়াৰ পিছত ১৯৩১ চনত হোৱা কংগ্ৰেছৰ কৰাচী অধিৱেশনতো পৌৰ, আৰ্থ-সামাজিক অধিকাৰ সম্পৰ্কীয় আৰু ব্যক্তি-স্বতন্ত্ৰতা সম্পৰ্কীয় অধিকাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। প্ৰকৃততে, স্বাধীনতা আন্দোলনৰ বেছি সংখ্যক প্ৰভাৱশালী নেতাই ব্যক্তি স্বতন্ত্ৰতা লাভৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। উদাহৰণস্বৰূপে লোকমান্য তিলকৰ কথাই ক'ব পাৰি। তেওঁৰ মতে, "সংবাদ পত্ৰ আৰু মত প্ৰকাশৰ স্বতন্ত্ৰতাই এখন ৰাষ্ট্ৰৰ জন্ম দিয়ে আৰু ইয়াক লালন-পালন কৰে।" ("Liberty of the press and liberty of speech give birth to a nation and nourish it.") মহাত্মা গান্ধীয়েও মত প্ৰকাশ কৰিছিল যে প্ৰথমতে মত প্ৰকাশৰ আৰু সংঘবদ্ধ হোৱাৰ অধিকাৰবোৰ, যিবোৰ মূল প্ৰয়োজনীয় অধিকাৰ, সেইবোৰ সংৰক্ষণ কৰিব লাগিব। আনকি পৌৰ স্বতন্ত্ৰতা আহৰণক তেওঁ স্বৰাজ লাভৰ প্ৰথম পৰ্যায় আখ্যা দিছিল। ১৯৪৫ চনত গঠন হোৱা ছাপ্ৰু কমিটি (Sapru Committee) য়েও সংবিধানত মৌলিক অধিকাৰৰ অন্তৰ্ভুক্তীৰ দাবী উত্থাপন কৰিছিল। এই কমিটিয়ে মৌলিক অধিকাৰক দুটা ভাগত ভাগ কৰিছিল— বিচাৰযোগ্য (justifiable) আৰু অবিচাৰযোগ্য (non-justifiable) । বিচাৰযোগ্যবোৰ ন্যায়ালৰ দ্বাৰা প্ৰয়োগ কৰিব পৰা আৰু অবিচাৰযোগ্যবোৰ ন্যায়ালয়ৰ দ্বাৰা প্ৰয়োগ কৰিব পৰা নহয়। পিছত স্বাধীন ভাৰতৰ সংবিধানত বিচাৰযোগ্যবোৰ তৃতীয় অধ্যায়ত মৌলিক অধিকাৰ হিচাপে আৰু অবিচাৰযোগ্যবোৰ চতুৰ্থ অধ্যায়ত নিৰ্দেশাত্মক নীতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। এক কথাত ক'বলৈ হ'লে স্বাধীনতা আন্দোলনৰ

লগে লগেই অধিকাৰ সম্পৰ্কীয় দাবী আৰু আন্দোলনো গঢ়ি উঠিছিল। ইয়াৰ পিছত সংবিধান সভাই এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি আমেৰিকাৰ অধিকাৰ সম্পৰ্কীয় বিলক উৎস হিচাপে গ্ৰহণ কৰি সংবিধানৰ তৃতীয় অধ্যায়ত অন্তৰ্ভুক্ত কৰিছিল য'ত বিস্তৃতভাৱে ভাৰতীয় নাগৰিকে ভোগ কৰিব পৰা অধিকাৰসমূহ আলোচনা কৰা হৈছে।

**ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ ঃ**

সংবিধানৰ তৃতীয় অধ্যায়ত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ ১২-৩৫ অনুচ্ছেদৰ ভিতৰত সিচৰিত হৈ আছে।

মৌলিক অধিকাৰ সন্দৰ্ভত 'ৰাষ্ট্ৰ' শব্দটো বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ হোৱা দেখা যায়। সংবিধানৰ ১২ নং অনুচ্ছেদ অনুসৰি মৌলিক অধিকাৰ অধ্যায়ত 'ৰাষ্ট্ৰ'ৰ পৰিসৰৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ৰাজ্যিক বিধানমণ্ডল, স্থানীয় প্ৰশাসনৰ লগতে বিভিন্ন বৈধ আৰু অবৈধ কৰ্তৃত্ব যেনে— LIC, ONGC, SAIL ইত্যাদিও অন্তৰ্ভুক্ত হোৱা দেখা যায়। উচ্চতম ন্যায়ালয়ৰ মত অনুসৰি ৰাষ্ট্ৰৰ আহিলা হিচাপে কাম কৰা ব্যক্তিগত প্ৰতিষ্ঠানো সংবিধানৰ অনুচ্ছেদ ১২ ৰ ৰাষ্ট্ৰক্ষেত্ৰৰ ভিতৰত অন্তৰ্ভুক্ত হয়।

অনুচ্ছেদ ১৩ ৰ বৰ্ণনা অনুসৰি, মৌলিক অধিকাৰৰ লগত অসংগত সকলো আইন ভিত্তিহীন। দেশৰ উচ্চতম ন্যায়ালয় (অনুচ্ছেদ ৩২) আৰু উচ্চ ন্যায়ালয়ে (অনুচ্ছেদ ২৬) মৌলিক অধিকাৰ খৰ্ব কৰা যিকোনো আইন অসাংবিধানিক আৰু অবৈধ বুলি ঘোষণা কৰিব পাৰে। ইয়াৰোপৰি সংবিধানৰ মূল গাঁথনি (basic structure) ৰ অন্তৰ্ভুক্ত হোৱা মৌলিক অধিকাৰ খৰ্ব কৰা যিকোনো সংবিধান সংশোধনী বিধেয়কো কেশৱানন্দ ভাৰতী গোচৰ, ১৯৭৩ ৰায়দান অনুসৰি অসাংবিধানিক হিচাপে ঘোষিত হ'ব পাৰে।

অনুচ্ছেদ ১৩ ত অন্তৰ্ভুক্ত 'আইন' শব্দৰ দ্বাৰা সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলে প্ৰণয়ন কৰা আইনৰ লগতে ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালৰ দ্বাৰা প্ৰণোদিত বিভিন্ন অস্থায়ী আইন, যেনে অধ্যাদেশ, বিভিন্ন সাংবিধানিক আহিলা আদেশ, অধিসূচনা, নিয়ম-কানুনৰ লগতে বৈধ পৰম্পৰা আদি বিভিন্ন অসংসদীয় উৎসক বুজোৱা হয়।

তলত মৌলিক অধিকাৰসমূহৰ চমু আলোচনা কৰা হ'ল—

**সমতাৰ অধিকাৰ (Right to Equality) ঃ**

সমতাৰ অধিকাৰ ১৪, ১৫, ১৬, ১৭ আৰু ১৮ নং অনুচ্ছেদত অন্তৰ্ভুক্ত কৰা হৈছে।

১৪ নং অনুচ্ছেদৰ কথাখিনি নকৰাত্মকভাৱে (negatively) প্ৰকাশ কৰা হৈছে। ইয়াত উল্লেখ কৰা আছে যে ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত বাস কৰা কোনো লোকক আইনৰ দৃষ্টিত সমান ব্যৱহাৰ পোৱা নাইবা সমান ৰক্ষণাবেক্ষণ পোৱাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। এই অনুচ্ছেদত আইনৰ দৃষ্টিত সমান ব্যৱহাৰ (Equality before law) আৰু আইনৰ সমান ৰক্ষণা-বেক্ষণ (Equal Protection of Law) এই দুটা কথাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

আইনৰ দৃষ্টিত সমান ব্যৱহাৰ এই সংকল্পনাটো বৃটিছ সংবিধানত থকা A.V. Dicey ৰ দ্বাৰা প্ৰৱৰ্তিত আইনৰ শাসনৰ (Rule of Law) অনুকৰণ বুলিব পাৰি। এই ব্যৱস্থা মতে আইন ভংগৰ বাহিৰে কোনো লোকক শাস্তি প্ৰদান কৰিব নোৱাৰি। আইনৰ দৃষ্টিত সকলো সমান, অৰ্থাৎ প্ৰধানমন্ত্ৰীৰ পৰা সাধাৰণ লোকলৈ সকলো লোকেই একে আইনৰ তলতীয়া। সকলো লোকক একে আইনৰ মাধ্যমেৰে বিচাৰ কৰা হয় আৰু সমান দোষৰ বাবে সমান শাস্তিৰ ব্যৱস্থা দেখা যায়। ইয়াৰোপৰি আইনৰ শাসন ব্যৱস্থা অনুসৰি আইনৰ আদালতৰ দ্বাৰা প্ৰৱৰ্তিত জনসাধাৰণৰ অধিকাৰবোৰহে হ'ল সংবিধানৰ উৎস, যিটো ভাৰতীয় ব্যৱস্থাত প্ৰয়োগ হোৱা দেখা নাযায়। ভাৰতীয় ব্যৱস্থাত সংবিধান হ'ল জনসাধাৰণৰ অধিকাৰৰ মূল উৎস।

উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ অনুসৰি অনুচ্ছেদ ১৪ ত সন্নিৱিষ্ট আইনৰ শাসন সংবিধানৰ মূল গাঁথনিৰ অন্তৰ্গত। গতিকে সংবিধান সংশোধনী বিধেয়কৰ দ্বাৰা ইয়াক খৰ্ব কৰিব নোৱাৰি।

আনফালে আইনৰ সমান ৰক্ষণাবেক্ষণ সংকল্পনাটো আমেৰিকাৰ সংবিধানৰ পৰা লোৱা হৈছে। এই ধাৰণাই সমানৰ মাজত সম ব্যৱহাৰক বুজায়। অৰ্থাৎ সমানৰ মাজত আইনো সমানে প্ৰয়োগ কৰিব লাগে।

উচ্চতম ন্যায়ালয়ৰ মতে, য'ত সমান আৰু অসমান লোকক পৃথকভাৱে ব্যৱহাৰ কৰা হয়, তাত অনুচ্ছেদ ১৪ প্ৰয়োগ কৰিব নোৱাৰি।

তথাপি ইংলেণ্ডৰ আইনৰ শাসনত ব্যতিক্ৰম থকাৰ নিচিনা আমাৰ দেশতো আইনৰ দৃষ্টিত সকলো লোকে সমান ব্যৱহাৰ লাভ কৰিলেও কিছুমান সাংবিধানিক আৰু অন্যান্য ব্যতিক্ৰম দেখা যায়—

(১) ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালে সংবিধানে তেওঁলোকক দিয়া ক্ষমতা আৰু দায়িত্ব পালন কৰাৰ বাবে কোনো আদালতত জবাবদিহি হ'ব নালাগে আৰু কাৰ্যকালৰ ভিতৰত তেওঁলোকৰ বিৰুদ্ধে কোনো ফৌজদাৰী নাইবা দেৱানী মোকৰ্দমা বা আটক কৰা নাইবা কাৰাবাস দিয়াৰ কাৰণে কোনো আদালতে পৰোৱানা জাৰি কৰিব নোৱাৰে (অনুচ্ছেদ ৩৬৫)।

(২) সংসদ বা ৰাজ্যিক বিধান মণ্ডলৰ কোনো সদন সম্পৰ্কে প্ৰকাশিত সঁচা বাতৰিৰ বাবে কোনো লোকৰ বিৰুদ্ধে কোনো ফৌজদাৰী নাইবা দেৱানী মোকৰ্দমা কৰিব নোৱাৰে (অনুচ্ছেদ ১৬১ এ)।

(৩) সংসদত বা কোনো কমিটিত প্ৰদান কৰা বক্তব্য বা ভোটদানৰ বাবে কোনো সাংসদৰ বিৰুদ্ধে কোনো মোকৰ্দমা কৰিব নোৱাৰি (অনুচ্ছেদ ১০৫)।

(৪) একেদৰে ৰাজ্যিক বিধান মণ্ডলত বা কোনো কমিটিত প্ৰদান কৰা বক্তব্য বা ভোটদানৰ বাবে কোনো সদস্যৰ বিৰুদ্ধে কোনো মোকৰ্দমা কৰিব নোৱাৰি (অনুচ্ছেদ ১৯৪)।

(৫) উচ্চতম ন্যায়ালয়ৰ মত অনুসৰি সংবিধানৰ ৩১ খ অনুচ্ছেদ বাহাল থাকিলে সংবিধানৰ অনুচ্ছেদ ১৪ ৰ অস্তিত্ব নোহোৱা হয়। কিয়নো, এই অনুচ্ছেদ অনুসৰি ৩৯ অনুচ্ছেদৰ উপবন্ধ (b) নাইবা উপবন্ধ (c) ৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি প্ৰৱৰ্তনৰ কাৰণে প্ৰনয়ণ কৰা আইনে অনুচ্ছেদ ১৪ খৰ্ব কৰিলেও ইয়াক প্ৰত্যাহ্বান জনাব নোৱাৰি।

(৬) বিদেশী শাসন, ৰাজদূত, কূটনীতিবিদ আদিৰ বিৰুদ্ধে দেৱানী আৰু ফৌজদাৰী মোৰ্কদমা কৰিব নোৱাৰি।

(৭) ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ অনুষ্ঠান বা সংস্থাবোৰেও কূটনৈতিক প্ৰতিৰক্ষা লাভ কৰে।

১৫ নং অনুচ্ছেদত উল্লেখ আছে যে জাতি, ধৰ্ম, বৰ্ণ, লিংগ, জন্মস্থান আদিৰ ভিত্তিত ৰাষ্ট্ৰই নাগৰিকৰ মাজত বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব [অনুচ্ছেদ ১৫ (১)]।

আন কোনো বাধা নিষেধ নাথাকিলে জাতি, ধৰ্ম, বৰ্ণ, লিংগ, জন্মস্থান আদিৰ ভিত্তিত কোনো নাগৰিককে দোকান-পোহৰ, ৰেষ্টোৰা, হোটেল, চিনেমাহল আদিত প্ৰৱেশ কৰা বন্ধ কৰিব নোৱাৰিব। ৰাজহুৱা নাদ, পুখুৰী, গা-ধোৱা ঘাট, আলি-পদূলি নাইবা চৰকাৰে অনুমোদন দিয়া নাইবা চৰকাৰী সাহায্যেৰে নিৰ্মাণ কৰা জিৰণী চ'ৰা নাইবা জনকল্যাণৰ বাবে তৈয়াৰ কৰা ঠাই ব্যৱহাৰ কৰাৰ পৰা কোনো নাগৰিককে বঞ্চিত কৰিব নোৱাৰি [অনুচ্ছেদ ১৫ (২)]।

তথাপি সংবিধানৰ এই অধিকাৰ সন্দৰ্ভতো কিছু ব্যতিক্ৰম দেখা যায়— ল'ৰা-ছোৱালী আৰু মহিলাৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থাৰ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থাকৰণ, মহিলাৰ বাবে আৰক্ষণ ইত্যাদি [অনুচ্ছেদ ১৫ (৩)]।

সেইদৰে সামাজিকভাৱে আৰু শিক্ষাৰ ক্ষেত্ৰত পিছ পৰা লোক, অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ কাৰণেও চৰকাৰে বিশেষ ব্যৱস্থা কৰিব পাৰে [অনুচ্ছেদ ১৫ (৪)]।

এই ব্যৱস্থাৰ ফলশ্ৰুতিতে Central Educational Institutions (Reservation in Admission) Act, 2006 প্ৰনয়ণ হয়, যাৰ দ্বাৰা সকলো কেন্দ্ৰীয় আৰু উচ্চ শিক্ষাৰ অনুষ্ঠান, যেনে— ITI, IIMs আদিত সমাজৰ অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ (OBC) বাবে ২৭ শতাংশ সংৰক্ষণৰ সুবিধা আগবঢ়োৱা হয়। অৱশ্যে ইয়াৰ ভিতৰৰ 'creamy layer' বা আগবঢ়া লোকসকল (advanced section) ক এই ব্যৱস্থাৰ পৰা বাদ দিয়া হয়।

১৬ নং অনুচ্ছেদত জৰিয়তে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ লোকৰ কাৰণে সমান সুবিধা ব্যৱস্থা কৰা হৈছে। এই অনুচ্ছেদত উল্লেখ আছে যে জাতি, ধৰ্ম, বৰ্ণ, জন্মস্থান, লিংগ, বংশ আদিৰ ভিত্তিত চৰকাৰী চাকৰি লোৱাৰ ক্ষেত্ৰত বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব [অনুচ্ছেদ ১৬ (২)]।

অৱশ্যে চৰকাৰে কোনো ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল বা স্থানীয় প্ৰশাসনত নিয়োগৰ ক্ষেত্ৰত কোনো এক অঞ্চলৰ লোকক (Residence) আগস্থান দিব পাৰে [অনুচ্ছেদ ১৫ (৩)]। বৰ্তমান এই ব্যৱস্থা অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাৰ বাহিৰে বাকী ৰাজ্যত দেখিবলৈ পোৱা নাযায়।

ইয়াৰোপৰি, সমাজৰ পিছপৰা শ্ৰেণীৰ লোকৰ কাৰণে চৰকাৰী চাকৰিৰ সংৰক্ষণৰ ব্যৱস্থাকৰণৰ লগতে [ অনুচ্ছেদ ১৬ (৪)]।, অনুসূচিত জাতি-জনজাতিৰ ক্ষেত্ৰতো চৰকাৰে বিশেষ বিশেষ ব্যৱস্থা ল'ব পাৰে [ অনুচ্ছেদ ১৬ (৪ এ)]। ইফালে, কোনো বিশেষ ধৰ্মৰ বা সম্প্ৰদায়ৰ লোক সেই ধৰ্মৰ বা সম্প্ৰদায়ৰ লগত জড়িত অনুষ্ঠানৰ দায়িত্ব লোৱা সন্দৰ্ভতো চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে [ অনুচ্ছেদ ১৬ (৫)]।

"অস্পৃশ্যতা' বৰ্জন কৰা হৈছে আৰু এই নীতি অনুসৰণ কৰা লোকক বিধিমতে শাস্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে"— অনুচ্ছেদ ১৭

বিভিন্ন জাতি-উপজাতিৰ লোকৰ মাজত যাতে উচ্চ-নীচ, ডাঙৰ-সৰু ভাৱ নাথাকে, সংবিধানৰ ১৭ নং অনুচ্ছেদৰ দ্বাৰা তাৰ ব্যৱস্থাও ৰখা হৈছে। উদাহৰণস্বৰূপে, এই নীতি অনুসৰণ কৰা ব্যক্তিক কেন্দ্ৰ আৰু ৰাজ্যৰ নিৰ্বাচনত অংশগ্ৰহণ কৰাত বাৰণ কৰা হয়।

দোকান-পোহাৰ, হোটেল, হস্পিতাল, শৈক্ষিক প্ৰতিষ্ঠান লগতে ধৰ্ম, দৰ্শন, পৰম্পৰা বা অন্যান্য ক্ষেত্ৰত অস্পৃশ্যতাক ন্যায্যতা প্ৰদান কৰা কাৰ্যক এই অনুচ্ছেদৰ দ্বাৰা বিধিগতভাৱে বাৰণ কৰা হৈছে। ইয়াৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটো চৰকাৰৰ সাংবিধানিক দায়িত্ব। উদাহৰণস্বৰূপে 'Protection of civil Rights Act (1955) ৰ কথা উনুকিয়াব পাৰি।

১৮ নং অনুচ্ছেদৰ দ্বাৰা মিলিটাৰী নাইবা শিক্ষা সম্পৰ্কীয় উপাধিৰ বাহিৰে আন উপাধি প্ৰদান কৰা বন্ধ কৰা হৈছে। কোনো ভাৰতীয় নাগৰিকে বিদেশী ৰাষ্ট্ৰই দিয়া উপাধি গ্ৰহণ কৰিব নোৱাৰিব [ অনুচ্ছেদ ১৮ (২)]।

ভাৰত চৰকাৰৰ তলত চাকৰি কৰা কোনো বিদেশী লোকে ৰাষ্ট্ৰপতিৰ অনুমতি অবিহনে আন দেশে দিয়া কোনো উপাধি গ্ৰহণ কৰিব নোৱাৰিব [ অনুচ্ছেদ ১৮ (৩)]।

ৰাষ্ট্ৰপতিৰ অনুমতি অবিহনে কোনো চৰকাৰী চাকৰিয়ালে বিদেশৰ কোনো উপহাৰ গ্ৰহণ কৰিব নোৱাৰিব [ অনুচ্ছেদ ১৮ (৪)]।

অৱশ্যে দেশৰ হকে বিশেষ সেৱা আগবঢ়োৱা ব্যক্তিক ভাৰত চৰকাৰে পদ্মশ্ৰী, ভাৰত ৰত্ন আদি কিছুমান উপাধি দিয়াৰ ব্যৱস্থা আছে। যদিও এই উপাধিসমূহ নামৰ আগত বা পিছত ব্যৱহাৰ কৰিব নোৱাৰি, তথাপি উপাধি লোৱা লোকসকলে নিজকে আনতকৈ উচ্চ জ্ঞান কৰিব পাৰে।

গতিকে ওপৰৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে অসমতাৰ সৃষ্টি কৰা ইংৰাজ চৰকাৰে প্ৰদান কৰা বিভিন্ন উপাধি যেনে— মহাৰাজা, ৰায়বাহাদুৰ, ৰায় চাহাব, ৰাজ বাহাদুৰ ইত্যাদি সংবিধানৰ এই অনুচ্ছেদৰ দ্বাৰা নিষিদ্ধ কৰি সমাজকত সমতা স্থাপনত গুৰুত্ব প্ৰদান কৰা হৈছে।

**স্বাধীনতাৰ অধিকাৰ (Right to Freedom) ঃ**

মৌলিক অধিকাৰ সমূহৰ ভিতৰত স্বাধীনতাৰ অধিকাৰ বিশেষভাৱে গুৰুত্বপূৰ্ণ। সংবিধানৰ ১৯, ২০, ২১ আৰু ২২ নং অনুচ্ছেদত এই অধিকাৰবোৰ সন্নিবিষ্ট কৰা হৈছে। অনুচ্ছেদ ১৯ ত নাগৰিকৰ বাবে ছয়টা অধিকাৰৰ সন্নিৱিষ্ট হৈ আছে—

(ক) বাক্-স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ (Right to freedom of speech and expression)

(খ) অস্ত্ৰ-বিহীন অৱস্থাত শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ (Right to assemble peaceably and without arms)

(গ) সংস্থা গঠনৰ অধিকাৰ (Right to form associations, unioms or co-operative societies)

(ঘ) ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত স্বাধীনভাৱে ঘূৰি-ফুৰাৰ অধিকাৰ (Right to move freely throughout the territory in India)

(ঙ) ভাৰতবৰ্ষৰ যিকোনো অঞ্চলত বসবাস কৰাৰ অধিকাৰ (Right to reside and settle in any part of the territory of India)

(চ) যিকোনো চাকৰি নাইবা ব্যৱসায় কৰাৰ অধিকাৰ (Right to practice any profession or to carry on any occupation, trade or business)

স্বাধীনতাৰ এই অধিকাৰ সমূহ চৰম নহয়। চৰকাৰে এইবোৰ ভোগ কৰাৰ ক্ষেত্ৰত যুক্তি সংগত বাধা আৰোপ কৰিব পাৰে। ভাৰতীয় নাগৰিক সকলক বাক্-স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা দিয়া হৈছে যদিও এই স্বাধীনতা ভোগ কৰা কাৰ্যৰ ফলত আন লোকৰ যশস্যা হানি হ'লে, আদালতক অৱমাননা কৰিলে, ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন হ'লে, বিদেশৰ লগত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্ক ব্যাহত হ'লে, অপৰাধ মূলক কাম কৰিবলৈ কোনো লোকক উদ্‌গনি দিলে, সামাজিক বিশৃংখলতাৰ সৃষ্টি হ'লে, ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু সংহতি বিনষ্ট হোৱাৰ সম্ভৱনা থাকিলে চৰকাৰে এই অধিকাৰ ভোগ কৰাৰ ক্ষেত্ৰত যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে।

দেশৰ সাৰ্বভৌমত্ব আৰু সংহতি ৰক্ষাৰ কাৰণে আৰু সমাজত শান্তি-শৃংখলা বজায় ৰখাৰ বাবে চৰকাৰে অস্ত্ৰবিহীন অৱস্থাত সমবেত হোৱা অধিকাৰৰ লগতে সংস্থা গঠনৰ অধিকাৰৰ ওপৰতো যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে।

সমাজত শান্তি-শৃংখলা প্ৰতিষ্ঠা কৰিবলৈ আৰু অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ স্বাৰ্থৰক্ষা কৰিবলৈ ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত ভ্ৰমণ কৰা আৰু বসবাস কৰাৰ অধিকাৰৰ ক্ষেত্ৰতো চৰকাৰে যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে। একেদৰে জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থৰক্ষাৰ কাৰণে চাকৰি বা ব্যৱসায় কৰা স্বাধীনতাৰ ক্ষেত্ৰতো চৰকাৰে বাধা আৰোপ কৰিব পাৰে।

সংবিধানৰ ২০ নং অনুচ্ছেদৰ জৰিয়তে জনসাধাৰণক তিনিটা বিষয়ত ৰক্ষণাবেক্ষণ দিয়া হৈছে—

(১) কোনো লোককে আইন অমান্য কৰাৰ বাহিৰে আন কাৰণত আটক কৰিব নোৱাৰিব আৰু আইন অমান্য কৰাৰ সময়ত যি শাস্তিৰ ব্যৱস্থা আছে, তাতকৈ অধিক শাস্তিৰ বিধান দিব নোৱাৰিব [ অনুচ্ছেদ ২০ (১)]।

(২) কোনো লোককে একে দোষত এবাৰতকৈ অধিক শাস্তিৰ বিধান দিব নোৱাৰিব [ অনুচ্ছেদ ২০ (২)]।

(৩) কোনো লোককে তেওঁৰ নিজৰ বিৰুদ্ধে সাক্ষ্যদান কৰিবলৈ বাধ্য কৰাব নোৱাৰিব [ অনুচ্ছেদ ২০ (৩)]।

২১ নং অনুচ্ছেদত উল্লেখ আছে যে আইনে নিৰ্ধাৰণ কৰা ব্যৱস্থাৰ বাহিৰে আন উপায়ে দেশী বা বিদেশী কোনো লোকক তেওঁৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। এই অনুচ্ছেদৰ জৰিয়তে কাৰ্য পালিকাৰ ক্ষমতা সীমিত কৰা হৈছে যদিও আইন সভাৰ ক্ষমতা সীমিত কৰা নাই। ফলত এই অনুচ্ছেদৰ জৰিয়তে আইন সভাৰ বাবে নাগৰিকৰ স্বাধীনতা হৰণৰ কাৰণে আইন প্ৰনয়ণৰ বাট মুকলি কৰা হৈছে, যদিও এক মৰ্যদাপূৰ্ণ, শান্তিপূৰ্ণ আৰু মানৱীয় জীৱন-যাপনৰ কথা উল্লেখ কৰা আছে। ২০০২ চনত সংবিধানৰ ৮৬ নং সংশোধনী আইনৰ জৰিয়তে ২১ নং অনুচ্ছেদৰ সংশোধন কৰি শিক্ষাৰ অধিকাৰক ২১ ক অনুচ্ছেদত অন্তৰ্ভুক্ত কৰা হৈছে। এই সংশোধনী আইনৰ জৰিয়তে ৬ বছৰৰ পৰা ১৪ বছৰৰ ল'ৰা-ছোৱালীৰ কাৰণে শিক্ষাক মৌলিক অধিকাৰত পৰিণত কৰা হৈছে। অৰ্থাৎ এই অনুচ্ছেদ দ্বাৰা অকল প্ৰাথমিক শিক্ষাকহে মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত কৰা হৈছে। উচ্চ শিক্ষা বা বৃত্তিগত শিক্ষাক এই অনুচ্ছেদত সন্নিবিষ্ট কৰা হোৱা নাই। চৰকাৰৰ মতে, ই হ'ল নাগৰিকৰ অধিকাৰৰ অধ্যায়ত দ্বিতীয় বিপ্লৱৰ সুচনা (Dawn of the second Revolution) , কিয়নো ইয়াৰ পূৰ্বেও সংবিধানৰ চতুৰ্থ অংশৰ ৪৫ নং অনুচ্ছেদত শিশুৰ বিণামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ বাবে এক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ২০০৯ চনত 'Right of children to free and Compulsory Education (RTE) Act. প্ৰনয়ণ হয়, যাৰ দ্বাৰা প্ৰত্যেক শিশুকে সম্পূৰ্ণ সন্তোষজনক আৰু গুণগত শিক্ষা লাভ কৰাৰ ব্যৱস্থা কৰা হয়।

গতিকে সমাজত সমতা, সামাজিক ন্যায়, গণতন্ত্ৰৰ লগতে এখন ন্যায়সংগত, শান্তিপূৰ্ণ আৰু মানৱীয় সমাজ প্ৰতিষ্ঠাৰ বাবে ব্যক্তিগত স্বাধীনতা, শিক্ষা আৰু জীৱনৰ অধিকাৰ অতি গুৰুত্বপূৰ্ণ।

২২ নং অনুচ্ছেদত উল্লেখ আছে যে কোনো লোকক আটক কৰিলে তেওঁক আটক কৰাৰ কাৰণ জনাব লাগিব, লগতে প্ৰতিৰক্ষাৰ কাৰণে এজনে অধিবক্তাৰ লগত আলোচনা কৰা সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব [ অনুচ্ছেদ ২২ (১)]।

আটক কৰা লোকক ২৪ ঘণ্টাৰ ভিতৰত (আটক কৰা ঠাইৰ পৰা বিচাৰকৰ ওচৰলৈ যোৱাৰ কাৰণে দৰকাৰী সময় বাদ দি) কোনো বিচাৰকৰ ওচৰত হাজিৰ কৰাব লাগিব আৰু বিচাৰকৰ অনুমতি সাপেক্ষেহে অধিক কাল আটক কৰি ৰাখিব পাৰিব [ অনুচ্ছেদ ২২ (২)]। কিন্তু বিদেশী শত্ৰু বা নিবাৰক নিৰোধ আইনৰ আধাৰত হোৱা লোকৰ ক্ষেত্ৰত এই সুবিধা প্ৰযোজ্য নহয় [ অনুচ্ছেদ ২২ (৩)]।

একেদৰে, উচ্চ ন্যায়লয়ৰ বিচাৰকৰ দ্বাৰা গঠিত হোৱা পৰামৰ্শমূলক অনুষ্ঠানৰ অনুমতি অবিহনে কোনো লোকক তিনি মাহতকৈ অধিক কাল বন্দী কৰিব ৰাখিব নোৱাৰিব [ অনুচ্ছেদ ২২ (৪)]। আৰু ইয়াৰ কাৰণ বা ভিত্তি সম্পৰ্কে বন্দীজন অৱগত হ'ব লাগিব [ অনুচ্ছেদ ২২ (৫)]। লগতে বন্দীকৰণ আদেশৰ বিৰুদ্ধে নিজক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাব লাগিব।

**শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against Exploitation) ঃ**

২৩ নং অনুচ্ছেদৰ জৰিয়তে মানৱ পনন; বেগাৰ আৰু অন্যান্য অনুৰূপ প্ৰকাৰৰ বলপূৰ্বক কামত লগোৱাৰ ব্যৱস্থা প্ৰতিৰোধ কৰা হৈছে আৰু এই নীতি উলংঘা কৰা সকলৰ বাবে বিধিগত শাস্তিৰ ব্যৱস্থা কৰা

হৈছে [ অনুচ্ছেদ ২৩ (১)]। অৱশ্যে চৰকাৰৰ ক্ষেত্ৰত এই নীতিৰ ব্যতিক্ৰম আছে। জাতীয় স্বাৰ্থৰক্ষা নাইবা দেশৰ সাৰ্বভৌমত্ব আৰু সংহতি ৰক্ষাৰ কাৰণে জনসাধাৰণক বাধ্যতামূলকভাৱে কামত নিয়োগ কৰাৰ ব্যৱস্থা মুকলি আছে। অৱশ্যে এনে ক্ষেত্ৰত জাতি, ধৰ্ম, বৰ্ণ, ভাষা আদিৰ ভিত্তিত মানুহৰ মাজত চৰকাৰে কোনো বৈষম্য সৃষ্টি কৰিব নোৱাৰিব [ অনুচ্ছেদ ২৩ (২)]।

১৪ বছৰৰ তলত ল'ৰা-ছোৱালীক কাৰখানা, খনি নাইবা তেনে কোনো সংকটজনক কামত নিযুক্ত কৰাটো বন্ধ কৰা হৈছে(অনুচ্ছেদ ২৪)। এই ক্ষেত্ৰত 'The child labour (Prohibition and Regulation) Act, 1986 বিশেষভাৱে উল্লেখনীয়।

**ধৰ্মীয় অধিকাৰ (Right to Religion) ঃ**

ভাৰতবৰ্ষত বাস কৰা সকলো লোককে ধৰ্মীয় বিষয়ত স্বাধীনতা দিয়া হৈছে। সংবিধানৰ ২৫, ২৬, ২৭, ২৮ নং অনুচ্ছেদৰ জৰিয়তে ধৰ্মীয় অধিকাৰৰ বিষয়ে কোৱা হৈছে।

(১) ভাৰতবৰ্ষত বাস কৰা সকলো লোকে নিজৰ নিজৰ অভিৰুচি মতে যিকোনো ধৰ্ম গ্ৰহণ, ধৰ্ম-চৰ্চা আৰু ধৰ্ম প্ৰচাৰ কৰিব পাৰে (২৫ নং অনুচ্ছেদ)। কিন্তু সামাজিক শৃংখলা, সদাচাৰ, স্বাস্থ্য আদি বিভিন্ন কাৰণত চৰকাৰে এই অধিকাৰৰ ওপৰত বাধা আৰোপ কৰিব পাৰে। জনসাধাৰণৰ ধৰ্মীয় অধিকাৰ থাকিলেও, এই অধিকাৰ ভোগ কৰাৰ ফলত মানুহক নৈতিকতা বিৰোধী কামত লিপ্ত কৰাৰ নালাগে। নাইবা সতীদাহ, শিশুবিধ আদিৰ নিচিনা সমাজবিৰোধী কামত মানুহক লিপ্ত কৰাব নালাগে। ধৰ্মীয় স্বাধীনতাই এনেবোৰ বিশৃংখলতাৰ সৃষ্টি কৰিলে চৰকাৰে এই অধিকাৰৰ ওপৰত বাধা আৰোপ কৰিব পাৰে।

(২) সকলো লোককে নিজৰ নিজৰ অভিৰুচিমতে ধৰ্ম গ্ৰহণৰ স্বাধীনতা দিয়াৰ উপৰিও, ধৰ্মীয় অনুষ্ঠান আদি প্ৰতিষ্ঠা কৰাৰ স্বাধীনতাও দিয়া আছে। সকলো ধৰ্মৰ লোকে তেওঁলোকৰ কাৰণে ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰে, স্থাৱৰ-অস্থাৱৰ সম্পত্তি অধিগ্ৰহণ কৰিব পাৰে আৰু বিধিমতে সেই সম্পত্তিৰ ব্যৱহাৰ কৰিব পাৰে (২৬ নং অনুচ্ছেদ)। সেইদৰে উপাসনা কৰাৰ নীতি আৰু পদ্ধতিও প্ৰত্যেক ধৰ্মৰ লোকে ঠিক কৰি ল'ব পাৰে।

(৩) ধৰ্মৰ নামত নাইবা ধৰ্মীয় অনুষ্ঠানৰ খৰছৰ কাৰণে বাধ্যতামূলক ভাৱে ৰাজহ তথা কৰ সংগ্ৰহ বন্ধ কৰা হৈছে (২৭ নং অনুচ্ছেদ)।

(৪) চৰকাৰী পৃষ্ঠপোষকতাত গঢ়ি উঠা শিক্ষানুষ্ঠান নাইবা চৰকাৰে অনুদান দিয়া শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা বন্ধ কৰা হৈছে। চৰকাৰী স্বীকৃতি প্ৰাপ্ত নাইবা চৰকাৰী সাহায্য পোৱা কোনো শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষাদানৰ ব্যৱস্থা থাকিলেও, সেই অনুষ্ঠানত ভৰ্তি হোৱা ছাত্ৰ নাইবা ছাত্ৰৰ অভিভাৱকৰ সম্মতি অবিহনে কোনো ছাত্ৰ-ছাত্ৰীকে ধৰ্মীয় শিক্ষা দিয়াটো বন্ধ কৰা হৈছে। (২৮ নং অনুচ্ছেদ)।

এইবোৰ ব্যৱস্থাৰ পৰা সহজে অনুমান কৰিব পাৰি যে ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ; ইয়াত সকলো লোকে স্বাধীনভাৱে ধৰ্ম গ্ৰহণ, ধৰ্ম চৰ্চা আৰু ধৰ্ম প্ৰচাৰ কৰিব পাৰে; ধৰ্মৰ ভিত্তিত ইয়াত মানুহৰ মাজত কোনো বৈষম্যৰ সৃষ্টি কৰিব পৰা নাযায়।

**সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ (Cultural and Educational Rights) ঃ**

২৯ নং আৰু ৩০ নং অনুচ্ছেদৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলক সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ দিয়া হৈছে। ২৯ নং অনুচ্ছেদত উল্লেখ আছে যে ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ নাগৰিকে নিজৰ নিজৰ ভাষা আৰু সংস্কৃতি বজায় ৰাখিব পাৰিব। চৰকাৰী ধন নাইবা অনুদানেৰে প্ৰতিষ্ঠা কৰা সকলোবোৰ শিক্ষানুষ্ঠানতে জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো ছাত্ৰই ভৰ্তি হোৱাৰ সুযোগ লাভ কৰিব।

৩০ নং অনুচ্ছেদৰ জৰিয়তে সংখ্যালঘিষ্ঠ সকলো শ্ৰেণীৰ লোকক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ অধিকাৰ দিয়া হৈছে। ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু শ্ৰেণীৰ লোকে নিজৰ ৰুচি অনুযায়ী শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰিব আৰু সংখ্যা লঘিষ্ঠ শ্ৰেণীৰ শৈক্ষিক অনুষ্ঠানৰ সম্পত্তি বাধ্যতামূলক আহৰণৰ ফলত চৰকাৰে প্ৰদান কৰা ক্ষতি পূৰণে যাতে তেওঁলোকৰ অধিকাৰ খৰ্ব কৰিব নোৱাৰে তাৰ ব্যৱস্থাও এই অনুচ্ছেদত সন্নিৱিষ্ট হৈ আছে।

শিক্ষানুষ্ঠান সমূহক অনুদান দিয়াৰ ক্ষেত্ৰত ভাষা নাইবা ধৰ্মৰ ভিত্তিত চৰকাৰে বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব। ইয়াৰোপৰি সংখ্যা লঘিষ্ঠ শ্ৰেণীৰ বাবে নিজ নিজ ভাষাত তেওঁলোকৰ ল'ৰা-ছোৱালী সকলক শিক্ষা দানৰ ব্যৱস্থাও সংবিধানত ৩০ নং অনুচ্ছেদত দেখা যায়।

গতিকে বিভিন্ন ভাষা আৰু বেলেগে বেলেগ ধৰ্মৰ লোক বাস কৰা ভাৰতবৰ্ষত সকলো লোকে যাতে নিজৰ নিজৰ ভাষা-সংস্কৃতি বজায় ৰাখিব পাৰে আৰু শিক্ষা লাভৰ সুবিধা পাব পাৰে, তাৰ ব্যৱস্থা কৰিবলৈ সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ দিয়া হৈছে।

**সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (Right to Constitutional Remedies) ঃ**

সংবিধানত মৌলিক অধকাৰৰ ব্যৱস্থা থাকিলেও যথেষ্ট নহয়; নাগৰিকসকলে যাতে সেই অধিকাৰ ভোগ কৰিব পাৰে আৰু নাগৰিক অধিকাৰৰ ওপৰত যাতে কোনোৱে অযথা হস্তক্ষেপ কৰিব নোৱাৰে, তাৰ ব্যৱস্থাও থাকিব লাগে। আমাৰ সংবিধানত নাগৰিক সকলৰ মৌলিক অধিকাৰ ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা আছে। ৩২ নং অনুচ্ছেদ আৰু ২২৬ নং অনুচ্ছেদৰ জৰিয়তে নাগৰিক সকলে অধিকাৰ ৰক্ষাৰ কাৰণে আদালতৰ ওচৰ চাপিব পাৰে। কোনো ব্যক্তি, সংস্থা নাইবা চৰকাৰী কোনো কাৰ্যৰ ফলত নাগৰিকৰ অধিকাৰ ব্যাহত হ'লে, উচ্চ ন্যায়ালয় নাইবা উচ্চতম ন্যায়ালয়ত তেনে কাৰ্যৰ বিৰুদ্ধে গোচৰ তুলিব পৰা যায়। এই ন্যায়ালয়ে বন্দী উপস্থাপন সমাদেশ (writ of Hobeas corpus), পৰিমাধিদেশ (Mandamus), নিষেধাজ্ঞা (Prohibition), কৈফিয়ৎ তলবী (Quo-warranto), উৎপ্ৰেষণ (certiorari), আদি পৰোৱানা জাৰি কৰি নাগৰিকৰ অধিকাৰ ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব পাৰে। কোনো লোকক বে-আইনীভাৱে আটক কৰিলে, আদালতত বন্দী উপস্থাপন

সমাদেশ জাৰি কৰি আটক কৰা লোকক হাজিৰ কৰাৰ ব্যৱস্থা কৰিব পাৰে। আটক বন্দী দোষী প্ৰমাণিত নহ'লে, তেনে লোকক ন্যায়ালয়ে খালাচ দিব পাৰে। কোনো লোক বা কৰ্তৃপক্ষই নিজৰ দায়িত্ব পালন কৰিবলৈ অনিচ্ছুক হ'লে আদালতে পৰমাধিদেশ (Mandames) জাৰি কৰি তেনে লোক বা কৰ্তৃপক্ষক নিজৰ দায়িত্ব পালন কৰিবলৈ বাধ্য কৰাব পাৰে। নিষেধাজ্ঞা (Prohibition) ৰ জৰিয়তে কোনো কৰ্তৃপক্ষৰ অধিকাৰ ক্ষেত্ৰৰ ভিতৰত নপৰা কাম কৰাত আদালতে বাধা দিব পাৰে। বৈধভাৱে নিৰ্বাচন নোহোৱা বা নিযুক্ত নোহোৱা কোনো ক্ষেত্ৰত মীমাংসা নোহোৱালৈকে তেনে লোকক কৈফিয়ৎ তলবী (Quo-warranto) পৰোৱানা জাৰি কৰি তেওঁক সেই পদবীত কাম কৰাৰ পৰা বিৰত ৰাখিব পাৰে। সেইদৰে নিম্ন আদালতত বিচাৰাধীন গোচৰ উচ্চ আদালতলৈ প্ৰেৰণ কৰিবলৈ উৎপ্ৰেষণ (Certiorari) পৰোৱান জাৰি কৰিব পাৰে। এইদৰে উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে বিভিন্ন সমাদেশ ব্যাদেশ আদি জাৰি কৰি নাগৰিকৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিয়ে। সেয়েহে এই আদালতক নাগৰিক অধিকাৰৰ ৰক্ষক আখ্যা দিয়া হৈছে। গতিকে ৩২ নং অনুচ্ছেদ ভাৰতীয় সংবিধানৰ এক অতিকৈ গুৰুত্বপূৰ্ণ ব্যৱস্থা। ড° আম্বেদকাৰৰ মতে, "এইটো অনুচ্ছেদ ভাৰতীয় সংবিধানৰ প্ৰাণস্বৰূপ"

## ৩। ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতি আৰু মানৱ অধিকাৰ ঃ

সংবিধান প্ৰণেতাসকলে তৃতীয় অধ্যায়ত অন্তৰ্ভুক্ত কৰিবলৈ সম্ভৱ নোহোৱা ভালেমান মানৱ অধিকাৰ চতুৰ্থ অধ্যায়ত সন্নিবিষ্ট কৰিছে।

**ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতি (Directive Principle of State Policy) ঃ**

ভাৰতবৰ্ষক এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিবোৰৰ অন্তভুক্তি আমাৰ সংবিধানৰ এক উল্লেখনীয় বৈশিষ্ট্য। সংবিধানৰ প্ৰস্তাৱনাত উল্লেখিত আদৰ্শৰ লগত সামঞ্জস্য ৰাখি দেশত অৰ্থনৈতিক আৰু সামাজিক গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ বাবে এই নীতিসমূহক সংবিধানত সন্নিবিষ্ট কৰা হৈছে।

ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত অনুচ্ছেদ নং ৩৬-৫১ ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতি সমূহ বিয়পি আছে। সংবিধানৰ ৩৭ নং অনুচ্ছেদত কোৱা হৈছে যে যদিও ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিবোৰ বাদযোগ্য নহয়, তথাপিও ৰাষ্ট্ৰ পৰিচালনাৰ ক্ষেত্ৰত এইবোৰ মৌলিক নীতি, যিবোৰ ৰাষ্ট্ৰই আইন প্ৰনয়ণ কৰোতে অনুসৰণ কৰিব লাগিব।

স্পেইন আৰু আয়াৰলেণ্ডৰ সংবিধানক অনুকৰণ কৰিয়ে আমাৰ দেশৰ সংবিধানতো নিৰ্দেশক নীতিসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। Dr. Ambedkar ৰ মতে এই নীতিবোৰ ভাৰতীয় সংবিধানৰ 'Novel features'। মৌলিক অধিকাৰৰ লগতে ৰাষ্ট্ৰ পৰিচালনা এই নীতিবোৰে ভাৰতীয় সংবিধানত প্ৰাণস্বৰূপ। Granvile Austin ৰ মতে মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনা নিৰ্দেশক নীতিবোৰ হ'ল 'সংবিধানৰ বিবেকস্বৰূপ' (Conscience of the Constitution)।

গতিকে নিৰ্দেশক নীতি হৈছে সেইবোৰ নীতি, যিবিলাক ভাৰতৰ সংসদ, ৰাজ্যিক বিধান মণ্ডল তথা শাসন বিভাগে নিজ নিজ কাৰ্য সম্পাদন কৰোতে মানি চলিব লাগে।

## সংবিধানত সন্নিবিষ্ট নিৰ্দেশক নীতি সমূহ (Directive Principles Enshrined in the Constitution) :

সংবিধানৰ নিদেৰ্শকি নীতি সন্নিবিষ্ট অধ্যয়ত মুঠ ১৬ টা অনুচ্ছেদ (৩৬-৫১) আছে। ইয়াৰে প্ৰথম দুটা অনুচ্ছেদ ত (৩৬-৩৭) ৰাষ্ট্ৰ শব্দৰ ব্যাখ্যা কৰা আৰু নিৰ্দেশক নীতিৰ সাংবিধানিক তাৎপৰ্যৰ কথা আৰু বাকী ১৪ টা অনুচ্ছেদ (৩৮-৫১) নিৰ্দেশক নীতিসমূহৰ বিৱৰণ দিয়া আছে। মৌলিক অধিকাৰৰ নিচিনাকৈ নিৰ্দেশক নীতি সমূহক সংবিধানত শ্ৰেণীবিভাজন কৰা হোৱা নাই। তথাপি আদৰ্শৰ ভিত্তিত আৰু বিবিধ নীতিৰ এইকেইটা ভাগত আলোচনা কৰিব পাৰি।

### অৰ্থনৈতিক নীতি (Economic Principle) :

সংবিধানৰ ৩৮, ৩৯, ৪১, ৪২, ৪৩ নং অনুচ্ছেদত কিছুমান অৰ্থনৈতিক নীতি অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় নাগৰিক সকলক সামাজিক আৰু অৰ্থনৈতিক ন্যায় প্ৰদান কৰি এখন কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্টা কৰা এই নীতি সমূহৰ প্ৰধান উদ্দেশ্য। এই নীতিসমূহ এনে ধৰণৰ—

(১) সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিকন্যায়ৰ দ্বাৰা সুৰক্ষিত সমাজ ব্যৱস্থা দ্বাৰা জনসাধাৰণৰ কল্যাণ সাধন কৰা আৰু সামাজিক স্থিতি, আয়, বিভিন্ন সুযোগ-সুবিধা আদি ক্ষেত্ৰত অসমতা দূৰ কৰা (অনুচ্ছেদ ৩৮)।

(২) (ক) নাগৰিক সকলৰ জীৱিকাৰ পৰ্যাপ্ত উপায়ৰ ব্যৱস্থা কৰা।

(খ) জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থৰক্ষাৰ কাৰণে সম্পদৰ সমবিতৰণ কৰা।

(গ) উৎপাদনৰ আহিলা আৰু সম্পদ যাতে কেন্দ্ৰীভূত নহয় তাৰ ব্যৱস্থা কৰা।

(ঘ) পুৰুষ-মহিলা উভয়কে কামৰ বাবে সমান মজুৰি দিয়াৰ ব্যৱস্থা কৰা।

(ঙ) শিশু আৰু শ্ৰমিক সকলৰ স্বাস্থ্য আৰু শাৰীৰিক ক্ষমতা অটুট ৰখাৰ ব্যৱস্থা কৰা আৰু শক্তিৰ অনুপযোগী কামত নিয়োগ বন্ধ কৰা।

(৩) শিশুৰ স্বাস্থ্য সন্মত বিকাশৰ ব্যৱস্থা কৰা (অনুচ্ছেদ ৩৯)

(৪) সমাজৰ দুখীয়া শ্ৰেণীৰ লোকৰ কাৰণে সমন্যায় আৰু বিনামূলীয়া সহায্যৰ ব্যৱস্থা কৰা (অনুচ্ছেদ ৩৯ এ)

কামৰ অধিকাৰ আৰু শিক্ষাৰ অধিকাৰ ব্যৱস্থা কৰা আৰু নিবনুৱা, বৃদ্ধ, ৰুগ্ন আৰু বিকলাংগ লোকক আৰ্থিক সাহায্য দিয়া (অনুচ্ছেদ ৪১)

(৫) উপযুক্ত আৰু মানৱীয় পৰিৱেশত কাম কৰাৰ সুবিধা দিয়া আৰু মাতৃত্বৰ সময়ত মহিলাসকলক দৰকাৰী সাহায্য আগবঢ়োৱা (অনুচ্ছেদ ৪২)

(৬) বনুৱাসকলৰ জীৱন-ধাৰণৰ কাৰণে যথোপযুক্ত মজুৰি, এক উন্নত মানদণ্ডৰ জীৱন আৰু সামাজিক আৰু সংস্কৃতিক সুযোগ দিয়া (অনুচ্ছেদ ৪৩)

(৭) বনুৱাসকলক উদ্যোগ পৰিচালনাৰ ক্ষেত্ৰত অংশ গ্ৰহণৰ সুবিধা দিয়া (অনুচ্ছেদ ৪৩ এ)

**গান্ধীবাদী নীতি (Gandhian Principle) ঃ**

এই নীতিসমূহ গান্ধীবাদী আদৰ্শৰ ওপৰত নিৰ্ভৰশীল। মহাত্মা গান্ধীৰ সমাজ পুনৰ্নিৰ্মাণৰ সপোন পূৰ্ণ কৰাৰ উদ্দেশ্য গান্ধীবাদী নীতি কিছুমানক নিৰ্দেশক নীতিৰ অধ্যায়ত স্থান দিয়া হৈছে। সংবিধানৰ ৪০, ৪৩, ৪৬, ৪৭, ৪৮ নং অনুচ্ছেদত এনে নীতি কিছুমান সন্নিৱিষ্ট কৰা হৈছে। এই নীতিসমূহ হ'ল—

(১) পঞ্চায়তীৰাজ ব্যৱস্থা সৃষ্টি কৰা আৰু স্ব-শাসনৰ এক গোট হিচাপে কাম কৰাৰ বাবে এইবোৰক প্ৰয়োজনীয় ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰা (অনুচ্ছেদ ৪০)

(২) গ্ৰামীন ক্ষেত্ৰত ব্যক্তিগত ভাৱে নাইবা সমবায় ভিত্তিত কুটীৰ শিল্পৰ প্ৰসাৰণৰ ব্যৱস্থা কৰা (অনুচ্ছেদ ৪৩)

(৩) সমবায় সমিতিবোৰৰ ঐচ্ছিক গঠন, স্বতন্ত্ৰ কাম-কাজ, গণতান্ত্ৰিক নিয়ন্ত্ৰণ আৰু ব্যৱসায়িক ব্যৱস্থা কৰা (অনুচ্ছেদ ৪৩-খ)

(৪) সমাজৰ দুৰ্বল, পিচ পৰা শ্ৰেণীৰ লোক আৰু অনুসূচীত জাতি আৰু জনজাতিৰ লোকক আৰ্থিক আৰু শৈক্ষিক সুবিধা প্ৰদান কৰা আৰু শোষণ আৰু সমাজিক অন্যায়ৰ বিৰুদ্ধে সুৰক্ষা দিয়া (অনুচ্ছেদ ৪৬)

(৫) পৰিপুষ্টি, জীৱন-ধাৰণৰ মানদণ্ড আৰু স্বাস্থ্যৰ উন্নতি সাধন কৰা আৰু ঔষধ হিচাপে ব্যৱহাৰ কৰাৰ বাহিৰে মাদক দ্ৰব্যৰ ব্যৱহাৰ বন্ধ কৰা (অনুচ্ছেদ ৪৭)

(৬) আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিত কৃষি আৰু পশু পালনৰ ব্যৱস্থা কৰা, গো-বধ বন্ধ কৰা আৰু পৰিৱেশ আৰু বন্য প্ৰাণী সংৰক্ষণ কৰা (অনুচ্ছেদ ৪৮)

ওপৰত উল্লেখিত বিষয়বোৰ গান্ধীজীৰ মতবাদৰ অংশবিশেষ আছিল। নিৰ্দেশক নীতিৰ অধ্যায়ত এই নীতিক সন্নিৱিষ্ট কৰি নীতি সমূহ কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰা হৈছে।

**আন্তঃ ৰাষ্ট্ৰীয় নীতি (International Principles) ঃ**

শিক্ষাৰ প্ৰচাৰ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতি, বিশ্বায়ন আদি বিভিন্ন কাৰণত বৰ্তমান যুগৰ দেশসমূহৰ মাজত নিৰ্ভৰশীলতা ক্ৰমশঃ বাঢ়ি আহিছে। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত পালন কৰিব লগা নীতি কিছুমান নিৰ্দেশক নীতি হিচাপে সংবিধানৰ ৫১ নং অনুচ্ছেদত

সন্নিৱিষ্ট কৰা হৈছে। এই নীতিসমূহ হ'ল—

(১) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰা।

(২) ৰাষ্ট্ৰ সমূহৰ মাজত ন্যায্য আৰু সম্মানজনক সম্বন্ধ ৰক্ষা কৰা।

(৩) ৰাষ্ট্ৰ সমূহৰ মাজত আন্তঃৰাষ্ট্ৰীয় আইনৰ আৰু আন্তঃৰাষ্ট্ৰীয় সন্ধিৰ প্ৰতি শ্ৰদ্ধা বঢ়োৱা।

(৪) মধ্যস্থতাৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় বিবাদ নিস্পত্তি কৰাত উৎসাহ দিয়া।

**বিবিধ নীতি (Miscellaneous Principles)ঃ**

ওপৰত উল্লেখ কৰা নীতিসমূহৰ উপৰিও সংবিধানৰ ৪৪, ৪৫, ৪৯, ৫০ নং অনুচ্ছেদত আন কিছুমান নীতি সন্নিবিষ্ট কৰা আছে। এই নীতিসমূহ হ'ল—

(১) সমগ্ৰ ভাৰতবৰ্ষতে সমৰূপী দেৱানী কানুন প্ৰকাশ কৰা (Uniform civil code) (অনুচ্ছেদ ৪৪)

(২) ১৪ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা দিয়া (অনুচ্ছেদ ৪৫)

(৩) অতীতৰ শিল্পকলা, ঐতিহাসিক স্মৃতি বিজৰিত মঠ-মন্দিৰ আদিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা (অনুচ্ছেদ ৪৯)

(৪) কাৰ্যপালিকাৰ পৰা ন্যায় পালিকাক পৃথক কৰা (অনুচ্ছেদ ৫০)

৪। **পঞ্চম আৰু ষষ্ঠ অনুসূচী আৰু মানৱ অধিকাৰ ঃ**

সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচীত জনজাতিসকলৰ পৃথক ৰাজনৈতিক আৰু সাংস্কৃতিক অস্তিত্ব বজায় ৰখাৰ বাবে ব্যৱস্থা কৰিছে। অনুসূচীত জনজাতিসকলক বিশেষ। মৰ্যাদা প্ৰদানেৰে এই দুই অনুসূচীয়ে সাংস্কৃতিক আৰু আত্মনিৰ্দ্ধাৰণৰ অধিকাৰক বহু পৰিমাণে মান্যতা দান কৰিছে।

ইয়াৰ উপৰিও সংবিধানৰ বিভিন্ন অনুচ্ছেদত বিভিন্ন মানৱ অধিকাৰ প্ৰকাশ কৰা হৈছে। যেনে-

১। ৩০০ (ক) নং অনুচ্ছেদ অনুসৰি কোনো ব্যক্তিকে সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

২। ৩২৫ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ সকলো নাগৰিকৰে সাৰ্বজনীনভাৱে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিকৰণৰ ব্যৱস্থা কৰিছে।

৩। ৩২৬ নং অনুচ্ছেদ অনুসৰি প্ৰাপ্তবয়স্ক সকলো ভাৰতীয় নাগৰিকে সাৰ্বজনীনভাৱে ভোটদানৰ অধিকাৰ লাভ কৰিব।

সাংবিধানিক ব্যৱস্থাৱলীৰ উপৰিও সময়ে সময়ে বিভিন্ন বিধি প্ৰণয়নেৰে ভাৰতৰ মানৱ অধিকাৰৰ ভেটিটো অধিক শক্তিশালী কৰি তোলা হৈছে। এনে কেতবোৰ গুৰুত্বপূৰ্ণ বিধি হ'ল-

১। বন্ধা শ্ৰমিক নিৰ্মূল আইন ১৯৭৬

২। শিশু শ্ৰমিক অৱসান আইন ১৯৮৬

৩। মহিলাৰ উপযুক্ত প্ৰতিনিধি আইন ১৯৮৬

৪। অনুসূচীত জাতি জনজাতিৰ নিষ্পেষণ প্ৰতিৰোধী আইন ১৯৮৯

৫। মানৱ অধিকাৰ ৰক্ষণাবেক্ষণ আইন ১৯৯৩

৬। গাৰ্হস্থ হিংসা প্ৰতিৰোধী আইন ২০০৫ আদি।

আন্তৰ্জাতিক মানৱ অধিকাৰৰ দলিল আৰু ভাৰতীয় সংবিধানৰ অধিকাৰবোৰৰ এক তুলনামূলক আলোচনা তালিকাৰ সহায়ত দেখুৱা হ'ল ঃ

| ক্ৰঃ নং | অধিকাৰৰ নাম | সাৰ্বজনীন ঘোষণা পত্ৰৰ অনুচ্ছেদ নং | ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং |
|---|---|---|---|
| ১ | আইনৰ চকুত সমতা | ৭ | ১৪ |
| ২ | বৈষম্য নিৰাময়কৰণ | ৭ | ১৫(১) |
| ৩ | সুযোগ-সুবিধাৰ সমতা | ২১(২) | ১৬(১) |
| ৪ | বক্তব্য আৰু মত প্ৰকাশৰ অধিকাৰ | ১৯ | ১৯(১) |
| ৫ | শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ | ২০(১) | ১৯(১) |
| ৬ | সংস্থা গঠনৰ অধিকাৰ | ২৩(৪) | ১৯(১) |
| ৭ | পৰিসীমাৰ ভিতৰ স্বাধীনভাৱে ভ্ৰমণৰ অধিকাৰ | ১৩(১) | ১৯(১) |
| ৮ | জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ | ৩ | ২১ |
| ৯ | দাসত্ব আৰু বলপূৰ্বক শ্ৰম আদায় প্ৰতিৰোধ | ৪ | ২৩ |
| ১০ | আইন ভংগৰ বাহিৰে শাস্তি প্ৰদানত প্ৰতিৰোধৰ অধিকাৰ | ১১(২) | ২০(১) |
| ১১ | বিবেক আৰু ধৰ্মৰ স্বাধীনতা | ১৮ | ২৫(১) |
| ১২ | অধিকাৰ বলবৎকৰণৰ উপায় | ৮ | ৩২ |
| ১৩ | অন্যায়মূলক আটক প্ৰতিৰোধৰ অধিকাৰ | ৯ | ২২ |
| ১৪ | সামাজিক নিৰাপত্তাৰ অধিকাৰ | ২২ | ৯(১) |
| ১৫ | কামৰ অধিকাৰ, উপযুক্ত কৰ্মৰ পৰিৱেশৰ অধিকাৰ | ২৩(১) | ৪১ |
| ১৬ | সম কামৰ সম মজুৰিৰ অধিকাৰ | ২৩(২) | ৩৯(ঘ) |
| ১৭ | উপযুক্ত মজুৰিৰ অধিকাৰ | ২৩(৩) | ৪৩ |
| ১৮ | শিক্ষাৰ অধিকাৰ | ২৬ | ২১(ক), ৪১, ৪৫, ৫১(ক) |
| ১৯ | জিৱণিৰ অধিকাৰ | ২৪ | ৪৩ |
| ২০ | মৰ্যাদা সহকাৰে জীয়াই থকাৰ অধিকাৰ | ২৫(১) | ৩৯, ৪৭ |

এইখিনিতে উল্লেখ কৰাৰ প্ৰয়োজন যে ভাৰতে সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰত ১৯৪৮ চনতে স্বাক্ষৰ কৰিছিল।

**তালিকা ২ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি পত্ৰ** (ICCPR) **আৰু ভাৰতীয় সংবিধানত প্ৰকাশ পোৱা অধিকাৰ সামঞ্জস্যতাৰ তালিকা ঃ**

| ক্ৰমঃ নং | অধিকাৰৰ নাম | ICCPR ৰ অনুচ্ছেদ | ভাৰতীয় সংবিধানৰ অনুচ্ছেদ |
|---|---|---|---|
| ১ | আইনৰ চকুত সমতাৰ অধিকাৰ | ১৪ (১) | ১৪ |
| ২ | বৈষম্য নিষিদ্ধকৰণৰ অধিকাৰ | ২৬ | ১৫ |
| ৩ | নিযুক্তিত সমতাৰ অধিকাৰ | ২৫ (গ) | ১৬ |
| ৪ | মত প্ৰকাশৰ অধিকাৰ | ১৯ (১) | ১৯ (১) |
| ৫ | শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ | ২১ | ১৯ (১) |
| ৬ | সংস্থা গঠনৰ অধিকাৰ | ২২ (১) | ১৯ (১) |
| ৭ | ৰাষ্ট্ৰীয় পৰিসীমাৰ ভিতৰত ভ্ৰমণৰ অধিকাৰ | ১২ (১) | ১৯ (১) |
| ৮ | আইন ভংগৰ বাহিৰে অন্য কাৰণত অভিযুক্ত কৰাৰ বিৰুদ্ধে অধিকাৰ | ১২ (১) | ২০ (১) |
| ৯ | নিজৰ বিৰুদ্ধে সাক্ষ্য প্ৰদানত | | |
| | বাধ্য কৰোৱাত বাধাদানৰ অধিকাৰ | ১৪ (৩) | ২০ (৩) |
| ১০ | জীৱন আৰু স্বাধীনতাৰ অধিকাৰ | ৬ (১), ৯ (১) | ২১ |
| ১১ | বলপূৰ্বক শ্ৰম আদায়ৰ বিৰুদ্ধে অধিকাৰ | ৮ (৩) | ২৩ |
| ১২ | ধৰ্ম স্বতন্ত্ৰতাৰ অধিকাৰ | ১৮ (১) | ২৫ |

ভাৰতবৰ্ষই ১৯৭৯ চনত আন্তৰ্জাতিক এই চুক্তি পত্ৰখনৰ প্ৰতি সমৰ্থন প্ৰদান কৰিছিল।

**তালিকা ৩ ঃ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি পত্ৰ** (ICESCR) **আৰু ভাৰতীয় সংবিধানত উল্লেখিত অধিকাৰৰ সামঞ্জস্যতা ঃ**

| ক্ৰঃ নং | অধিকাৰৰ নাম | ICESCR ৰ অনুচ্ছেদ | ভাৰতীয় সংবিধানৰ অনুচ্ছেদ |
|---|---|---|---|
| ১ | সমান কামৰ বাবে সমান মজুৰি লাভৰ অধিকাৰ | ৭ (১) | ৩৯ (ঘ) |
| ২ | উপযুক্ত কৰ্ম পৰিৱেশৰ অধিকাৰ | ৭ (ঘ) | ৪২ |
| ৩ | কৰ্মৰ অধিকাৰ | ৬ (১) | ৪১ |
| ৪ | বাধ্যতামূলক শিক্ষাৰ অধিকাৰ | ১৩ (২) | ২১(ক), ৪১, ৪৫ |
| ৫ | উপযুক্ত মজুৰি লাভৰ অধিকাৰ | ৭ (ক) | ৪৩ |
| ৬ | মৰ্যাদা সহকাৰে জীয়াই থকাৰ অধিকাৰ | ১১ | ৪৭ |
| ৭ | মাতৃত্বৰ সময়ত বিশেষ ৰেহাই | ১০ (২) | ৪২ |

# মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩
# (Protection of Human Rights Act, 1993)

মানৱ অধিকাৰ সুৰক্ষা আইন (১৯৯৩) ভাৰতৰ মানৱ অধিকাৰ শক্তিশালী কৰণৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। সংবিধানত ঘোষণা কৰা আৰু বৈধতাৰ তালিকাভুক্ত নোহোৱা আন্তৰ্জাতিকভাৱে স্বীকৃত মানৱ অধিকাৰবোৰ জনসমাজত প্ৰচাৰ, প্ৰসাৰ আৰু সুৰক্ষাৰ স্বাৰ্থতে এই আইনখন গ্ৰহণ কৰা হয়। প্ৰকৃততে সকলো দেশতে এখন আইনৰ প্ৰয়োজনীয়তা সম্পৰ্কে ১৯৪৬ চনৰ ৰাষ্ট্ৰসংঘৰ সহযোগী সংগঠন UNESCO ই পৰামৰ্শ আগবঢ়াইছিল। ১৯৬৬ চনত সাধাৰণ সভাই সঠিকভাৱে ৰূপায়ণ আৰু গণসজাগতা সৃষ্টিৰ বাবে এক আয়োগ গঠন কৰাৰ বিষয়ে আন্তৰ্জাতিক মানৱ অধিকাৰ আয়োগক দায়িত্ব অৰ্পণ কৰিছিল। ১৯৯৩ চনত ভিয়েনাত অনুষ্ঠিত হোৱা মানৱ অধিকাৰৰ বিশ্ব সন্মিলনে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ প্ৰতিষ্ঠাৰ দিশটোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। আন্তৰ্জাতিক এনে আহ্বানবোৰৰ প্ৰতি সহাৰি দিয়েই ১৯৯২ চনৰ মে মাহত লোকসভাত মানৱ অধিকাৰ বিধেয়কখন উত্থাপন কৰা হয়। কিন্তু বিধেয়কখন গৃহ মন্ত্ৰালয়ত বিবেচনাধীন হৈ থাকোতেই ভাৰতত মানৱ অধিকাৰৰ যথেষ্ট উলংঘনৰ বাতৰিয়ে আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ মৰ্যাদা লাঘৱ কৰিছিল। ফলত আভ্যন্তৰীণ আৰু আন্তৰ্জাতিক চাপত ১৯৯৩ চনৰ ২৭ ছেপ্তেম্বৰত জৰুৰীভাৱেই এখন অধ্যাদেশ জাৰি কৰি মানৱ অধিকাৰ আয়োগ গঠনৰ ব্যৱস্থা কৰা হয়। ১৯৯৩ চনৰ ১৮ ডিচেম্বৰ তাৰিখে আইনৰ ৰূপ দিবলৈ লোকসভাত বিধেয়কখন উত্থাপন কৰা হয় আৰু ১৯৯৪ চনৰ ৮ জানুৱাৰীত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ লাভ কৰাৰ লগে লগে ই আইনত পৰিণত হয়।

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ সুৰক্ষা আইন (১৯৯৩) ৰ মূল উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ, ৰাজ্যিক মানৱ অধিকাৰ আয়োগ, মানৱ অধিকাৰ আদালত গঠন কৰি মানৱ অধিকাৰৰ উলংঘন হ্ৰাস কৰা আৰু মানৱ অধিকাৰ সুৰক্ষাৰ ব্যৱস্থা কৰা।

আইনখনে মানৱ অধিকাৰ সম্পৰ্কে ব্যাখ্যা আগবঢ়াই কৈছে "Human Right means the rights relating to life, liberty, equality and dignity of the individual guarnteed by the constitution or embodied in the International covenants and enforceable by the courts of India" অৰ্থাৎ ব্যক্তিৰ জীৱন, স্বাধীনতা, সমতা আৰু মৰ্যাদাৰ সৈতে জড়িত যিবোৰ অধিকাৰ ভাৰতীয় সংবিধানে সাংবিধানিকভাৱে নিশ্চয়তা প্ৰদান কৰিছে বা আন্তৰ্জাতিক চুক্তি পত্ৰত উল্লেখ কৰা আছে আৰু ভাৰতৰ ন্যায়ালয়ৰ দ্বাৰা বলবৎযোগ্য সেইবোৰেই মানৱ অধিকাৰ। আইনখনত মুঠতে আঠটা অধ্যায় আছে।

**অধ্যায়সমূহৰ বিষয়বস্তু এনেধৰণৰ ঃ**

প্ৰথম অধ্যায়ত আইনৰ নাম আৰু আইনখনত ব্যৱহৃত শব্দ আৰু ধাৰণাবোৰৰ কাৰিকৰী অৰ্থ ব্যাখ্যা কৰা আছে।

দ্বিতীয় অধ্যায়ত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ গঠন, অধ্যক্ষ আৰু সদস্যসকলৰ অৰ্হতা, নিযুক্তি, কাৰ্যকাল, বিষয়াসকলৰ অপসাৰণ পদ্ধতি সম্পৰ্কে উল্লেখ আছে।

তৃতীয় অধ্যায়ত আয়োগৰ কাম-কাজ আৰু ক্ষমতাৰ পৰিসৰৰ বিষয়ে উল্লেখ আছে।

চতুৰ্থ অধ্যায়ত মানৱ অধিকাৰ আয়োগৰ কৰ্ম পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰা হৈছে।

পঞ্চম অধ্যায়ত ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ গঠন, নিযুক্তি, অপসাৰণ, কাৰ্যকাল, কৰ্ম পৰিসৰ আদিৰ বিষয়ে উল্লেখ আছে।

ষষ্ঠ অধ্যায়ত মানৱ অধিকাৰ আদালতৰ বিষয়ে উল্লেখ আছে।

সপ্তম অধ্যায়ত আয়োগৰ কাম-কাজ পৰিচালনাৰ লগত জড়িত হিচাপ আৰু বিষয় সম্পৰ্কে ব্যাখ্যা কৰা আছে।

অষ্টম অধ্যায়ত অন্যান্য বিষয় যেনে বিশেষ অনুসন্ধান আয়োগ গঠন, সুবিশ্বাস প্ৰতিষ্ঠা, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে প্ৰণয়ন কৰিব কৰা নীতি নিৰ্দেশনাৰ বিষয়ে ব্যাখ্যা কৰা হৈছে।

মুঠতে মানৱ অধিকাৰ সুৰক্ষা আইনৰ দ্বাৰা ভাৰতীয় নাগৰিক সকলৰ মানৱ অধিকাৰ সুৰক্ষাৰ গাথনিগত আৰু কাৰ্যগত উভয় দিশকে সামৰি লোৱা হৈছে। আইনখনে ভাৰতবৰ্ষৰ মানৱ অধিকাৰ আন্দোলনটোক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াইছে।

** ** **



**প্ৰশ্নাৱলী ঃ**

১। চমু উত্তৰ দিয়া ঃ

(ক) প্ৰাচীন ভাৰতৰ মানৱ অধিকাৰ উল্লেখ থকা এখন গ্ৰন্থৰ নাম লিখা।

(খ) অৰ্থশাস্ত্ৰৰ ৰচক কোন?

(গ) মনুস্মৃতিৰ ৰচক কোন?

(ঘ) বসুধৈৱ কুটুম্বকমৰ অৰ্থ লিখা।

(ঙ) দিন ইলাহী ধৰ্মৰ প্ৰৱৰ্ত্তক কোন?

(চ) কবিৰ কোন?

(ছ) ভক্তিবাদ আৰু চুফিবাদৰ মাজত এটা সাদৃশ্য লিখা।

(জ) নেহৰু প্ৰতিবেদন কেতিয়া প্ৰকাশিত হৈছিল?

(ঝ) চাপ্ৰু কমিতিৰ অধ্যক্ষজনৰ নাম লিখা।

(ঞ) মানৱ অধিকাৰ সুৰক্ষা আইন কেতিয়া গৃহীত হয়?

২। চমু উত্তৰ লিখা ঃ

(ক) বেদৰ মাজত প্ৰকাশ পোৱা দুটা অধিকাৰ উল্লেখ কৰা।

(খ) প্ৰাচীন ভাৰতৰ দুজন অধিকাৰৰ প্ৰৱক্তাৰ নাম লিখা।

(গ) মধ্যযুগত ভাৰতত আৰম্ভণি হোৱা দুটা সামাজিক আন্দোলনৰ নাম লিখা।

(ঘ) কৰাচী অধিবেশনত কংগ্ৰেছে দাবী জনোৱা দুটা অধিকাৰ উল্লেখ কৰা।

(ঙ) ভাৰতৰ সংবিধানৰ তৃতীয় অধ্যায়ত উল্লেখ থকা দুটা মানৱ অধিকাৰ লিখা।

(চ) ভাৰতৰ সংবিধানৰ চতুৰ্থ অধ্যায়ত উল্লেখ থকা দুটা মানৱ অধিকাৰ লিখা।

৩। ৰচনাধৰ্মী প্ৰশ্ন ঃ

(ক) প্ৰাচীন ভাৰতত মানৱ অধিকাৰৰ বিকাশ সম্পৰ্কে লিখা।

(খ) মধ্যযুগত ভাৰতৰ মানৱ অধিকাৰৰ বিকাশ সম্পৰ্কে লিখা।

(গ) উপনিবেশিক ভাৰতত মানৱ অধিকাৰৰ বিকাশ সম্পৰ্কে লিখা।

(ঘ) ভাৰতৰ সংবিধানত প্ৰকাশ পোৱা মানৱ অধিকাৰৰ বিষয়ে লিখা।

(ঙ) ভাৰতৰ সংবিধান আৰু আন্তৰ্জাতিক চুক্তি পত্ৰসমূহত উল্লেখ থকা অধিকাৰৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

(চ) মানৱ অধিকাৰ সুৰক্ষা আইন (১৯৯৩) মানৱ অধিকাৰ শক্তিশালীকৰণত কেনেধৰণৰ অৱদান আগবঢ়াইছে আলোচনা কৰা।

অধ্যায় ২

# মানৱ অধিকাৰ সুৰক্ষাৰ আনুষ্ঠানিক ব্যৱস্থা
# Institutional Mechanism for Protection of Human Rights

প্ৰত্যেক দেশৰে ৰাজনৈতিক ব্যৱস্থাত মানৱ অধিকাৰৰ দিশসমূহ পৰীক্ষণৰ বাবে কিছুমান নিৰপেক্ষ স্বতন্ত্ৰ অনুষ্ঠানৰ ব্যৱস্থা কৰা হৈছে। মূলতঃ ১৯৪৬ চনত UNESCO ই জনোৱা আহ্বান আৰু ১৯৬৬ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগক ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠনৰ প্ৰতি যি দায়িত্ব অৰ্পন কৰিছিল তেতিয়াৰে পৰাই ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠনৰ ধাৰণাটোয়ে বিশেষ স্থান পাইছিল। ১৯৯৩ চনত হোৱা মানৱ অধিকাৰৰ বিশ্ব সন্মিলনে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব অৰ্পন কৰাৰ পিছৰে পৰা ৰাষ্ট্ৰসমূহত মানৱ অধিকাৰ সুৰক্ষাৰ বাবে পৃথক অনুষ্ঠান গঠনৰ কাম-কাজ আৰম্ভ কৰা হয়।

ভাৰতবৰ্ষত মানৱ অধিকাৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাৰ এটা দীঘলীয়া ইতিহাস আছে যদিও বহু সময়ত মানৱ অধিকাৰ ভংগৰ পৰিঘটনা পোহৰলৈ আহিছিল। সমাজৰ সংখ্যালঘিষ্ঠ আৰু নিম্নবৰ্গ সাপেক্ষ লোকসকলে বিভিন্ন সামাজিক পৰম্পৰাৰ ভিত্তিতে অধিকাৰৰ পৰা বঞ্চিত হৈ আছিল। আকৌ কুৰি শতিকাৰ নব্বৈ দশকৰ পৰা বিভিন্ন অঞ্চলত গঢ়ি উঠা সন্ত্ৰাসবাদ আৰু সেইবোৰ মষিমুৰ কৰাৰ বাবে ৰাষ্ট্ৰৰ কাৰ্য ব্যৱস্থাই সাধাৰণ জনসাধাৰণৰ অধিকাৰ যথেষ্ট হ্ৰাৱত খৰ্ব কৰিছিল। এনে প্ৰেক্ষাপটত আন্তৰ্জাতিক হেঁচা আৰু 'শান্তি শৃংখলা প্ৰতিষ্ঠা তথা সকলোৰে অধিকাৰ সুৰক্ষাৰ বাবে ভাৰত চৰকাৰে ১৯৯৪ চনত মানৱ অধিকাৰ সুৰক্ষা আইনৰ দ্বাৰা তিনিটা মানৱ অধিকাৰৰ স্বতন্ত্ৰ অনুষ্ঠান গঠন কৰে। সেইকেইটা হ'ল-

১। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ।

২। ৰাজ্যিক মানৱ অধিকাৰ আয়োগ।

৩। মানৱ অধিকাৰ আদালত।

ইয়াৰ উপৰিও সমাজৰ সংখ্যালঘু আৰু নিম্নবৰ্গ সাপেক্ষে লোককে ধৰি অধিক মাত্ৰাত মানৱ অধিকাৰ লংঘন হৈ থকা লোকসকলৰ বাবে পৃথকে পৃথকে অধিকাৰবোৰ সুৰক্ষাৰ ব্যৱস্থা কৰিবলৈ কিছুমান আনুষ্ঠানিক ব্যৱস্থাপনা গঢ়ি তোলা। সেইবোৰৰ কিছুমান হ'ল- ১। ৰাষ্ট্ৰীয় মহিলা আয়োগ, ২। ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগ, ৩। ৰাষ্ট্ৰীয় অনুসূচীত জাতি আয়োগ আদি। অৱশ্যে এওঁলোকৰ কাম-কাজবোৰ তদন্ত আৰু পৰামৰ্শৰ মাজতে সীমাবদ্ধ হৈ থকা বাবে ইমানবোৰ আনুষ্ঠানিক ব্যৱস্থাৰ পিছতো ভাৰতবৰ্ষত যথেষ্ট মাত্ৰাত মানৱ অধিকাৰ উলংঘনৰ বাতৰি দেখিবলৈ পোৱা যায়। তলত এই অনুষ্ঠানবোৰৰ বিষয়ে আলোচনা কৰা হ'ল-

**ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ** (National Human Rights Commission) **ঃ**

মানৱ অধিকাৰ সুৰক্ষা আইন ১৯৯৩ চনৰ আধাৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠন হৈছে। আইনৰ দ্বিতীয় অধ্যায়ৰ পৰা চতুৰ্থ অধ্যায়লৈকে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ গঠন, কাৰ্য-ক্ষমতা আৰু কাৰ্যসম্পাদনৰ পদ্ধতি সম্পৰ্কে বিষদ আলোচনা কৰিছে।

**গঠন ঃ** মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩ ৰ দ্বিতীয় অধ্যায়ত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ গঠনৰ বিষয়ে উল্লেখ আছে। আয়োগৰ গঠন পদ্ধতি এনেধৰণৰ।

১। এজন অধ্যক্ষ, তেওঁ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়ধীশ হিচাবে দায়িত্ব পালন কৰা লোকসকলৰ মাজৰ পৰা হ'ব লাগিব।

২। এজন সদস্য, যিয়ে বৰ্তমান উচ্চতম ন্যায়ালয়ৰ ন্যায়ধীশ হৈ আছে বা আছিল।

৪। দুজন সদস্য তেওঁলোক মানৱ অধিকাৰৰ ওপৰত জ্ঞান থকা বা বাস্তৱ অভিজ্ঞতা থকা লোক হ'ব লাগিব।

৫। ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ, ৰাষ্ট্ৰীয় অনুসূচীত জাতি আয়োগ, ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগ, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষসকল আয়োগৰ সদস্য।

আয়োগৰ মুখ্য কাৰ্যালয় দিল্লীত অৱস্থিত। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনত দেশৰ আন স্থানসমূহতো কাৰ্যালয় স্থাপন কৰিব পাৰে। আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলক নিযুক্তিৰ বাবে প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাবে আৰু গৃহমন্ত্ৰী, ৰাজ্যসভাৰ উপসভাপতি, লোকসভা আৰু ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা দুজনক সদস্য হিচাপে লৈ এক সমিতি গঠন কৰা হয়। অৱশ্যে ন্যায়াধীশে সদস্যকেইজনক নিযুক্তি দিয়াৰ সময়ত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ লগত পৰামৰ্শ কৰিব লাগে।

**কাৰ্যকাল ঃ** আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলৰ কাৰ্যকাল ৫ বছৰ। কোনো সদস্য পুনৰ নিযুক্তিৰ বাবে বিবেচিত হ'ব পাৰে। অৱশ্যে সত্তৰ বছৰৰ উৰ্দ্ধৰ লোকে সদস্য বা অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিব নোৱাৰে।

**অপসাৰণ ঃ** আয়োগৰ সদস্যসকলৰ সাধাৰণ অৱস্থাত কাৰ্যকাল ৫ বছৰ। অধ্যক্ষৰ মৃত্যু বা পদত্যাগৰ দ্বাৰা ৰিক্ত হ'লে অধ্যক্ষৰ স্থান পুৰাবলৈ আয়োগৰ কোনো সদস্যক ৰাষ্ট্ৰপতিয়ে দায়িত্ব দিব পাৰে। আকৌ

আয়োগৰ অধ্যক্ষ তথা সদস্যসকলৰ কু-ব্যৱহাৰ অথবা অসমৰ্থতাৰ অভিযোগৰ বাবে উচ্চতম ন্যায়লয়ে তদন্ত চলাই দোষী সাব্যস্ত হ'লে অপসাৰণ কৰিব পাৰে।

**আয়োগৰ ক্ষমতা আৰু কাৰ্য ঃ**

মানৱ অধিকাৰ সুৰক্ষা আইন ১৯৯৩ ৰ তৃতীয় অধ্যায়ত আয়োগৰ ক্ষমতা আৰু কাৰ্যৰ বিষয়ে আলোচনা কৰা আছে। মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে আয়োগৰ হাতত কিছুমান গুৰুত্বপূৰ্ণ কাৰ্য ক্ষমতা অৰ্পন কৰা হৈছে। সেইবোৰ হ'ল—

১। **তদন্তমূলক ক্ষমতা আৰু কাৰ্য্য ঃ** আয়োগে কোনো ব্যক্তিৰ অভিযোগৰ ভিত্তিত আৰু অধিকাৰ ভংগৰ পৰিঘটনা প্ৰত্যক্ষ কৰিলে নিজাববীয়াকৈ তদন্ত চলাব পাৰে। এইক্ষেত্ৰত প্ৰয়োজনীয় কতৃপক্ষক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ পৰামৰ্শ দিব পাৰে আৰু দোষীক ক্ষতিপূৰণ আদায় দিবলৈ নিৰ্দেশ দিব পাৰে। প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰৰ তদন্তকাৰী সংস্থাৰ সহায় ল'ব পাৰে।

২। **পৰামৰ্শমূলক ক্ষমতা আৰু কাৰ্য ঃ** ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব আৰু ক্ষমতা হৈছে পৰামৰ্শমূলক। আয়োগে মানৱ অধিকাৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় বাতাবৰণ ৰক্ষা কৰাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিব পাৰে। মানৱ অধিকাৰ উপভোগৰ ক্ষেত্ৰত বাধা জন্মোৱা বিভিন্ন কাৰকসমূহৰ প্ৰতিকাৰৰ বাবে ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰক পৰামৰ্শ দিব পাৰে।

৩। **শিক্ষা আৰু গৱেষণামূলক কাৰ্য ঃ** ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে শিক্ষা আৰু গৱেষণামূলক কাৰ্যও সম্পাদন কৰে। আয়োগৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য হ'ল মানৱ অধিকাৰৰ ক্ষেত্ৰত গৱেষণা কৰা আৰু গৱেষণামূলক কাৰ্য্যক উৎসাহিত কৰা। আয়োগে মানৱ অধিকাৰ সম্পৰ্কীয় লিখনি আদিৰ প্ৰচাৰ কৰা, বিভিন্ন বাতৰি কাকত, প্ৰচাৰ মাধ্যমৰ যোগেদি মানৱ অধিকাৰ সম্পৰ্কে সজাগতা সৃষ্টি কৰা, শিক্ষানুষ্ঠান বা বিভিন্ন সামাজিক ক্ষেত্ৰত বক্তৃতা আৰু আলোচনা চক্ৰ অনুষ্ঠিত কৰি মানৱ অধিকাৰৰ শিক্ষা সম্প্ৰসাৰণত অৰিহণা যোগায়।

৪। **সমন্বয়মূলক কাৰ্য্য ঃ** আয়োগে সম্পাদন কৰা আন এটি গুৰুত্বপূৰ্ণ কাৰ্য হ'ল সমন্বয়মূলক কাৰ্য। আয়োগে মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে বিভিন্ন মানৱ অধিকাৰ সুৰক্ষাকাৰী বেচৰকাৰী সংগঠনৰ মাজত সমন্বয় সাধনেৰে তেওঁলোকৰ কৰ্ম প্ৰচেষ্টাক শক্তিশালী কৰাৰ লগতে উৎসাহিত কৰে।

৫। **প্ৰতিবেদন প্ৰস্তুত ঃ** আয়োগৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য হৈছে বছৰেকীয়া প্ৰতিবেদন প্ৰস্তুত কৰা আৰু সেইবোৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে। কোনো কোনো ক্ষেত্ৰত মানৱ অধিকাৰৰ লগত জড়িত অধিক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বিশেষ প্ৰতিবেদন যুগুত কৰিব পাৰে।

৬। **অন্যান্য কাৰ্য ঃ** ওপৰোক্ত কাৰ্যবোৰৰ উপৰিও আয়োগে মানৱ অধিকাৰৰ বিকাশ, প্ৰসাৰ তথা মানৱ অধিকাৰ উলংঘন প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

**ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা ঃ**

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ মানৱ অধিকাৰ সুৰক্ষাৰ বাবে গঠন কৰা এটা বৈধ নিৰপেক্ষ অনুষ্ঠান। আয়োগে মানৱ অধিকাৰ প্ৰসাৰণ আৰু জনসজাগতাৰ বাবে যথেষ্ট পৰিমাণৰ বক্তৃতা আৰু আলোচনা চক্ৰ অনুষ্ঠিত কৰি নিজৰ দায়িত্ব পালন কৰি আহিছে।

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে মানৱ অধিকাৰ উলংঘনৰ ক্ষেত্ৰত নিজৰ হস্তক্ষেপ স্থাপন কৰি বহু পৰিমাণেই নিৰ্যাতিত লোকক ন্যায় প্ৰদানৰ লগতে চৰকাৰক মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত পদক্ষেপ ল'বলৈ বাধ্য কৰাইছে। অনেক ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ হস্তক্ষেপত ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ পৰিঘটনাও পোহৰলৈ আহিছে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে হস্তক্ষেপ কৰা কেইটামান পৰিঘটনা হ'ল—

১। ২০০২ চনত অন্ধ্ৰপ্ৰদেশৰ কুৰ্নোল আৰু গুন্টুৰ জিলাত মাওবাদীৰ সন্দেহত আৰক্ষী বাহিনীয়ে ১৯ জন লোকক হত্যা কৰে। আয়োগৰ তদন্তত পোহৰলৈ আহে যে ইয়াৰ ১৬ জন লোকেই নিৰপৰাধী। আয়োগে প্ৰতিটো মৃতকৰ পৰিয়ালক ৫ লাখ টকাকৈ ক্ষতিপূৰণ দিবলৈ নিৰ্দেশ দিয়ে।

২। ২০২১ চনৰ ৪ ডিচেম্বৰ তাৰিখে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান চলোৱাৰ নামত পেৰা স্পেচিয়েল বাহিনীয়ে নাগালেণ্ডৰ মন জিলাত নিৰ্দোষী ১৩ জন লোকক হত্যা কৰাৰ পৰিঘটনাটোত আয়োগে প্ৰচাৰ মাধ্যমৰ খবৰৰ ভিত্তিত নিজাববীয়াকৈ গোচৰ তৰে। আয়োগে কেন্দ্ৰীয় চৰকাৰ আৰু নাগালেণ্ডৰ ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰি ঘটনাৰ সবিশেষ ৬ সপ্তাহৰ ভিতৰত জনোৱাৰ বাবে নিৰ্দেশ দিয়ে। উল্লেখ্য যে ডিচেম্বৰৰ ৪ তাৰিখে সেনাবাহিনীয়ে ৬ জন কয়লা উদ্যোগৰ কৰ্মচাৰীক গুলীয়াই হত্যা কৰি সামৰিক বাহিনীৰ পোচাক পিন্ধাই সন্ত্ৰাসবাদী আখ্যা দি লুকুৱাই ৰাখিছিল। নিকটবৰ্তী গাঁওৰ লোকে সামৰিক বাহিনীৰ গাড়ীখন আগুৰি ধৰাত ঘটনাটো পোহৰলৈ অহাৰ ভয়ত পুনৰ গাঁওবাসীলৈ গুলীবৰ্ষণ কৰে। গাঁওবাসীয়ে সামৰিক বাহিনীৰ গাড়ীখন জ্বলাই দিয়াৰ বাবে এজন সামৰিক বাহিনীৰ লগতে পুনৰ ৭ জন নিৰাপৰাধী লোকৰ মৃত্যু হয়। মন জিলাৰ এই পৰিঘটনাই ৰাষ্ট্ৰ সন্ত্ৰাসৰ ভয়াবহ ছবি পোহৰলৈ আনিছিল। আয়োগে এই পৰিঘটনাক নিন্দা কৰাৰ লগতে অতি সক্ৰিয়তাৰে ঘটনাটোত হস্তক্ষেপ কৰিছিল। উক্ত ঘটনাটো এতিয়াও আয়োগৰ তত্বাৱধানত আছে।

৩। ভাৰতৰ অন্যতম সাম্প্ৰদায়িক সংঘৰ্ষ হিচাপে পৰিচিত ২০০২ চনৰ গুজৰাটৰ গোধৰা হত্যাকাণ্ডৰ ক্ষেত্ৰতো আয়োগে অতি সক্ৰিয়তাৰে হস্তক্ষেপ কৰিছিল। আয়োগে বিভিন্ন ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ দ্বাৰা ঘটনাত উদ্বিগ্নতা প্ৰকাশ কৰি কৈছিল যে সঠিক সময়ত পদক্ষেপ লৈ ৰাজ্য চৰকাৰে ইয়াৰ পৰিণাম হ্ৰাস কৰিব পাৰিলেহেতেন। উক্ত ঘটনাৰ প্ৰতিবেদনত ৰাজ্য চৰকাৰে জনসাধাৰণৰ জীৱন স্বাধীনতা সুৰক্ষাত ব্যৰ্থ হোৱা বুলি ভৎৰ্সনা কৰিছিল।

৪। ২০০৭ চনৰ ৬ নৱেম্বৰত পশ্চিমবংগৰ নন্দিগ্ৰামৰ ঘটনাটোয়েও আয়োগৰ দৃষ্টি আকৰ্ষণ কৰিছিল। আয়োগে ক্ষেত্ৰ পৰিদৰ্শনৰ বাবে এটা তদন্তকাৰী দল প্ৰেৰণৰ নিৰ্দেশ দিয়ে। তদন্তকাৰী আয়োগৰ

প্ৰতিবেদনৰ ভিত্তিত আয়োগে মৃত ব্যক্তিৰ নিকটবৰ্ত্তী আত্মীয়ক ৫ লাখকৈ টকা দিয়াৰ নিৰ্দেশ দিয়ে। গৃহহীন হৈ পৰা লোকসকলক ৰাজ্য চৰকাৰে প্ৰদান কৰা সাহায্য কাৰ্যসূচীৰ বিপক্ষে অহা অভিযোগবোৰ আয়োগে তদন্ত কৰি উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ নিৰ্দেশ দিয়ে।

৫। মহাৰাষ্ট্ৰত কৃষকৰ আত্মহত্যাৰ বিষয়টোও আয়োগৰ দৃষ্টি আকৰ্ষণ কৰিছিল। আয়োগে নিজাববীয়াকৈ গোচৰ তৰি বিষয়টো অনুসন্ধান কৰি উপযুক্ত কাৰ্যব্যৱস্থা ল'বলৈ মহাৰাষ্ট্ৰ চৰকাৰক হেঁচা দিছিল। আয়োগৰ নিৰ্দেশক্ৰমেই জিলা উপায়ুক্তৰ তত্বাৱধানত বিষয়টো পৰীক্ষণ কৰাৰ বাবে চৰকাৰে এটা কমিটি গঠন কৰিছিল। আত্মহত্যা কৰা কৃষকৰ পৰিয়ালবৰ্গলৈ বিত্তীয় সাহায্য আগবঢ়াই কৃষকৰ বাবে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিৰ সঠিক ৰূপায়ণৰ দিশটোও পৰীক্ষণ কৰিছিল। আয়োগে নিজা অনুসন্ধানৰ দ্বাৰা সমস্যাটো সমাধানৰ কিছুমান পৰামৰ্শ ৰাজ্য চৰকাৰলৈ আগবঢ়াইছিল।

৬। দক্ষিণ উৰিষ্যাৰ আদিবাসী লোকসকলৰ অনুপযুক্ত স্বাস্থ্য ব্যৱস্থাৰ বিৰুদ্ধেও আয়োগে চৰকাৰলৈ জাননী জাৰি কৰিছিল। স্বাস্থ্যৰ অধিকাৰৰ বিষয়টো ৰাজ্য চৰকাৰক অৱগত কৰি তৎকালীন ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল।

৭। এইবোৰৰ উপৰিও কাশ্মীৰি পণ্ডিতৰ ওপৰত সন্ত্ৰাসবাদী আক্ৰমণ, পণ্ডিতসকলৰ শৰণাৰ্থী শিবিৰৰ অৱস্থা, মাওবাদী সন্দেহত হত্যা, শিখ আক্ৰমণক কেন্দ্ৰ কৰি হোৱা পাঞ্জাবৰ গণ কবৰৰ পৰিঘটনা আদি বিষয়ত আয়োগে হস্তক্ষেপ কৰি ন্যায় প্ৰাপ্তি আৰু অধিকাৰৰ ব্যৱস্থা কৰিছে।

আয়োগে অৰাষ্ট্ৰ সন্ত্ৰাস আৰু ৰাষ্ট্ৰ সন্ত্ৰাসৰ দ্বাৰা নিপিড়ত লোকৰ অধিকাৰ আৰু ন্যায় প্ৰাপ্তিৰ ক্ষেত্ৰত লোৱা ভূমিকাসমূহৰ উপৰিও আন ভালেমান বিষয়ত নিজৰ তাৎপৰ্য প্ৰতিষ্ঠা কৰিছে যেনে—

(ক) আয়োগে বিভিন্ন সময়ত কাৰাগাৰবোৰ পৰিদৰ্শন কৰি কয়দীসকলক মানৱীয় মৰ্যাদা সহিতে ৰখাৰ বাবে প্ৰয়োজনীয় বাতাবৰণ তৈয়াৰ কৰাৰ ওপৰত গুৰুত্ব দিছে। ১৯৯৪ চনৰ ভাৰতীয় কাৰাগাৰ আইন সংশোধন কৰি নতুন নিয়মাৱলী প্ৰস্তুত কৰাৰ আয়োগে পৰামৰ্শ দিছে।

(খ) আয়োগে শিশু শ্ৰমিক প্ৰতিৰোধ আৰু বিভিন্ন উদ্যোগত তথা বিপদজনক কামত শিশুক নিয়োগ কৰাৰ ক্ষেত্ৰত বাধা দিয়াৰ বাবে চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰি আহিছে।

(গ) মহিলাৰ মৰ্যাদা হানিকৰ যৌতুক, বাল্য বিবাহ, ধৰ্ষণ, গাৰ্হস্থ্য হিংসাৰ পৰিমাণ ৰোধ কৰাৰ বাবেও বিভিন্ন সময়ত চৰকাৰসমূহলৈ পৰামৰ্শ আগবঢ়াই আহিছে। এনে ধৰণৰ অনেক গোচৰত আয়োগে নিজে হস্তক্ষেপ কৰি ভুক্তভোগীক ক্ষতিপূৰণ দিয়াৰ নিৰ্দেশ দি আহিছে।

(ঘ) চৰকাৰে গ্ৰহণ কৰা বিশাল প্ৰকল্পসমূহৰ বাবে নিৰ্দিষ্ট অঞ্চলৰ পৰা বিতাড়িত হোৱা লোকসকলৰ জীৱন, জীৱিকা সংস্থাপনৰ বিষয়ত আয়োগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ২০০৭ চনৰ ভূমি অধিগ্ৰহণ (সংশোধন) বিলৰ আয়োগে পুংখানুপুংখ বিশ্লেষণ কৰি চৰকাৰক জনহিতকৰ সিদ্ধান্ত ল'বলৈ পৰামৰ্শ আগবঢ়াই।

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে মানৱ অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিলেও মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰিব পৰা নাই। মানৱ অধিকাৰ আয়োগৰ সম্মুখত দেখা দিয়া মূল প্ৰত্যাহ্বানবোৰ হ'ল—

১। আয়োগ মূলতঃ এক পৰামৰ্শদানকাৰী অনুষ্ঠান। আয়োগে নিজে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। ফলত চৰকাৰলৈ প্ৰদান কৰা পৰামৰ্শবোৰ চৰকাৰে পালন নকৰিলে আয়োগে বাধ্য কৰিব নোৱাৰে।

২। সশস্ত্ৰ বাহিনী লোকৰ দ্বাৰা মানৱ অধিকাৰ উলংঘন হ'লে সেইবোৰৰ অনুসন্ধান আৰু কাৰ্যব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত আয়োগৰ ক্ষমতা সীমিত।

৩। আয়োগৰ নিজা তদন্তকাৰী সংস্থা নাই। ফলত অনেক সময়ত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ তদন্তকাৰী সংস্থাৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে নিজ ক্ষমতাৰ দ্বাৰা তদন্ত ভুল পথে পৰিচালিত কৰিব পাৰে।

এনেধৰণৰ ভালেমান সীমাবদ্ধতা থকা সত্বেও আয়োগে ভাৰতবৰ্ষত মানৱ অধিকাৰ বিকাশ আৰু সুৰক্ষাৰ ক্ষেত্ৰত নিজৰ পৰিসৰৰ মাজত ভালেখিনি অৰিহণা যোগাবলৈ সক্ষম হৈছে।

## ৰাজ্যিক মানৱ অধিকাৰ আয়োগ ঃ
## (State Human Rights Commission)

মানৱ অধিকাৰ সুৰক্ষা আইন ১৯৯৩ ৰ দ্বাৰা প্ৰতিখন ৰাজ্যত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ প্ৰতিষ্ঠাৰ বিষয়ে উল্লেখ আছে। মানৱ অধিকাৰ সুৰক্ষা আইনৰ পঞ্চম অধ্যায়ত ৰাজ্যিক মানৱ অধিকাৰ গঠনৰ বিষয়ে উল্লেখ আছে। অসমতো ১৯৯৬ চনৰ মাৰ্চ মাহৰ ১৯ তাৰিখে অসম মানৱ অধিকাৰ আয়োগ গঠন হয়।

**গঠন ঃ** ৰাজ্যিক মানৱ অধিকাৰ আয়োগ এজন অধ্যক্ষ আৰু চাৰিজন সদস্য লৈ গঠিত। সদস্য সকল তলত দিয়া অৰ্হতাৰ ভিত্তিত নিযুক্তি দিয়া হয়।

**অধ্যক্ষ ঃ** উচ্চ ন্যায়ালয়ত মুখ্য ন্যায়ধীশ হিচাবে কাৰ্য নিৰ্বাহ কৰি অহা লোকসকলৰ মাজৰ পৰা অধ্যক্ষ নিযুক্তি দিয়া হয়।

**সদস্যসকল ঃ**

ক) এজন সদস্যক উচ্চ ন্যায়ালয়ত ন্যায়াধীশ হিচাবে কাৰ্য নিৰ্বাহি কৰি থকা বা কাৰ্য সমাপ্ত কৰি অহা লোকৰ মাজৰ পৰা নিযুক্তি দিয়া হয়।

খ) এজন সদস্যক জিলা আদালতত ন্যায়াধীশ হিচাবে কাৰ্য নিৰ্বাহি কৰি থকা বা কাৰ্য সমাপ্ত কৰা লোকৰ মাজৰ পৰা নিযুক্তি দিয়া হয়।

গ) দুজন সদস্যক মানৱ অধিকাৰ সম্পৰ্কে জ্ঞান থকা আৰু বাস্তৱ অভিজ্ঞতা সম্পন্ন লোকৰ মাজৰ পৰা নিযুক্তি দিয়া হয়।

অধ্যক্ষ আৰু সদস্য সকলক ৰাজ্যপালে নিযুক্তি দিয়ে। নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত ৰাজ্যপালে মুখ্যমন্ত্ৰীক সভাপতি হিচাবে আৰু ৰাজ্য বিধান সভাৰ অধ্যক্ষ, বিৰোধী দলৰ নেতা, ৰাজ্যৰ গৃহমন্ত্ৰীক সদস্য হিচাপে লৈ এখন সমিতি গঠন কৰি ল'ব লাগে। ন্যায়াধীশ সদস্যক নিযুক্তিত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ লগত পৰামৰ্শ কৰি ল'ব লাগে। সম্প্ৰতি অসম মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ আসনত ন্যায়াধীশ টি.ভাইফেই (T. Vaiphei) অধিষ্ঠিত হৈ আছে। নৱ কুমাৰ বৰা আৰু দি কে শইকীয়াই আয়োগৰ সদস্য হিচাবে কাৰ্য নিৰ্বাহ কৰি আছে।

**কাৰ্যকাল ঃ** আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলৰ কাৰ্যকাল ৫ বছৰ। সদস্য আৰু অধ্যক্ষই ৭০ বছৰ বয়সলৈ পদত অধিষ্ঠিত থাকিব পাৰে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ নিয়ম অনুসৰিয়েই ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ সদস্যসকলক অপসাৰণ কৰিব পৰা যায়।

**ক্ষমতা আৰু কাৰ্য ঃ** ৰাজ্যিক মানৱ অধিকাৰ আয়োগে উপভোগ কৰা কেতবোৰ ক্ষমতা আৰু কাৰ্য হৈছে—

ক) **তদন্তমূলক ক্ষমতা ঃ** আয়োগে মানৱ অধিকাৰ উলংঘনৰ ঘটনা কোনো ব্যক্তিৰ অভিযোগৰ ভিত্তিত অথবা নিজাববীয়াকৈ অভিযোগ দাখিল কৰি তদন্ত কৰিব পাৰে। অৱশ্যে মানৱ অধিকাৰ সুৰক্ষা আইন ৩৬ (১) ৰ ধাৰামতে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ অথবা আইনসন্মত ভাৱে গঠিত এনে কোনো আয়োগৰ ওচৰত নিস্পতি নোহোৱাকৈ থকা গোচৰৰ ওপৰত ৰাজ্যিক মানৱ অধিকাৰ আয়োগে তদন্ত চলাব নোৱাৰে।

খ) **পৰামৰ্শমূলক ক্ষমতা ঃ** ৰাজ্যিক মানৱ অধিকাৰ আয়োগে ৰাজ্যখনৰ মানৱ অধিকাৰ বিকাশ, সম্প্ৰসাৰণ অথবা উলংঘন হ্ৰাসৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াব পাৰে।

গ) **প্ৰতিবেদন দাখিল ঃ** ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ দৰে ৰাজ্যিক মানৱ অধিকাৰ আয়োগে নিজৰ কৰ্মৰাজিৰ ভিত্তিত এক প্ৰতিবেদন প্ৰস্তুত কৰি ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে।

ঘ) **শিক্ষামূলক কাৰ্য ঃ** ৰাজ্যিক মানৱ অধিকাৰ আয়োগে জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি আৰু মানৱ অধিকাৰ সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে জনসমাজত সজাগতা সৃষ্টি কৰা, শিক্ষা আৰু গৱেষণাত উৎসাহ যোগোৱা ইয়াৰ অন্যতম কাৰ্য।

**ভূমিকা ঃ** ৰাজ্যিক মানৱ অধিকাৰ আয়োগে নিজ নিজ ৰাজ্যসমূহত প্ৰতিষ্ঠা কালৰে পৰা মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ দৰে ৰাজ্যিক মানৱ অধিকাৰ আয়োগে নিজ নিজ কৰ্মক্ষেত্ৰৰ ভিতৰত বিভিন্ন ক্ষেত্ৰত মানৱ অধিকাৰ সুৰক্ষাৰ ব্যৱস্থা কৰি আহিছে। ৰাজ্যিক মানৱ অধিকাৰ আয়োগে হস্তক্ষেপ কৰা কেইটিমান ক্ষেত্ৰ হ'ল—

১। ন্যায়িক জিম্মাত আৰক্ষী থানাত মৃত্যু
২। কাৰাগাৰত মৃত্যু
৩। জিম্মাত অত্যাচাৰ
৪। আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যু
৫। ধৰ্ষণ
৬। বে আইনীভাৱে গ্ৰেপ্তাৰ
৭। আৰক্ষীৰ দ্বাৰা অতিশয্য আৰু অৱহেলাৰ গোচৰ
৮। কাৰাগাৰৰ অৱস্থা
৯। কয়দীৰ অধিকাৰৰ লংঘন
১০। পৰিয়াল আৰু জনকল্যাণ বিভাগৰ দ্বাৰা অধিকাৰ উলংঘন
১১। যৌতুক জনিত অত্যাচাৰ আৰু মৃত্যুৰ ঘটনা
১২। কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতিন
১৩। শাৰিৰীক ভাৱে অক্ষম সকলৰ অধিকাৰ খৰ্ব
১৪। শিশুৰ অধিকাৰ উলংঘন
১৫। মানসিক বাধাগ্ৰস্থ শিশুৰ অধিকাৰ উলংঘন
১৬। শিক্ষা বিভাগৰ বিৰুদ্ধে অভিযোগ
১৭। ৰহস্যজনক নিখোজ আৰু মৃত্যু
১৮। অপহৰণ
১৯। পেঞ্চন জনিত গোচৰ
২০। প্ৰদুষণজনিত গোচৰ
২১। প্ৰাকৃতিক দুৰ্যোগৰ আশ্ৰয় শিবিৰত শৰনাৰ্থীৰ সমস্যা
২২। ধৰ্মীয় অধিকাৰ উলংঘন
২৩। নদীৰ গড়াখহনীয়াৰ বাবে জীৱনৰ ভাবুকি
২৪। শিক্ষামূলক অনুস্থানত ৰেগিংৰ গোচৰ
২৫। অবৈধ উচ্ছেদৰ ঘটনা
২৬। বন্যপ্ৰাণীৰ আক্ৰমন বিষয়ত বন বিভাগৰ অৱহেলাৰ গোচ আদি

(উৎস www.agrc.gov.in)

এতিয়ালৈকে ভাৰতবৰ্ষত প্ৰতিস্থা হোৱা ৰাজ্যিক মানৱ অধিকাৰ আয়োগ সমূহে নিজাববীয়াকৈ গোচৰ গ্ৰহণ কৰি নাইবা কোনো ব্যক্তি বা অনুষ্ঠানৰ অভিযোগৰ ভিত্তিত তদন্ত চলাই ৰাজ্যিক চৰকাৰ সমূহক জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰভাৱ সৃষ্টি কৰি আহিছে।

ৰাজ্যিক মানৱ অধিকাৰ আয়োগে বিভিন্ন পৰিঘটনাত ক্ষতিগ্ৰস্থ হোৱা লোকসকলৰ নিৰ্দিষ্ট বিভাগীয় কৰ্তৃপক্ষৰ পৰা ক্ষতি পূৰণ পোৱাৰ ব্যৱস্থা কৰিছে লগতে জড়িত দোষী ব্যক্তি বা বিষয়াসকলক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিছে।

ৰাজ্যিক মানৱ অধিকাৰ আয়োগ সমূহে জনসাধাৰণৰ মাজত মানৱ অধিকাৰৰ সজাগতা সৃষ্টি আৰু মানৱ অধিকাৰ সম্প্ৰসাৰণৰ বাবেও ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। বিভিন্ন সময়ত শিক্ষামূলক কাৰ্যসূচী, বক্তৃতানুস্থান, আলোচনা চক্ৰ আদি অনুস্থিত কৰি, বিভিন্ন প্ৰচাৰ মাধ্যমৰ যোগেদি সজাগতামূলক বাৰ্তা প্ৰেৰণ কৰি জনসাধাৰণক অধিকাৰ সম্পৰ্কে সচেতন কৰাৰ প্ৰয়াস কৰি আহিছে।

এতিয়ালৈকে ভাৰতবৰ্ষত মাত্ৰ বাৰখন ৰাজ্যতহে (অসম, চণ্ডিগড়, হিমাচল প্ৰদেশ, জম্মুকাশ্মীৰ, কেৰেলা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, পাঞ্জাব, ৰাজস্থান, তামিলনাডু, পশ্চিমবংগ) ৰাজ্যিক মানৱ অধিকাৰ আয়োগ প্ৰতিষ্ঠা হৈছে। ভালেমান ৰাজ্যত মানৱ অধিকাৰ আয়োগ প্ৰতিস্থাৰ কাম নিচেই চালুকীয়া অৱস্থাত আছে। মানৱ অধিকাৰ সুৰক্ষাৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ প্ৰতিষ্ঠা কৰাটো অতি আৱশ্যক।

অসম মানৱ অধিকাৰ আয়োগে সাম্প্ৰতিক সময়ত অধিকাৰ সুৰক্ষাৰ হ'কে গ্ৰহণ কৰা কেইটামান কাৰ্যব্যৱস্থা হ'ল-

(ক) অসম মানৱ অধিকাৰ আয়োগে নিজাববিয়াকৈ গোচৰ পঞ্জীয়ন কৰি অসম পুলিচৰ দ্বাৰা ২০২১ চনৰ পৰা এনকাউণ্টাৰৰ পৰিঘটনাসমূহৰ তদন্তৰ বাবে জাননী প্ৰেৰণ কৰিছে। উল্লেখ যোগ্য যে ২০২১ চনৰ পৰা অসম পুলিচ বিভাগৰ দ্বাৰা সততে অপৰাধীক কৰায়ত্ব কৰাৰ পিছত অপৰাধী পলায়ন আৰু পুলিচক আক্ৰমনৰ দোহাই দি গতানুগতিক ভাৱে এনকাউণ্টাৰ কৰি আহিছে। ইয়াৰে ভালে কেইজন লোকৰ মৃত্যু ঘটিছে। আয়োগে এনে ঘটনাৰ উপযুক্ত তদন্ত কৰিবলৈ ৰাজ্য চৰকাৰলৈ জাননী প্ৰেৰণ কৰিছে।

(খ) অসম মানৱ অধিকাৰ আয়োগে 'কোভিদ-১৯' ৰ পৰিপ্ৰেক্ষিতত প্ৰতিষ্ঠা কৰা কোৱাৰেইণ্টাইন কেন্দ্ৰ সমূহত যাৱতীয় সা-সুবিধা প্ৰদান কৰা হৈছে নে নাই জনাৰ বাবে ২০২০ চনত কোকৰাঝাৰ আৰু গোৱালপাৰাত অৱস্থিত কোৱাৰেইণ্টাইন কেন্দ্ৰ সমূহ আয়োগৰ অধ্যক্ষ টি ভাইফেই আৰু সদস্য দেৱ কুমাৰ শইকীয়াই পৰিদৰ্শন কৰি বুজ লয়। উল্লেখযোগ্য যে কোৱাৰেণ্টাইন কেন্দ্ৰসমূহ থকাৰ ব্যৱস্থা আৰু খাদ্যৰ অনুপযুক্ততাক কেন্দ্ৰ কৰি প্ৰচাৰ মাধ্যমসমূহত যথেষ্ট বাতৰি ওলাইছিল। আয়োগে পৰিদৰ্শন কালত দেখা পোৱা পৰিস্থিতিক লৈ নিজৰ সন্তুষ্টি ব্যক্ত কৰিছিল।

(গ) অসম মানৱ অধিকাৰ আয়োগে দৰং জিলাৰ গৰুখুটি-ঢালপুৰত হোৱা চৰকাৰৰ দ্বাৰা উচ্ছেদিত অভিযানত হস্তক্ষেপ কৰে। আযোগে ৰাজ্যৰ ৰাজনৈতিক আৰু গৃহ বিভাগৰ মুখ্য সচিবলৈ জাননী প্ৰেৰণ কৰি ২১ দিনৰ ভিতৰত অভিযানৰ সবিশেষ জমা দিয়াৰ নিৰ্দেশ দিয়ে। লগতে উচ্ছেদিত লোকসকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থাৱলীৰ বুজ লয়।

(ঘ) ২০২০ চনৰ জানুৱাৰী মাহত নগাওঁৰ ছাত্ৰ-নেতা কীৰ্তি কমল বৰাক ড্ৰাগছ সৰবৰাহ গোচৰত গুলিওঁৱা পৰিঘটনাৰ আয়োগে তদন্ত বিচাৰে। ৰাজ্য চৰকাৰে গঠন কৰি দিয়া তদন্তত বৰাৰ নিৰ্দোষিতা প্ৰমাণ হোৱাৰ পিছত বৰাক উপযুক্ত ক্ষতিপূৰণ নিদিয়াৰ বাবে আয়োগে ৰাজ্য চৰকাৰলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰে।

(ঙ) সময়ে সময়ে অসম মানৱ অধিকাৰ আয়োগে মানৱ অধিকাৰৰ সজাগতা আৰু সম্প্ৰসাৰণৰ বাবেও বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। যেনে ২০১৬ চনত অসম মানৱ অধিকাৰ আয়োগে পানবজাৰৰ ডনবস্কো স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত ‘Human Rights : Genesis and its present forms’ শীৰ্ষক নামেৰে এটা কথোপকথনৰ অনুস্থান অনুষ্ঠিত কৰে। লগতে অসম মানৱ অধিকাৰ আয়োগে প্ৰাথমিক, মাধ্যমিক আৰু কলেজ পৰ্য্যায়ৰ পাঠ্যক্ৰমত মানৱ অধিকাৰ শিক্ষাৰ অৰ্ন্তভুক্তিৰ পৰামৰ্শ প্ৰদান কৰি আহিছে।

মুঠতে অসম মানৱ অধিকাৰ আযোগে বিভিন্ন শৈক্ষিক, পৰামৰ্শদান, তদন্ত আৰু প্ৰতিবেদনৰ দ্বাৰা মানৱ অধিকাৰৰ সুৰক্ষা আৰু সম্প্ৰসাৰণৰ হ'কে নিজ কৰ্মক্ষমতাৰ ভিত্তিত অৱদান যোগাই আহিছে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ দৰে ৰাজ্যিক মানৱ অধিকাৰ আয়োগো কাৰ্যবাহী সংগঠন নহয়, মূলতঃ এক পৰামৰ্শদানকাৰী প্ৰতিস্থানহে। ফলত চৰকাৰৰ সদিচ্ছা অবিহনে আয়োগ এইক্ষেত্ৰত বিশেষ আগবাঢ়িব নোৱাৰে। অৱশ্যে শৈক্ষিক ক্ষেত্ৰখনত আয়োগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ স্থল আছে যদিও বিত্ত আৰু কৰ্মচাৰীৰৰ সীমিত কৰণৰ বাবে ই যথেষ্ট সীমিত পৰ্য্যায়তে আছে।

## ৰাষ্ট্ৰীয় মহিলা আয়োগ ঃ
## (National Commission for Women)

ভাৰতবৰ্ষৰ অসুৰক্ষিত গোটসমূহৰ ভিতৰত মহিলা অন্যতম। অতি প্ৰাচীন ভাৰতৰ পৰা প্ৰায় বৈদিক যুগলৈকে মহিলাই পুৰুষৰ সমানেই সমাজ ব্যৱস্থাত ভূমিকা আৰু মৰ্যদা লাভ কৰিছিল। কিন্তু কালক্ৰমত মহিলাৰ সামাজিক স্থান স্খলন হ'বলৈ ধৰে। ফলত অৰ্থনৈতিক, ৰাজনৈতিক ক্ষেত্ৰতো মহিলাই পৰনিৰ্ভৰশীলতাক আকোৱালী লব লগা হয়। বিভিন্ন প্ৰথা পৰম্পৰাৰ দোহাই দি মহিলাৰ বিষয়সমূহ ৰাজহুৱা ক্ষেত্ৰৰ পৰা আতৰাই

নি ব্যক্তিগত ক্ষেত্ৰত আবদ্ধ কৰি ৰখা হ'ল। ফলত মহিলাৰ বিষয়সমূহ চৰ্চাৰ পৰা আতৰি থাকিল। স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত সাংবিধানিকভাৱে মহিলাই সম মৰ্যাদা লাভ কৰিলেও আৰ্থ-সামাজিক পৰিৱেশে মহিলাক আগুৱাই অহাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। কিন্তু এখন গণতান্ত্ৰিক স্বাধীন সমাজত সমাজৰ প্ৰায় আধা অংশ লোকেৰে সহযোগীতা অবিহনে প্ৰকৃত লক্ষ্যত কেতিয়াও উপনিত হ'ব নোৱাৰে যাৰ বাবেই মহিলাৰ বিকাশৰ বিষয়বোৰ বিশেষভাৱে অধ্যয়ন, গৱেষণা কৰি বিশেষ ব্যৱস্থা গ্ৰহণৰ বাবে এক পৃথক আনুষ্ঠানিক ব্যৱস্থা গঢ়ি তোলাৰ সপক্ষে সিদ্ধান্ত লয়। ইয়াৰ ফলশ্ৰুতিতে গঢ় লয় ৰাষ্ট্ৰীয় মহিলা আয়োগ।

১৯৯০ চনৰ কেন্দ্ৰীয় সংসদে প্ৰণয়ন কৰা ৰাষ্ট্ৰীয় মহিলা আয়োগ আইনখনৰ আধাৰত ১৯৯২ চনৰ ৩১ জানুৱাৰীত ৰাষ্ট্ৰীয় মহিলা আয়োগ গঠন কৰা হয়।

**গঠন ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগ মুঠ ৭ জন সদস্যৰে গঠিত। ইয়াৰে এগৰাকী অধ্যক্ষ, এজন সদস্য সচিব আৰু পাঁচজন সদস্য থাকে।

অধ্যক্ষ গৰাকীক কেন্দ্ৰীয় চৰকাৰে মনোনীত কৰে। সদস্য পাঁচজনকো কেন্দ্ৰীয় চৰকাৰেই মনোনীত কৰে। সাধাৰণতে আইন প্ৰণয়ন, শ্ৰমিক সংঘ সংগঠন পৰিচালনাৰ অভিজ্ঞতা থকা, মহিলাৰ বিষয়ত একাগ্ৰতা থকা দায়বদ্ধ মহিলাৰ মাজৰ পৰা সদস্য সকলক বাঁচনি কৰা হয়। অৱশ্যে ইয়াৰে এগৰাকী অনুসূচীত জাতিৰ আৰু আন এগৰাকী অনুসূচীত জনজাতিৰ লোক হ'ব লাগে।

সদস্য সচিব গৰাকীকো কেন্দ্ৰীয় চৰকাৰেই মনোনীত কৰে। সদস্যজন বাঁচনি কৰোঁতে পৰিচালনা দক্ষতা থকা সাংগঠনিক দক্ষতা, সামাজিক ক্ষেত্ৰত আগধৰোতা বা প্ৰশাসনিক সেৱাৰ বিষয়া নিযুক্ত লোকৰ মাজৰ পৰাহে কৰিব লাগে।

সম্প্ৰতি ৰাষ্ট্ৰীয় মহিলা আয়োগৰ সদস্যসকল হ'ল—

১। ক) অধ্যক্ষ - ৰেখা শৰ্মা

খ) সদস্য - শ্ৰীমতী কমলেশ গৌতম
শ্ৰীমতী শশো চেইজা
শ্ৰীমতী চন্দ্ৰমুখী দেৱী

গ) সদস্য সচিব - শ্ৰীমতী মিনাক্ষী গুপ্তা

ৰাষ্ট্ৰীয় মহিলা আয়োগৰ প্ৰথম অধ্যক্ষ আছিল জয়ন্তী পাটনায়ক। আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলৰ কাৰ্যকাল তিনিবছৰ। আয়োগৰ সদস্যসকলৰ অসমৰ্থতা, কাৰ্যপালনত ব্যৰ্থতা, গুৰুতৰ অভিযোগত দোষী সাব্যস্ত, কৰ্তব্যত-গাফিলতি বা বে-আইনীভাৱে আয়োগৰ সভাসমূহত অনুপস্থিত থাকিলে অপসাৰণ কৰিব পৰা ব্যৱস্থা আছে।

**আয়োগৰ ক্ষমতা আৰু কাৰ্যাৱলী ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগ আইন ১৯৯০ ৰ ১০ নং অনুচ্ছেদত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ ক্ষমতা আৰু কাৰ্যৰ বিষয়ে উল্লেখ আছে। আয়োগৰ মূল ক্ষমতা আৰু কাৰ্যবোৰ হ'ল।

(ক) **তদন্তমূলক ক্ষমতা ঃ** আয়োগে অসামৰিক বা দেৱানী আদালতৰ দৰে ক্ষমতা উপভোগ কৰে। ভাৰতৰ সংবিধানৰ পৰিকাঠামোৰ ভিতৰত আয়োগে এখন নাৰীৰ প্ৰগতিমূলক সমাজ গঢ়াৰ বাবে প্ৰয়োজনীয় অনুসন্ধান আৰু পৰীক্ষা নিৰীক্ষা চলাব পাৰে। আয়োগ মহিলাৰ লগত জড়িত আইন বা প্ৰকল্পৰ অকাৰ্যকাৰিতাৰ বাবে নিজে নিজেই অভিযোগ দাখিল কৰিব পাৰে। মূলতঃ নিম্ন উল্লিখিত বিষয় সমূহত আয়োগে নিজাববীয়াকৈ অনুসন্ধান কৰিব পাৰে—

১। মহিলাক অধিকাৰ উপভোগৰ পৰা বঞ্চিত কৰা কাৰ্য।

২। নাৰী সবলীকৰণৰ আইন সমূহ কাৰ্যকৰী নকৰা।

৩। মহিলাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ প্ৰশাসনীয় সিদ্ধান্ত আৰু পৰামৰ্শ মানি নোলোৱাৰ ফলত উদ্ভৱ হোৱা বিষয়সমূহৰ সমাধানৰ চেষ্টা কৰা।

আয়োগে মহিলাৰ অধিকাৰসমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত সংবিধান আৰু আইনসমূহত থকা সুৰুঙা বা সীমাবদ্ধতাবোৰৰ পুনৰীক্ষণ কৰি সংশোধনৰ প্ৰস্তাৱ আগবঢ়ায়।

(খ) **গৱেষণামূলক কাৰ্যপদ্ধতি ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগে মহিলাৰ আৰ্থ-সামাজিক বিকাশৰ বাবে পৰিকল্পনা গ্ৰহণত অংশ গ্ৰহণ কৰে। মহিলাৰ সকলো ক্ষেত্ৰতে অংশ গ্ৰহণ সুনিশ্চিত কৰণৰ বাবে প্ৰয়োজনীয় গৱেষণা আৰু অধ্যয়নত উৎসাহ যোগায়। বিভিন্ন ক্ষেত্ৰত মহিলাৰ প্ৰগতিৰ বাধা সমূহ চিনাক্ত কৰি সেইবোৰ আতৰকৰণৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা আৰু আঁচনি যুগুত কৰাত গুৰুত্ব প্ৰদান কৰে।

(গ) **পৰামৰ্শমূলক কাৰ্য ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগৰ আন এটি গুৰুত্বপূৰ্ণ কাৰ্য হৈছে বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ প্ৰদান কৰা। মহিলাৰ অধিকাৰবোৰ সুৰক্ষাৰ ক্ষেত্ৰত সংবিধান আৰু আইনসমূহত থকা সুৰুঙা বা সীমাবদ্ধতাবোৰৰ পুনৰীক্ষণ কৰি সংশোধনৰ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰিও মহিলাৰ অৰ্থনৈতিক প্ৰগতি সাধন, সামাজিক মৰ্যাদা উন্নিতকৰণ, পৰিকল্পনা গ্ৰহণ আৰু কাৰ্যকৰীকৰণৰ বাবে চৰকাৰৰ ওচৰত পৰামৰ্শ-দাঙি ধৰে। আয়োগে মহিলাক কাৰাবন্দী হিচাপে ৰখা কাৰাগাৰ, আশ্ৰয়গৃহ আদি পৰিদৰ্শন কৰি সেইবোৰৰ সংস্কাৰ আৰু উন্নীতকৰণৰ পৰামৰ্শ আগবঢ়ায়।

(ঘ) **প্ৰতিবেদন দাখিল ঃ** আয়োগৰ এটা অন্যতম গুৰুত্বপূৰ্ণ দায়িত্ব তথা কৰ্ত্তব্য হ'ল মহিলাৰ অধিকাৰ সুনিশ্চিতকৰণ, মহিলাৰ বিকাশ আৰু প্ৰগতিৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে সবিশেষ, কৰ্মৰাজী আৰু ভৱিষ্যতৰ পৰিকল্পনা সম্পৰ্কে বছৰেকীয়া প্ৰতিবেদন প্ৰস্তুত কৰা আৰু চৰকাৰৰ ওচৰত দাখিল কৰা বিশেষ কিছুমান পৰিস্থিতিত বিশেষ প্ৰতিবেদন প্ৰস্তুত কৰিও চৰকাৰৰ ওচৰত দাখিল কৰাটো আয়োগৰ অন্যতম কৰ্ত্তব্য।

(ঙ) **আইনগত কাৰ্যব্যৱস্থা ঃ** আয়োগে অনেক সময়ত মহিলাৰ অধিকাৰৰ লগত জড়িত গোচৰ নিজাববীয়াকৈ আদালতত ৰুজু কৰি আহিছে। বিভিন্ন সময়ত একাধিক মহিলাক সামৰি প্ৰভাৱ পেলোৱা গোচৰত পুঁজিৰ যোগান ধৰে। পাৰিবাৰিক মহিলা লোক আদালত (PMLA) আয়োগৰ আইনগত কাৰ্য্যব্যৱস্থাৰ অন্যতম। এই আদালতৰ সহায়ত খৰতকীয়াকৈ মহিলা জনিত গোচৰ নিস্পতি কৰা হয়।

মূলত ঃ আয়োগে সম্পাদন কৰা মূল দায়িত্ববোৰ হৈছে—

১। সংবিধান আৰু অন্যান্য আইনৰ অধীনত মহিলাৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণ আৰু পৰীক্ষণ কৰা।

২। বিভিন্ন সময়ত প্ৰতিবেদন দাখিল কৰা।

৩। মহিলাৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱা।

৪। মহিলাৰ অধিকাৰ ভোগ বিষয়ত নিজাববীয়াকৈ তদন্ত চলোৱা।

৫। মহিলাৰ উৎকৰ্ষ সাধনৰ বাবে প্ৰয়োজনীয় অধ্যয়ন আৰু গৱেষণাত উৎসাহ যোগোৱা।

৬। উপযুক্ত আইন আৰু পৰিকল্পনা গ্ৰহণত নিজকে নিয়োজন কৰা।

৭। মহিলাৰ অধিকাৰৰ বাবে আইনী সাহায্য আগবঢ়োৱা।

৮। কেন্দ্ৰীয় চৰকাৰে অৰ্পন কৰা অতিৰিক্ত দায়িত্ব পালন কৰা।

**আয়োগৰ কাম কাজৰ সীমাবদ্ধতা ঃ**

ৰাষ্ট্ৰীয় মহিলা আয়োগৰ কাম কাজৰ পৰীক্ষণ কৰিলে ইয়াৰ কিছুমান সীমাবদ্ধতা থকা দেখা যায় যেনে—

ক) আয়োগৰ নিজা কোনো বিধায়িনী ক্ষমতা নাই। আয়োগে কেৱল মহিলাৰ উৎকৰ্ষ সাধন আৰু হিংসা ৰোধৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াব পাৰে আৰু সময়ে সময়ে প্ৰতিবেদন দাখিল কৰিব পাৰে। আয়োগে প্ৰদান কৰা পৰামৰ্শ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰিবলৈ বাধ্য নহয়।

(খ) আয়োগে নিজৰ সদস্য সমূহক নিজে বাঁচনি কৰিব নোৱাৰে। সদস্যসকলক বাঁচনি কৰাৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছে। সেয়েহে অনেক সময়ত আয়োগৰ কাম কাজ ৰাজনৈতিকীকৰণ (Politisized) কৰাৰ স্থল থাকে।

(গ) আয়োগ বিত্তীয় ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল। বিত্তীয় পৰামুখাপেক্ষীতাৰ বাবে আয়োগে স্বতন্ত্ৰভাৱে নিজ দায়িত্ব সম্পাদন কৰিব নোৱাৰে।

(ঘ) আয়োগৰ কাম কাজ নিৰ্দ্দিষ্ট ক্ষেত্ৰ কিছুমানক স্পৰ্শ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে জম্মু-কাশ্মীৰত আয়োগে নিজৰ দায়িত্ব আৰু কৰ্ত্তব্য সম্পাদন কৰিব নোৱাৰে। অথচ ভাৰতৰ জম্মু-কাশ্মীৰ অঞ্চল

অধিকাৰ ভংগ বা খৰ্ব হোৱা আটাইতকৈ সমৃদ্ধ অঞ্চল হিচাবে পৰিচিত। এনে ক্ষেত্ৰত আয়োগৰ কৰ্মক্ষেত্ৰৰ সীমাবদ্ধতাই আয়োগক প্ৰকৃত লক্ষ্যত উপনীত হোৱাত বাধাৰ সৃষ্টি কৰিছে।

**আয়োগৰ ভূমিকা ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগে মহিলাৰ অধিকাৰ সুৰক্ষা আৰু অধিকাৰ সম্পৰ্কে জনসজাগতা অনাৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। যেনে -

১। বিভিন্ন সময়ত আইনী সজাগতা মূলক কাৰ্যসূচী গ্ৰহণ কৰি আয়োগে মহিলাৰ অধিকাৰ সুৰক্ষাৰ হ'কে থকা বিভিন্ন আইন আৰু সংবিধানিক ব্যৱস্থাৱলী সম্পৰ্কে জনসমাজত প্ৰচাৰ কৰি আহিছে। বিভিন্ন বেচৰকাৰী সংগঠন আৰু অনুষ্ঠানক মহিলাৰ সজাগতমূলক শিবিৰ অনুষ্ঠিত কৰাৰ বাবে আয়োগে বিত্তীয় সাহাৰ্য্যৰ লগতে উৎসাহ যোগাই আহিছে।

২। আয়োগে বিভিন্ন অঞ্চলত হোৱা মহিলাৰ অধিকাৰ উলংঘন দিশবোৰ নিজে ক্ষেত্ৰ অধ্যয়ন কৰাৰ লগতে বিভিন্ন গোচৰত তদন্ত সমিতিৰ দ্বাৰা তদন্ত কৰিবলৈ চৰকাৰক হেঁচা প্ৰদান কৰি আহিছে। নিৰ্যাতিত মহিলাক উপযুক্ত ক্ষতিপূৰণ আদায় কৰা আৰু দোষীক উপযুক্ত শাস্তি প্ৰদানৰ বাবে আয়োগে আইনী সাহায্য আগবঢ়াই আহিছে।

৩। মহিলাৰ উৎকৰ্ষ সাধন প্ৰতিনিধিত্ব বৃদ্ধি, অৰ্থনৈতিক স্বাবলম্বিতা বিষয়ত আয়োগে বিভিন্ন সময়ত আইন প্ৰনয়নৰ বাবে চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰি আহিছে।

ৰাষ্ট্ৰীয় মহিলা আয়োগে এনেদৰে ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষাৰ দ্বাৰা এখন সমতাপূৰ্ণ সমাজ সৃষ্টিৰ বাবে প্ৰয়োজনীয় আৰ্থসামাজিক আৰু ৰাজনৈতিক বাতাৱৰণ সৃষ্টিৰ বাবে প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা গ্ৰহণ কৰি আহিছে। অৱশ্যে আয়োগৰ কাম কাজ যথেষ্ট সীমিত পৰিসৰতে আৱদ্ধ হৈ থকা বাবে মহিলাৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত আয়োগ যথেষ্ট প্ৰভাৱশালী হৈ উঠিব পৰা নাই।

## ৰাষ্ট্ৰীয় অনুসূচীত জাতি আয়োগ ঃ
## (National Commission for Scheduled Caste)

ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাটোৰ গণতান্ত্ৰিক ভেটি সমৃদ্ধিকৰণৰ স্বাৰ্থত আৰম্ভণিৰে পৰাই অনেক প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে। সমাজৰ একেবাৰে প্ৰান্তীয় লোকজনকো কেন্দ্ৰীয় ধাৰাৰ সৈতে একেলগে কৰি ৰখাৰ প্ৰচেষ্টাতে সংবিধানৰ ব্যৱস্থাৱলীৰ উপৰিও ভালেমান আইন প্ৰণয়ন কৰি বিভিন্ন ৰাজনৈতিক ব্যৱস্থাৱলী গঢ়ি তুলিছে। অনুসূচীত জাতি আয়োগৰ প্ৰতিষ্ঠা হ'ল এনে এক প্ৰচেষ্টা। পূৰ্বৰ পৰা প্ৰচলিত বৰ্ণ প্ৰথাৰ বাবেই হওক বা আন গাঠনিগত প্ৰতিবন্ধকতাৰ বাবেই হওঁক সমাজত অনুসূচীত জাতি হিচাপে পৰিচিত একাংশ লোক অনেক দিশতে পিছপৰি ৰৈ ভাৰতৰ বিকাশৰ মুল ধাৰাৰ পৰা বিচ্ছিন্ন হৈছিল। এই লোক সকলৰ বাবে পৃথক আইনী ব্যৱস্থাৰে আগবঢ়াই অনাৰ বাবেই ভাৰতৰ সংবিধানৰ ৬৫ তম্ সংশোধনী আইনৰ যোগেদি

অনুসূচীত জাতিৰ লোকসকলৰ কল্যাণৰ ব্বাবে এক পৃথক ৰাষ্ট্ৰীয় আয়োগ গঠনৰ ব্যৱস্থা সন্নিবিষ্ট কৰা হয়। সংবিধানৰ ৩৩৮ নং অনুচ্ছেদত এই আয়োগক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰাৰম্ভিক পৰ্য্যায়ত অনুসূচীত জাতি আৰু জনজাতি আয়োগক একেটা গাঁঠনিৰ মাজত ৰখা হৈছিল যদিও সংবিধানৰ ৮৯ তম্ সংশোধনী আইন (২০০৩)ৰ জৰিয়তে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আয়োগক পৃথকভাৱে ২০০৪ চনত গঠন কৰা হয়। ২০০৪ গঠন কৰা প্ৰথম ৰাষ্ট্ৰীয় জনজাতি আয়োগৰ অধ্যক্ষ আছিল সুৰজ ভান।

**গঠন ঃ** আয়োগ এজন অধ্যক্ষ, এজন উপাধ্যক্ষ আৰু চাৰিজন অধ্যক্ষক লৈ গঠিত। তেওঁলোকক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। আয়োগৰ সদস্যসকলৰ কাৰ্যকাল ৰাষ্ট্ৰপতিয়ে নিৰ্দ্ধাৰণ কৰে।

**কাৰ্য আৰু ক্ষমতা ঃ** আয়োগৰ মূল দায়িত্ব হ'ল অনুসূচীত জাতিৰ লোকসকলৰ অধিকাৰ সুৰক্ষা কৰা আৰু উৎকৰ্ষ সাধনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা। আয়োগে সম্পাদন কৰা কাৰ্যবোৰ হৈছে—

১। সংবিধান আৰু আইনগত ভাৱে নিৰ্দ্ধাৰণ কৰা অনুসূচীত জাতিৰ সুৰক্ষাৰ সৈতে সম্পৰ্কিত বিষয়সমূহৰ অনুসন্ধান আৰু পৰীক্ষণ কৰা।

২। অনুসূচীত জাতিৰ লোকৰ অধিকাৰৰ পৰা বঞ্চিত হোৱা অভিযোগসমূহৰ তদন্ত কৰা।

৩। চৰকাৰে অনুসূচীত জাতিৰ লোকৰ বাবে গ্ৰহণ কৰা আৰ্থ-সামাজিক প্ৰকল্প আৰু পৰিকল্পনা সমূহত অংশগ্ৰহণ কৰা আৰু প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱা। কেন্দ্ৰ আৰু ৰাজ্য সমূহত অনুসূচীত জাতিৰ কল্যাণৰ বাবে প্ৰচলিত প্ৰকল্প সমূহৰ অগ্ৰগতিৰ বুজ লোৱা।

৪। অনুসূচীত জাতিৰ প্ৰগতিৰ ওপৰত বছৰেকীয়া অথবা প্ৰয়োজনত সময়ে সময়ে ৰাষ্ট্ৰপতিৰ ওচৰত প্ৰতিবেদন দাখিল কৰা।

৫। অনুসূচীত জাতিৰ সুৰক্ষা, কল্যাণ আৰু আৰ্থসামাজিক উন্নয়নৰ বাবে থকা সুৰক্ষাদানকাৰী ব্যৱস্থাসমূহৰ যথাযথ আৰু সফল ৰূপায়ণৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহলৈ পৰামৰ্শ আগবঢ়োৱা।

৬। ৰাষ্ট্ৰপতিৰ নিৰ্দেশক্ৰমে বা আইনে প্ৰদান কৰা ক্ষেত্ৰৰ ভিতৰত অনুসূচীত জাতিৰ লোকৰ সুৰক্ষা, কল্যাণ আৰু বিকাশৰ ক্ষেত্ৰত প্ৰয়োজনীয় কাৰ্য-সম্পাদন কৰা।

**আয়োগৰ সীমাবদ্ধতা ঃ** অনুসূচীতি জাতি আয়োগে কৰ্ম-সম্পাদনৰ ক্ষেত্ৰত সন্মুখীন হোৱা মূল সীমাবদ্ধতাবোৰ হ'ল -

১। উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ আয়োগৰ কাৰ্যসম্পাদনৰ ক্ষেত্ৰত থকা এটা প্ৰধান প্ৰতিবন্ধক।

২। আয়োগে বিভিন্ন সময়ত চৰকাৰলৈ পৰামৰ্শহে আগবঢ়াব পাৰে। চৰকাৰে তেনে পৰামৰ্শ মানিবলৈ সাংবিধানিকভাৱে বাধ্য নহয়।

৩। উপযুক্ত বিত্তৰ অভাৱৰ বাবেও আয়োগে বিভিন্ন সময়ত নিজৰ দায়িত্ব সঠিকভাৱে পালন কৰিব পৰা নাই। বিত্তৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নিৰ্ভৰশীল হ'ব লগা হোৱা বাবে অনেক সময়ত স্বতন্ত্ৰভাৱে কাম সম্পাদন কৰিবলৈ আয়োগ সক্ষম হোৱা নাই।

৪। আয়োগে অনুসূচীত জাতিৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপবোৰো জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত বা জনসজাগতা সৃষ্টিকৰাত সফল হোৱা নাই। যাৰ বাবে একাংশ অনুসূচীত জাতিৰ লোকে চৰকাৰৰ সুবিধাবোৰ লাভ কৰাৰ বিপৰীতে অধিকাংশ লোকেই ইয়াৰ সুবিধা গ্ৰহণ কৰিব পৰা নাই।

**আয়োগৰ ভূমিকা ঃ** অনুসূচীত জাতি আয়োগে ভাৰতবৰ্ষৰ অনুসূচীত জাতিৰ লোকৰ কল্যাণৰ বাবে কিছু প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে।

মূলতঃ চৰকাৰৰ ওচৰত অনুসূচীত জাতিৰ লোকৰ প্ৰগতিৰ বাবে বিভিন্ন প্ৰকল্প আৰু আঁচনি যুগুত কৰাৰ বাবে আয়োগে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ইয়াৰ উপৰিও অনুসূচীতি জাতিৰ লোকসকলে সন্মুখীন হৈ অহা সমস্যাবোৰ বিশ্লেষণ কৰি সেইবোৰ নিৰাময়ৰ উপায় সম্পৰ্কে প্ৰতিবেদন প্ৰস্তুত কৰি সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰি আহিছে। আয়োগে বিভিন্ন সময়ত অনুসন্ধানমূলক কাৰ্যৰ দ্বাৰা দেৱানী আদালতৰ ভূমিকা পালন কৰা দেখা যায়। বিভিন্ন ক্ষেত্ৰত থকা সংৰক্ষণবোৰ ভালদৰে মানি চলা হৈছে নে নাই আয়োগে পৰীক্ষণ কৰি আসোঁৱাহ দৃষ্টিগোচৰ হ'লে অভিযোগ দাখিল কৰিব পাৰে।

## ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগ ঃ
## (National Commission for Scheduled Tribe)

অনুসূচীত জাতিৰ লোকৰ দৰে ভাৰতীয় সমাজ ব্যৱস্থাত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত পিছপৰা আৰু এক পৃথক অস্তিত্বৰে বসবাস কৰা একাংশ লোক আছে। সংবিধানে ভাৰতীয় জাতিসত্বাৰ লগত এই লোকসকলক সাঙুৰি লোৱাৰ লগতে বিকাশৰ বাবে কিছুমান বিশেষ ব্যৱস্থাৱলী উল্লেখ কৰিছে। এনে ব্যৱস্থাৱলীৰ ভিত্তিতে ২০০৩ চনৰ ৮৯ তম সংবিধান সংশোধনৰ ভিত্তিত ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগ নামেৰে এক পৃথক পৰিকাঠামো ২০০৪ চনত তৈয়াৰ কৰিছে। ৩৩৮ (ক) অনুচ্ছেদৰ অধীনত এই আয়োগ গঠন কৰা হৈছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বতে অনুসূচীত জাতি আয়োগ আৰু অনুসূচীত জনজাতি আয়োগক একেলগে অনুসূচীত জাতি আৰু জনজাতি আয়োগ হিচাবে গঠন কৰিছিল। প্ৰথম অনুসূচীত জনজাতি আয়োগৰ অধ্যক্ষ আছিল কুৱৰ সিং। বৰ্তমান এইচ্ চৌহানে আয়োগৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

**গঠন ঃ** আয়োগ এজন অধ্যক্ষ, এজন উপাধ্যক্ষ আৰু তিনিজন সদস্যৰে (এগৰাকী মহিলা) গঠিত। আয়োগৰ সদস্যসকলৰ কাৰ্যকাল তিনিবছৰ। এওঁলোকক ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে।

**ক্ষমতা আৰু কাৰ্য্য ঃ** আয়োগৰ মূল কাম বা দায়িত্ব হৈছে অনুসূচিত জনজাতিৰ লোকৰ উৎকৰ্ষ সাধনৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা। আয়োগে সম্পাদন কৰা আন দায়িত্ববোৰ হ'ল—

১। সংবিধান আৰু আন বিধায়িনী ব্যৱস্থাসমূহে অনুসূচিত জনজাতিৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ পৰ্য্যালোচনা আৰু মূল্যায়ন কৰা।

২। অনুসূচিত জনজাতিৰ লোকৰ অধিকাৰ খৰ্ব সম্পৰ্কীয় অভিযোগৰ অনুসন্ধান কৰা।

৩। অনুসূচিত জনজাতিৰ লোকৰ আৰ্থ-সামাজিক প্ৰগতিৰ বাবে গ্ৰহণ কৰা পৰিকল্পনা সমূহত অংশ গ্ৰহণ কৰা আৰু সেইবোৰৰ যথাযথ ৰূপায়নৰ অগ্ৰগতিৰ মূল্যায়ন কৰা।

৪। অনুসূচিত জনজাতিৰ লোকসকলৰ আৰ্থ-সামাজিককে ধৰি সামগ্ৰীক দিশ সামৰি বছৰেকীয়া প্ৰতিবেদন প্ৰস্তুত কৰা আৰু ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা। প্ৰয়োজনত আয়োগে বিশেষ প্ৰতিবেদনো দাখিল কৰিব লাগে।

৫। অনুসূচিত জনজাতিৰ লোকৰ সমস্যা আৰু সেইসমূহ সমাধানৰ পৰামৰ্শ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমূহক প্ৰদান কৰিব লাগে।

৬। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে অৰ্পন কৰা আন আন দায়িত্ব আয়োগে পালন কৰিব লাগে।

**সীমাবদ্ধতা ঃ** আয়োগে নিজ দায়িত্ব আৰু কৰ্তব্য সম্পাদনত পোৱা মূল সীমাবদ্ধতাবোৰ—

১। আয়োগ মূলতঃ এক পৰামৰ্শদানকাৰী অনুস্থানহে। আয়োগে বিভিন্ন সময়ত অনুসূচিত জনজাতিৰ লোকৰসমস্যা সমাধানৰ বাবে দিয়া পৰামৰ্শ চৰকাৰে বিবেচনা নকৰিবও পাৰে।

২। বিভিন্ন সময়ত অভিযোগ উত্থাপিত হয় যে আয়োগে পদ্ধতিগত আৰু সংৰক্ষণৰ বিষয়তহে অধিক মনোযোগ প্ৰদান কৰি আহিছে। বিভিন্ন আৰ্থিক সমস্যাৰে ভাৰাক্ৰান্ত অনুসূচিত জনজাতি সকলৰ জীৱনলৈ মৌলিক পৰিবৰ্তন আনিব পৰা কাৰ্য্য সম্পাদন কৰাত আয়োগ ব্যৰ্থ হৈছে।

৩। আয়োগে ভাৰতৰ ভিন্ন প্ৰান্তত অনুসূচিত লোকৰ ওপৰত হৈ থকা নিৰ্যাতন হ্ৰাস কৰাত ব্যৰ্থ হৈছে বুলি সততে অভিযোগ উত্থাপন হয়। সাম্প্ৰতিক সময়তো দলিত আদিবাসী লোকসকলৰ ওপৰত যথেষ্ট নিৰ্যাতনৰ পৰিঘটনা দেখা পোৱা যায়।

**ভূমিকা ঃ** বিভিন্ন সীমাবদ্ধতাৰ মাজত নিজ দায়িত্ব সম্পাদন কৰিলেও কিছু কিছু ক্ষেত্ৰত আয়োগ সফল হৈছে। যেনে—

১। বিভিন্ন শৈক্ষিক ক্ষেত্ৰত আয়োগৰ সফল ভূমিকাৰ বাবে পোৱা সংস্কাৰমুখী কাৰ্যসূচীয়ে অনুসূচিত জনজাতিৰ লোকসকলৰ মাজত শিক্ষা দ্ৰুতগতিত সম্প্ৰসাৰণ হোৱাৰ লগতে পুৰুষ মহিলাৰ মাজত থকা শৈক্ষিক ব্যৱধান যথেষ্ট হ্ৰাস কৰিছে।

২। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন ক্ষেত্ৰত অনুসূচিত জনজাতিৰ লোকৰ হাৰ আয়োগৰ সবল ভূমিকাৰ বাবেই যথেষ্ট বৃদ্ধি পাইছে।

৩। আয়োগৰ সবল ভূমিকাৰ বাবেই অনুসূচিত জনজাতিৰ লোকৰ উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিবলৈ বাধ্য হৈছে আৰু ইয়েই অনুসূচিত জনজাতিৰ লোকসকলৰ প্ৰাথমিক সমস্যা সমাধানত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে।

আয়োগে এনে ধৰণৰ আৰ্থ-সামাজিক কিছু ক্ষেত্ৰত বৰঙণি যোগালেও সামাজিক চিন্তাধাৰা পৰিবৰ্তনৰ ক্ষেত্ৰত যি ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিছিল সেয়া কৰা নাই। আকৌ অভিযোগ নিস্পত্তিকৰণৰ লেহেমীয়া কাৰ্যসম্পাদনৰ পদ্ধতিয়ে আয়োগক অনুসূচিত জনজাতিসকলৰ প্ৰগতিৰ এক প্ৰকৃত কৌশল হিচাবে প্ৰতিষ্থাত বাধা প্ৰদান কৰিছে।

** ** **



## প্ৰশ্নাৱলী ঃ

### চমুকৈ উত্তৰ দিয়া ঃ

১। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ কেতিয়া গঠন কৰা হৈছিল?

২। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ বৰ্তমান অধ্যক্ষজনৰ নাম কি?

৩। অসম মানৱ অধিকাৰ আয়োগ কেতিয়া গঠন কৰা হৈছিল?

৪। অসম মানৱ অধিকাৰ আয়োগৰ বৰ্তমান অধ্যক্ষ কোন?

৫। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

৬। ৰাষ্ট্ৰীয় মহিলা আয়োগ কেতিয়া গঠন কৰা হৈছিল?

৭। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ বৰ্তমান অধ্যক্ষ কোন?

৮। কিমান চনত অনুসূচিত জাতি আয়োগ আৰু অনুসূচিত জনজাতি আয়োগ পৃথক হয়?

### ৰচনাধৰ্মী প্ৰশ্ন ঃ

১। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ গঠন ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰা।

২। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে মানৱ অধিকাৰ সুৰক্ষাৰ কাৰণে গ্ৰহণ কৰা ব্যৱস্থাৱলী আলোচনা কৰা।

৩। ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ গঠন, ক্ষমতা আৰু কাৰ্য আলোচনা কৰা।

৪। অসম মানৱ অধিকাৰ আয়োগৰ গঠন, ক্ষমতা আৰু কাৰ্য আলোচনা কৰা।

৫। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ গঠন, ক্ষমতা আৰু কাৰ্য আলোচনা কৰা।

৬। ৰাষ্ট্ৰীয় অনুসূচিত জাতিৰ গঠন, ক্ষমতা আৰু কাৰ্য আলোচনা কৰা।

৭। ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগৰ গঠন, ক্ষমতা আৰু কাৰ্য আলোচনা কৰা।

অধ্যায় ৩

# মানৱ অধিকাৰৰ ক্ৰমবৰ্দ্ধমান সমস্যাৱলী
# (Emerging Issues of Human Rights)

সম্প্ৰতিক সময়ত মানৱ অধিকাৰ সম্পৰ্কে যিমানে সচেতনতা বৃদ্ধি হ'বলৈ ধৰিছে সিমানেই মানৱ অধিকাৰৰ প্ৰত্যাহ্বানবোৰ দৃষ্টিগোচৰ হ'বলৈ ধৰিছে। প্ৰকৃতিক দুৰ্যোগ আৰু মানৱ সৃষ্ট পৰিঘটনাবোৰৰ বাবেই মানৱ অধিকাৰ সংকটাপন্ন হ'বলৈ ধৰাৰ পৰিঘটনাবোৰ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। বিশ্বৰ পৰিপ্ৰেক্ষিতত সন্ত্ৰাসবাদ, পৰিবেশীয় সমস্যা, স্বাস্থ্যজনিত সমস্যা, নৃগোষ্ঠীয় লোকক অধিকাৰৰ পৰা বঞ্চিতকৰণ, ৰাষ্ট্ৰীয় বিকাশ কাৰ্যসূচীৰ দ্বাৰা জন নিৰাপত্তাৰ দিশবোৰক আওকাণ, প্ৰথাগত অধিকাৰবোৰক অস্বীকৃতি, সংখ্যালঘু লোকক উৎপীড়ন, বঞ্চনা, ৰাষ্ট্ৰৰ অগণতান্ত্ৰিক প্ৰকৃতি আৰু কৰ্মপদ্ধতি আদি পৰিঘটনাবোৰে মানৱ অধিকাৰ যে বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে সেয়া সচেতন মহলৰ ওচৰত স্পষ্ট ৰূপত দৃশ্যমান কৰিছে। ভাৰতৰ সমাজ ব্যৱস্থাটোত মানৱ অধিকাৰ যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো দৈনন্দিন প্ৰকাশিত আৰু প্ৰচাৰিত বাতৰিসমূহৰ পৰাই সহজে অনুমেয়। যদিওবা এই বাতৰি সমূহে অধিকাৰ ভংগৰ মাত্ৰ নিৰ্দিষ্ট কেইটামান পৰিঘটনাকহে প্ৰতিফলিত কৰে। অৰ্থাৎ বাস্তৱ ক্ষেত্ৰত মানৱ অধিকাৰৰ উলংঘনৰ মাত্ৰা যথেষ্ট ব্যাপক।

ভাৰতৰ আৰ্থ-ৰাজনৈতিক তথা সামাজিক ক্ষেত্ৰত মানৱ অধিকাৰৰ ক্ৰমবৰ্দ্ধমান সমস্যাৱলী বিভিন্ন স্তৰত প্ৰতিফলিত হয়। প্ৰচলিত জাতি-বৰ্ণ ভিত্তিক প্ৰথাসমূহে সামাজিক স্তৰত ভালেমান অধিকাৰ ভংগ কৰাৰ পাছত আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাই গাঠনিগতভাৱে সংখ্যালঘু লোকসকলৰ অধিকাৰক অৱমাননা কৰা দেখা যায়। আকৌ আনফালে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ স্বাৰ্থত যিবোৰ প্ৰকল্প আৰু পৰিকল্পনাৰ আশ্ৰয় লোৱা হৈছে, সেইসমূহেও ভালেমান লোকৰ জীৱন আৰু জীৱিকাৰ প্ৰতি ভাবুকি আনিছে। উৎপাদনৰ আধুনিকীকৰণ আৰু উদ্যোগীকৰণ ব্যৱস্থাই কৰ্মসংস্থাপনহীনতাৰ উদয় কৰিছে। অধিক মাত্ৰাত উৎপাদনৰ স্বাৰ্থত প্ৰয়োগ কৰা ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্যই স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিছে, প্ৰগতিক অধিক

খৰটকীয়াকৰণৰ বাবে লোৱা বেচৰকাৰীকৰণৰ পদক্ষেপসমূহে দুখীয়া জনসাধাৰণৰ জীৱন নিৰ্বাহকে যথেষ্ট প্ৰত্যাহ্বানমূলক কৰি তুলিছে। এক হতাশাজনক পৰিবেশক কেন্দ্ৰ কৰি সৃষ্টি হৈছে সন্ত্ৰাসবাদৰ দৰে আন এক সমস্যা। সন্ত্ৰাসবাদীসকলৰ কাৰ্যকলাপ আৰু সন্ত্ৰাসবাদক দমন কৰাৰ নামত ৰাষ্ট্ৰই আশ্ৰয় লোৱা পদক্ষেপবোৰে মানৱ অধিকাৰৰ স্তৰ একেবাৰে অৱনমিত কৰিছে। মুঠতে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক অথবা সাংস্কৃতিক যি ক্ষেত্ৰলৈকে দৃষ্টি নিক্ষেপ নকৰো কিয় সকলো ক্ষেত্ৰতে মানৱ অধিকাৰ উলংঘনৰ অগণন পৰিঘটনা বা দৃশ্যপট দেখিবলৈ পোৱা যায়।

সাম্প্ৰতিক সময়ত ভাৰতত দেখিবলৈ পোৱা কেইটামান মানৱ অধিকাৰৰ উদ্বিগ্নকাৰী বিষয় হ'ল—

(১) ৰাষ্ট্ৰই গ্ৰহণ কৰা বিকাশমূলক কাৰ্যসূচীৰ বাবে উচ্ছেদিত লোকৰ জীৱন আৰু জীৱিকাৰ পুনৰ সংস্থাপন।

(২) সন্ত্ৰাসবাদী কাৰ্যকলাপৰ দ্বাৰা মানৱ অধিকাৰৰ উলংঘন।

(৩) মহিলাৰ লগত জড়িত যৌতুক জনিত সমস্যা, কন্যা-ভ্ৰূণ হত্যা, ধৰ্ষণ, উৎপীড়ন, মানসিক নিৰ্যাতন আদি।

(৪) শিশুৰ লগত জড়িত বাল্য বিবাহ, শিশু শ্ৰমিক, শিশু ধৰ্ষণ, নিৰ্যাতনৰ ঘটনা।

(৫) খিলঞ্জীয়া লোকৰ অধিকাৰৰ প্ৰসংগ।

(৬) সংখ্যালঘুৰ ওপৰত হোৱা আক্ৰমণ, দলিত নিৰ্যাতনৰ ঘটনা, সাম্প্ৰদায়িক সংঘাট।

(৭) ৰাষ্ট্ৰীয় সন্ত্ৰাস, যেনে সেনা অভিযান, কঠোৰ আইনৰ অপপ্ৰয়োগৰ ঘটনা।

(৮) বৰ্দ্ধিত পৰিবেশ প্ৰদূষণ আদি।

অনেক সময়ত এই সমস্যাবোৰ আঁতৰকৰণৰ বাবে চৰকাৰী আৰু বেচৰকাৰী সংগঠনবোৰে নিজ নিজ প্ৰচেষ্টা অব্যাহত ৰাখিছে যদিও প্ৰচলিত সামাজিক অন্ধবিশ্বাস, ক্ষমতাকেন্দ্ৰীক ৰাজনীতি, পুঁজিবাদ আৰু বেচৰকাৰীকৰণৰ অবাধ সম্প্ৰসাৰণ, জনসচেতনতাৰ অভাৱ, ন্যায়পালিকাৰ জটিলতা আৰু কাৰ্য সম্পাদনৰ লেহেম পদ্ধতিয়ে সমাধানৰ পথ মুকলি কৰাত প্ৰত্যাহ্বানৰ সূচনা কৰিছে।

## খিলঞ্জীয়া লোকৰ অধিকাৰ
## (Rights of the Indigeneous people)

সমসাময়িক আন্তৰ্জাতিক প্ৰেক্ষাপটত মানৱ অধিকাৰ সুৰক্ষাৰ এটি অন্যতম বৃহৎ প্ৰত্যাহ্বান হ'ল খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ বিষয়টো। বিশ্বায়নৰ বাবেই হওক বা অৰ্থনৈতিক, পৰিবেশীয়, ৰাজনৈতিক কাৰণতেই হওক প্ৰব্ৰজন সমসাময়িক সমাজৰ এক স্বাভাৱিক পৰিঘটনা। প্ৰব্ৰজনৰ দ্বাৰা অনেক সম্প্ৰসাৰণবাদী জাতিয়ে আন অঞ্চলত বসতি স্থাপন কৰি নিজৰ ভাষা, সংস্কৃতি, ধৰ্মক সম্প্ৰসাৰণ কৰাৰ সমান্তৰালকৈ ৰাজনৈতিক

সিদ্ধান্ত গ্ৰহণ আৰু উৎপাদন তথা বিতৰণৰ ক্ষেত্ৰত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈ লয়। ইয়াৰ ফলত সেই নিৰ্দিষ্ট এলেকাৰ খিলঞ্জীয়া জনসাধাৰণৰ বিভিন্ন অধিকাৰৰ বিষয়ত প্ৰশ্ন উদ্ৰেক হয়। বৰ্তমান বিশ্বৰ এনে অনেক পৰিঘটনাৰ ভিত্তিতে খিলঞ্জীয়া লোকৰ অধিকাৰ সংৰক্ষণৰ বিষয়টোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

### খিলঞ্জীয়া কোন? (Who is Indigenous?) ঃ

খিলঞ্জীয়া লোক বা আদিম অধিবাসী বুলি ক'লে সাধাৰণ অৰ্থত স্থায়ীভাৱে বহু কাল বসবাস কৰি সামগ্ৰীকভাৱে সকলো অধিকাৰ ভোগ কৰি থকা লোকক বুজায়। এনে লোকসকল নিৰ্দিষ্ট একোটা অঞ্চলৰ ভাষা, ধৰ্মীয় সংস্কৃতি, আন সংস্কৃতি, প্ৰথা-পৰম্পৰা আদিৰ নিজেই ৰূপকাৰ হয়। তেওঁলোকে আন কোনো জনগোষ্ঠীৰ লোকৰ অনুপ্ৰবেশৰ আগেয়ে বসবাস কৰা বাবে নিজৰ এক সত্তা উপলব্ধি কৰে আৰু পৰৱৰ্তী সময়ত প্ৰৱেশ কৰা জনগোষ্ঠীৰ লোকৰ পৰা নিজকে পৃথক হিচাবে বিবেচনা কৰে।

১৯৫১ চনত আন্তৰ্জাতিক শ্ৰমিক সংগঠন (International Labour Organization) সন্মিলনৰ সিদ্ধান্ত অনুসৰি খিলঞ্জীয়া লোকৰ সংজ্ঞা এনেকুৱা- "Those which having a historical continuity with pre invasion and pre colorial societies consider themselves distinct from other sector of societies non-prevailing in those territories" অৰ্থাৎ যিসকল অধিবাসী কোনো এটা এলেকাত সাম্ৰাজ্যবাদী শক্তিৰ আক্ৰমণ বা অধিগ্ৰহণৰ আগৰ পৰাই স্থায়ীভাৱে বা ঐতিহাসিক ক্ৰমাগতভাৱে বসবাস কৰি আছে আৰু পৰৱৰ্তী সময়ৰ সেই অঞ্চলৰ লোকসকলৰ পৰা নিজকে পৃথক হিচাবে অনুভৱ কৰে সেই অধিবাসীসকল সেই ভৌগোলিক এলেকাৰ খিলঞ্জীয়া হিচাবে পৰিচিত হ'ব। খিলঞ্জীয়াসকলক সেইকাৰণে অঞ্চল এটাৰ প্ৰথম অধিবাসী, আদিম অধিবাসী, আদিবাসী, ভূমিপুত্ৰ, জনজাতি আদি ভিন্ন নামেৰে জনা যায়। পৃথিৱীৰ প্ৰত্যেক অঞ্চলতে বসবাস কৰা খিলঞ্জীয়া লোকসকলৰ কিছুমান বিশেষ বৈশিষ্ট্য আৰু পৃথক চৰিত্ৰ আছে। এই চৰিত্ৰৰ ভিত্তিতে খিলঞ্জীয়া লোকসকলৰ পৰিচয় গঢ় লৈ উঠে।

### খিলঞ্জীয়াৰ অধিকাৰ (Rights of the Indigenous people) ঃ

খিলঞ্জীয়া লোকসকলৰ অধিকাৰ বিষয়ক প্ৰশ্নটো কুৰি শতিকাতহে দৃষ্টিগোচৰ হয় যদিওবা তাৰ বহু পূৰ্বৰ পৰাই খিলঞ্জীয়া লোকসকল বিভিন্ন অধিকাৰৰ পৰা উচ্ছেদিত হোৱাৰ লগতে নিপিড়ণ আৰু উৎপীড়নৰ সন্মুখীন হৈ আহিছিল। দ্বিতীয় মহাযুদ্ধলৈকে খিলঞ্জীয়া লোকসকলৰ অধিকাৰবোৰ সুৰক্ষিত কৰিবলৈ কোনো সংগঠিত কাৰ্য আঁচনি গ্ৰহণ কৰা হোৱা নাছিল। পোন প্ৰথমবাৰলৈ ৰাষ্ট্ৰসংঘৰ অধিনস্ত আন্তৰ্জাতিক শ্ৰমিক সংগঠনে (International Labour Organization) খিলঞ্জীয়া লোকসকলৰ অধিকাৰ বিষয়ত চিন্তাচৰ্চা আৰম্ভ কৰে। ১৯৫০ চনত আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ নেতৃত্বত "খিলঞ্জীয়া আৰু জনজাতিসকলৰ চুক্তিপত্ৰ" নামেৰে এক চুক্তিপত্ৰৰ খচৰা প্ৰস্তুত কৰি সন্মিলনত উত্থাপন কৰা হৈছিল। কিন্তু প্ৰয়োজনীয় সংখ্যক সদস্য ৰাষ্ট্ৰই অনুমোদন নজনোৱা বাবে এই চুক্তিপত্ৰ কাৰ্যকৰী কৰিব পৰা নগ'ল। পৰৱৰ্তী সময়ত ১৯৮৯ চনৰ ২৭ জুনত পুনৰবাৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনৰ নেতৃত্বত আন এক চুক্তিপত্ৰ প্ৰস্তুত কৰা হয়। ১৯৮৯ চনৰ

সন্মিলনৰ ১৬৯ নং প্ৰস্তাৱযোগে খিলঞ্জীয়া আৰু জনজাতীয় লোকসকলৰ অধিকাৰ বিষয়ক চুক্তিপত্ৰ গ্ৰহণ কৰা হয়। প্ৰয়োজনীয় সংখ্যক সদস্যৰাষ্ট্ৰই অনুমোদন প্ৰদান কৰাৰ পাছত ১৯৯৯ চনৰ ৫ ছেপ্তেম্বৰৰ পৰা চুক্তিপত্ৰখনে কাৰ্যকাৰিতাৰ ৰূপ লাভ কৰে।

খিলঞ্জীয়াৰ বিষয়টো পৃথকভাৱে পৰীক্ষণ কৰাৰ বাবে ৰাষ্ট্ৰসংঘই তিনিখনকৈ পৃথক সমিতি বা গোট গঠন কৰি দিছিল—

(i) খিলঞ্জীয়া জনসাধাৰণৰ কৰ্মগোট (Working Group on Indigenous People)

(ii) খিলঞ্জীয়াৰ মৌলিক স্বাধীনতা আৰু মানৱ অধিকাৰৰ সমস্যাসমূহৰ বাবে থকা বিশেষ প্ৰতিবেদনকাৰী (Special Reporter on the situation of human Rights and fundamental freedom of Indigenous people)

(iii) খিলঞ্জীয়া সম্পৰ্কত স্থায়ী সংস্থা (Permanent Forum on Indigenous People)

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই বিভিন্ন কাৰ্যকৰী গোটৰ আলোচনা আৰু পৰামৰ্শৰ ভিত্তিত সময়ে সময়ে পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই পদক্ষেপসমূহৰ অন্যতম হ'ল খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰৰ ওপৰত ১৯৯৪ চনত এক খচৰা প্ৰস্তুতকৰণ আৰু খিলঞ্জীয়া জনসাধাৰণৰ কাৰণে ৰাষ্ট্ৰসংঘৰ স্বেচ্ছাধীন পুঁজি গঠন।

১৯৯৪ চনৰ খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰৰ খচৰা ঘোষণাপত্ৰখনে খিলঞ্জীয়া লোকৰ উন্নয়ণ বা অধিকাৰৰ বাবে তলেমান বিষয় সন্নিৱিষ্ট কৰিছে। যেনে—

(১) ৰাষ্ট্ৰসংঘৰ চনদ আৰু অধিকাৰৰ ঘোষণাপত্ৰত উল্লেখিত সকলোবোৰ মানৱ অধিকাৰ আৰু স্বাধীনতা খিলঞ্জীয়া লোকসকলে পূৰ্ণভাৱে উপভোগ কৰিব। (অনুচ্ছেদ ১)

(২) বৈষম্যমূলক আচৰণৰ পৰা মুক্ত হৈ থকাৰ অধিকাৰ। (অনুচ্ছেদ ২)

(৩) আত্মনিৰ্দ্ধাৰণৰ অধিকাৰ। (অনুচ্ছেদ ৩)

(৪) পৃথক সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক বৈশিষ্ট অক্ষুণ্ণ ৰখাৰ অধিকাৰ। (অনুচ্ছেদ ৪)

(৫) জাতীয়তাৰ অধিকাৰ। (অনুচ্ছেদ ৫)

(৬) স্বাধীনতা, শান্তি, সুৰক্ষা লাভৰ অধিকাৰ। (অনুচ্ছেদ ৬)

(৭) ভূমিৰ অধিকাৰ। (অনুচ্ছেদ ১০)

(৮) নিজৰ সাহিত্য, কৃষ্টি, আচাৰ ৰীতি পুনঃ প্ৰতিষ্ঠা বা উন্নীতকৰণৰ অধিকাৰ। (অনুচ্ছেদ ১২)

(৯) আন্তৰ্জাতিক শ্ৰমিক আইনে প্ৰদান কৰা সকলো অধিকাৰ। (অনুচ্ছেদ ১৮)

(১০) নিজৰ অগ্ৰগতিৰ বাবে কৌশল নিৰ্দ্ধাৰণৰ অধিকাৰ। (অনুচ্ছেদ ২৩)

(১১) খিলঞ্জীয়াসকলৰ লগত আলোচনা কৰিহে তেওঁলোক সম্পৰ্কত ৰাষ্ট্ৰপ্ৰশাসনে গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব পাৰিব। (অনুচ্ছেদ ৩৭) আদি।

১৯৯৩ চনত ৰাষ্ট্ৰসংঘই এক সাধাৰণ প্ৰস্তাৱযোগে ১৯৯৩ চনটো বিশ্ব খিলঞ্জীয়া বৰ্ষ (Year of World's Indigenous People) হিচাপে পালন কৰাৰ সিদ্ধান্ত লয়। এই বৰ্ষ পালনৰ দ্বাৰা বিশ্বৰ জনজাতি আৰু খিলঞ্জীয়া লোকসকলৰ মাজত সচেতনতা বৃদ্ধি আৰু সমস্যা সমাধানৰ বাবে কাৰিকৰী জ্ঞান আৰু অৰ্থনৈতিক সহযোগীতা বৃদ্ধিৰ প্ৰচেষ্টা লোৱা হৈছিল। ১৯৯৩ চনৰ ২১ ডিচেম্বৰত ৰাষ্ট্ৰসংঘই ১৯৯৫ চনৰ পৰা ২০০৪ চনলৈকে আন্তৰ্জাতিক খিলঞ্জীয়া লোকৰ দ্বিতীয় দশক হিচাপে পালন কৰাৰ সিদ্ধান্ত লয়। এই দশকবোৰ উদ্‌যাপনৰ মূল উদ্দেশ্য আছিল—

(১) বৈষম্য দূৰ কৰি সকলো ক্ষেত্ৰতে খিলঞ্জীয়া লোকৰ অংশগ্ৰহণ সুনিশ্চিত কৰা।

(২) সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত খিলঞ্জীয়া লোকৰ সক্ৰিয় অংশগ্ৰহণক উৎসাহ যোগোৱা।

(৩) খিলঞ্জীয়া লোকৰ বাবে প্ৰযোজ্য হোৱাকৈ বিকাশ কাৰ্যসূচীক পুনৰ সূত্ৰবদ্ধ কৰা।

(৪) খিলঞ্জীয়া লোকৰ উৎকৰ্ষ সাধনৰ বাবে লক্ষ্য নিশ্চিতকৰণ আঁচনি গ্ৰহণ কৰা।

(৫) সু-সংগঠিত প্ৰতিস্থান বা ব্যৱস্থাপনাৰ সহায়ত খিলঞ্জীয়া লোকৰ উৎকৰ্ষ সাধন কৰা।

২০০০ চনত ৰাষ্ট্ৰ সংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদে খিলঞ্জীয়া লোকসকলৰ বাবে এখন স্থায়ী ফ'ৰাম গঠন কৰে। এই ফৰামে খিলঞ্জীয়া লোকৰ উৎকৰ্ষ, আৰ্থ-সামাজিক দিশৰ ওপৰত চকু ৰাখিব লগতে খিলঞ্জীয়া লোকসকলে নিজৰ বৈষম্যৰ বিৰুদ্ধে ইয়াত অভিযোগ দাখিল কৰিব পাৰিব। ২০০৩ চনত খিলঞ্জীয়া লোকৰ অধিকাৰ ৰক্ষা সম্পৰ্কীয় স্থায়ী ফৰামৰ এটা সচিবালয় খোলা হয়।

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই পুনৰায় ভালেমান খিলঞ্জীয়া লোকৰ প্ৰতিনিধিৰ লগত আলোচনা কৰি ২০০৭ চনৰ চেপ্তেম্বৰ মাহত 'খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণা' (Declaration on the Rights of Indigenous People) গ্ৰহণ কৰে। অধিকাৰৰ এই ঘোষণাই খিলঞ্জীয়া লোকৰ জৈৱ সাংস্কৃতিক ঐতিহ্য সুৰক্ষাৰ লগতে খিলঞ্জীয়া লোকৰ পৰম্পৰাগত জ্ঞান, সম্পদ, ভূমি, সংস্কৃতি, আধ্যাত্মিক মূল্যবোধ আৰু পৰম্পৰাগত আইনক সুৰক্ষা প্ৰদানত গুৰুত্ব দিছে। খিলঞ্জীয়া লোকৰ অধিকাৰৰ ঘোষণাপত্ৰত উল্লেখ কৰা কেইটামান গুৰুত্বপূৰ্ণ অধিকাৰ হ'ল—

(১) **ভৌগোলিক ক্ষেত্ৰৰ অধিকাৰ ঃ** ঘোষণাপত্ৰৰ ২৬ নং অনুচ্ছেদে খিলঞ্জীয়া লোকসকলৰ বাবে ভূমি, ভৌগোলিক ক্ষেত্ৰ আৰু সম্পদৰ অধিকাৰক স্বীকৃতি দিছে। খিলঞ্জীয়া লোকসকলে অতিজৰে পৰা বসবাস কৰি অহা ভূমি, ক্ষেত্ৰ আৰু পৰম্পৰাগতভাৱে আহৰণ কৰা সম্পদৰ অধিকাৰক ৰাষ্ট্ৰই স্বীকৃতি প্ৰদান কৰি সুৰক্ষা দান কৰিব।

(২) **জৈৱ-সাংস্কৃতিক অধিকাৰ ঃ** ঘোষণাপত্ৰৰ ১১ নং অনুচ্ছেদত খিলঞ্জীয়া লোকসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা সাংস্কৃতিক ঐতিহ্য আৰু বিভিন্ন জৈৱ ক্ষেত্ৰৰ আহৰণ আৰু সংৰক্ষণৰ পৰম্পৰা সুৰক্ষাৰ অধিকাৰ প্ৰদান কৰিছে। খিলঞ্জীয়া লোকসকলৰ বিভিন্ন বীজ-আহৰণ আৰু সংৰক্ষণ, বনৌষধ

তৈয়াৰ আৰু ব্যৱহাৰ, বিভিন্ন উদ্ভিদ আৰু জীৱকুল সংৰক্ষণ তথা সংবৰ্দ্ধনৰ পদ্ধতিক মান্যতা দি সেইবোৰ সুৰক্ষা আৰু পালনৰ অধিকাৰ প্ৰদান কৰা হৈছে।

(৩) **ধৰ্মীয় অধিকাৰ ঃ** ঘোষণাপত্ৰৰ ১২ নং অনুচ্ছেদত খিলঞ্জীয়া লোকৰ ধৰ্মীয় চিন্তাধাৰা প্ৰকাশ, পালন আৰু বিকাশৰ অধিকাৰ প্ৰদান কৰা হৈছে। খিলঞ্জীয়া লোকসকল প্ৰকৃতিৰ বিভিন্ন উপাদানৰ লগত এই ধৰ্মীয় পৰম্পৰাৰে নিবিড় সম্পৰ্কক স্বীকৃতি প্ৰদান কৰিছে।

(৪) **সিদ্ধান্ত গ্ৰহণৰ অধিকাৰ ঃ** ঘোষণাপত্ৰই খিলঞ্জীয়া লোকৰ পৰম্পৰাগত প্ৰশাসনিক ব্যৱস্থাক স্বীকৃতি দিয়াৰ লগতে তেওঁলোকৰ আত্মনিৰ্দ্ধাৰণৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰিছে। এই ঘোষণা পত্ৰই খিলঞ্জীয়া কোনো মানুহক প্ৰভাৱিত কৰিব পৰা যিকোনো সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত তেওঁলোকৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ অধিকাৰ প্ৰদান কৰিছে।

আন্তৰ্জাতিক প্ৰেক্ষাপটত এনেদৰে বিভিন্ন খিলঞ্জীয়াৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰিলেও সৰহ সংখ্যক ৰাষ্ট্ৰই ইয়াৰ মান্যতা প্ৰদান কৰা নাই। অনেক সময়ত খিলঞ্জীয়া লোকসকলে নিজৰ অধিকাৰৰ দাবী কৰিবলৈ যাওঁতে ৰাষ্ট্ৰ সন্ত্ৰাসৰহে সন্মুখীন হ'ব লগা হৈছে।

**ভাৰত আৰু খিলঞ্জীয়াৰ অধিকাৰ ঃ**

ভাৰতত খিলঞ্জীয়া লোকৰ অধিকাৰ সংগ্ৰামৰ মাজেদিয়েই প্ৰতিষ্ঠিত বৃটিছ শাসন কালত খিলঞ্জীয়া জনসাধাৰণে নিজৰ ভাষা, সংস্কৃতি প্ৰতিষ্ঠাৰ লগতে আত্মনিৰ্দ্ধাৰণৰ অধিকাৰৰ বাবে তীব্ৰ সংগ্ৰাম গঢ়ি তুলিছিল। পৰৱৰ্তী সময়ত স্বাধীন ভাৰতত বৃহৎ ভাৰতীয় জাতিসত্তা গঠনৰ বাবে লোৱা প্ৰচেষ্টাতো অনেক খিলঞ্জীয়া জনসাধাৰণে নিজৰ স্বকীয়তা হেৰাই যোৱাৰ শংকাত ভুগি ভাৰতৰ পৰা পৃথক স্বকীয় অধিকাৰৰ দাবী তুলিছিল। অৱশ্যে সংবিধান ৰচয়িতাসকলে সংবিধান সভাৰ আলোচনা আৰু বিতৰ্কত এনে বিষয়বোৰ উপস্থাপন কৰি খিলঞ্জীয়া লোকৰ পৃথক পৰম্পৰাবোৰ সংৰক্ষণৰ বাবে সংবিধানৰ যোগেদি কিছু ব্যৱস্থা কৰিছিল। অৱশ্যে ভাৰতৰ সংবিধানৰ কোনো ঠাইতে খিলঞ্জীয়া লোকৰ সূত্ৰায়ন কৰা হোৱা নাই। পশ্চিমীয়া দেশসমূহে খিলঞ্জীয়া লোকৰ যি সূত্ৰ আগবঢ়াইছে তাক ভাৰতে বিভিন্ন সময়ত অগ্ৰাহ্য কৰিছে। উদাহৰণ স্বৰূপে ১৯৯৩ চনত খিলঞ্জীয়া কৰ্ম বাহিনী (Working Group of Indigenous People)ৰ বৈঠকত ভাৰত চৰকাৰৰ প্ৰতিনিধি দেৱাশীষ চক্ৰৱৰ্তীয়ে আপত্তি দৰ্শাই কৈছিল, "খিলঞ্জীয়া মানুহ, এই ধাৰণাৰ সাধৰণীকৰণ কৰিব নোৱাৰি। ই বিশ্বৰ কিছু নিৰ্দিষ্ট ক্ষেত্ৰত, নিৰ্দিষ্ট জনসমষ্টিৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব। লিখিত বুৰঞ্জীৰ সময়ৰ পৰাই ভাৰত যিহেতু বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনক্ষেত্ৰ। যিহেতু কেইবা হাজাৰ বছৰ ধৰি ভাৰতভূমিত জনসমষ্টিসমূহে বসবাস কৰি আহিছে গতিকে খিলঞ্জীয়াৰ ধাৰণা ভাৰতৰ ক্ষেত্ৰত সঠিক নহ'ব। ইয়াৰ সকলো মানুহেই ইয়াৰ খিলঞ্জীয়া আৰু এইক্ষেত্ৰত খিলঞ্জীয়া-অখিলঞ্জীয়াৰ বিভাজন কৃত্ৰিম তথা উপকৰা হ'ব। ভাৰতৰ এই মত এচিয়াৰ ভালেমান ৰাষ্ট্ৰই সমৰ্থন কৰিছিল। অৱশ্যে খিলঞ্জীয়াৰ কোনো গ্ৰহণযোগ্য সংজ্ঞা ভাৰতবৰ্ষই মান্যতা নিদিলেও "Small is beautifull" অৰ্থাৎ ক্ষুদ্ৰতাই সৌন্দৰ্য, এই ধাৰণাত বিশ্বাস ৰাখি প্ৰতিটো ক্ষুদ্ৰ ক্ষুদ্ৰ

সমূহৰে অধিকাৰৰ মান্যতা দিয়াৰ প্ৰয়াস কৰি আহিছে। পৃথক ৰাজনৈতিক পৰি-গাঁথনিক সমৰ্থন কৰা জনজাতিসকলৰ অধিকাৰক পঞ্চম আৰু ষষ্ঠ অনুসূচীৰ মাধ্যমত মান্যতা দিয়াৰ প্ৰয়াস কৰি আহিছে।

**অনুসূচীত অঞ্চল আৰু অনুসূচীত জাতিৰ প্ৰশাসন ঃ পঞ্চম অনুসূচী আৰু ষষ্ঠ অনুসূচী (5th Schedule and 6th Schedule)ঃ**

ভাৰতীয় সমাজ বহু ভাষিক, বহু ধৰ্মীয়, বহুজাতিক সমাজ। অতিতৰে পৰা ভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণতে গঢ়ি উঠিছে আজিৰ এই বৃহৎ সভ্যতা। বিভিন্ন সময়ত ভিন্ন জাতিৰ প্ৰব্ৰজন ঘটিলেও বহু অতীত কালৰে পৰা এচাম নৃগোষ্ঠীয় লোকে নিজকে আন নৃগোষ্ঠীৰ পৰা আতৰাই ৰাখি জীৱিকা নিৰ্বাহ কৰিছিল। বহু নৃতত্ববিদৰ মতে এই নৃগোষ্ঠী সমূহে আদিম ভাৰতীয় বাসিন্দা। তেওঁলোক ৰীতি-নীতি, বেষ-ভুষা বহু পৰিমাণে প্ৰকৃতিকেন্দ্ৰীক। যাৰ ফলত পৰৱৰ্তী সময়ত প্ৰব্ৰজিত হোৱা লোকসকলৰ লগত মিলা-মিছা অথবা সম্প্ৰীতিৰ ভাব গঢ় দিয়াৰ পৰিৱৰ্তে এই গোষ্ঠীসমূহে বিভিন্ন পাহাৰ, পৰ্বত অথবা হাবি জংগলৰ মাজলৈ আঁতৰি গৈ এক অকলশৰীয়াকৈ জীৱন জিৱিকা চলাইছিল। কালক্ৰমত ইংৰাজ সকলৰ আগমণ ভাৰতবৰ্ষলৈ ঘটে। ভাৰতবৰ্ষৰ এটা প্ৰান্তৰ পৰা আন এটা প্ৰান্তলৈ বনিজ ইংৰাজসকলে দখল কৰিবলৈ সক্ষম হৈছিল যদিওঁ অকলশৰীয়াকৈ বসবাস কৰি থকা এই জনজাতীয় লোক সকলৰ পৰা তেওঁলোক তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল।

✦ **জনজাতীয় লোকসকলৰ প্ৰতি বৃটিছসকলৰ নীতি ঃ**

জনজাতীয় লোকসকলৰ প্ৰতি বৃটিছসকলৰ কোনো সুনিৰ্দিষ্ট নীতি নাছিল। বাণিজ্য স্বাৰ্থক কেন্দ্ৰ কৰিয়েই উপনিবেশ স্থাপন কৰা বৃটিছ সকলে প্ৰাৰম্ভিকতে জনজাতীয় লোকসকলে বাস কৰা দুৰ্গম এলেকাবোৰ এৰাই চলিছিল। কিন্তু বৃটিছ সকলৰ এই নীতি বেছিদিনলৈ কাৰ্যকৰী নহ'ল। বিভিন্ন সম্পদ আহৰণৰ স্বাৰ্থতে হওক অথবা আধিপত্য প্ৰতিস্থাৰ বাবেই হওক জনজাতীয় অঞ্চলবোৰ দখল কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলতে জনজাতীয় লোকসকলৰ লগত সংঘাট আৰম্ভ হয়। এনে সংঘাতৰ অন্যতম উদাহৰণ হ'ল ক'ল বিদ্ৰোহ (Kol Mutiny) 1832-33 ইং চনত চোণ্টনাগপুৰত হোৱা এই বিদ্ৰোহক বহুতে মুন্দা বিদ্ৰোহো আখ্যা দিয়ে। ইয়াৰ পৰৱৰ্তী সময়ত 1855 চনত ভূমি মূল্য নিৰ্দ্ধাৰণক লৈ চাওতাল বিদ্ৰোহ আৰম্ভ হয়। এই দুয়োটা পৰিঘটনাতে ব্ৰিটিছসকলে প্ৰশাসনীয় ব্যৱস্থা আৰু ভূমি নীতিৰ পৰিৱৰ্তন সাধন কৰিবলগীয়া হয়। উত্তৰ পূৰ্বাঞ্চলতো নাগাসকলে বৃটিছ সকলৰ আধিপত্যক প্ৰত্যাহ্বান জনাইছিল। যাৰ ফলত ভাৰত চৰকাৰ 1870 চনৰ ধাৰামতে সংসদে গৱৰ্ণৰ জেনেৰেল ইন কাউন্সিলক স্থানীয় আৰু ৰাজ্যিক চৰকাৰে প্ৰণ.ন কৰা আইন বলবৎ কৰিবলৈ ক্ষমতা প্ৰদান কৰে। আকৌ 1874 চনৰ ভাৰতীয় আইন প্ৰণয়নৰ পৰিষদে তালিকাভুক্ত জিলা আইন গৃহীত কৰে, যাৰ দ্বাৰা স্থানীয় চৰকাৰক এই তালিকাভুক্ত অঞ্চলত প্ৰযোজ্য আইনবোৰ পৰ্য্যালোচনা কৰি প্ৰয়োজন সাপেক্ষে বিলোপ অথবা সংশোধন কৰি ব্যৱস্থা ল'বলৈ কৰ্তৃত্ব দিয়ে। 1876 চনতো চৰকাৰে চাওঁতাল পৰগনাত ব্যক্তিগত ভাবেই হওঁক অথবা ন্যায়ালয়ৰ আদেশ মৰ্মেই হওঁক ভূমিৰ বিক্ৰী বন্ধ কৰি দিয়ে। মণ্টেগু আৰু চেমচফৰ্ডৰ সংস্থাৰ আইনেও পিছপৰা এই অঞ্চলবোৰত স্ব-শাসনৰ বিষয়ে উল্লেখ কৰিছে। 1919 চনৰ ভাৰত চৰকাৰ

আইনৰ অধীনত 52 A (2) দফা অনুসৰি গৱৰ্ণৰ জেনেৰেলক চেক্ৰেটাৰী অব ষ্টেটৰ অনুমোদন সাপেক্ষে যিকোনো অঞ্চল পিছপৰা অঞ্চল হিচাপে ঘোষণা কৰিব পৰা ক্ষমতা প্ৰদান কৰিছিল। সেই হিচাপে চৰকাৰে অনেক জনজাতীয় অঞ্চলকে পিছপৰা অঞ্চল হিচাপে ঘোষণা কৰিছিল। 1935 চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত এই অঞ্চলবোৰ কিছু পৰিৱৰ্তন কৰি বৰ্হিভূত অঞ্চল (Excluded Area) আৰু আংশিক বৰ্হিভূত অঞ্চল (Pastilly excluded area) হিচাপে নতুনকৈ গঠন কৰিছিল। ব্ৰিটিছ সকলৰ এই নীতিৰ মূল উদ্দেশ্য আছিল জনজাতীয় অঞ্চল সমূহক মূল প্ৰশাসনৰ পৰা আতৰত ৰখা। 1946 চনৰ কেবিনেট মিছনৰ পৰামৰ্শৱলীত এই লোকসকলৰ অধিকাৰ আৰু প্ৰশাসনৰ বাবে এক পৰামৰ্শদানকাৰী কমিটি গঠনৰ পৰামৰ্শ দিছিল।

✦ **স্বাধীনোত্তৰ কালৰ দৃষ্টিভংগী ঃ**

ভাৰত স্বাধীনতা লাভ কৰাৰ পৰৱৰ্তী সময়ত জাতি নিৰ্মাণ কৰাৰ দায়িত্ব যিসকল লোকৰ হাতত অৰ্পণ কৰা হৈছিল তেওঁলোকে ব্ৰিটিছে প্ৰবৰ্তন কৰা নীতিক সম্পূৰ্ণৰূপে নস্যাৎ কৰি সামাজিক সংহতিৰ নীতি প্ৰতিষ্ঠাত আগ্ৰহ প্ৰকাশ কৰা হৈছিল। সংহতিৰ নীতি অনুসৰি জনজাতীসকলক এটা অঞ্চললৈ পৰিৱৰ্ত্তিত কৰিব নালাগে লগতে মুলসূতিৰ লগত একত্ৰিত কৰাৰ বাবে বল প্ৰয়োগো কৰিব নালাগে। জনজাতিসকলৰ নিজস্ব স্বাভিমান বৰ্ত্তাই ৰাখি তেওঁলোকৰ সংস্কৃতি আৰু জাতীয়তাবোধক মান্যতা দিহে ভাৰতীয় জাতি নিৰ্মাণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাব লাগে।

সেয়েহে সংবিধান প্ৰণেতাসকলে অনেক বিতৰ্ক আৰু আলোচনাৰ শেষত ভাৰতৰ বিভিন্ন অংশত বাস কৰা কেইবা নিযুত জনজাতীয় লোকৰ সাংস্কৃতিক স্বাধীনতা অটুত ৰখাৰ বাবেই আইনগত সুৰক্ষাৰ ব্যৱস্থা কৰিছে। এনে আইনগত সুৰক্ষাৰ দুই ব্যৱস্থাবলীয়ে হ'ল সাংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচী।

ভাৰতীয় সংবিধানৰ 9 নং অংশৰ অন্তৰ্গত 244 নং অনুচ্ছেদ 'অনুসূচীত অঞ্চল' আৰু 'জনজাতীয় অঞ্চল' সমূহৰ প্ৰশাসনৰ বিষয়ে উল্লেখ কৰা হৈছে। ইয়াৰ পঞ্চম অনুসূচীত অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ বাহিৰে সকলো ৰাজ্যৰে জনজাতীয় আৰু অনুসূচীত অঞ্চলক সামৰি লোৱা হৈছে আৰু ষষ্ঠ অনুসূচীয়ে কেৱল উত্তৰ পূৰ্বাঞ্চলৰ মেঘালয়, অসম, ত্ৰিপুৰা আৰু মিজোৰামৰ জনজাতিয় লোকসকলৰ প্ৰশাসনক সামৰি লৈছে।

✦ **সংবিধানৰ পঞ্চম অনুসূচী ঃ**

ভাৰতীয় সংবিধানৰ 244 (1) নং অনুচ্ছেদত পঞ্চম অনুসূচীৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। সংবিধানৰ পঞ্চম অনুসূচীত মূলতঃ 'অনুসূচীত ক্ষেত্ৰ' সমূহক সামৰি লৈছে। সংবিধানে 'অনুসূচীত ক্ষেত্ৰ' সমূহক দেশৰ আন ক্ষেত্ৰৰ পৰা পৃথক ভাবে যত্ন লোৱাৰ প্ৰয়াস কৰিছে কিয়নো অনুসূচীত ক্ষেত্ৰ সমূহৰ বাসিন্দাবোৰ হ'ল দেশৰ 'আদিম অধিবাসী' আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত এওঁলোক তেনেই পিছপৰা। সেয়েহে দেশৰ বৃহত্তৰ স্বাৰ্থত এই লোকসকলকো আগুৱাই অনাৰ বাবে ৰাষ্ট্ৰই ধনাত্মক বৈষম্য নীতি গ্ৰহণ কৰাটো আৱশ্যক। যাৰ বাবে এই ক্ষেত্ৰসমূহক চিনাক্ত কৰি, সেই অঞ্চলবোৰৰ বিকাশৰ বাবে কাম কৰাটো কেন্দ্ৰীয় চৰকাৰৰ বৃহৎ দায়িত্ব। এনে দায়িত্ব আগত ৰাখিয়েই পঞ্চম অনুসূচীৰ সফল ৰূপায়ণৰ দৰকাৰ।

পঞ্চম অনুসূচীৰ মূল ব্যৱস্থাৱলী আৰু বৈশিষ্ট্যবোৰ—

(১) **অনুসূচীত ক্ষেত্ৰ ঘোষণা ঃ** সংবিধানে ভাৰতৰ ৰাষ্ট্ৰপতিৰ হাতত 'অনুসূচীত ক্ষেত্ৰ' ঘোষণাৰ অধিকাৰ প্ৰদান কৰিছে। ৰাষ্ট্ৰপতিয়ে কোনো অনুসূচীত ক্ষেত্ৰক বৃদ্ধি বা হ্ৰাস কৰিব পাৰে, ইয়াৰ সীমাৰ পৰিৱৰ্তন কৰিব পাৰে। ইয়াৰ উপৰিও কোনো বা ৰাজ্য সমূহৰ সম্পৰ্কত এই দফাৰ অধীনত দিয়া যিকোনো আদেশ বা আদেশসমূহ বিখণ্ডিত কৰিব পাৰে আৰু সংশ্লিষ্ট ৰাজ্যৰ ৰাজ্যপালৰ লগত পৰামৰ্শ কৰি অনুসূচীত ক্ষেত্ৰ হ'বলগীয়া ক্ষেত্ৰসমূহ পুনঃ পৰিনিশ্চিত কৰি নতুন আদেশ দিব পাৰে।

(২) **কেন্দ্ৰ আৰু ৰাজ্যৰ কাৰ্যপালিকাৰ ক্ষমতা ঃ** এই অনুসূচীৰ উপবন্ধ সাপেক্ষে কোনো ৰাজ্যৰ কাৰ্যপালিকাৰ ক্ষমতা সেই ৰাজ্যৰ অনুসূচীত ক্ষেত্ৰতো বিস্তাৰ কৰিব। অৱশ্যে অনুসূচীত ক্ষেত্ৰ থকা ৰাজ্যৰ ৰাজ্যপালে বছৰি বা ৰাষ্ট্ৰপতিয়ে যেতিয়াই বিছাৰে সেই ৰাজ্যৰ অনুসূচীত ক্ষেত্ৰৰ প্ৰশাসন সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিব লাগে। প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে এই অঞ্চলৰ প্ৰশাসন সম্পৰ্কে ৰাজ্যক নিৰ্দেশাৱলীও দিব পাৰে।

(৩) **অনুসূচীত ক্ষেত্ৰ আৰু অনুসূচীত জনজাতিৰ প্ৰশাসন আৰু নিয়ন্ত্ৰণ ঃ** অনুসূচীত ক্ষেত্ৰ থকা প্ৰতি ৰাজ্যত আৰু যদি ৰাষ্ট্ৰপতিয়ে তেনে নিৰ্দেশ দিয়ে অনুসূচীত জনজাতি থকা কিন্তু অনুসূচীত ক্ষেত্ৰ নথকা কোনো ৰাজ্যত 20 জন সদস্যৰ এখন জনজাতি মন্ত্ৰণা পৰিষদ (Tribal Advisory Council) গঠন কৰিব। জনজাতি মন্ত্ৰণা পৰিষদত তিনি চতুৰ্থাংশ সদস্য সেই ৰাজ্যৰ বিধান সভাৰ অনুসূচীত জনজাতিৰ প্ৰতিনিধি হ'ব। কিন্তু সেই ৰাজ্যৰ বিধান সভাত থকা অনুসূচীত জনজাতিৰ প্ৰতিনিধিৰ সংখ্যা যদি জনজাতি মন্ত্ৰণা পৰিষদত পুৰাবলগীয়া আসনতকৈ কম হয় তেন্তে বাকী আসন তেনে জনজাতিৰ অন্যান্য ব্যক্তিৰ দ্বাৰা পূৰাব।

ৰাজ্যপালে পৰিষদৰ সদস্য সংখ্যা, সেইবিলাকৰ নিযুক্তি পৰিষদৰ সভাপতি আৰু অন্যান্য সদস্য নিযুক্তিৰ ৰীতি নিৰ্দ্ধাৰণ কৰিব। ৰাজ্যপালে জনজাতি মন্ত্ৰণালয় পৰিষদৰ বৈঠক পৰিচালনা, সাধাৰণ কাম-কাজৰ প্ৰক্ৰিয়া আৰু অন্যান্য সকলো প্ৰাসংগিক বিষয় নিয়ন্ত্ৰণ তথা পৰিচালনা কৰিব পাৰে।

জনজাতি মন্ত্ৰণা পৰিষদে অনুসূচীত জনজাতিৰ কল্যাণ আৰু প্ৰগতিৰ বাবে ৰাজ্যপালে প্ৰেৰণ কৰা সকলো বিষয়তে পৰামৰ্শ দিব লাগে।

(৪) **অনুসূচীত ক্ষেত্ৰত প্ৰযোজ্য বিধি ঃ** সংবিধানৰ পঞ্চম অনুসূচীত উল্লেখ থকা অনুসৰি অনুসূচী ক্ষেত্ৰত প্ৰযোজ্য নীতি-নিয়মবোৰ হ'ল—

(1) ৰাজ্যপালে নিৰ্দেশনাৰ দ্বাৰা কেন্দ্ৰীয় সংসদ বা ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা গ্ৰহণ কৰা কোনো আইন অনুসূচীত ক্ষেত্ৰ বা তাৰ কোনো অংশত প্ৰয়োগ কৰাত বাধা দিব পাৰে। আকৌ কোনো কোনো ক্ষেত্ৰত তেনে আইনৰ সংশোধনৰ সাপেক্ষেহে তেনে অঞ্চলত ব্যৱস্থা কৰিব পাৰে।

(2) জনজাতিয় মন্ত্ৰণা পৰিষদৰ লগত আলোচনা কৰি অনুসূচীত ক্ষেত্ৰৰ শান্তি আৰু সু-শাসনৰ বাবে প্ৰয়োজনীয় বিধি ৰচনা কৰিব পাৰে।

(3) ৰাজ্যপালে অনুসূচীত ক্ষেত্ৰৰ স্বাৰ্থত—

(i) অনুসূচীত জনজাতিৰ লোকৰ দ্বাৰা বা মাজত ভূমি হস্তান্তৰত বাধা প্ৰদান কৰিব পাৰে।

(ii) অনুসূচীত জনজাতিৰ লোকৰ লগত কৰা ব্যৱসায় বা ধনৰ আদান-প্ৰদান নিয়ন্ত্ৰণ কৰিব পাৰে।

(iii) উপৰোক্ত নীতি গ্ৰহণ কৰোতে ৰাজ্যপালে সংসদ বা বিধানমণ্ডলৰ প্ৰচলিত আইনৰ সংশোধন কৰিব পাৰে।

অৱশ্যে এই সম্পৰ্কীয় সকলোবোৰ দিশ অনতিবিলম্বে ৰাষ্ট্ৰপতিক জনোৱাতো বাধ্যতামূলক। ৰাষ্ট্ৰপতিৰ অনুমোদনপ্ৰাপ্ত হ'লেহে এই অধি নিয়ম কাৰ্যকৰী হ'ব। এই অধিনিয়মবোৰ তৈয়াৰ কৰোতে জনতাজি মন্ত্ৰণা পৰিষদৰ পৰামৰ্শ গ্ৰহণ কৰাটো বাধ্যতামূলক।

(৫) **অনুসূচীত সংশোধন ঃ** সংসদে সময়ে সময়ে বিধিৰ দ্বাৰা এই অনুসূচীৰ উপবন্ধ সমূহৰ পৰিৱৰ্তন বা সংশোধন কৰিব পাৰিব। পৰৱৰ্তী সময় সংশোধিত ৰূপটোহে অনুসূচীত প্ৰকৃত ৰূপ হ'ব।

সম্প্ৰতি ভাৰতবৰ্ষৰ 10 খন ৰাজ্যক পঞ্চম অনুসূচীয়ে সামৰি লৈছে। এই ৰাজ্যকেইখন হৈছে— চত্তিশগৰ, গুজৰাট, হিমাচল প্ৰদেশ, ঝাৰ খণ্ড, মধ্যপ্ৰদেশ, উড়িষ্যা, ৰাজস্থান, অন্ধপ্ৰদেশ মহাৰাষ্ট্ৰ আৰু তেলেংগণা।

✦ **সংবিধানৰ ষষ্ঠ অনুসূচী ঃ**

ভাৰতীয় সংবিধানৰ 244 (2) আৰু 275 (1) নং অনুচ্ছেদ সামৰি ষষ্ঠ অনুসূচী গঠিত। সংবিধানৰ ষষ্ঠ অনুসূচীখন মূলতঃ অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামত বসবাস কৰা জনজাতি লোক সকলৰ প্ৰশাসনৰ লগত জড়িত। ভাৰতৰ কেবল মাত্ৰ চাৰিখন ৰাজ্যৰ জনজাতি সকলক ষষ্ঠ অনুসূচীৰ অধীনত বিশেষ সুবিধা দিয়াৰ মূলঃ কাৰণটো হৈছে ভাৰতৰ অন্যান্য প্ৰান্তৰ জনজাতি সকলৰ সৰহ সংখ্যকৰে তেওঁলোকে কাম কৰা সংখ্যাগৰিষ্ঠ লোকৰ সমূহৰ লগত সমিলমিল ঘটিছে। তেওঁলোকে সম্পূৰ্ণ পৃথক ভাৱে নিজস্ব সংস্কৃতি বা জীৱনধাৰা বৰ্ত্তাই ৰখা নাই তাৰ পৰিৱৰ্তে উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা এই জনজাতিসকলে সম্পূৰ্ণৰূপে নিজা সংস্কৃতি আৰু পৃথক জীৱনধাৰা বৰ্ত্তাই ৰাখি অন্যান্য সংখ্যাগৰিষ্ঠ সমূহৰ পৰা নিজকে পৃথকভাৱে জীৱন নিৰ্বাহ কৰি আহিছিল। যাৰ ফলত সংবিধান প্ৰণেতা সকলে এই জনজাতিসমূহক নিজস্ব জীৱনশৈলী সংৰক্ষণৰ স্বতন্ত্ৰতা প্ৰদানৰ স্বাৰ্থতে সংবিধানৰ এক পৃথক ব্যৱস্থা অন্তৰ্ভুক্তিকৰণক সমৰ্থন জনাইছিল।

**ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলবোৰ ঃ**

সংবিধানৰ ষষ্ঠ অনুসূচীত এতিয়ালৈকে অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ দহটা অঞ্চলক ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰিছে। এই অঞ্চলবোৰ হ'ল—

(১) অসম ঃ (ক) উত্তৰ কাছাৰ পাৰ্বত্য জিলা।
ঃ (খ) কাৰ্বি আলং জিলা।
ঃ (গ) বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্ৰিক্ট, চমুকৈ—BTAD

(২) মেঘালয় ঃ (ক) খাচী পাৰ্বত্য জিলা।
ঃ (খ) জয়ন্তীয়া পাৰ্বত্য জিলা।
ঃ (গ) গাৰো পাৰ্বত্য জিলা।

(৩) ত্ৰিপুৰা ঃ (ক) ত্ৰিপুৰা জনজাতীয় এলেকা জিলা।

(৪) মিজোৰাম ঃ (ক) চাকমা জিলা
ঃ (খ) মাৰ জিলা।
ঃ (গ) লাই জিলা।

ষষ্ঠ অনুসূচী অনুসৰি প্ৰত্যেক স্বায়ত্ব জিলাত একোখন স্বায়ত্ব শাসিত জিলা পৰিষদ থাকিব। কোনো এখন স্বায়ত্বশাসিত জিলাত দুই বা ততোধিক জনজাতীয় সমূহ থাকিলে ৰাজ্যপালে প্ৰতিটো জনজাতীয় সমূহৰ বাবে স্বায়ত্ব অঞ্চল হিচাপে বিভাজিত কৰি একো একোটা আঞ্চলিক পৰিষদ (Regional Council) গঠনৰ ব্যৱস্থা কৰিব পাৰে।

✦ **জিলা স্বায়ত্ব শাসিত পৰিষদ ঃ** সংবিধানৰ ষষ্ঠ অনুসূচীয়ে ইয়াৰ অধিনস্থ প্ৰতিটো জনজাতিৰ বাবে একোখনকৈ জিলা স্বায়ত্ব পৰিষদ বা আঞ্চলিক পৰিষদৰ ব্যৱস্থা কৰিছে। এই পৰিষদৰ হাতত যথেষ্ট পৰিমাণৰ বিধায়িনী, প্ৰশাসনীক আৰু ন্যায়িক ক্ষমতা অৰ্পণ কৰিছে। কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্যিক চৰকাৰৰ আইন এনে অঞ্চলত কাৰ্যকৰী কৰিবলৈ হ'লে পৰিষদৰ সন্মতিৰ প্ৰয়োজন।

✦ **পৰিষদৰ গঠন আৰু প্ৰকৃতি ঃ** ষষ্ঠ অনুসূচীৰ অন্তৰ্গত প্ৰত্যেক জিলা স্বায়ত্ব পৰিষদ বা আঞ্চলিক পৰিষদক জিলা বা অঞ্চলৰ নামেৰে নামকৰণ কৰা হয়। জিলা স্বায়ত্ব পৰিষদ সমূহ 30 জন সদস্যৰে গঠিত। ইয়াৰে 26 জনক সেই অঞ্চলৰ জনসাধাৰণে প্ৰত্যক্ষ ভোটৰ দ্বাৰা নিৰ্বাচিত কৰে আৰু বাকী 4 জনক মুখ্য কাৰ্যবাহী সদস্যৰ লগত আলোচনা কৰি ৰাজ্যপালে নিযুক্তি দিয়ে। অৱশ্যে অসমৰ BTAD ৰ জিলা পৰিষদ বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল বা চমুকৈ BTC ত 46 জন সদস্য আছে। ইয়াৰে 40 জনক নিৰ্বাচিত কৰা হয়; আৰু বাকী ৬ জনক ৰাজ্যপালে মনোনীত কৰে। নিৰ্বাচিত 40 জনৰ 30 জন অনুসূচীত জনজাতি আৰু 6 জন অজনজাতীয় লোকৰ বাবে সংৰক্ষিত। পৰিষদৰ সদস্যসকলৰ কাৰ্যকাল

5 বছৰ। অৱশ্যে ৰাজ্যপালে বিশেষ পৰিস্থিতিত পৰিষদৰ কাৰ্যকাল সৰ্বোচ্ছ এবছৰলৈ বৃদ্ধি কৰিব পাৰে। সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা এজন মুখ্য কাৰ্যবাহী সদস্য (Chief Executive member), অধ্যক্ষ (Chairman) আৰু উপাধ্যক্ষ (Deputy Chairman) নিৰ্বাচিত কৰে।

✦ **কাৰ্যকৰী সমিতি (Executive Committe) ঃ** সংবিধানৰ ষষ্ঠ অনুসূচীয়ে প্ৰতিটো পৰিষদৰ বাবে একোটা কাৰ্যকৰী সমিতি গঠনৰ উল্লেখ কৰিছে। এজন মুখ্য কাৰ্যবাহী সদস্য আৰু কেইজনমান অন্যান্য সদস্যক লৈ এই সমিতি গঠিত হ'ব। সমিতিৰ অন্যান্য সদস্য সংখ্যা পৰিষদ ভেদে বেলেগ বেলেগ। ৰাজ্যপালে মুখ্য কাৰ্যবাহী সদস্যজনৰ লগত আলোচনা কৰি অন্যান্য সদস্য সকলক নিয়োগ কৰে।

কাৰ্যকৰী সমিতিৰ মূলঃ কাম হৈছে— বিভিন্ন নীতি-নিয়ম আৰু বিকাশৰ কাৰ্যসূচী ৰূপায়ন কৰা। জিলা পৰিষদৰ লগত আলোচনা কৰি নীতি নিৰ্দেশনা ৰচনা কৰে। ইয়াৰ উপৰিও পৰিষদৰ বাজেট প্ৰস্তুত কৰাও কাৰ্যকৰী সমিতিৰ অন্যতম দায়িত্ব।

**স্বায়ত্ব পৰিষদৰ ক্ষমতা আৰু কাৰ্য ঃ**

সংবিধানৰ ষষ্ঠ অনুসূচীয়ে ইয়াৰ এলেকাভুক্ত জনজাতীয় লোকসকলৰ স্বতন্ত্ৰতা ৰক্ষাৰ বাবে যথেষ্ট ক্ষমতা অৰ্পণ কৰিছে। তলত সেইবোৰ আলোচনা কৰা হ'ল—

(১) **বিধায়িনী কাৰ্য ঃ** পৰিষদে ইয়াৰ এলেকাভুক্ত অঞ্চলৰ ভূমি, কৃষি, প্ৰাথমিক শিক্ষা, স্বাস্থ্য, সম্পত্তিৰ উত্তৰাধিকাৰী, বিবাহ আৰু বিবাহ বিচ্ছেদ, ধনৰ লেনদেন, গাঁৱৰ মুৰব্বী নিযুক্তি তথা গ্ৰাম্য পৰিষদ আৰু চহৰ কমিটি গঠন সম্পৰ্কত বিভিন্ন আইন প্ৰণয়ন কৰিব পাৰে। ৰাজ্যপালে পৰিষদ প্ৰণয়ন কৰা বিধি-বিধান পৰীক্ষণ কৰে আৰু কোনো আইনক ষষ্ঠ অনুসূচীৰ লগত মতদ্বৈধতা ঘটিলে বাতিলো কৰিব পাৰে।

(২) **কাৰ্যবাহী ক্ষমতা ঃ** পৰিষদৰ হাতত কিছু কাৰ্যবাহী ক্ষমতাও আছে। প্ৰাথমিক বিদ্যালয় পৰিচালনা, ৰাস্তা-ঘাট, জলপথ, ফেৰীসেৱা পৰিচালনা কৰা, প্ৰাথমিক শিক্ষাৰ মাধ্যম নিৰ্ণয় কৰা আদিৰ দৰে কিছু কাৰ্যবাহী ক্ষমতাও উপভোগ কৰে। লগতে পৰিষদে গ্ৰহণ কৰা নীতি-নিয়ম কাৰ্যকৰী কৰাও ইয়াৰ অন্যতম দায়িত্ব।

(৩) **ন্যায়িক ক্ষমতা ঃ** পৰিষদৰ হাতত কিছু ন্যায়িক ক্ষমতাওঁ আছে। পৰিষদে গ্ৰাম্য ন্যায়ালয় (Village Court) আৰু জিলা পৰিষদ ন্যায়ালয় (District Council Court) প্ৰতিষ্ঠা কৰিব পাৰে। পৰিষদে প্ৰতিস্থা কৰা ন্যায়ালয়ত তেওঁলোকৰ জনজাতীয় আইন বা প্ৰথাৰ ভিত্তিত বিচাৰ কাৰ্য সম্পাদন হয়। এই ক্ষেত্ৰত বিচাৰৰ উভয় পক্ষই উক্ত জনজাতিয় লোক হোৱাটো বাধ্যতামূলক অন্যথা গোচৰৰ বিচাৰ এই ন্যায়ালয়ৰ আওঁতাত নপৰিব। এনে বিচাৰপীঠ ব্যক্তিক মৃত্যুদণ্ড বা পাঁচ বছৰ বা তাতকৈ অধিক কাৰাবাসৰ শাস্তি প্ৰদান কৰিব নোৱাৰে। গ্ৰামান্যায়ালয়ৰ বিচাৰৰ আপীল জিলা পৰিষদৰ ন্যায়ালয়ত কৰিব পাৰিব। সংবিধানে উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ বাহিৰে আন আদালতক পৰিষদৰ ন্যায়ালয়ৰ সিদ্ধান্তত হস্তক্ষেপ কৰাৰ পৰা বাৰণ কৰিছে।

(৪) **বিত্তীয় ক্ষমতা ঃ** পৰিষদৰ কিছু বিত্তীয় ক্ষমতাও আছে। পৰিষদে ৰাজ্যপালৰ অনুমোদন লৈ নিজ অঞ্চলৰ ভূমি, বজাৰ গৃহ, দোকান-পোহাৰ তথা দ্ৰব্য প্ৰৱেশ কৰ আৰোপ কৰিব পাৰি। অনুসূচীৰ জনক উপবন্ধ অনুসৰি সেই অঞ্চলৰ সম্পদ আহৰণ পাৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰদান কৰা লীজ বা অনুজ্ঞাপত্ৰৰে লাভ কৰা ধনো পৰিষদৰ আয়ৰ উৎস হিচাপে পৰিগণিত হ'ব। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে প্ৰদান কৰা ঋণ, সাহাৰ্য্য তথা সহায়ক অনুদানো পৰিষদৰ আয়ৰ উৎস। পৰিষদৰ কাম-কাজ নিয়ন্ত্ৰণৰ বাবে ষষ্ঠ অনুসূচীয়ে ৰাজ্যপালক বিশেষ ক্ষমতা প্ৰদান কৰিছে। ৰাজ্যপালে পৰিষদৰ কাম-কাজ পৰীক্ষণ কৰাৰ বাবে কোনো আয়োগ গঠন কৰিব পাৰে। আয়োগৰ পৰামৰ্শৰ ভিত্তিত ৰাজ্যপালে পৰিষদ ভংগ কৰিবও পাৰে।

ষষ্ঠ অনুসূচীৰ পৰিষদৰ কাম-কাজৰ যথেষ্ট সীমাবদ্ধতা থকা দেখা যায়। যেনে—

(১) ষষ্ঠ অনুসূচীত প্ৰদান কৰা বিত্তীয় সাহাৰ্য্য বা আয় হিচাপে পৰীক্ষণৰ আওঁতাত নপৰে। যাৰ ফলত স্বচ্ছতাৰ অভাৱ দেখা যায় আৰু প্ৰশাসনিক দুৰ্নীতিৰ মাত্ৰা বৃদ্ধি পোৱা দেখা গৈছে।

(২) ষষ্ঠ অনুসূচীৰ অধীনস্থ এলেকা সমূহত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ অভাৱ দেখা যায়। এনে এলেকাসমূহ জিলাই হ'ল ক্ষমতা বিকেন্দ্ৰীকৰণৰ শেষৰ স্তৰ। যদিওবা পৰিষদৰ হাতত গ্ৰাম্য পৰিষদ বা চহৰ কমিটি গঠনৰ ক্ষমতা দিছে বাস্তৱত যিবোৰ পৰিষদত এনে অনুষ্ঠানবোৰৰ প্ৰচলন কৰা হৈছে সেইবোৰৰ গঠন প্ৰক্ৰিয়া অ-গণতান্ত্ৰিক।

(৩) ষষ্ঠ অনুসূচীৰ এলেকাত বসবাস কৰা অন্যান্য সংখ্যালঘু তথা মহিলাৰ প্ৰতিনিধিত্বৰ কোনো ব্যৱস্থা উল্লেখ কৰা হোৱা নাই।

(৪) প্ৰাথমিক শিক্ষাৰ মাধ্যম নিৰ্দ্ধাৰণৰ বাবে পৰিষদৰ হাতত যি ক্ষমতা অৰ্পণ কৰিছে বহু সময়ত তাক অপব্যৱহাৰ কৰা দেখা গৈছে। সৰু সৰু অন্যান্য সম্প্ৰদায়ৰ মাতৃভাষাক গুৰুত্ব প্ৰদান নকৰি পৰিষদে নিজৰ বৃহৎ সমূহৰ মাতৃভাষা জাপি দিয়া পৰিঘটনাও বাস্তৱত দেখা গৈছে।

(৫) বহু সময়ত ৰাজ্য চৰকাৰ, জিলা প্ৰশাসন আৰু পৰিষদৰ কাম-কাজবোৰ ওপৰা-ওপৰি (Over lap) হৈছে। ইয়াৰ ফলত প্ৰশাসনৰ নামত অযথা ধনৰ অপব্যয় হৈছে।

ইয়াৰ উপৰিও সংবিধানৰ বিভিন্ন ক্ষেত্ৰত খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন ব্যৱস্থাৱলী আছে। যেনে—

১। **অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষা ঃ** ভাৰতৰ সংবিধানে খিলঞ্জীয়া জনসাধাৰণৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষাৰ ব্যৱস্থা কৰিছে। সংবিধানৰ তৃতীয় অধ্যায়ত উল্লেখ থকা মৌলিক অধিকাৰবোৰ সকলো খিলঞ্জীয়া ভাৰতীয়ৰ বাবে অৰ্পিত। অৰ্থনৈতিক অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন সময়ত বিভিন্ন আঁচনি, প্ৰকল্প চৰকাৰে গ্ৰহণ কৰি আহিছে। অৱশ্যে অনুসূচীত জনজাতিসকলক পৃথক স্বতন্ত্ৰতা প্ৰদানৰ বাবে সংবিধানে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। পঞ্চম আৰু ষষ্ঠ অনুসূচীৰ আধাৰত ক্ৰমে কেন্দ্ৰীয় ভাৰতৰ অংশ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অনুসূচীত জনজাতিৰ বাবে পৃথক ৰাজনৈতিক

সুবিধাৰ ব্যৱস্থা কৰিছে। অনুচ্ছেদ ২৭৫ ৰ অধীনত সংসদক অনুসূচীত জনজাতিৰ কল্যানৰ বাবে বিশেষ অৰ্থনৈতিক অনুদান আগবঢ়োৱাৰ ক্ষমতা প্ৰদান কৰিছে। অনুচ্ছেদ ১৬৪(১) ৰ অধীনত অনুসূচীত জনজাতিৰ কল্যানৰ বাবে পৃথক মন্ত্ৰীদপ্তৰৰ ব্যৱস্থা কৰিছে।

২। **শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ ঃ** সংবিধানৰ মৌলিক অধিকাৰৰ মাজত ক্ষুদ্ৰ ক্ষুদ্ৰ গোটসমূহৰো শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰক মান্যতা দিছে। প্ৰয়োজনবশতঃ চৰকাৰে এনে গোটসমূহৰ শিক্ষাৰ অধিকাৰ প্ৰাপ্তি আৰু সংস্কৃতি সুৰক্ষাৰ বাবে বিশেষ ব্যৱস্থা কৰাৰ স্বতন্ত্ৰতা প্ৰদান কৰিছে। ভাৰতীয় সংবিধানৰ ৪৬ নং অনুচ্ছেদৰ জৰিয়তে ক্ষুদ্ৰ ক্ষুদ্ৰ খিলঞ্জীয়া সমূহৰ শৈক্ষিক আৰু অৰ্থনৈতিক স্বাৰ্থ পূৰণৰ বাবে ৰাষ্ট্ৰই বিশেষ ব্যৱস্থাৱলী গ্ৰহণ কৰিব পাৰিব। অনুচ্ছেদ ৩৫০ ৰ জৰিয়তে সকলোৰে নিজৰ ভাষা, লিপি আৰু সংস্কৃতি সুৰক্ষাৰ অধিকাৰ প্ৰদান কৰা হৈছে। অনুচ্ছেদ ৩৫০(ক)ৰ জৰিয়তে মাতৃভাষাত প্ৰাথমিক শিক্ষা লাভ কৰাৰ অধিকাৰ সকলোকে প্ৰদান কৰিছে।

৩। **বিশেষ সাংবিধানিক গাঁথনি আৰু ব্যৱস্থা ঃ** সংবিধানৰ বিভিন্ন ক্ষেত্ৰত খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষাৰ ব্যৱস্থা কৰাৰ উপৰিও সেইবোৰৰ ওপৰত বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ আৰু চৰকাৰক পৰামৰ্শ প্ৰদানৰ বাবে কিছুমান বিশেষ সাংবিধানিক গাঁঠনি প্ৰস্তুত কৰিছে। সেইবোৰৰ ভিতৰত ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগ অন্যতম।

৪। **সাংবিধানিক আইন ঃ** সময়ে সময়ে সংসদে অনুসূচীত জাতি আৰু জনজাতি থকা খিলঞ্জীয়া লোকৰ সুৰক্ষাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰি আহিছে, যেনে— উত্তৰ পূৰ্বাঞ্চলৰ জনজাতিসকলৰ ৰাজনৈতিক অধিকাৰক স্বীকৃতি দি পৃথক ৰাজ্যৰ গঠন, স্বায়ত্ব পৰিষদ গঠন, ভাষিক নৃগোষ্ঠীবোৰক সুৰক্ষাৰ বিশেষ ব্যৱস্থা আদি।

ইয়াৰ উপৰিও সংবিধানৰ মৌলিক অধিকাৰৰ যোগেদিও যিবোৰ অধিকাৰ ঘোষনা কৰা হৈছে সেইবোৰে খিলঞ্জীয়া লোকৰ বিভিন্ন পৌৰ, ৰাজনৈতিক আৰু সাংস্কৃতিক অধিকাৰক স্বীকৃতি দিছে।

খিলঞ্জীয়া লোকৰ অধিকাৰ স্বীকৃতিৰ বিভিন্ন ব্যৱস্থাৱলী সাংবিধানিক পৰিকাঠামোৰ জৰিয়তে সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰিলেও ভাৰতত খিলঞ্জীয়া লোকসকলে নিজৰ অধিকাৰৰ বাবে প্ৰাক উপনিবেশিক কালৰ পৰা স্বাধীনোত্তৰ কাললৈ সংগ্ৰাম অব্যাহত ৰাখিব লগা হৈছে। খিলঞ্জীয়া লোকসকলৰ সংগ্ৰামৰ প্ৰকৃতিলৈ লক্ষ্য কৰি মূলতঃ তিনিটা বিষয়ত এই সংগ্ৰামসমূহক শ্ৰেণীবিভক্ত কৰিব পাৰি—

(১) ভূমিৰ অধিকাৰৰ বাবে সংগ্ৰাম।

(২) প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ বা পৰম্পৰাগত সম্পদৰ ওপৰত অধিকাৰৰ বাবে।

(৩) সংস্কৃতি সুৰক্ষাৰ অধিকাৰৰ বাবে সংগ্ৰাম।

খিলঞ্জীয়া লোকসকলে গ্ৰহণ কৰা সংগ্ৰামৰ অন্যতম মূল বিষয় হ'ল ভূমিৰ অধিকাৰ। অতি প্ৰাচীন কালৰ পৰাই পৰম্পৰাগতভাৱে মাটিৰ মালিকীস্বত্ব লাভ কৰি অহা খিলঞ্জীয়া লোকসকলৰ বৈধ ভূমি নথিপত্ৰ

ৰখাৰ ব্যৱস্থা নাই। ফলত বিভিন্ন সময়ত চৰকাৰে বিকাশমূলক কাৰ্যসূচীৰ বাবে বা অন্যান্য কিছুমান প্ৰকল্পৰ বাবে খিলঞ্জীয়া লোকসকলৰ অঞ্চলসমূহক বাচনি কৰি বলপূৰ্বকভাৱে উচ্ছেদিত কৰাৰ ব্যৱস্থা কৰে। ইয়াৰ ফলতে বিভিন্ন সময়ত চৰকাৰৰ প্ৰকল্প বিৰোধী কিছুমান আন্দোলন খিলঞ্জীয়া লোকসকলে গ্ৰহণ কৰি আহিছে, যেনে- নৰ্মদা বচাও আন্দোলন, তেলেঙ্গানা বনাঞ্চল সুৰক্ষা আন্দোলন, চিংগুৰ ভূমি আন্দোলন, নামনি সোঁৱনশিৰি প্ৰকল্প বিৰোধী আন্দোলন, ভূমি হস্তান্তৰকৰণ বিৰোধী আন্দোলন আদিয়েই প্ৰধান।

খিলঞ্জীয়া লোকসকলৰ সংগ্ৰামৰ আন এটি বিষয় হ'ল প্ৰাকৃতিক সম্পদৰ ওপৰত অধিকাৰৰ বাবে হোৱা আন্দোলন। খিলঞ্জীয়া লোকসকলৰ অধিকাংশৰে জীৱন আৰু জীৱিকা প্ৰকৃতি নিৰ্ভৰশীল। প্ৰকৃতি অৰ্থাৎ নদ-নদী, হাবি-বননি আদি সকলোৰে পৰা তেওঁলোকে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীবোৰ সংগ্ৰহ কৰি পৰম্পৰাগতভাৱে জীৱন নিৰ্বাহ কৰিছিল। কিন্তু ঔপনিবেশিক কালৰ পৰাই চৰকাৰে বিভিন্ন সংৰক্ষণকাৰী আঁচনিৰ নামত খিলঞ্জীয়া লোকসকলক এই অধিকাৰবোৰৰ পৰা বঞ্চিত কৰি আহিছে। ১৮৬৫ আৰু ১৯২৭ চনত বনজ সম্পদ সংৰক্ষণকাৰী নীতি গ্ৰহণ কৰি ইংৰাজ চৰকাৰে জনসাধাৰণক প্ৰকৃতিৰ পৰা সম্পদ আহৰণত বাধা দান কৰি চৰকাৰী লাভালাভতহে সম্পদবোৰ ব্যৱহাৰত গুৰুত্ব দিছিল। ঔপনিবেশিক চৰকাৰৰ এই বন-নীতিয়ে খিলঞ্জীয়া লোকসকলক বঞ্চিত কৰাৰ বিৰুদ্ধে খিলঞ্জীয়া লোকসকলে একত্ৰভাৱেই বৃটিছৰ বিৰুদ্ধে গণবিক্ষোভ প্ৰদৰ্শন কৰিছিল। স্বাধীনোত্তৰ কালছোৱাতো ভাৰত চৰকাৰে প্ৰকৃতিক তথা বনজ সম্পদৰ ওপৰত একে ধৰণৰ নীতিকেই গ্ৰহণ কৰিছিল। আশীৰ দশকৰ পৰৱৰ্তী কালত চৰকাৰে অৰণ্যকেন্দ্ৰিক যিবোৰ আঁচনি গ্ৰহণ কৰিছিল সেইবোৰে অৰণ্যৰ নিকটৱৰ্তী বা অৰণ্যৰ ভিতৰতে থকা জনসাধাৰণৰ কিছু অধিকাৰক স্বীকৃতি দিছিল। অৱশ্যে এই সমূহৰ কাৰ্যকাৰিতাৰ অপ-প্ৰয়োগে খিলঞ্জীয়া লোকসকলক এতিয়াও এই সুবিধাৰ পৰা বঞ্চিত কৰি আহিছে।

খিলঞ্জীয়া লোকসকলৰ অধিকাৰৰ লগত জড়িত তৃতীয়টো গুৰুত্বপূৰ্ণ সমস্যা হৈছে সংস্কৃতি ৰক্ষাৰ অধিকাৰ। সাম্প্ৰতিক সময়ত ভাৰতৰ প্ৰতিটো খিলঞ্জীয়া সংখ্যালঘু গোটে এই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বৰ্তমান সময়ত উদ্যোগীকৰণ, বজাৰকেন্দ্ৰীক সমাজ ব্যৱস্থা আৰু গণতন্ত্ৰৰ সংখ্যা-গৰিষ্ঠতাবাদে পৰম্পৰাগত খাদ্যাভাষ, ৰীতি-নীতি, সাজপোচাক, গীত-মাত আনকি নিজৰ মাতৃভাষাৰ প্ৰতিও সংকট কঢ়িয়াই আনিছে। স্বাভাৱিকতে এনে সংকটসমূহে খিলঞ্জীয়া লোকসকলৰ নিজ নিজ পৰিচয়ৰ প্ৰতিও প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। সাম্প্ৰতিক সময়ত ভাষিক তথা সাংস্কৃতিক একাকীকৰণৰ বাবে চৰকাৰে কৌশলগতভাৱে যিবোৰ কাম কৰি আহিছে সেইবোৰে ভৱিষ্যতে ভালেমান খিলঞ্জীয়া গোটৰ পৰিচয় বিলুপ্ত কৰি এখন এক-সংস্কৃতিবাদী সমাজ তৈয়াৰ কৰিব। এনে প্ৰচেষ্টাসমূহৰ বিপৰীতে খিলঞ্জীয়া সমূহবোৰৰ মাজত নিজৰ পৰিচয় সমূহ সুৰক্ষিত কৰিবলৈ বিভিন্ন পৰ্য্যায়ত গণজাগৰণ আৰম্ভ হৈছে আৰু বিভিন্ন পৰ্য্যায়ত এই সজাগতা আন্দোলনলৈও ৰূপান্তৰিত হৈছে।

মুঠতে ভাৰতত খিলঞ্জীয়া লোকৰ অধিকাৰ সাম্প্ৰতিক সময়ত মুঠেও সুৰক্ষিত বুলি অভিহিত কৰিব নোৱাৰি। এফালে চৰকাৰৰ খিলঞ্জীয়া বিৰোধী নীতি আনফালে সংখ্যাগৰিষ্ঠ সমূহৰ আগ্ৰাসনে ক্ষুদ্ৰ ক্ষুদ্ৰ

খিলঞ্জীয়া সমূহৰ অস্তিত্ব লুপ্তপ্ৰায় কৰি তুলিছে। গোলকীকৰণ আৰু বজাৰকেন্দ্ৰিক অৰ্থনীতিৰ সম্প্ৰসাৰণে পশ্চিমীয়া সাংস্কৃতিক আদৰণি জনোৱাৰ ফলত খিলঞ্জীয়া জনসাধাৰণৰ মাজত এক বিজতৰীয়া কৃষ্টি গা কৰি উঠিছে। অদূৰ ভৱিষ্যতে খিলঞ্জীয়া লোকৰ ভাষা, সাহিত্য, সংস্কৃতি, জীৱনশৈলী আদি সকলোতে যে এই কাৰকবোৰে অশনি সংকট কঢ়িয়াই আনিব তাৰ স্পষ্ট উমান এতিয়াই অনুভৱ কৰিব পৰা হৈছে।

# চিপকো আন্দোলন

বিশ্বত ভাৰতীয় জনসাধাৰণৰ পৰিৱেশ সম্পৰ্কীয় সজাগতাক প্ৰকাশ কৰা আৰু ব্যক্তিৰ লগত পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ আৰ্থ-সামাজিক সম্পৰ্কক প্ৰতিষ্ঠা কৰা অন্যতম আন্দোলনটো হ'ল- চিপকো আন্দোলন। ৭০ দশকৰ হিমালয়ৰ গড়ৱাল অঞ্চলত হোৱা এই আন্দোলনে চৰকাৰক বাধ্য কৰাইছিল গছ কটা বন্ধ কৰাৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিবলৈ।

চিপকো শব্দৰ অৰ্থ হ'ল সাবটি ধৰা (To Hug)। গছক সাবটি ধৰি সুৰক্ষিত কৰিব খোজা এই আন্দোলন আৰম্ভ হৈছিল ১৯৭৩ চনত অলকানন্দা অঞ্চলত। এই অঞ্চলত চৰকাৰে তাৰ স্থানীয় লোকসকলক সকলো ধৰণৰ বনজ সামগ্ৰী আহৰণত বাধা আৰোপ কৰিছিল আৰু ইয়াৰ বিপৰীতে এক বৃহৎ বনাঞ্চল এটা উদ্যোগক অনুমোদন দিছিল। এই উদ্যোগৰ নেতৃত্বত যেতিয়া গছ কটা আৰম্ভ হৈছিল তেতিয়া চণ্ডী প্ৰসাদ ভট্ট নামৰ এজন লোকৰ প্ৰচেষ্টাত গাওঁবাসীয়ে গছবোৰ ৰক্ষা কৰিবলৈ গছবোৰক সবটি ধৰিছিল। বহুকেইদিন ধৰি হোৱা এই প্ৰতিৰোধত চৰকাৰে কোম্পানীটোৰ অনুমতি বাতিল কৰিছিল আৰু সেই অঞ্চলৰ জনসাধাৰণক এই সম্পদৰ পৰিচালনাৰ আৰু ব্যৱহাৰৰ কৰ্তৃত্ব প্ৰদান কৰিছিল। ইয়াৰ পিছত ১৯৭৪ চনত সেই অঞ্চলৰ ৰেণী গাঁওত সংঘটিত হৈছিল আটাইতকৈ উল্লেখযোগ্য প্ৰতিৰোধ। এই গাঁওৰ প্ৰায় ২০০০ ডাল গছ কটাৰ বাবে চৰকাৰে কোনো এক সংস্থাক অনুমোদন জনাইছিল। কিন্তু সেই অঞ্চলৰ মহিলাসকলে গৌৰা দেৱীৰ নেতৃত্বত গছ সাবটি ধৰি গছবোৰ কটাত বাধা দিছিল। ৰেণীৰ এই প্ৰতিবাদৰ ফলতেই অলকানন্দা উপত্যকাৰ নিৰ্বননীকৰণ ৰোধ কৰাৰ বাবে চৰকাৰে বাণিজ্যিক কাৰণত গছ কটা কাৰ্যক ১০ বছৰৰ বাবে বন্ধ কৰাৰ নিৰ্দেশ দিছিল।

চিপকো আন্দোলন এক সফল আন্দোলন আছিল যিয়ে মূলতঃ গান্ধীবাদী নীতি যেনে অহিংসা, সত্যাগ্ৰহ, অনশন ধৰ্মঘট আদিৰ দৰে ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিছিল। এই আন্দোলনৰ অন্যতম নেতা সুন্দৰলাল বহুগুনাই ১৯৭৪ চনত চৰকাৰৰ বন নীতিৰ প্ৰতিবাদস্বৰূপে প্ৰায় দুসপ্তাহ অনশন কৰিছিল। ১৯৭২ ৰ পৰা ১৯৭৯ চনৰ ভিতৰত এই অঞ্চলত গছ কটাৰ বিৰুদ্ধে প্ৰায় ১২ টা প্ৰতিৰোধ সংঘটিত হৈছিল আৰু এই আন্দোলন ক্ৰমাত বিভিন্ন অঞ্চললৈ বিয়পি পৰিছিল। ১৯৮০ চনত সুন্দৰলাল বহুগুনাৰ নেতৃত্বত এই আন্দোলনে বৃহৎ সফলতা লাভ কৰিছিল কাৰণ ইন্দিৰা গান্ধীয়ে উত্তৰাখণ্ডত ১৫ বছৰৰ বাবে বাণিজ্যিক কাৰণত গছ কটাৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছিল। ইয়াৰ পিছতো অৱশ্যে বহুগুনাৰ নেতৃত্বত পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সুৰক্ষাৰ বাবে বিভিন্ন ৰূপত আন্দোলনটো সজীৱ হৈ আছিল। ভাগীৰথী নদীৰ ওপৰত হোৱা দৈহৰী বান্ধৰ

পৰা হ'ব পৰা পৰিবেশ জনিত সমস্যাৰ ক্ষেত্ৰতো জনসজাগতা সৃষ্টি কৰিবলৈ চেষ্টা কৰি আহিছে। আকৌ এই আন্দোলনৰ নেতৃত্বই এক বৃহৎ বননীকৰণ কাৰ্যসূচীও গ্ৰহণ কৰিছিল যাতে জনসাধাৰণক সজাগ কৰিব পাৰি। অৱশ্যে পূৰ্বৰ তুলনাত এই আন্দোলনৰ জনপ্ৰিয়তা হ্ৰাস পাইছে।

চিপকো আন্দোলন মূলতঃ এক কৃষক আৰু নাৰী আন্দোলন আছিল আৰু ইয়াৰ জৰিয়তে বনৰ ওপৰত পৰম্পৰাগতভাৱে থকা জনসাধাৰণৰ অধিকাৰক সাব্যস্ত কৰিব খোজা গৈছিল। ভাৰতবৰ্ষ হ'ল পৃথিৱীৰ অন্যতম দেশ য'ত এক বৃহৎ সংখ্যক লোকে জীৱন আৰু জীৱিকাৰ বাবে অৰণ্য বা বনৰ ওপৰত নিৰ্ভৰ কৰে। নিজৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰিও এই লোকসকলে জীৱিকাৰ এক উৎস হিচাবেও বনজ সম্পাদক বহনক্ষম ধৰণে ব্যৱহাৰ কৰে। এই সম্পদৰ সুৰক্ষাৰ দায়িত্বও তেওঁলোকে নিজেই গ্ৰহণ কৰে। ইংৰাজ শাসন কালত ৰাজহ আহৰণৰ বাবে আৰু সম্পদৰ শোষণ ৰোধ কৰাৰ বাবে জনসাধাৰণৰ মাজত থকা কৰ্তৃত্ব চৰকাৰৰ মাজলৈ লৈ যোৱা হৈছিল আৰু স্বাধীন ভাৰতবৰ্ষৰ চৰকাৰেও সেই একেই পন্থা গ্ৰহণ কৰিছিল সুৰক্ষাৰ নামত। কিন্তু বিভিন্ন সময়ত বন তথা আন প্ৰাকৃতিক সম্পদৰ সুৰক্ষাৰ আইন গ্ৰহণ কৰা চৰকাৰে বাণিজ্যিক কাৰণত নিজ উদ্যোগত সম্পদৰ শোষণ অব্যাহত ৰাখিছিল। ফলস্বৰূপেই সৃষ্টি হৈছিল বিক্ষোভৰ। এই বিক্ষোভেই ৭০ ৰ দশকত চিপকো আন্দোলনৰ ৰূপ লৈছিল। সেয়েহে বনৰ ওপৰত থকা নিজৰ পৰম্পৰাগত অধিকাৰ ৰক্ষাৰ বাবে প্ৰথম অৱস্থাত চণ্ডী প্ৰসাদ ভট্ট আৰু পিছত সুন্দৰলাল বহুগুনাৰ নেতৃত্বত আৰু গৌৰা দেৱী, সৰলা বেহনৰ দৰে পৰিৱেশকৰ্মীৰ সহযোগত চিপকো আন্দোলনে গছ কটা বন্ধ কৰাৰ ক্ষেত্ৰত বহুপৰিমাণে সফলতা লাভ কৰিছিল। পৰিৱেশ, প্ৰাকৃতিক সম্পদৰ ওপৰত এক শ্ৰেণীৰ লোকৰ নিৰাপত্তা আৰু অধিকাৰ কিদৰে নিৰ্ভৰশীল সেই কথাটোকে এই আন্দোলনে প্ৰতিষ্ঠা কৰিছিল।

চিপকো আন্দোলনৰ আন এক উল্লেখযোগ্য দিশ হ'ল নাৰীৰ অংশগ্ৰহণ। পৰিৱেশ তথা প্ৰাকৃতিক সম্পদৰ লগত মহিলাসকল ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে যিহেতু ঘৰ চলোৱাৰ প্ৰয়োজনীয় বেছিভাগ সামগ্ৰীয়েই তেওঁলোকে অৰণ্যৰ পৰা সংগ্ৰহ কৰে। ইয়াৰ লগতে প্ৰকৃতিগতভাৱে বা সামাজিক দিশৰ পৰা লাভ কৰা ভূমিকাৰ বাবে প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ আৰু লালন পালনৰ ক্ষেত্ৰতো আগৰনুৱা। মুঠ কথাত প্ৰকৃতি আৰু নাৰীৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছে আৰু এটাৰ ওপৰত আনটো যথেষ্ট নিৰ্ভৰশীল। এই ধাৰণাটোকেই বন্দনা শিৱাই পৰিৱেশ নাৰীবাদ (Eco Feminism) আখ্যা দিছিল। চিপকো আন্দোলনে পৰিৱেশৰ লগত নাৰীৰ সম্পৰ্ক আৰু পৰিৱেশৰ সুৰক্ষাৰ ক্ষেত্ৰত নাৰীৰ ভূমিকাক প্ৰত্যক্ষভাৱে প্ৰতিষ্ঠা কৰাত এক বিশেষ ভূমিকা পালন কৰিছিল।

পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সজাগতা সৃষ্টিৰ কৃতিত্ব চিপকো আন্দোলনক দিয়া হয়। লগতে এই কথাও এই আন্দোলনে প্ৰমাণ কৰিছিল যে দৰিদ্ৰতা পৰিৱেশ ধ্বংসৰ কাৰণ হ'ব নোৱাৰে। বৰঞ্চ এই লোকসকল পৰিৱেশৰ লগত অতি ওচৰ সম্পৰ্কত থকা বাবে ইয়াৰ সুৰক্ষাৰ বিষয়টোক লৈ অধিক সজাগ। আকৌ সুৰক্ষা তথা সংৰক্ষণৰ ক্ষেত্ৰতো এওঁলোকৰ জ্ঞান আন লোকতকৈ অধিক। এই দিশটোক বৰ্তমান সময়ত পৰিৱেশ সুৰক্ষাৰ অতি ফলপ্ৰসু দিশ হিচাবে পৰিৱেশবিদসকলে চিনাক্ত

কৰিছে। পৃথিৱীৰ বহুতো দেশে আনকি এই লোকসকলক চৰকাৰৰ লগত যুটীয়াভাৱে পৰিৱেশ সংৰক্ষণৰ কামত নিয়োগ কৰিছে আৰু তেওঁলোকৰ পৰম্পৰাগত জ্ঞানক সঠিক দিশত ব্যৱহাৰ কৰিছে।

চিপকো আন্দোলনক মূলতঃ পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টিৰ কাৰক বা উপাদান হিচাপে চিনাক্ত কৰা হয় যদিও ইয়াৰ অন্য দিশটোও গুৰুত্বপূৰ্ণ। এই আন্দোলনেই ভাৰতৰ কিছুমান লোকৰ বন আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত থকা পৰম্পৰাগত অধিকাৰৰ বৈধতাৰ দাবী উত্থাপন কৰিছিল। আৰু সেয়া আছিল স্বাধীন ভাৰতৰ চৰকাৰৰ ওচৰত এক নিৰ্দিষ্ট শ্ৰেণীৰ লোকে কৰা অধিকাৰৰ দাবী। আগতেই উল্লেখ কৰা হৈছে যে ভাৰতীয় লোকসকলৰ প্ৰাকৃতিক সম্পদৰ ওপৰত থকা অধিকাৰক ইংৰাজ চৰকাৰে প্ৰত্যাখ্যান কৰিছিল আৰু এই সম্পদসমূহৰ ওপৰত চৰকাৰৰ কৰ্তৃত্ব প্ৰতিষ্ঠা কৰি সম্পদৰ শোষণ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিছিল । ভাৰতৰ বনজ সম্পদৰ ওপৰত ইংৰাজ চৰকাৰে ১৮৬৫ আৰু ১৯২৭ চনত আইন প্ৰণয়ন কৰি জনসাধাৰণৰ পৰা তেওঁলোকৰ অধিকাৰ হৰণ কৰিছিল। স্বাধীন ভাৰতবৰ্ষৰ চৰকাৰেও এই একে পন্থাই আশীৰ দশকলৈ গ্ৰহণ কৰিছিল। আশীৰ দশকত গ্ৰহণ কৰা বন সুৰক্ষা আইন, ১৯৮০ (পিছত ১৯৮৮) ত জনসাধাৰণৰ বনৰ ওপৰত থকা বিশেষকৈ অৰণ্যৰ দাঁতি কাষৰীয়া অঞ্চলত থকা লোকৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰা হৈছিল। যুটীয়া বন পৰিচালন (Joint Forest Management - JFM) ব্যৱস্থাৰ আৰম্ভণি এই ক্ষেত্ৰত উল্লেখযোগ্য আছিল যাৰ জৰিয়তে বন পৰিচালনাত স্থানীয় লোকৰ অংশগ্ৰহণ নিশ্চিত কৰিব বিচৰা হৈছিল। ইয়াৰ পিছত ২০০৬ চনত ভাৰতীয় সংসদে পূৰ্বৰ অন্যায়ৰ ক্ষতিপূৰণ হিচাবে বন অধিকাৰ আইন (Forest Rights Act) গ্ৰহণ কৰিছিল। এই আইনে অৰণ্যত অতীজৰ পৰা বাস কৰি অহা জনজাতীয় লোকসকলক তিনি ধৰণৰ অধিকাৰ প্ৰদান কৰিছিল, যেনে- ভূমিৰ অধিকাৰ, প্ৰাকৃতিক সম্পদৰ ওপৰত অধিকাৰ আৰু প্ৰাকৃতিক সম্পদৰ প্ৰতিপালন তথা সুৰক্ষাৰ ওপৰত থকা অধিকাৰক স্বীকৃতি প্ৰদান কৰিছিল। অৱশ্যে ভাৰতৰ বিভিন্ন প্ৰান্তত এতিয়ালৈ এই আইনখন সঠিকভাৱে বলবৎ হোৱা নাই। ফলস্বৰূপে গৰিষ্ঠসংখ্যক বন তথা আন প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰশীল ভাৰতীয় লোক নিজৰ পৰম্পৰাগত প্ৰাপ্য আৰু বিধিগত অধিকাৰৰ পৰা বঞ্চিত হৈয়েই আছে।

## নৰ্মদা বচাওঁ আন্দোলন
## (Narmada Bachao Andolan)

বিকাশৰ প্ৰকৃতিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা আৰু বিকাশৰ প্ৰকল্পৰ ফলত মানৱ অধিকাৰৰ উলংঘনক প্ৰত্যাহ্বান জনোৱা আন্দোলনসমূহৰ ভিতৰত ভাৰতত হোৱা নৰ্মদা বচাও আন্দোলন অন্যতম। এই আন্দোলনে মানৱ অধিকাৰৰ প্ৰেক্ষাপটত প্ৰচলিত বিকাশ প্ৰক্ৰিয়াৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰিছিল। একমুখী প্ৰচলিত ব্যৱস্থাসমূহ কেৱল পৰিৱেশৰ প্ৰতিয়েই ক্ষতিকাৰক নহয়, ইয়াৰ কিছুমান আৰ্থ-সামাজিক প্ৰভাৱো থাকে যিবোৰ বহুদিনলৈ উপেক্ষিত হৈ আছিল। ৭০ ৰ দশকৰ পৰা হোৱা কিছুমান সামাজিক আন্দোলন বিশেষকৈ নতুন সামাজিক আন্দোলনসমূহে মানৱ অধিকাৰৰ অন্তৰ্গত তৃতীয় প্ৰজন্মৰ অধিকাৰ সুৰক্ষাৰ বিষয়টো আলোচনাৰ বিষয়

হিচাবে প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল নৰ্মদা বচাওঁ আন্দোলনে।

নৰ্মদা হ'ল ভাৰতৰ অন্যতম বৃহৎ নৈ যিখন গুজৰাট, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ মাজেৰে বৈ গৈছে। আশীৰ দশকৰ আৰম্ভণিতে এই নৰ্মদা নৈৰ ওপৰত বান্ধ নিৰ্মাণৰ এক বৃহৎ প্ৰকল্প ঘোষণা কৰা হৈছিল। এই প্ৰকল্পত ৩০ টা বৃহৎ, ১৩৫ টা মধ্যমীয়া আৰু ৩০০০ টা ক্ষুদ্ৰ বান্ধ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ইয়াৰ ভিতৰত চৰ্দাৰ সৰোবৰ প্ৰকল্প আৰু নৰ্মদা সাগৰ প্ৰকল্প আছিল আটাইতকৈ বৃহৎ বান্ধ। নৰ্মদা বচাওঁ আন্দোলন চৰ্দাৰ সৰোবৰ প্ৰকল্পক কেন্দ্ৰ কৰিয়েই আৰম্ভ হৈছিল। এই আন্দোলনৰনেতৃত্ব বহন কৰিছে ভাৰতৰ অন্যতম সমাজ বিজ্ঞানী আৰু সমাজকৰ্মী মেধা পাটকাৰে। বাবা আমতে এই আন্দোলনৰ আন এজন গুৰুত্বপূৰ্ণ নেতা।

নৰ্মদা বান্ধ প্ৰকল্পৰ অন্তৰ্গত অন্যতম বান্ধ চৰ্দাৰ সৰোবৰ বান্ধ। সেই অঞ্চলৰ বাবে জলসিঞ্চন আৰু বিদ্যুৎ উৎপাদন বৃদ্ধিৰ বাবে নিৰ্মাণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। লগতে এইটোও জনোৱা হৈছিল যে ইয়াৰ দ্বাৰা প্ৰভাৱগ্ৰস্ত হোৱা লোকসকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা হ'ব। ১৯৮৫ চনত এই বান্ধ সম্পৰ্কে জ্ঞাত হোৱাৰ পিছত সমাজকৰ্মী মেধা পাটকাৰ আৰু তেওঁৰ সহযোগীসকলে প্ৰকল্পস্থান পৰিদৰ্শন কৰিবলৈ গৈ জ্ঞাত হৈছিল যে ভাৰতৰ পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ দ্বাৰা এই প্ৰকল্পৰ কাম ইয়াৰ সাম্ভাব্য পাৰিবেশিক প্ৰভাৱক আওঁকান কৰাৰ বাবে স্থগিত ৰখা হৈছিল। অৰ্থাৎ এই প্ৰকল্পৰ পূৰ্বে কোনো পাৰিবেশিক প্ৰভাৱ মূল্যায়ন (Environmental Impact Assesement) কৰা হোৱা নাছিল। কিন্তু এই প্ৰকল্পৰ ফলত যে পৰিৱেশৰ বা সেই অঞ্চলৰ পৰিস্থিতি তন্ত্ৰৰ যথেষ্ট ক্ষতি হ'ব সেই কথা অতি স্পষ্ট আছিল। মেধা পাটকাৰ আৰু তেওঁৰ সতীৰ্থসকলে ইয়াৰ কাষৰীয়া অঞ্চলৰ লোকসকলৰ লগত আলোচনা কৰি গম পাইছিল যে এই প্ৰকল্পৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলক কিছু তাৎক্ষণিক ক্ষতিপূৰণহে দিয়া যাব, তেওঁলোকৰ পুনৰ সংস্থাপনৰ কোনো পৰিকল্পনা চৰকাৰী পক্ষই গ্ৰহণ কৰা নাছিল। ফলস্বৰূপে পৰিৱেশৰ লগতে সেই অঞ্চলৰ মানুহো চিৰদিনৰ বাবে জীৱিকা আৰু বাসস্থানৰ সমস্যাৰ সংকটত পৰিব। লগে লগে মেধা পাটকাৰ আৰু তেওঁৰ সহকৰ্মীসকলে প্ৰতিবাদী আন্দোলন আৰম্ভ কৰিলে। গান্ধীবাদী আদৰ্শৰ দ্বাৰা পৰিচালিত এই আন্দোলন কোনো কাৰণতে হিংসাত্মক হোৱা নাছিল আৰু প্ৰতিবাদী শোভাযাত্ৰা, অনশন আদিৰ দৰে পন্থা গ্ৰহণেৰে ক্ৰমান্বয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিল। চৰ্দাৰ সৰোবৰ প্ৰকল্প বিশ্ববেংকৰ দ্বাৰা অনুমোদিত আছিল। সেয়েহে মেধা পাটকাৰ আৰু তেওঁৰ সহযোগীসকলে বিশ্ব বেংকৰ লগত যোগাযোগ আৰম্ভ কৰিছিল আৰু বিশ্ব বেংকৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছিল। বিশ্ব বেংকৰ এই কাৰ্যৰ প্ৰতিবাদস্বৰূপে মেধা পাটকাৰে ২১ দিনীয়া অনশন কৰিছিল আৰু তেওঁৰ এই প্ৰতিবাদে সকলো পক্ষৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এই প্ৰতিবাদৰ ফলস্বৰূপে বিশ্ব বেংকে চৰ্দাৰ সৰোবৰ প্ৰকল্পৰ পুনৰীক্ষণ কৰিবলৈ এখন কমিটি গঠন কৰিছিল। এই কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছিল যে উক্ত প্ৰকল্পই পৰিৱেশ সম্পৰ্কীয় নীতিৰ লগতে উচ্ছেদিত লোকৰ পুনৰ সংস্থাপনৰ দিশটোও আওঁকান কৰিছে। ফলস্বৰূপে ১৯৯৩ চনত বিশ্ব বেংকে এই প্ৰকল্পৰ প্ৰতি অনুমোদন উঠাই লৈছিল। এক কথাত ক'বলৈ গ'লে মেধা পাটকাৰৰ দাবী সফল হৈছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে

বিশ্ব বেংকে অনুমোদন আতৰাই লোৱাৰ পিছত ভাৰত চৰকাৰ এই প্ৰকল্পক সম্পূৰ্ণ কৰিবলৈ উঠি পৰি লাগিছিল। ১৯৯৩ চনত মেধা পাটকাৰে পুনৰ অনশন আৰম্ভ কৰিছিল যেতিয়া বান্ধ প্ৰকল্পৰ স্থানত উচ্ছেদ হ'বলৈ আৰম্ভ কৰিছিল। বিভিন্ন ধৰণৰ প্ৰতিবাদৰ ফলস্বৰূপে ন্যায়ালয়ে বান্ধ নিৰ্মাণ কাৰ্যত স্থগিতাদেশ জাৰী কৰিছিল। কিন্তু ১৯৯৯ চনত বান্ধ নিৰ্মাণৰ কাৰ্য পুনৰ আৰম্ভ হৈছিল। ২০০৬ চনত বান্ধ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছিল। ২০১৭ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াৰ উদ্বোধন কৰিছিল। অৱশ্যে বিভিন্ন প্ৰতিবাদৰ পিছতো ন্যায়ালয়েও বান্ধৰ উচ্চতা বৃদ্ধিত কোনো বাধা নিদিলে।

ইয়াৰ পিছত মেধা পাটকাৰ আৰু তেওঁৰ সহযোগীসকলে উচ্ছেদিত লোকসকলৰ সঠিক পুনৰ সংস্থাপন (Resetellment) আৰু পুনৰ নিয়োজন (Rehabiliation) ৰ বাবে দাবী উত্থাপন কৰি আহিছে। এই আন্দোলনৰ সফলতাও সেইখিনিতেই। বিকাশৰ ফলত উচ্ছেদিত লোকসকলৰ সঠিক সংস্থাপনৰ লগতে পুনৰ নিয়োজনো অতি প্ৰয়োজনীয়। কাৰণ উচ্ছেদিত হোৱাৰ লগে লগে তেওঁলোক জীৱিকা, সামাজিক আৰু অৰ্থনৈতিক নিৰাপত্তা হেৰুৱায়। নতুন ঠাইত পুনৰ জীৱন আৰু কৰ্ম প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত তেওঁলোক বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। বহুতে আনকি কৰ্ম সংস্থাপনৰ নতুন উৎস বিচাৰি নাপাই দৰিদ্ৰতাক আকোঁৱালি ল'ব লগা হয়। আকৌ উচ্ছেদিত লোকসকলে সঘনাই সন্মুখীন হোৱা এটা সমস্যা হ'ল উপযুক্ত তথ্য-পাতিৰ অভাৱৰ বাবে প্ৰয়োজনীয় ক্ষতিপূৰণ লাভ নকৰাটো। ভাৰতৰ দৰে দেশত য'ত পৰম্পৰাগতভাৱে পুত্ৰই পিতৃৰ পৰা মাটি-বাৰী লাভ কৰে তাত মাটিৰ দলিলৰ প্ৰশ্ন নাথাকে। কিন্তু আধুনিক বিধি অনুসৰি ক্ষতিপূৰণ পাবলৈ হ'লে উপযুক্ত প্ৰমাণ দিব পাৰিব লাগিব। ফলত বহুতো লোকৰ নূন্যতম পুনৰ সংস্থাপনৰ যোগ্যতাও নাইকীয়া হোৱাৰ উপক্ৰম হয়। ফলস্বৰূপে এনে বিকাশ প্ৰকল্পৰ লগে লগে অহা উপাদান হ'ল এক শ্ৰেণীৰ মানুহৰ দৰিদ্ৰতা, নিৰাপত্তা আৰু কৰ্মসংস্থাপনহীনতা। গতিকে যিকোনো বিকাশমূলক প্ৰকল্প গ্ৰহণ কৰাৰ আগতে য'ত কিছুমান মানুহৰ উচ্ছেদৰ সম্ভাৱনা থাকে তাৰ আৰ্থ সামাজিক আৰু পাৰিবেশিক মূল্যায়ণ কৰাটো অতি প্ৰয়োজন কাৰণ বিকাশ  সকলো দিশৰ পৰা বহনক্ষম হোৱাটো প্ৰয়োজনীয়। চৰ্দাৰ সৰোবৰ বান্ধৰ দৰে প্ৰকল্প গ্ৰহণ কৰোতে এই দুয়ো ধৰণৰ মূল্যায়ণেই কৰা হোৱা নাছিল আৰু যিখিনি কৰা হৈছিল সেইখিনিকো চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। এই আন্দোলনে পাৰিবেশিক প্ৰভাৱ মূল্যায়ণ (Environmental Impact Assesment-EIA)ৰ গুৰুত্ব প্ৰতিষ্ঠা কৰাত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বেছি সংখ্যক বিকাশমূলক প্ৰকল্পৰ ফলত পৰিৱেশৰ ক্ষতি হোৱাৰ যথেষ্ট সম্ভাৱনা থাকে। এই ক্ষতি পৰিৱেশৰ প্ৰতিয়েই নহয়, পৰিৱেশ তথা প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰশীল দাতিকাষৰীয়া লোকসকলৰ জীৱন, জীৱিকা আৰু সংস্কৃতি যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হয়। অৰ্থাৎ এনে বিকাশে এক অবহনক্ষম বিকাশকহে প্ৰতিনিধিত্ব কৰে। বান্ধ নিৰ্মাণৰ যথেষ্ট পাৰিৱেশক ক্ষতি থাকে। বিশেষকৈ বৃহৎ বান্ধৰ পৰা হ'ব পৰা ক্ষতিৰ পৰিমাণ আৰু অধিক। ই নদী পৰিস্থিতিতন্ত্ৰক ধ্বংস কৰাৰ ওপৰিও দাতিকাষৰীয়া পৰিস্থিতিসমূহৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনে। এনে অৱস্থাত এখন কল্যাণকামী চৰকাৰৰ দায়িত্ব হ'ল বহনক্ষম বিকাশৰ পথ গ্ৰহণ কৰা যাতে পৰিৱেশৰ লগতে সামাজিক দিশ আৰু ব্যক্তিৰ নিৰাপত্তা তথা অধিকাৰৰ দিশটোও সুৰক্ষিত হয়। বিকাশৰ লগত জড়িত এই প্ৰকল্পৰ উত্থাপন কৰাত, জনসাধাৰণক সজাগ কৰাত নৰ্মদা বচাওঁ আন্দোলনক

অন্যতম সফল আন্দোলন আখ্যা দিব পাৰি। লগতে উচ্ছেদিত লোকৰ অধিকাৰৰ সুৰক্ষাৰ প্ৰশ্ন উত্থাপন কৰাত আৰু চৰকাৰক এই বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ বাধ্য কৰোৱাত এই আন্দোলনৰ ভূমিকা অনবদ্য। বিশ্বেবেংকৰ দৰে আন্তৰ্জাতিক অৰ্থনৈতিক সংস্থা এটা এই আন্দোলনৰ বাবেই প্ৰকল্পৰ পৰা নিজৰ অনুমোদন উঠাই ল'বলগীয়া কাৰ্যটো মন কৰিবলগীয়া। অৱশ্যে ভাৰত চৰকাৰে পিছত এই প্ৰকল্প সম্পন্ন হোৱাত মূল ভূমিকা গ্ৰহণ কৰিছিল। বান্ধৰ উচ্চতা হ্ৰাস কৰাৰ বাবে এই আন্দোলনৰ সমৰ্থনকাৰীসকলে উচ্চতম ন্যায়ালয়ত যি আবেদন দাখিল কৰিছিল তাৰ শুনানীত ন্যায়ালয়ে চৰকাৰী পক্ষক সমৰ্থন কৰি বান্ধৰ উচ্চতা বৃদ্ধি কৰাৰ বাবে ন্যায়ালয়ৰ ৰায়ো সমালোচিত হ'বলগা হৈছিল। বুকাৰ বঁটা বিজয়ী লিখক অৰুন্ধতি ৰায়, বিখ্যাত বলিউড অভিনেতা আমিৰ খান আদিয়ে ন্যায়ালয়ৰ ৰায়ক সমালোচনা কৰি আন্দোলনৰ প্ৰতি সমৰ্থন প্ৰদৰ্শন কৰি এই আন্দোলনৰ গুৰুত্ব বৃদ্ধি কৰাত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। মুঠ কথাত ক'বলৈ হ'লে নৰ্মদা বচাওঁ আন্দোলন ভাৰতৰ অন্যতম সফল সামাজিক আন্দোলন যিয়ে ৰাষ্ট্ৰৰ ক্ষমতাক প্ৰত্যাহ্বান জনাইছিল, বিকাশৰ আৰ্হিৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰিছিল, উচ্ছেদিত লোকৰ সঠিক সংস্থাপন আৰু পুনৰ নিয়োজনৰ অধিকাৰৰ দাবী কৰিছিল আৰু ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এই বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

## উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদ
## (Terrorism in North East)

মানৱ অধিকাৰৰ প্ৰেক্ষাপটতেই হওঁক বা আৰ্থ সামাজিক প্ৰেক্ষাপটতে হওঁক, উত্তৰ পূৰ্বাঞ্চলে সম্মুখীন হৈ থকা এক উল্লেখযোগ্য সমস্যা হ'ল সন্ত্ৰাসবাদ। উত্তৰ পূৰ্বাঞ্চলৰ অসম, মেঘালয়, মিজোৰাম, নাগালেণ্ড, মণিপুৰত এই সমস্যাৰ উপস্থিতি অধিক হাৰত দেখা যায়। ইয়াৰ ফলত সাধাৰণ জনসাধাৰণে এফালে সন্ত্ৰাস আৰু অনিশ্চয়তাত জীৱন কটাবলগা হৈছে আৰু আনহাতে এইবোৰৰ নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰই গ্ৰহণ কৰা ব্যৱস্থাৰ দ্বাৰাও দুৰ্ভোগ ভূগিব লগা হৈছে। মুঠ কথাত তেওঁলোকে এক শংকাপূৰ্ণ জীৱন কটাব লগা হৈছে। কেৱল সেয়াই নহয় এই অঞ্চলত থকা সন্ত্ৰাসবাদী সমস্যাৰ বাবে আনকি অঞ্চলটোৰ বিভিন্ন কাৰণত সামগ্ৰীক বিকাশ ব্যাহত হৈছে। গতিকে ক'ব পাৰি যে সন্ত্ৰাসবাদ উত্তৰ পূৰ্বাঞ্চল অঞ্চলটোৰ বাবে আৰু ইয়াৰ জনসাধাৰণৰ বাবেও এক সমস্যা যদিও বিভিন্ন সময়ত এনেকুৱা সন্ত্ৰাসবাদী সংগঠনবোৰে নিজকে বিশেষ অঞ্চল আৰু সেই অঞ্চলৰ জনসাধাৰণৰ কল্যাণ বা অধিকাৰৰ দাবীত সৃষ্ট বুলি ঘোষণা কৰে।

**সন্ত্ৰাবাদ কি?** (What is Terrorism?) ঃ

সন্ত্ৰাসবাদ হ'ল এক ধাৰণা যিয়ে ভয় বা হিংসাৰ সহায়ত নিজৰ উদ্দেশ্য সাধনৰ ওপৰত গুৰুত্ব দিয়ে। সন্ত্ৰাসবাদৰ ইংৰাজী প্ৰতিশব্দ "Terrorism" লেটিন ভাষাৰ "Terrere" শব্দৰ পৰা আহিছে। "Terrere" শব্দৰ অৰ্থ হ'ল "ভয় লগা"। গতিকে সাধাৰণ ভাষাত ভয় বা ত্ৰাস সৃষ্টিকাৰী আদৰ্শ বা ব্যৱস্থাই হৈছে সন্ত্ৰাসবাদ। বিখ্যাত আন্তঃৰাষ্ট্ৰীয় বুদ্ধিজীৱি নম চোমস্কিৰ মতে ৰাজনৈতিক, ধৰ্মীয় বা আন উদ্দেশ্য সাধনৰ বাবে

জনসাধাৰণক লক্ষ্য কৰি গ্ৰহণ কৰা হিংসাত্মক পদ্ধতিয়েই হ'ল সন্ত্ৰাসবাদ (Terrorism is the use of coercive means aimed at population in an effort to achieve political, religious and other aims)।

সন্ত্ৰাসবাদৰ আঁৰত নিৰ্দিষ্ট লক্ষ্য বা উদ্দেশ্য থাকে। সৰহ ক্ষেত্ৰতে ইয়াৰ উদ্দেশ্য ৰাজনৈতিক হ'লেও ইয়াৰ অন্তৰালত সামাজিক বা আৰ্থিক উপাদানবোৰেও গুৰুত্বপূৰ্ণ ভূমিকা লয়। সন্ত্ৰাসবাদীসকলে সদায় হিংসাৰ আশ্ৰয় লয়। প্ৰচলিত কতৃপক্ষ তথা সমাজৰ বাসিন্দাসকলক ভীতিগ্ৰস্ত কৰি এওঁলোকে নিজ লক্ষ্যত উপনীত হ'ব বিচাৰে। সন্ত্ৰাসবাদ যি প্ৰকৃতিৰে নহওক কিয় ই ব্যক্তিৰ জীৱন, সম্পত্তি, জীৱিকাৰ প্ৰতি ভাবুকিস্বৰূপ। লগতে ই সমাজ এখনৰ শান্তি আৰু বিকাশৰো প্ৰতিবন্ধক।

**উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাবাদ** (Terrorism in North East) ঃ

উত্তৰ পূৰ্বাঞ্চলৰ অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰামত সন্ত্ৰাসবাদৰ সবল উপস্থিতি দেখা যায়। তলত এই ৰাজ্যবোৰত থকা উল্লেখযোগ্য সন্ত্ৰাসবাদী সংগঠন, সেইবোৰৰ বিকাশ আৰু কাৰ্যকলাপৰ বিষয়ে চমুকৈ তলত আলোচনা কৰা হ'ল—

**মিজোৰাম (Mizoram) ঃ**

মিজোৰামত বিচ্ছিন্নতাবাদী আন্দোলন আৰম্ভ হোৱাৰ সময়ত ই এখন জিলা হিচাপে অসমৰ অন্তৰ্গত আছিল। মিজোৰামৰ জনসাধাৰণে অসমৰ পৰাই নহয় ভাৰতৰ পৰা পৃথক এখন নতুন ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠাৰ দাবী উত্থাপন কৰিছিল। বাৰ্মা, পূব পাকিস্তানৰ মিজো সকলক লৈ তেওঁলোকে এখন স্বাধীন মিজো ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰিছিল। সংগঠিত ভাবে এই দাবী আগবঢ়াই নিবৰ বাবে তেওঁলোকে মিজো নেশ্বনেল ফ্ৰন্ট (Mizo National Front- MNF) নামৰ এটা সংগঠন প্ৰতিষ্ঠা কৰিছিল। অৱধাৰিতভাৱে কেন্দ্ৰীয় চৰকাৰে এই দাবী অগ্ৰাহ্য কৰিছিল আৰু ইয়াৰ দমনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। লগে লগে মিজো সকলে সশস্ত্ৰ বিদ্ৰোহ আৰু গৰিলা যুদ্ধ আৰম্ভ কৰিছিল। ১৯৬২ চনৰ চীনা আক্ৰমনৰ সময়ত MNF -ক বেআইনী ঘোষণা কৰি চৰকাৰে নিষিদ্ধ কৰিছিল। কিন্তু ইয়াৰ বিপৰীতে মিজো নেশ্বনেল ফ্ৰন্টৰ কাম কাজ সম্প্ৰসাৰিতহে হৈছিল। মিজো সংগঠনৰ কাম কাজত নাগা আৰু চীনাসকলে সহায় কৰা বুলিও সন্দেহ উঠিছিল। ১৯৭১ চনত কেইজনমান মিজো নেতাই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰিছিল আৰু প্ৰকাশ কৰিছিল যে মিজোসকলৰ বিচ্ছিন্নতাৰ দাবীৰ মূল কাৰণ হ'ল অৰ্থনৈতিক অনগ্ৰসৰতা, অসম চৰকাৰৰ ভুলৰ বাবে হোৱা ৰাজনৈতিক অস্থিৰতা আৰু ব্ৰিটিছ শাসনৰ দ্বাৰা মিজোসকলৰ গৃহভূমিত অনা বিভাজন। ১৯৭১ চনৰ এই এই স্মাৰক পত্ৰত মিজো সকলে পৃথক ৰাষ্ট্ৰৰ সলনি সম্পূৰ্ণ ৰাজ্যৰহে দাবী উত্থাপন কৰিছিল। তেওঁলোকক সন্তুষ্ট কৰিবলৈ মিজোৰামক ৰাজ্যৰ সলনি কেন্দ্ৰীয় শাসিত অঞ্চলৰ মৰ্যাদা দিয়া হৈছিল আৰু ১৯৭২ চনৰ জানুৱাৰী মাহত ইন্দিৰা গান্ধীয়ে নিজে ইয়াক উদ্বোধন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে মিজো লোক সকলৰ উন্নতিৰ বাবে যথেষ্ট টকা খৰছ কৰিছিল যদিও মিজোসকলৰ সমস্যা সমাধানত সম্পূৰ্ণ সফল হ'ব পৰা নাছিল। আনকি MNF -ৰ সন্ত্ৰাসমূলক কাৰ্যও লালডেঙ্গাৰ নেতৃত্বত চলিয়েই আছিল। আনকি এই সংগঠনৰ

বহুতো সদস্যই চীনত গৈ অস্ত্ৰ-শস্ত্ৰ আৰু গৰিলা যুদ্ধৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছিল। ইয়াৰ মাজতে ১৯৭৩-১৯৭৪ চনত মিজো নেশ্বনেল ফ্ৰন্টৰ কিছুমান নেতাৰ লগত কেন্দ্ৰীয় চৰকাৰে অনানুষ্ঠানিক ভাবে আলোচনা কৰিছিল যদিও কোনো লাভ হোৱা নাছিল। ইয়াৰ বিপৰীতে পৰিস্থিতি শোচনীয়হে হৈছিল। সংগঠনৰ দুজন সদস্যই আনকি আৰক্ষীৰ পোছাকত গৈ তিনিজন শীৰ্ষ আৰক্ষী বিষয়াক গুলীয়াই হত্যা কৰিছিল। এই ঘটনাৰ পিছত কেন্দ্ৰীয় চৰকাৰ যথেষ্ট কঠোৰ হৈছিল আৰু সন্ত্ৰাস বিসৰ্জন নিদিয়া পৰ্যন্ত সন্ত্ৰাসবাদী গোটৰ লগত কোনো আলোচনা সম্ভৱ নহয় বুলি স্পষ্ট কৰি দিছিল। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ১৯৭৫ চনত আভ্যন্তৰীণ নিৰাপত্তা নিশ্চিতকৰণ আইন (Maintenance of Internal Security Act- MISA) প্ৰয়োগ কৰিছিল। ইয়াৰ ফলতো কিন্তু বিশেষ লাভ হোৱা নাছিল। মিজো সংগঠনবোৰে মত প্ৰকাশ কৰিছিল যে চৰকাৰ আৰু চৰকাৰী নিৰাপত্তা কাহিনীৰ আতিশয্যই অধিক লোককহে বিচ্ছিন্নতাবাদৰ দাবীৰ প্ৰতি সমৰ্থক কৰি তুলিছিল। কিন্তু ইয়াৰ এবছৰ পিছতে অৰ্থাৎ ১৯৭৬ চনত MNF -এ অস্ত্ৰ ত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি বিচ্ছিন্নতাৰ দাবী পৰিহাৰ কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু সাংবিধানিক গাঠনিৰ ভিতৰত মিজো সমস্যা সমাধানৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল। সেই অনুসৰি ইয়াৰ প্ৰতিনিধিৰ লগত আলোচনাৰ পিছত ১৯৭৬ চনৰ ১১ জুলাইত কেন্দ্ৰীয় চৰকাৰ আৰু লালডেঙ্গাৰ মাজত শান্তি চুক্তি (Peace Accord) স্বাক্ষৰ হৈছিল। লালডেঙ্গাই মিজোৰামক ভাৰতৰ অভিন্ন অঙ্গ বুলি স্বীকাৰ কৰি সন্ত্ৰাস পৰিহাৰ কৰাৰ আৰু শান্তি পূৰ্ণ উপায়েৰে সকলো সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল। তেওঁ আনকি তেওঁৰ অনুগামী সকলক মূলসুঁতীলৈ ঘূৰাই অনাৰ আৰু সকলো অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু আশ্চৰ্যজনকভাৱে কিছুদিন পিছতেই লালডেঙ্গাৰ নেতৃত্বতেই MNF -ত নতুন সদস্য ভৰ্ত্তি আৰু সদস্যৰ গৰিলা যুদ্ধৰ প্ৰশিক্ষণৰ বাবে চীন লৈ প্ৰেৰণ কাৰ্য আৰম্ভ হৈছিল। ১৯৭৭ চনত মিজোৰামৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকাল শেষ হোৱাৰ লগে লগে তাত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে মিজো সন্ত্ৰাস শেষ কৰিবলৈ উঠি পৰি লাগিছিল কিন্তু সম্পূৰ্ণৰূপে এই আন্দোলন ধ্বংস কৰিব পৰা নাছিল। ১৯৭৯ চনৰ জুলাই মাহত নতুন প্ৰযুক্তিৰে প্ৰশিক্ষিত মিজো সন্ত্ৰাসবাদী সকলে আত্মপ্ৰকাশ কৰিছিল আৰু মিজোৰামৰ আৰক্ষী কাৰ্যালয়, ৰেডিঅ'ৰ কাৰ্যালয়ত আক্ৰমণ কৰিছিল। ইয়াৰ লগে লগে MNF -ৰ আন কিছুমান ভয়ংকৰ পৰিকল্পনাও ফাদিল হৈছিল। লগে লগে সামৰিক অভিযান তীব্ৰতৰ কৰি তোলা হৈছিল। কেন্দ্ৰত শাসনত থকা জনতা চৰকাৰে ঘোষণা কৰিছিল যে যেতিয়ালৈকে MNF -এ অস্ত্ৰ প্ৰত্যাহাৰ নকৰে তেতিয়ালৈকে কোনো আলোচনা নহয়। আকৌ MNF -ৰ নেতা লালডেঙ্গাক কোৱা হৈছিল যে কেন্দ্ৰই মিজোৰামক সম্পূৰ্ণ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰিব কিন্তু তাৰ আগতে তেওঁলোকে সশস্ত্ৰ বিদ্ৰোহ বন্ধ কৰিব লাগিব। ইয়াৰ পিছত কি চৰ্তত MNF আলোচনালৈ আহিব বা সন্ত্ৰাস বন্ধ কৰিব সেই সম্পৰ্কে লালডেঙ্গাই মত প্ৰকাশ কৰি কৈছিল যে মিজোৰামক নাগালেণ্ড আৰু কাশ্মীৰৰ দৰে বিশেষ মৰ্যাদা প্ৰদান কৰিলে, জংঘলত থকা কোনো ব্যক্তিৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰিলে আৰু তেওঁৰ ওপৰত থকা হত্যাৰ অভিযোগবোৰ মাফ হ'লে, তেওঁলোকে মিজোৰামৰ ৰাজনৈতিক সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাত বহিব। কেন্দ্ৰীয় চৰকাৰে লালডেঙ্গাৰ এই প্ৰস্তাৱ নাকচ কৰিছিল আৰু ইয়াৰ লগে লগে MNF -ৰ সদস্য সকলে পুনৰ সন্ত্ৰাসৰ আশ্ৰয় লৈছিল। ১৯৮০ চনত ইন্দিৰা গান্ধী

শাসনলৈ অহাৰ পিছত মিজো নেশ্বনেল ফ্ৰণ্টে আলোচনাৰ প্ৰস্তাৱ আগবঢ়াইছিল। লালডেঙ্গাই মিজোৰামৰ সন্ত্ৰাসবাদী সমস্যাৰ সমাধানৰ বাবে এক কাৰ্য আচনি আগবঢ়াইছিল। ফলস্বৰূপে ঘোষণা হৈছিল যুদ্ধ বিৰতি ইয়াৰ দ্বাৰা কেৱল সন্ত্ৰাসমূলক কাৰ্যই বন্ধ হোৱা নাছিল, নতুন সদস্যৰ ভৰ্তিকৰণ, অ-মিজো সকলৰ বহিষ্কাৰকৰণ, ধন দাবী আদিও বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল মিজো নেশ্বনেল ফণ্টে। লগতে চৰকাৰেও সকলো সামৰিক অভিযান বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। এই যুদ্ধ বিৰতি আৰম্ভ হোৱাৰ পিছতে এক আলোচনাৰ পৰিৱেশ ৰচনা হৈছিল। কিন্তু এই শান্তিৰ পৰিৱেশ বেছিদিন নিটিকিল লালডেঙ্গাৰ দুইতৰপীয়া কাৰ্যৰ বাবে। এফালে তেওঁ সহযোগী কিছুমানক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল যে ভাৰতৰ লগতহে মিজোৰামৰ ভাগ্য সংলগ্ন হৈ আছে আৰু ভাৰত চৰকাৰকো নিশ্চয়তা দিছিল যে তেওঁ ভাৰতীয় সংবিধানৰ গাঠনিৰ ভিতৰতহে মিজো সমস্যা সমাধান সম্ভৱ বুলি বিশ্বাস কৰে আৰু আনফালে তেওঁ MNF -ৰ সশস্ত্ৰ বাহিনী Mizo National Army -ক সন্ত্ৰাসমূলক কাৰ্য অব্যাহত ৰাখিব দিছিল। ফলস্বৰূপে নিৰাপত্তা বাহিনী আৰু সামৰিক অভিযানৰ শিথিলতাৰ সুযোগ লৈ MNF -ত্ৰ তেওঁলোকৰ শক্তি পুনৰুদ্ধাৰ কৰাত, ধন সংগ্ৰহ কৰাত, আন সন্ত্ৰাসবাদী গোটৰ লগত সংযোগ স্থাপন কৰাত, অস্ত্ৰ-শস্ত্ৰৰ ভেটি মজবুত কৰাত দুগুণ উৎসাহেৰে লাগি গৈছিল। এইদৰে MNF -ও শান্তিৰ সলনি যুদ্ধৰ পৰিৱেশহে সৃষ্টি কৰিছিল।

১৯৮১ চনৰ মাৰ্চ মাহত লালডেঙ্গাই ইন্দিৰা গান্ধীৰ সন্মুখত পুনৰ আলোচনাৰ প্ৰস্তাৱ ৰাখিছিল। প্ৰধানমন্ত্ৰীয়ে তেওঁক সহযোগী সকলৰ লগত আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে বাৰ্মাত থকা MNF -ৰ মুখ্য কাৰ্যালয়লৈ অহাৰ অনুমতি প্ৰদান কৰিছিল। এই আলোচনাৰ পিছত লালডেঙ্গাই ঘোষণা কৰিছিল যে MNF -এ এখন বৃহত্তৰ মিজোৰাম বিছাৰে য'ত অসম, ত্ৰিপুৰা আৰু মণিপুৰৰ বৃহত্তৰ অংশ অন্তৰ্ভুক্ত হ'ব। তেওঁ লগতে মিজো লোকসকলৰ পৃথক নৃগোষ্ঠীয় আৰু ধৰ্মীয় বৈশিষ্টসমূহ সুৰক্ষাৰ বাবে মিজোৰামক কিছু স্বতন্ত্ৰতা প্ৰদানৰ দাবী উত্থাপন কৰিছিল। এইদৰে MNF -ত্ৰ প্ৰকৃততে আলোচনাৰ পৰিপন্থী এক উদাহৰণহে দাঙি ধৰিছিল আৰু নিজৰ সন্ত্ৰাসমূলক কাৰ্য চলাই গৈছিল। লালডেঙ্গাই আনকি শাসনাধিষ্ঠি মুখ্যমন্ত্ৰীজনৰ সলনি নিজকে সেই পদত অধিষ্ঠিত কৰাৰ দৰে দাবীও উত্থাপন কৰিছিল। গতিকে মিজো সমস্যা চলিয়েই আছিল। আন্দোলনৰ দৈৰ্ঘ্যতাই ইয়াৰ জনপ্ৰিয়তাও কিছু হ্ৰাস কৰিছিল। মিজো সমাজৰ বিভিন্ন প্ৰান্তৰ পৰা আলোচনাৰ দাবী উত্থাপন হ'বলৈ আৰম্ভ কৰিছিল। ফলস্বৰূপে লালডেঙ্গাইও আলোচনাৰ মেজলৈ পুনৰ আহিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। অৱশেষত ১৯৮৫ চনৰ ৩০ অক্টোবৰৰ তাৰিখে এক নতুন ইতিহাস সৃষ্টি হৈছিল আৰু মিজো চুক্তি স্বাক্ষৰ হৈছিল। MNF -এ অস্ত্ৰ ত্যাগ কৰিছিল আৰু কংগ্ৰেছৰ লগত ই সম্মিলিত চৰকাৰ গঠন কৰিছিল। চৰকাৰৰ নেতৃত্ব বহনেৰে লালডেঙ্গা মুখ্যমন্ত্ৰী হৈছিল। ইয়াৰ পিছত ১৯৮৫ চনত ৰাজ্যিক বিধানসভাৰ ৪০ খন আসনৰ বাবে হোৱা নিৰ্বাচনত MNF -ত্ৰ ২৫ খন আসন লাভ কৰি লালডেঙ্গাৰ নেতৃত্বত চৰকাৰ গঠন কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ হৈ ৰাজীৱ গান্ধীয়ে এই নতুন ৰাজ্যখনক সহযোগিতাৰ প্ৰতিশ্ৰুতি দিছিল আৰু লালডেঙ্গাইও কেন্দ্ৰীয় চৰকাৰক সহযোগিতাৰ নিশ্চিতি দিছিল। এইদৰে মিজোৰাম ৰাজ্যৰ গঠনেৰে মিজো বিচ্ছিন্নতাবাদৰ অৱসান ঘটিছিল।

**নাগালেণ্ড (Nagaland) ঃ**

নাগালেণ্ডত জাপো ফিজোৰ নেতৃত্বত পঞ্চাশৰ দশকত এক স্বাধীন তথা সাৰ্বভৌম নাগালেণ্ডৰ দাবী উত্থাপন হৈছিল। জাপো ফিজোৱে নাগা আন্দোলনৰ বাবে নাগা নেশ্বনেল কাউন্সিল নামে এটা সংস্থা গঠন কৰিছিল। আনকি ফিজোৱে ১৯৫০ চনৰ ফেব্ৰুৱাৰী মাহত এক গণভোট অনুষ্ঠিত কৰিছিল। এই গণভোটত প্ৰায় ৯৯ শতাংশ নাগালোকেই স্বাধীন নাগালেণ্ডৰ সপক্ষে ভোট প্ৰদান কৰিছিল। ১৯৫২ চনত দেশত যেতিয়া প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল তেতিয়া জাপো ফিজোৰ আহ্বানত নাগাসকলে এই নিৰ্বাচনো বৰ্জন কৰিছিল। ১৯৫৫ চনৰ আশে পাশে নাগা নেশ্বনেল কাউন্সিলে বিভিন্ন হিংসাত্মক কাৰ্য সম্পাদন কৰিছিল। এই হিংসাত্মক কাৰ্য নিয়ন্ত্ৰণৰ বাবে চৰকাৰে সামৰিক বাহিনী নিয়োগ কৰিছিল। ১৯৫৬ চনত নাগা নেশ্বনেল কাউন্সিলৰ কেইজনমান সদস্যই জাপো ফিজোৰ বিপৰীতে গৈ প্ৰধানমন্ত্ৰী নেহৰুক লগ ধৰি সকলো নাগা অঞ্চলৰ একত্ৰীকৰণ আৰু এক প্ৰশাসনীয় গোটৰ অন্তৰ্ভূক্তিকৰণৰ প্ৰস্তাৱ আগবঢ়াইছিল। নেহৰুৱে তেওঁলোকক নিশ্চিতি দিছিল যে নাগালোকসকলৰ এই দাবী সাংবিধানিক পৰিসীমাৰ ভিতৰত নিশ্চয় আলোচনা কৰা হ'ব আৰু সমাধানৰ চেষ্টা কৰা যাব। অসম চৰকাৰে ইয়াৰ পিছতে জাপো ফিজোৰ লগতে তেওঁৰ সহযোগীৰ অনুসন্ধান দিয়া লোকৰ বাবে পুৰস্কাৰ ঘোষণা কৰিছিল। ১৯৫৭ চনৰ আগষ্ট মাহত নৰমপন্থী কিছুমান নাগা নেতাৰ নেতৃত্বত এক অধিবেশন হৈছিল আৰু এই অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে সকলো নাগা অঞ্চলক লৈ এক প্ৰশাসনীয় গোট গঠন কৰিব লাগে যাৰ প্ৰশাসন ভাৰতৰ ৰাষ্ট্ৰপতিৰ হৈ অসম চৰকাৰৰ দ্বাৰা পৰিচালিত হ'ব। ইয়াৰ লগতে আৰু এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে নাগা সকলৰ উন্নতিৰ বাবে হিংসাৰ আশ্ৰয় লৈ থকা বিদ্ৰোহী গোটবোৰে হিংসা পৰিত্যাগ কৰিব আৰু চৰকাৰৰ লগত সহযোগিতাৰে কাম কৰিব। এই দুয়োটা প্ৰস্তাৱেই নাগা আন্দোলনৰ লক্ষ্যৰ পৰিৱৰ্তনৰ ইঙ্গিত বহন কৰিছিল । ভাৰত চৰকাৰে এই দুয়োটা প্ৰস্তাৱক স্বাগতম জনাইছিল আৰু ১৯৬০ চনত নাগা নেতা আৰু ভাৰত চৰকাৰৰ মাজত এক চুক্তি হৈছিল। ইয়াৰ মাজতে ১৯৬১ চনত এক অন্তৰ্বৰ্তীকালীন ব্যৱস্থা গ্ৰহণ কৰা হৈছিল নাগালেণ্ড গঠনৰ পূৰ্বে এই অঞ্চলক পৰিচালনা কৰাৰ বাবে ১৯৬২ চনত নেহৰুৱে লোকসভাত নাগালেণ্ড বিল উত্থাপন কৰিছিল আৰু অনুমোদনৰ পিছত ১৯৭২ চনৰ চেপ্তেম্বৰত নাগালেণ্ডক এখন সম্পূৰ্ণ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হৈছিল। ১৯৬৩ চনত ৰাষ্ট্ৰপতিয়ে এই ৰাজ্য উদ্বোধন কৰিছিল। ১৯৬৪ চনত ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু ইয়াত নাগা নেশ্বনেলিষ্ট দলৰ নেতা ড° স্বীলু আও মুখ্যমন্ত্ৰী হৈছিল। ইয়াৰ পিছতো কিন্তু কিছু নাগা বিদ্ৰোহীয়ে হিংসা পৰিত্যাগ কৰা নাছিল। বৰঞ্চ পূৰ্বতকৈ বেছি হিংসাত্মক হৈ পৰিছিল। আনকি এই বিদ্ৰোহী গোটটোৱে মুখ্যমন্ত্ৰী আও কো হত্যা কৰিছিল। এই সময়তে ফিজোৱে লণ্ডন ভ্ৰমণ কৰিছিল আৰু নিজৰ পক্ষত সমৰ্থন আদায়াৰ চেষ্টা কৰিছিল। ফিজোৱে আনকি পাকিস্তান আৰু চীনৰো সমৰ্থন লাভ কৰাৰ চেষ্টা চলাইছিল আৰু বহু পৰিমাণে সফলো হৈছিল। এই দুয়োখন দেশৰ পৰাই ফিজোৱে যথেষ্ট অস্ত্ৰ-শস্ত্ৰ আহৰণ কৰিবলৈ সক্ষম হৈছিল। এই দুয়োখন ৰাষ্ট্ৰই আনকি বিদ্ৰোহীসকলক অস্ত্ৰ-শস্ত্ৰ চালনাৰ আৰু গৰিলা যুদ্ধৰ প্ৰশিক্ষণ দিছিল। ৭০ -ৰ দশকত সেয়েহে নাগা বিদ্ৰোহীসকলৰ কাম কাজে চূড়ান্ত সীমাত প্ৰৱেশ কৰিছিল। ভাৰত চৰকাৰো

অৱশ্যে বহি থকা নাছিল। যথেষ্ট কঠোৰ হাতেৰে বিদ্ৰোহীসকলক দমন কৰাৰ বাবে চৰকাৰে চেষ্টা কৰিছিল। বিদ্ৰোহী সংগঠন বোৰক বেআইনী ঘোষণা কৰি নিষিদ্ধ কৰা হৈছিল।

ইয়াৰ পিছত ১৯৭৫ চনত নাগালেণ্ডৰ ৰাজ্যপালে বহুকেইজন বিদ্ৰোহী নাগা নেতাৰ সৈতে শ্বিলঙত এক চুক্তি স্বাক্ষৰ কৰিছিল। এই চুক্তিত নাগা বিদ্ৰোহী সকলে চৰ্তহীন ভাৱে ভাৰতীয় সংবিধান মানি লোৱাৰ আৰু হিংসাত্মক কাৰ্যকলাপ বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু ইয়াৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে আভ্যন্তৰীণ নিৰাপত্তা নিশ্চিতকৰণ আইন উঠাই লোৱাৰ প্ৰতিশ্ৰুতি দিছিল। লগতে চৰকাৰে বন্দী হৈ থকা বিভিন্ন বিদ্ৰোহী নেতাক জেলৰ পৰা মুকলি কৰি দিয়াৰো প্ৰতিশ্ৰুতি দিছিল। কিন্তু কিছুমান নাগা বিদ্ৰোহী নেতাই পুনৰ এই শ্বিলং চুক্তিক অগ্ৰাহ্য কৰিছিল আৰু হিংসাত্মক কাৰ্য পুনৰ আৰম্ভ কৰিছিল। ১৯৮০ চনৰ মাজভাগত শান্তিকামী নাগা সংগঠন নাগালেণ্ড শান্তি পৰিষদ (Nagalend Peace Council) সাংবিধানিক গাঠনিৰ ভিতৰত নাগা সমস্যা সমাধানৰ বাবে কহিমাত নাগা গণ সন্মিলন (Naga Peace Conference) অনুষ্ঠিত কৰিছিল। ইয়াত নাগা সকলৰ বিভিন্ন জনগোষ্ঠীৰ প্ৰতিনিধি সকলে অংশ গ্ৰহণ কৰিছিল। এই সম্মিলনত শ্বিলং চুক্তিক ভিত্তি হিচাপে লৈ নাগা সমস্যা সমাধানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই সন্মিলনৰ অন্যতম বিফলতা আছিল যে ইয়াত বিদ্ৰোহী সংগঠনৰ কোনো শীৰ্ষ নেতাই অংশগ্ৰহণ কৰা নাছিল। এই সন্মিলনৰ পিছতেই দুজন বিদ্ৰোহী নেতা ইচ্যাক চি চি চ্যু আৰু থুইংলাংগেং মুইভাই এক নতুন সংগঠন NSCN অৰ্থাৎ National Socialist Council of Nagaland গঠন কৰিছিল আৰু নাগা বিদ্ৰোহী কাৰ্যকলাপ পুনৰ নতুন দিশেৰে সূচনা কৰিছিল। পিছলৈ এই সংগঠনৰ নীতিৰ প্ৰতি নাগা জনসাধাৰণৰ এক গৰিষ্ঠ সংখ্যক আকৰ্ষিতও হৈছিল। বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে এই সমস্যা সমাধানৰ বাবে NSCN -ৰ নেতৃবৃন্দৰ লগত আলোচনা চলাইছিল যদিও বিশেষ সফলতা লাভ কৰিব পৰা নাছিল। কিন্তু ৯০ -ৰ দশকৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত NSCN -ৰ আলোচনাই এক নতুন ৰূপ লৈছিল আৰু NSCN -এ বিভিন্ন সময়ত যুদ্ধবিৰতি ঘোষণাৰে আলোচনা প্ৰক্ৰিয়াক এক নতুন গতি প্ৰদান কৰিছিল। এই সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে নাগা জনসাধাৰণৰ বিকাশৰ বাবে বিভিন্ন নীতি আৰু আঁচনি গ্ৰহণ কৰি নাগা লোকসকলক শান্তিপূৰ্ণ আৰু সাংবিধানিক ব্যৱস্থাৰ প্ৰতি আস্থাবান কৰি তুলিবলৈ চেষ্টা কৰিছিল। দীঘলীয়া আলোচনা প্ৰক্ৰিয়া, নাগালেণ্ডৰ উন্নয়নৰ পৰিকল্পনা, নাগালেণ্ডলৈ বিশেষ সুবিধা ইত্যাদিয়ে লাহে লাহে নাগা আন্দোলনৰ উত্তেজনা কমাই আনিছিল। ফলস্বৰূপে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে NSCN -ৰ লগত শান্তি চুক্তি স্বাক্ষৰ কৰিছিল। কিন্তু ইয়াৰ পিছতো NSCN -ৰ খাপলাং গোটটোৱে এই চুক্তি গ্ৰহণ নকৰে বুলি মত প্ৰকাশ কৰিছিল। তথাপিও এটা কথা নিশ্চিত যে নাগালেণ্ডৰ বিচ্ছিন্নতাবাদী আন্দোলনে পূৰ্বৰ তীব্ৰতা হেৰুৱাই পেলাইছে। নাগা লোক সকলেও সাংবিধানিক ব্যৱস্থাৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰিছে। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত নাগালেণ্ডৰ জনসাধাৰণে সৰ্বোচ্চ অংশগ্ৰহণেৰে সাংবিধানিক ব্যৱস্থাৰ প্ৰতি থকা আস্থা প্ৰমাণ কৰিছিল।

বিভিন্ন জটিলতা আৰু সমস্যাৰ সন্মুখীন হোৱাৰ পিছতো নাগা আন্দোলনক এক সংগঠিত আৰু একত্ৰিত আন্দোলন বুলিয়েই ক'ব পাৰি। এই আন্দোলনে বিভিন্ন পৰ্যায়ত বিভিন্ন নেতাৰ নেতৃত্বত আনকি

আদৰ্শগত পাৰ্থক্যৰ দ্বাৰাও পৰিচালিত হৈছে। আচলতে যিকোনো এটা দীঘলীয়া আন্দোলনেই আদৰ্শগত বা আন দিশত পৰিৱৰ্তনৰ সন্মুখীন হোৱাটো স্বাভাৱিক। গতিকে দীঘলীয়া সময়জুৰি চলা নাগা আন্দোলনো ইয়াৰ ব্যতিক্ৰম নহয়। পৰিৱৰ্তিত আৰ্থসামাজিক পৰিস্থিতিৰ প্ৰেক্ষাপটত নিজক ঢাল খোৱাব নোৱাৰাটো আৰু স্বাধীনতাৰ পিছতো তেওঁলোকৰ বিশেষ নৃগোষ্ঠীয় আৰু সাংস্কৃতিক পৰিচয় ভাৰত চৰকাৰে স্বীকৃতি নিদিয়াত নাগাসকলৰ মাজত অসন্তুষ্টি তীব্ৰতৰ হৈ উঠিছিল। দৰাচলতে তেওঁলোকে পৰিচয়ক শংকাত (Identity Crisis) ভুগিছিল। গতিকে নাগা আন্দোলনক কেতিয়াও এক সম্পূৰ্ণ ৰাজনৈতিক দিশৰ পৰা পৰ্যালোচনা কৰা উচিত নহয়। এয়া ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বিচ্ছিন্নতাবাদী আন্দোলন নাছিল। ই আছিল মূলতঃ নৃ-গোষ্ঠীয় আৰু সাংস্কৃতিক (Ethnocultural)। নাগা আন্দোলনে প্ৰথম অৱস্থাত তেওঁলোকৰ পৰম্পৰাগত প্ৰথা, জীৱনশৈলী, সংস্কৃতি আদিৰ সুৰক্ষাৰ বাবেহে আন্দোলন আৰম্ভ কৰিছিল। নাগাসকলে ভাবিছিল যে ভাৰতৰ আন অঞ্চলৰ লগত ইয়াৰ একত্ৰীকৰণে তেওঁলোকৰ বিশেষ সামাজিক-সাংস্কৃতিক অধিকাৰ তথা পৰিচয় নিঃশেষ কৰিব। এই শংকা যে স্বাধীনতাৰ পিছতহে আৰম্ভ হৈছিল তেনেকুৱা নহয়, বৰঞ্চ ইংৰাজ শাসনৰ সময়ত আৰম্ভ হৈছিল। ১৯১৮ চনত কহিমাত নাগা ক্লাব (Naga Club) গঠনে এই কথাক প্ৰমাণ কৰে। এই নাগা ক্লাবেই আছিল প্ৰথম সংগঠন যিটো নাগা পাহাৰৰ প্ৰায় সকলো জনগোষ্ঠীকে একত্ৰীত কৰিছিল। নাগা ক্লাবে আনকি ভাৰতলৈ ১৯২৯ চনত অহা চাইমন কমিছনক লগ কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল আৰু ইয়াত দাবী উত্থাপন কৰিছিল যে প্ৰস্তাৱিত সংশোধনৰ পৰা নাগা পাহাৰক বাহিৰত ৰাখিব লাগে আৰু ব্ৰিটিছৰ প্ৰত্যক্ষ তথা পূৰ্বৰ নীতি অনুসৰিয়ে নাগা পাহাৰৰ প্ৰশাসন পৰিচালিত হ'ব লাগে। অৱশ্যে ১৯৪৫ চনত গঠন হোৱা Naga Hills District Tribal Council (যি ১৯৪৬ চনত Naga National Council হিচাপে পৰিচিত হৈছিল) নেতৃত্বতহে আধুনিক ৰাজনৈতিক নাগা বিচ্ছিন্নতাবাদী আন্দোলন প্ৰকৃতাৰ্থত আৰম্ভ হৈছিল। NNC -ৰ নেতৃত্বতেই একত্ৰীতভাৱে পৃথক আৰু স্বাধীন নাগাৰাষ্ট্ৰৰ দাবী উত্থাপন হৈছিল। NNC -ৰ নেতৃত্বৰ প্ৰথম কেইবছৰত এই আন্দোলন বিশেষ হিংসাত্মক হৈ উঠা নাছিল কিন্তু পিছলৈ ই ক্ৰমান্বয়ে হিংসাত্মক হৈ পৰিছিল। ১৯৭৫ চনৰ শ্বিলঙ চুক্তিয়ে নাগা আন্দোলনক কিছু শান্ত কৰিছিল যদিও এয়াও বেছি দীঘলীয়া নহ'ল। ৯০ -ৰ দশকৰ পৰা কিন্তু এই আন্দোলন স্তিমিত হৈ পৰিছিল। ইয়াৰ মূল কাৰণ হ'ল নাগালেণ্ডৰ গীৰ্জাৰ মুৰব্বীসকলৰ শান্তি স্থাপনৰ ক্ৰমাগত প্ৰচেষ্টা, শান্তি সংগঠনৰ প্ৰচেষ্টা, ভাৰত চৰকাৰৰ প্ৰচেষ্টা তথা আৰ্থ সামাজিক বিকাশৰ ওপৰত আৰোপ কৰা গুৰুত্ব, হিংসাৰ প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ ওপৰত নৱপ্ৰজন্মৰ মাজত অহা প্ৰশ্ন ইত্যাদি। ইতিমধ্যেই উল্লেখ কৰা হৈছে ২০০৪ চনৰ সাধাৰণ নিৰ্বাচনৰ সৰ্বোচ্চ অংশগ্ৰহণেৰে নাগা লোকসকলে কিদৰে সাংবিধানিক ব্যৱস্থাৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰি হিংসা ত্যাগৰ সংকেত দিছিল তাৰ ফলস্বৰূপেই ২০১৫ চনত স্বাক্ষৰ হৈছিল ঐতিহাসিক নাগা চুক্তি। অৱশ্যে ইয়াৰ সৰ্বগ্ৰহণযোগ্যতা সম্পৰ্কত যথেষ্ট বিতৰ্কও হোৱা দেখা যায়।

**অসম (Assam) ঃ**

উত্তৰ পূৰ্বাঞ্চলৰ এখন গুৰুত্বপূৰ্ণ ৰাজ্য হ'ল অসম। এই ৰাজ্যৰ মূল ভাষা হ'ল অসমীয়া। অসমত ইয়াৰ খিলঞ্জীয়া লোকসকল, বাংলাদেশৰ পৰা অহা মৈমনসিঙীয়া লোকসকল আৰু চাহ বাগিছাৰ লোকসকল বাস কৰে। অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসস্থান। বড়োসকল হ'ল অসমৰ সৰ্ববৃহৎ জনগোষ্ঠী। মিছিং, ডিমাছা আদিও অসমৰ অন্যতম জনগোষ্ঠী। অসমত ৬০ -ৰ দশকৰ শেষৰ পৰাই অন্য ৰাজ্যৰ পৰা অহা আৰু অসমৰ বাণিজ্যত আধিপত্য বিৰাজ কৰা লোকৰ বিৰুদ্ধে 'লাচিত সেনা' নামৰ এটা সংগঠনে প্ৰতিবাদ আৰম্ভ কৰিছিল। প্ৰথম অবস্থাত পোষ্টাৰ, প্ৰচাৰ, আদিৰ মাজতেই এই বিৰোধ সীমাবদ্ধ আছিল যদিও পিছলৈ ই কিছু কঠোৰ হৈ পৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত অসম চৰকাৰে এই প্ৰতিবাদ অতি কম সময়ৰ ভিতৰতে নিয়ন্ত্ৰণ কৰিছিল। ইয়াৰ পিছত ৭০ -ৰ দশকৰ শেষৰ ফালেহে অসমত অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে আন্দোলন আৰম্ভ হৈছিল। সদৌ অসম গণ সংগ্ৰাম পৰিষদ আৰু সদৌ অসম ছাত্ৰ সন্থাই ভোটাৰ তালিকাত যথেষ্ট সংখ্যক অবৈধ ভোটাৰৰ নাম থকাৰ অভিযোগ উত্থাপন কৰি আন্দোলন আৰম্ভ কৰিছিল। এই দুয়োটা সংস্থাই অভিযোগ কৰিছিল যে ষাঠিৰ দশকৰ মাজভাগৰ পৰা ১৯৭১ চনলৈ বাংলাদেশ গঠনৰ সময়ত প্ৰায় ১০ লাখ মান মানুহ অসমত প্ৰৱেশ কৰিছিল আৰু তেওঁলোকৰ মাজৰ পৰা এক বৃজনসংখ্যকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল। দুয়োটা সংগঠনে দাবী উত্থাপন কৰিছিল যে অসমত থকা সকলোবোৰ বিদেশীক চিনাক্ত কৰিব লাগে, তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্ত্তন কৰিব লাগে আৰু তেওঁলোকক বহিস্কাৰ কৰিব লাগে। এই বিষয়ে আছু আৰু গণসংগ্ৰাম পৰিষদে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাত বহিছিল যদিও কোনো লাভ হোৱা নাছিল। প্ৰতিবাদ চলি থকাৰ মাজতেই ১৯৮৩ চনত অসম বিধানসভাৰ নিৰ্বাচন ঘোষণা হৈছিল। আছু আৰু গণসংগ্ৰাম পৰিষদে শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত নোহোৱাৰ ভিত্তিত এই নিৰ্বাচন বৰ্জনৰ আহ্বান জনাইছিল। চৰকাৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বদ্ধ পৰিকৰ আছিল আৰু বিভিন্ন প্ৰতিবাদৰ মাজতেই নিৰ্বাচন অনুষ্ঠিত হৈছিল। অৱশ্যে খুব কম সংখ্যক অসমবাসীয়েহে ইয়াত ভোটদান কৰিছিল। নিৰ্বাচনৰ পিছত গঠন হোৱা কংগ্ৰেছ চৰকাৰৰ নেতৃত্ব বহন কৰিছিল হিতেশ্বৰ শইকীয়াই। বহু প্ৰতিবাদ, হিংসা আৰু বিতৰ্কৰ পিছত ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰ হৈছিল ১৯৭১ চনক ভিত্তি বৰ্ষ হিচাপে লৈ। আন্দোলনৰ এই সময়ছোৱাতে ১৯৭৯ চনৰ পৰা অসমত সন্ত্ৰাসৰ আশ্ৰয় লোৱা বা ল'ব বিচৰা এক সংগঠনৰ জন্ম হৈছিল যি এফালে কেন্দ্ৰীয় চৰকাৰৰ অসমৰ প্ৰতি উদাসীনতাক প্ৰত্যাহ্বান জনাইছিল। ১৯৭৯ চনত গঠন হোৱা এই গোটটো হ'ল 'সংযুক্ত মুক্তি বাহিনী, অসম' (United Liberation Front of Assam, ULFA)। অসম চুক্তিৰ পিছত অসম আন্দোলনৰ নেতৃত্বৰ মাজৰ পৰাই গঠন হোৱা ৰাজনৈতিক দল অসম গণ পৰিষদে অসমৰ জনসাধাৰণৰ পৰা বিপুল সঁহাৰি লাভ কৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। এই সময়ছোৱাত আলফাই ইয়াৰ মূল লক্ষ্যও কিছু পৰিবৰ্তন কৰিছিল আৰু ঘোষণা কৰিছিল যে ভাৰতৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদী শাসন আৰু শোষণৰ পৰা মুক্ত হৈ এখন স্বাধীন আৰু সাৰ্বভৌম অসম প্ৰতিষ্ঠা কৰিব লাগে। এই লক্ষ্যক পূৰ্ণ কৰিবলৈ আলফাই হিংসাত্মক কাৰ্যৰ সূচনা কৰিছিল। অসমৰ বহু ডেকা ল'ৰা-ছোৱালীয়ে আলফাৰ আহ্বানত সঁহাৰি দি ইয়াত যোগদান কৰিছিল

আৰু আলফাৰ শক্তি বৃদ্ধি কৰিছিল। লগে লগে কেন্দ্ৰীয় চৰকাৰে আলফাৰ আন্দোলন মৰীমূৰ কৰিবলৈ সেনাবাহিনী নিয়োগ কৰিছিল। সেনা অপাৰেশ্বনত বহুতো সন্ত্ৰাস সৃষ্টিকাৰী আটক হৈছিল বা মৃত্যুমুখত পৰিছিল। তথাপিও আলফাৰ আন্দোলন স্তিমিত হোৱা নাছিল। আলফাই ৮০-ৰ দশকত ভূটানত ইয়াৰ মূল ঘাটি প্ৰতিষ্ঠা কৰিছিল আৰু তাৰপৰাই সন্ত্ৰাসমূলক কাম-কাজ অব্যাহত ৰাখিছিল ২০০৩ চনত ভাৰত আৰু ভূটান চৰকাৰৰ যৌথ অভিযানত আলফাৰ ভূটানত থকা শিবিৰ উৎখাত কৰা হৈছিল আৰু ইয়াৰ ফলত যথেষ্ট অস্ত্ৰ-শস্ত্ৰৰ ক্ষতিৰে সংগঠনটো বহু পৰিমাণে দূৰ্বল হৈ পৰিছিল। ইয়াৰ পিছত বাংলাদেশ আলফাৰ ঘাটিত পৰিণত হৈছিল। কিন্তু ২০০৪ চনত বাংলাদেশত শ্বেখ হাছিনাৰ চৰকাৰ গঠন হোৱাৰ পিছতে আলফাৰ সংকট আহিছিল। শ্বেখ হাছিনা চৰকাৰে আলফাৰ নিয়ন্ত্ৰণৰ বাবে ভাৰত চৰকাৰক সহায় আগবঢ়াইছিল আৰু বহুকেইজন বাংলাদেশত থকা শীৰ্ষস্থানীয় আলফা নেতাক গ্ৰেপ্তাৰ কৰি ভাৰতলৈ প্ৰেৰণ কৰিছিল। ইয়াৰ পিছৰ পৰাই আলফাৰ শক্তি অসমত স্তিমিত হোৱা দেখা গৈছে।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে আলফাই এক সাৰ্বভৌম আৰু স্বাধীন অসমৰ দাবী উত্থাপন কৰিছিল। তেওঁলোকে ভাৰতৰাষ্ট্ৰক সাম্ৰাজ্যবাদী শাসক হিচাপেহে গণ্য কৰিছিল আৰু মত প্ৰকাশ কৰিছিল বা প্ৰাকৃতিক সম্পদত চহকী অসমৰ পৰা ভাৰত ৰাষ্ট্ৰই সম্পদসমূহ শোষণ কৰে কিন্তু ইয়াৰ বিনিময়ত অসমে পাবলগীয়াখিনি নাপায়। সেয়েহে অসমত বিকাশৰ সলনি অৰ্থনৈতিক অনগ্ৰসৰতাহে গা কৰি উঠিছে। গতিকে অসমৰ জনসাধাৰণৰ বাবে একে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰ লগত থকা কথাটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। ১৯৭৯ চনৰ ৭ এপ্ৰিলত ৰংঘৰৰ বাকৰিত জন্মলাভ কৰা সংযুক্ত মুক্তি বাহিনী অসমৰ প্ৰতি প্ৰথম অৱস্থাত অসমীয়া জনসাধাৰণৰো যথেষ্ট সমৰ্থন আছিল। কিন্তু বিভিন্ন সময়ত এই সংগঠনটোৱে কৰা কিছুমান কাযই অসমীয়া জনসাধাৰণক বিতুষ্ট কৰিছিল। যেনে- ২০০৪ চনৰ ধেমাজিৰ বোমা বিস্ফোৰণ, য'ত বহুকেইজন শিশুৱে প্ৰাণ হেৰুৱাব লগা হৈছিল, সমাজকৰ্মী সঞ্জয় ঘোষৰ হত্যা ইত্যাদি। সংগঠনটোৰ আন কিছুমান সদস্যইও বিভিন্ন সময়ত ধন দাবী বা তেনেকুৱা কামেৰে সংগঠনটোক অসমীয়া জনসাধাৰণৰ মনৰ পৰা আতৰাই লৈ গৈছিল।

১৯৯০ চনত অপাৰেশ্বন বজৰংৰ দ্বাৰা প্ৰথমবাৰৰ বাবে ভাৰত চৰকাৰে সংযুক্ত মুক্তি বাহিনীক আক্ৰমণ কৰিছিল। ইয়াৰ পিছতে ই মুখ্য কাৰ্যালয় ভুটানলৈ স্থানান্তৰ কৰিছিল। ইয়াৰ পিছত বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে আলফাক নিয়ন্ত্ৰণলৈ আনিবলৈ বিভিন্ন প্ৰচেষ্টা বা অভিযান চলাইছিল। ইয়াৰ লগে লগে কিন্তু আলোচনা প্ৰক্ৰিয়াও চলি আছিল। বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে আলফা নেতৃবৃন্দক আলোচনাৰ বাবে আহ্বান কৰিছিল। আলোচনা প্ৰক্ৰিয়া ১৯৯০ চনৰ অপাৰেশ্বন বজৰংৰ পিছৰ পৰাই আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত আলফাৰ হৈ নেতা অৰবিন্দ ৰাজখোৱা সহিতে কেইজনমানে অংশগ্ৰহণ কৰিছিল। কিন্তু মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ নিৰ্দেশত তেওঁলোক বহুকেইবাৰ আলোচনা সমাপ্ত নকৰাকৈয়ে সামৰিব লগা হৈছিল।

২০০৩ চনত যেতিয়া ভূটানত সংগঠনটোৰ বিৰুদ্ধে যৌথ অভিযান চলোৱা হৈছিল তাৰ পিছত সংগঠনৰ পৰা পুনৰ চৰকাৰৰ লগত আলোচনাৰ প্ৰস্তাৱ আহিছিল। পৰেশ বৰুৱাই কিন্তু শান্তি প্ৰস্তাৱৰ লগত 'অসমৰ সাৰ্বভৌমত্ব' আৰু 'তৃতীয় ৰাষ্ট্ৰত আলোচনা'ৰ চৰ্ত ৰাখিছিল। আলফাৰ এই আলোচনাৰ প্ৰস্তাৱ গ্ৰহণত কিন্তু

কেন্দ্ৰীয় চৰকাৰ সাৱধান আছিল। অসমৰ বিখ্যাত সাহিত্যিক মামনি ৰয়ছম গোস্বামীয়েও কেন্দ্ৰীয় চৰকাৰক আলোচনালৈ আহিবলৈ আহ্বান জনাইছিল। বিভিন্ন পক্ষৰ প্ৰচেষ্টাৰ পিছতো কেন্দ্ৰীয় চৰকাৰে সাৰ্বভৌমত্বৰ বিষয়টোত আলোচনা কৰিবলৈ সন্মত নহ'ল। পৰেশ বৰুৱাই এই কাৰ্যক সাম্ৰাজ্যবাদৰেই নীতি আখ্যা দিছিল। ইয়াৰ পিছত ২০০৫ চনত মামনি ৰয়ছম গোস্বামীয়ে পুনৰ আলফা আৰু চৰকাৰৰ আলোচনাৰ পথ প্ৰশস্ত কৰাৰ বাবে তেতিয়াৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙক লগ কৰিছিল। এই সময়তে আলফাই প্ৰথমবাৰৰ বাবে নাগৰিক সমাজক আলোচনাত আগভাগ লোৱাৰ আহ্বান জনাই ১১ জনীয়া এটা দল (People's Consultative Group, PCG) গঠন কৰিছিল। এই দলত সাহিত্যিক, বুদ্ধিজীৱি তথা নাগৰিকক অন্তৰ্ভুক্ত কৰি চৰকাৰৰ লগত আলোচনাৰ বাবে আহ্বান জনাইছিল। এই দলটোৱে ২০০৫ চনৰ নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰীৰ লগত আলোচনাত মিলিত হৈছিল। আলোচনা যথেষ্ট ধনাত্মক বুলি দলটোৱে পিছত মন্তব্য কৰিছিল। এই আলোচনা হঠাৎ বন্ধ হৈছিল যেতিয়া দুয়োপক্ষই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ আশ্ৰয় লৈছিল। বিশেষকৈ ২০০৫ চনত ডিব্ৰু-চৌখোৱাত হোৱা সামৰিক অভিযান এই আলোচনা ব্যৰ্থ কৰিবলৈ যথেষ্ট আছিল। ইয়াৰ পিছতেই আলফাই আক্ৰমণৰ লক্ষ্য কৰি লৈছিল হিন্দী ভাষী লোকসকলক। পৰিস্থিতি পুনৰ উত্তপ্ত হৈছিল। ইয়াৰ পিছতো কিন্তু চৰকাৰে আলোচনাৰ পথ একেবাৰে ৰুদ্ধ কৰা নাই। লাহে লাহে আলোচনাৰ বিষয়ক লৈ আলফা নেতৃত্বৰ মাজতো দ্বি-মত হ'বলৈ ধৰিছিল। ফলস্বৰূপে কিছুমানে সাৰ্বভৌমত্বৰ বিষয়টো বাহিৰত ৰাখি আলোচনা কৰিবলৈ সাজু হৈছে বা কৰিছেও। কিন্তু এই গোটটোৰ কাম-কাজক এতিয়া পৰেশ বৰুৱাই আলফাৰ মূল দাবীৰ পৰা পৃথক বুলি ঘোষণা কৰি এই আলোচনা গ্ৰহণযোগ্য নহয় বুলি ঘোষণা কৰি আহিছে। কিন্তু এটা কথা নিশ্চিত যে আলফাৰ শক্তি পূৰ্বতকৈ যথেষ্ট হ্ৰাস পাইছে।

**উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদৰ কাৰণ (Causes of Terrorism in North East) ঃ**

উত্তৰ পূৰ্বাঞ্চলত উত্থান ঘটা সন্ত্ৰাসবাদী সমস্যাৰ আঁৰত বিভিন্ন কাৰকৰ উপস্থিতি দেখা যায়। অৰ্থাৎ এই সমস্যা হ'ল বিভিন্ন কাৰকৰ সমষ্টি। তলত এই কাৰকবোৰৰ আলোচনা কৰা হ'ল—

**অৰ্থনৈতিক কাৰণ** (Economic Causes) ঃ

উত্তৰ-পূৰ্বাঞ্চল প্ৰাকৃতিক সম্পদত যথেষ্ট চহকী অঞ্চল। বিশেষকৈ অসম, মেঘালয় আদি ৰাজ্য প্ৰাকৃতিক সম্পদত যথেষ্ট চহকী। কিন্তু স্বাধীনতাৰ পিছৰ পৰাই দেখা গৈছে যে উত্তৰ পূৰ্বাঞ্চলৰ বেছিভাগ সম্পদেই কেন্দ্ৰীয় চৰকাৰে নিজৰ ইচ্ছা মতে শোষণ কৰি এইবোৰ ব্যৱহাৰ কৰিছে আৰু এইবোৰৰ উপযুক্ত ৰাজহ ৰাজ্যসমূহক প্ৰদান নকৰে। এনে বঞ্চনাৰ প্ৰতিবাদ স্বৰূপেই অসম, মেঘালয় আদি ৰাজ্যত ক্ষোভে সন্ত্ৰাসবাদৰ ৰূপ লৈছে। আকৌ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো এক অ-সম বিকাশৰ অভিজ্ঞতাই উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক ক্ষোভিত কৰি আহিছে। ভাৰতৰ কিছুমান ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ বদান্যতাত অৰ্থনৈতিক অগ্ৰগতি লাভ কৰাৰ বিপৰীতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে যথেষ্ট সম্ভাৱনা থকাৰ পাছতো বঞ্চনা আৰু বৈষম্যৰ সন্মুখীন হৈ আহিছে। বৰঞ্চ সম্পদসমূহ কেন্দ্ৰীয় চৰকাৰে আহৰণ কৰাৰ পাছতো ইয়াৰ পৰা পাবলগা ৰাজহ এই ৰাজ্যসমূহে বেছিভাগ সময়তে লাভ কৰা নাই বুলি অভিযোগ উত্থাপিত হয়।

**ৰাজনৈতিক কাৰণ** (Political Cause) ঃ

উত্তৰ-পূৰ্বাঞ্চলত সন্ত্ৰাসবাদৰ আন এক গুৰুত্বপূৰ্ণ কাৰণ হ'ল ৰাজনৈতিক কাৰণ। ৰাজনৈতিক কাৰণ আকৌ দুটা দিশৰ সমষ্টি। ভৌগোলিক দিশৰ লগতে ৰাজনৈতিকভাৱেও উত্তৰ পূৰ্বাঞ্চলৰ বহু সময়ত ৰাষ্ট্ৰীয় ৰাজনীতি উপেক্ষিত হৈ আহিছে। বিভিন্ন সময়ত ৰাজনৈতিক সদিচ্ছাৰ অভাৱৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে প্ৰাপ্য অধিকাৰ হেৰুৱাব লগা হৈছে। ৰাজনৈতিক সা-সুবিধা, নেতৃত্ব, প্ৰতিনিধিত্ব প্ৰদানত হেমাহি ইত্যাদিয়ে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ জনসাধাৰণৰ মনত অসন্তুষ্টিৰ সৃষ্টি হোৱাত অৰিহণা যোগাইছিল। এই অসন্তুষ্টিয়ে বিভিন্ন ৰাজ্যত আৰু বিভিন্ন নৃগোষ্ঠীয় লোকৰ মাজত পৃথক ৰাজ্যৰ দাবীত বিভিন্নতাবাদ আৰু সন্ত্ৰাসমূলক কাৰ্য সৃষ্টি হোৱাত অৰিহণা যোগাইছিল। যেনেঃ অসমৰ বড়ো সন্ত্ৰাসবাদ, আলফাৰ সন্ত্ৰাসবাদ ইত্যাদি। অৱশ্যে বড়ো সন্ত্ৰাসবাদৰ নৃগোষ্ঠীয় দিশে আছে। সেই বিষয়ে পিছলৈ আলোচনা কৰা হৈছে।

**ভৌগোলিক কাৰণ** (Geographical Cause) ঃ

উত্তৰ পূৰ্বাঞ্চলৰ ভৌগোলিক স্থিতি ইয়াৰ সন্ত্ৰাসবাদী সমস্যাৰ উত্তৰণৰ আন এক উল্লেখযোগ্য কাৰণ। উত্তৰ পূৰ্বাঞ্চলৰ বহু কেইখন ৰাষ্ট্ৰই বিদেশী ৰাষ্ট্ৰৰ চাৰিসীমাৰ লগত সংযুক্ত। চীন, ম্যানমাৰ, ভূটান, নেপাল, বাংলাদেশ আদি হ'ল এই অঞ্চলৰ বিভিন্ন ৰাজ্যৰ সীমাত থকা চুবুৰীয়া দেশ যিবোৰে বিভিন্ন সময়ত এই অঞ্চলৰ সন্ত্ৰাসবাদী সকলক হয় নিজৰ চাৰিসীমাৰ সুবিধা প্ৰদান কৰিছে, নহয় প্ৰয়োজনীয় অস্ত্ৰ-সস্ত্ৰ, প্ৰশিক্ষণ আৰু সুৰক্ষা প্ৰদান কৰি আহিছে। ফলত এই অঞ্চলৰ সন্ত্ৰাসবাদী সকলৰ বাবে কাৰ্য সম্পাদন সুচল হৈ পৰিছে। ইয়াৰ উপৰি এই অঞ্চলটো গভীৰ হাবি-বননি আৰু পথাৰৰ দ্বাৰা আবৃত। ফলস্বৰূপে সন্ত্ৰাসবাদী সংগঠনবোৰে আৰক্ষী তথা সামৰিক বাহিনীৰ পৰা পলাই সুৰক্ষিত হ'ব পাৰে আৰু নিজৰ সন্ত্ৰাসমূলক কাৰ্য্য অব্যাহত ৰাখিব পাৰে। বেছিভাগ সন্ত্ৰাসবাদী সংগঠনৰেই মূল শিবিৰ গভীৰ অৰণ্যত হোৱা বাবে এই অঞ্চলৰ জংঘল বা অৰণ্যৰ প্ৰকৃতিৰ লগত অপৰিচিত সামৰিক বাহিনীবোৰ সন্ত্ৰাসবাদী সংগঠনৰ ঘাটিসমূহ উৎখাত কৰাত ব্যৰ্থ হোৱা দেখা যায়। গতিকে ভৌগোলিক কাৰকে উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদৰ উত্থান আৰু কাৰ্য সম্পাদনাত যথেষ্ট সহায় কৰে। দৰাচলতে, উত্তৰ পূৰ্বাঞ্চল ভৌগোলিকভাৱে এক আওহতীয়া অঞ্চল। এক ঠেক কৰিডৰেহে উত্তৰ পূৰ্বাঞ্চলক মূল ভাৰতবৰ্ষৰ লগত সংযোজিত কৰি ৰাখিছে। ইয়াৰ ফলত বহুদিনলৈ উত্তৰ পূৰ্বাঞ্চলৰ স্থিতি আৰু পৰিস্থিতিক লৈ কেন্দ্ৰীয় চৰকাৰ সজাগ নাছিল। এনে পৰিস্থিতিৰ সুযোগ লৈয়েই বিভিন্ন সন্ত্ৰাসবাদী সংগঠনসমূহে নিজৰ কাৰ্যকলাপ অব্যাহত ৰাখিবলৈ সক্ষম হৈছিল।

**নৃ-গোষ্ঠীয় কাৰণ** (Ethnic Cause) ঃ

উত্তৰ পূৰ্বাঞ্চল ভাৰতৰ আটাইতকৈ বেছি বিচিত্ৰ অঞ্চল বুলি কলেও ভুল কোৱা নহয়। এই অঞ্চলটো বিভিন্ন জাতি, জনগোষ্ঠীৰ বাসস্থান। গতিকে ই বিভিন্ন সাংস্কৃতিক উপাদানৰো স্থলী। এই গোটসমূহৰ প্ৰত্যেকৰে নিজা নিজা জীৱনশৈলী তথা সংস্কৃতি আছে যিবোৰক লৈ এই গোটসমূহ যথেষ্ট সংবেদনশীল। ঐতিহাসিকভাৱেও তেওঁলোকক কিছু পৃথক হিচাপেই গণ্য কৰা হৈছিল যাতে তেওঁলোকৰ স্বকীয় বৈশিষ্ট সুৰক্ষিত কৰিব পৰা যায়। ইংৰাজৰ শাসনৰ ১৮৭৪ চনৰ পৰা ১৯৩৪ চনৰ ভিতৰত এই অঞ্চলসমূহক বহিৰ্ভূত

অঞ্চল (Excluded area) বা পিছপৰা (Backward) হিচাবে গণ্য কৰা হৈছিল আৰু সেই অনুসৰি ইয়াৰ প্ৰশাসন নিৰ্দ্ধাৰণ কৰা হৈছিল। ১৯৭৩ চনত প্ৰৱৰ্তন কৰা ইনাৰ লাইন পাৰ্মিট (Inner line permit) ব্যৱস্থাই এই অঞ্চলত অন্য লোকৰ স্থাপনত বাধা দি এওঁলোকৰ পৃথক ব্যৱস্থা অক্ষুন্ন ৰখাত সহায় কৰিছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনেও এই অঞ্চলবোৰক বহিৰ্ভূত অঞ্চল (Excluded area) হিচাবে চিনাক্ত কৰি প্ৰাদেশিক আইন সভাৰ ক্ষমতাৰ পৰিসীমাৰ পৰা এই অঞ্চলসমূহক আতৰত ৰাখিছিল। গতিকে অৱধাৰিতভাৱেই এই ব্যৱস্থাসমূহ বিভিন্ন জনগোষ্ঠীয় লোকসমূহক তেওঁলোকৰ পৃথক বৈশিষ্ট আৰু অনুভৱক সংৰক্ষণ কৰিছিল। স্বাধীনোত্তৰ ভাৰতত এই পৃথক অনুভৱৰ লগত সংযোগ হৈছিল অৰ্থনৈতিক, সামাজিক বৈষম্য, শোষণ আৰু বঞ্চনা। ফলস্বৰূপে বেছিভাগ সময়তে হিংসাত্মক মাধ্যমৰ সহায়ত পৃথক ৰাজ্য আৰু কেতিয়াবা আনকি পৃথক ৰাষ্ট্ৰৰো দাবী উত্থাপন হ'বলৈ আৰম্ভ কৰিছিল। ভাৰত ৰাষ্ট্ৰই প্ৰথম অৱস্থাত এই আন্দোলন বা সন্ত্ৰাসবাদৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল যদিও পিছলৈ বিভিন্ন পৃথক প্ৰশাসনিক গাঁথনি যেনেঃ স্বায়ত্ব শাসিত পৰিষদ আদি গঠন কৰি বা ষষ্ঠ অনুসূচীৰ সম্প্ৰসাৰণ কৰি এই সন্ত্ৰাস বন্ধ কৰাৰ প্ৰচেষ্টা চলাইছিল। ভাৰত ৰাষ্ট্ৰৰ এই প্ৰচেষ্টাই আকৌ বিভিন্ন সময়ত পৃথক পৃথক নৃগোষ্ঠীয় গোটক স্বতন্ত্ৰতাৰ দাবী উত্থাপনত আৰু সন্ত্ৰাসবাদী সমস্যাৰ উত্থানত সহায়ো কৰিছে।

**ঐতিহাসিক কাৰণ** (Historical Cause) ঃ

উত্তৰ পূৰ্বাঞ্চলত ঐতিহাসিক কাৰণতো সন্ত্ৰাসবাদী সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। নাগালেণ্ড, অসম আদি ৰাজ্যৰ সন্ত্ৰাসবাদৰ অন্যতম এক কাৰণ হিচাপে ঐতিহাসিক কাৰণক চিনাক্ত কৰিব পাৰি। নাগালেণ্ডৰ মূল সন্ত্ৰাসবাদী সংগঠন NSCN ৰ মতে নাগালেণ্ড ইংৰাজ শাসনৰ পূৰ্বে কেতিয়াও ভাৰতৰ অংশ নাছিল। গতিকে স্বাধীন ভাৰতবৰ্ষৰ অংশ হিচাবে থকাৰ বা স্বাধীন ভাৰতবৰ্ষই তেওঁলোকক জোৰ কৰি নিজৰ লগত ৰখাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। সেয়েহে স্বাধীনতাৰ পিছৰ পৰাই তেওঁলোকে এক পৃথক ৰাষ্ট্ৰৰ দাবী জনাই আহিছে। অসমৰ সন্ত্ৰাসবাদী সংগঠন আলফাইও একে যুক্তি দাঙি ধৰে আৰু এখন পৃথক সাৰ্বভৌম ৰাষ্ট্ৰৰ দাবী কৰে।

**উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদৰ ফলাফল** (Impact of Terrorism in North East) ঃ

আগতেই উল্লেখ কৰা হৈছে যে মানৱ অধিকাৰ সুৰক্ষা আৰু আৰ্থ সামাজিক বিকাশৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলে সন্মুখীন হোৱা অন্যতম প্ৰত্যাহ্বান হ'ল সন্ত্ৰাসবাদ। মানৱীয় নিৰাপত্তা, সুস্থিৰ জীৱিকা ইত্যাদিৰ লগতে অৰ্থনৈতিক প্ৰগতিৰ বিভিন্ন পথ সন্ত্ৰাসবাদী সমস্যাৰ বাবেই এই অঞ্চলত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তলত এই বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

১। **ব্যক্তিৰ জীৱনৰ বা জীয়াই থকাৰ অধিকাৰৰ প্ৰতি প্ৰত্যাহ্বান** (Challenges towards the right to life) ঃ

সন্ত্ৰাসবাদে সাধাৰণতে সাধাৰণ মানুহৰ জীৱন পনবন্দী হিচাপে লৈ নিজৰ উদ্দেশ্য সাধনৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে। ইয়াৰ ফলত আন আন অঞ্চলৰ দৰে উত্তৰ পূৰ্বাঞ্চলতো বহুতো নিৰীহ জনসাধাৰণে

সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ফলত জীৱন হেৰুৱাব লগা হৈছে আৰু বহুতে পংগুত্বৰ জীৱন কটাব লগা হৈছে। সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবেই এই অঞ্চলৰ মানুহে এক শংকাপূৰ্ণ জীৱন কটাবলগা হয়। এই শংকা কেৱল সন্ত্ৰাবাদীসকলৰ বাবেই নহয়, সন্ত্ৰাস নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰই গ্ৰহণ কৰা ব্যৱস্থাসমূহেও এই অঞ্চলৰ মানুহৰ জীৱনলৈ বিভিন্ন সময়ত দুৰ্যোগ নমাই আনিছে। এনে প্ৰেক্ষাপটত সঘনাই দেখা পোৱা এক ফল হ'ল ব্যক্তিৰ জীৱনৰ অধিকাৰৰ নিৰাপত্তাহীনতা। AFSPA ৰ দৰে ভয়াবহ আইনৰ উপস্থিতিয়ে এই অঞ্চলৰ মানুহক বহু সময় ধৰি শংকাপূৰ্ণ জীৱন কটাবলৈ বাধ্য কৰিছে।

২। **ৰাজহুৱা সম্পদ ধ্বংস** (Destruction of Public property) ঃ

উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদৰ আন এটা পৰিণতি হ'ল ৰাজহুৱা সম্পদৰ ধ্বংসকৰণ। ৰেলপথ, দলং, ৰজাৰগৃহ ঐতিহ্যমণ্ডিত স্থান ইত্যাদি সম্পদবোৰ যিবোৰ ইয়াৰ মানুহে বহুদিন ধৰি কৰা দাবীৰ ফলত হৈছিল, সেইবোৰো সন্ত্ৰাবাদীৰ কুটাঘাটমূলক কাৰ্যৰ লক্ষ্য হৈ পৰাৰ ফলত ৰাজহুৱা সম্পদৰ যথেষ্ট ক্ষতি হৈছে। এইবোৰ পুনৰ নিৰ্মাণৰ নামত চৰকাৰে আকৌ পইচা খৰচ কৰিবলগীয়াটো দুৰ্ভাগ্যজনক। কিন্তু এই অঞ্চলত সঘনাই সংঘটিত কুটাঘাটমূলক কাৰ্যই চৰকাৰক একেটা দিশতে কাৰ্য সম্পাদন কৰিবলৈ বাধ্য কৰিছে। ফলস্বৰূপে এই অঞ্চলৰ উন্নয়নো ব্যাহত হৈছে।

৩। **অৰ্থনৈতিক অনগ্ৰসৰতা** (Economic Backwardness) ঃ

মন্থৰ অৰ্থনৈতিক প্ৰগতি বা অৰ্থনৈতিক অনগ্ৰসৰতা উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সমস্যাৰ আন এক পৰিণতি। আৰম্ভণিৰে পৰা যথেষ্ট সম্পদ থকাৰ পিছতো বিভিন্ন কাৰণত এই অঞ্চলটো অৰ্থনৈতিকভাৱে পিছ পৰি আছে। ইয়াৰ লগতে সংযোগ হৈছে সন্ত্ৰাসবাদ। ফলত এই অঞ্চলত কোনো উদ্যোগপতি বিনিয়োগৰ বাবে বা উদ্যোগ স্থাপনৰ বাবে আগ্ৰহী নহয়। ফলস্বৰূপে ইয়াৰ সম্ভাৱনা থকাৰ পিছতো আশা কৰা ধৰণে উদ্যোগ গঢ়ি উঠা নাই। আকৌ চৰকাৰে বহু সময়ত এই অঞ্চলত সন্ত্ৰাস নিৰ্মূলৰ বাবে ব্যৱস্থা গ্ৰহণৰ ওপৰতহে অধিক গুৰুত্ব দিব লগা হোৱা বাবে অৰ্থনৈতিক প্ৰগতি ব্যাহত হোৱা দেখা যায়।

৪। **পৰ্যটন উদ্যোগৰ ক্ষতি** (Loss of Tourist Industry) ঃ

প্ৰাকৃতিক আৰু নৈসৰ্গিকভাৱে উত্তৰ পূৰ্বাঞ্চল পৰ্যটকৰ অন্যতম আকৰ্ষণীয় স্থান। পৰ্যটন উদ্যোগৰ জৰিয়তে এই অঞ্চলৰ অৰ্থনৈতিক প্ৰগতিৰ যথেষ্ট সম্ভাৱনা আছে। কিন্তু এই অঞ্চলৰ সন্ত্ৰাসবাদী সমস্যাই পৰ্যটকসকলক এই অঞ্চললৈ অহাত বাধা দি আহিছে। ইচ্ছা আৰু সম্ভাৱনা থকা স্বত্বেও পৰ্যটক এই অঞ্চললৈ আহিবলৈ সাহস নকৰে। ফলস্বৰূপে এক বৃহৎ আয়ৰ পৰা এই অঞ্চলসমূহ বঞ্চিত হ'বলগা হৈছে আৰু সেয়েহে পৰ্যটন ক্ষেত্ৰবোৰেও গুৰুত্ব হেৰুৱাইছে। পৰ্যটনে এই অঞ্চলত নিয়োগৰ সুযোগো বৃদ্ধি কৰিব পাৰে। কিন্তু সেয়াও বিঘ্নিত হৈছে। মুঠ কথাত সন্ত্ৰাবাদৰ ফলত উত্তৰ পূৰ্বাঞ্চলৰ পৰ্যটন উদ্যোগটো যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে।

৫। **জন নিৰাপত্তাৰ প্ৰতি প্ৰত্যাহ্বান** (Challenges towards Human security) ঃ

উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সমস্যাই এই অঞ্চলৰ জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি যথেষ্ট প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। জীৱন, জীৱিকা, বিকাশ ইত্যাদি নিৰাপত্তাগত দিশবোৰ সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত হৈছে আৰু এক শংকাপূৰ্ণ, অনিশ্চিত আৰু দৰিদ্ৰ জীৱন কটাবলৈ ইয়াৰ লোকসকল বাধ্য হৈছে। জন নিৰাপত্তাৰ ধাৰণাই ব্যক্তিক ভয়, শংকামুক্ত এক জীৱন প্ৰদান কৰাৰ উপৰিও অভাৱৰ পৰা মুক্ত হোৱাকো বুজায়। কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সমস্যাই এই দুয়োটা দিশৰ পৰাই জনসাধাৰণক নিৰাপত্তাহীন কৰি ৰাখিছে। ফলত এই অঞ্চলৰ সামগ্ৰীক বিকাশ ব্যাহত হৈছে।

এইদৰে দেখা যায় যে উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সমস্যা এক দীৰ্ঘদিনীয়া সমস্যা আৰু এই সমস্যাই এই অঞ্চলৰ বিকাশত ব্যাহত কৰাৰ লগতে জনসাধাৰণৰ জীৱন, সম্পত্তি আৰু বিকাশৰ অধিকাৰক বিঘ্নিত কৰিছে।

## আলফা বা সংযুক্ত মুক্তি বাহিনী অসম

উত্তৰ পূৰ্বাঞ্চলৰ শক্তিশালী সন্ত্ৰাসবাদী গোটৰ ভিতৰত সংযুক্ত মুক্তি বাহিনী অসম (United Liberation Front of Assam) চমুকৈ আলফা অন্যতম। ভাৰত চৰকাৰৰ আপেক্ষিক বৈষম্যমূলক (Relative Deprivation) আচৰণৰ বিৰুদ্ধে ভাৰতৰ অন্য প্ৰান্তৰ লগতে অসমতো এচাম জাতিয়তাবাদী চিন্তাধাৰাৰ লোকৰ নেতৃত্বত এক সশস্ত্ৰ বিপ্লৱী সংগঠন আলফা গঢ়ি উঠিছিল। অসমত চলি থকা বিদেশী খেদা আন্দোলন অসম আন্দোলনৰ সমান্তৰালকৈ অসমক এক স্বাধীন ৰাষ্ট্ৰ হিচাপে প্ৰতিস্থাৰ মানসেৰে এই সশস্ত্ৰ সংগঠনটোৱে নিজৰ কাৰ্যসূচীৰ পাতনি মেলিছিল। পৰৱৰ্তী পৰ্য্যায়ত এই সংগঠনটোৱে বিভিন্ন উত্থান-পতনৰ মাজেৰে নিজৰ অস্তিত্ব আগবঢ়াই লৈ গৈছে।

আলফাই নিজে কৰা দাবী অনুসৰি ১৯৭৯ চনৰ ৭ এপ্ৰিলত আহোম ৰাজত্বৰ অন্যতম চিহ্ন স্বৰূপ শিৱসাগৰত অৱস্থিত ৰংঘৰৰ বাকৰিত সংগঠনটোৰ জন্ম হয়। আৰম্ভণিতে কেৱল ৭ জন সদস্যক লৈ এই সংগঠনৰ জন্ম হৈছিল। তেওঁলোক হ'ল- নামৰূপৰ সুৰেন দিহিংগীয়া, নাহৰকটীয়াৰ বুদ্ধেশ্বৰ গগৈ, মাহমৰাৰ সোমেশ্বৰ গগৈ, মৰানৰ বুদ্ধেশ্বৰ গগৈ, ডিমৌৰ ভূপেন গোঁহাই, চাবুৱাৰ গোলাপ বৰুৱা আৰু লাকুৱাৰ প্ৰদীপ গগৈ। সেইসভাতে সুৰেন দিহিংগীয়াক সভাপতি, বুদ্ধেশ্বৰ গগৈক সেনাধ্যক্ষ, ভূপেন গোঁহাইক সম্পাদক, গোলাপ বৰুৱাক সাংগঠনিক সম্পাদক আৰু বাকীকেইজনক সদস্য হিচাপে লৈ মূল সমিতিখন গঠিত হয়। পৰৱৰ্তী পৰ্যায়ত পৰেশ বৰুৱা, ৰাজীৱ ৰাজকোঁৱৰ, ৰামু মেছ, চিত্ৰবন হাজৰিকা, কল্পজ্যোতি নেওঁগ, নৰ কোঁৱৰ, হীৰকজ্যোতি মহন্তকে ধৰি ভালেমান যুৱক এই সংগঠনত জড়িত হৈ পৰে। ঠিক সেই সময়তে পৰেশ বৰুৱাক সেনাধ্যক্ষ, ৰাজীৱ ৰাজকোঁৱৰক সভাপতি আৰু গোলাপ বৰুৱাক সম্পাদক হিচাবে নিৰ্বাচিত কৰি

এখন পূৰ্ণাঙ্গ সমিতি তৈয়াৰ কৰে। এই সমিতিৰ প্ৰচেষ্টাত সমগ্ৰ অসমতে সদস্য ভৰ্ত্তিৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু উজনি-নামনিৰ ভালেমান যুৱক এই সশস্ত্ৰ সংগঠনত যোগদান কৰে।

জন্মকালৰে পৰা আলফাৰ মূল লক্ষ্য আছিল স্বাধীন অসম প্ৰতিষ্ঠা। আলফাৰ দৃষ্টিকোণৰ পৰা 'আলফা এটা বিপ্লৱী ৰাজনৈতিক সংগঠন'। ভাৰত চৰকাৰে অসমত চলোৱা ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ আৰু অৰ্থনৈতিক শোষণ দূৰ কৰি এখন স্বাধীন সাৰ্বভৌম অসম গঢ়ি তোলাই এই সংগঠনৰ উদ্দেশ্য। এওঁলোকৰ ভাষ্য মতে আলফা এটা বিচ্ছিন্নতাবাদী সংগঠন নহয়। কাৰণ তেওঁলোকে দাবী কৰে যে অসম কেতিয়াও ভাৰতৰ অংশ নাছিল আৰু এইটো মাত্ৰ ১৮২৬ চনৰ ইংৰাজ চৰকাৰ আৰু ম্যানমাৰ চৰকাৰৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধিৰ ফলতহে অসমক ভাৰতৰ অংগ কৰি লোৱা হৈছে। কিন্তু বাস্তৱিকতে ইয়াণ্ডাবু সন্ধি অসমৰ জনসাধাৰণৰ কৰ্তৃত্বৰ দ্বাৰা যিহেতু স্বাক্ষৰ কৰা হোৱা নাই, সেয়ে এই চুক্তি অগ্ৰহণযোগ্য আৰু ভাৰতৰাষ্ট্ৰই অসম মূলুকত উপনিৱেশিক সাম্ৰাজ্যহে প্ৰতিষ্ঠা কৰি আছে। এনে উপনিৱেশিকতা অন্ত পেলোৱাটোৱে তেওঁলোকৰ উদ্দেশ্য।

আলফাই প্ৰাৰম্ভিক পৰ্য্যায়ত ইয়াৰ জনভিত্তি বৃদ্ধি আৰু অৰ্থনৈতিক ক্ষমতা বৃদ্ধিৰ বাবে বিভিন্ন প্ৰচেষ্টা হাতত লৈছিল। জনভিত্তি বৃদ্ধিৰ বাবে জনসাধাৰণৰ মাজত আলফাৰ লক্ষ্য উদ্দেশ্য প্ৰচাৰ, নতুন সদস্য ভৰ্ত্তি, নিবনুৱা যুৱকৰ স্ব-নিয়োজন ব্যৱস্থা, দুৰ্নীতিগ্ৰস্থ বিষয়াৰ বিৰুদ্ধে কঠোৰ কাৰ্যকলাপ গ্ৰহণ কৰিছিল। অৰ্থনৈতিক শক্তি বৃদ্ধিৰ বাবে ব্যৱসায়ী, দুৰ্নীতিগ্ৰস্থ বিষয়াক ধন দাবী আদি কাৰ্যকলাপ গ্ৰহণ কৰিছিল। আলফাৰ এনে কাৰ্যাৱলীয়ে অসমীয়া জনসাধাৰণৰ মাজত কিছু গণভিত্তি আৰু গণ-সমৰ্থনও তৈয়াৰ কৰিছিল। এনেদৰে জন্মৰ প্ৰায় এটা দশকৰ ভিতৰতে আলফাই এটা শক্তিশালী সংগঠনৰ ৰূপত আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হয়।

আলফাই ইয়াৰ সশস্ত্ৰ কাৰ্যসূচীৰ পাতনি মেলিছিল ১৯৮০ চনৰ ১৯ এপ্ৰিল তাৰিখে তেতিয়াৰ গৃহমন্ত্ৰীক আক্ৰমণ কৰি। কিন্তু আক্ৰমণকাৰী হৰি বৰকাকতি আক্ৰমনত নিহত হয়। আলফাৰ দ্বাৰা ঘোষিত তেওঁ প্ৰথমজন শ্বহীদ। লাহে লাহে আলফাৰ সশস্ত্ৰ কাৰ্যৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে আৰু ভাৰত চৰকাৰৰ গুপ্তচৰৰ হাতত আলফাই বিদেশী শক্তিৰ তত্ত্বাৱধানত প্ৰশিক্ষণ লোৱাৰ তথ্য আহি পৰে। ফলশ্ৰুতিত ১৯৯০ চনত ভাৰত চৰকাৰে সংগঠনটোক উগ্ৰপন্থীৰ শাৰীত ৰাখি নিষিদ্ধ ঘোষণা কৰে আৰু সংগঠনটোৰ বিৰুদ্ধে সামৰিক অভিযানৰ সূচনা কৰে। ১৯৯০ চনত আলফাৰ বিৰুদ্ধে 'অপাৰেশ্বন বজৰং' আৰু ১৯৯১ চনত 'অপাৰেশ্বন ৰাইনো' নামেৰে সামৰিক অভিযান চলায়। সমান্তৰালকৈ আলফাৰ মাজতে এক বিভাজন অনাৰ বাবে এক প্ৰচেষ্টা চলিছিল। সেই সময়ৰ চৰকাৰে আত্মসমৰ্পনকাৰী আলফাক স্বাৱলম্বীতাৰ বাবে দায়বদ্ধতাহীনভাৱে ঋণদান আৰু আত্মসুৰক্ষাৰ স্বাৰ্থত অস্ত্ৰ ৰখাৰ অনুমতি প্ৰদানৰ এক প্ৰস্তাৱ ঘোষণা কৰিলে। এই প্ৰস্তাৱৰ সন্মুখত ভালেমান আলফা সদস্যই আত্মসমৰ্পন কৰিলে। ১৯৯১ চনৰ পৰা ১৯৯৮ চনৰ ভিতৰতে ৮৭১৮ জন সদস্যই আত্মসমৰ্পন কৰে। আত্মসমৰ্পনকাৰী আলফা সদস্যসকল 'ছালফা' নামেৰে সমাজত পৰিচিত হ'ল। লাহে লাহে আত্মসমৰ্পনৰ মাত্ৰা বাঢ়ি আহিল আৰু কেৱল ২০১২ চনৰ ২৪ জানুৱাৰীত ৬৭৬ জন সদস্যই আত্মসমৰ্পন কৰে। নিসন্দেহে এনে আত্মসমৰ্পন কাৰ্যসূচীয়ে আলফাৰ সাংগঠনিক ভেটি দুৰ্বল কৰিছিল। সদস্যৰ আত্মসমৰ্পনৰ অন্তৰালত ভালেমান কাৰক নিহিত আছিল, যেনে (১) চৰকাৰে আগবঢ়োৱা সুবিধাৰ লোভ, (২) আলফা

সদস্যৰ পৰিয়ালত চৰকাৰে চলোৱা অকথ্য নিৰ্যাতন (৩) সামৰিক অভিযানত ধৃত আলফা সদস্য আৰু (৪) আলফাৰ ভৱিষ্যৎ সম্পৰ্কে সন্দিহান আদি।

আলফাৰ বিৰুদ্ধে দেশৰ আভ্যন্তৰত তীব্ৰ অভিযান আৰম্ভ হোৱাৰ সময়ৰ পৰাই আলফাই ইয়াৰ শিবিৰবোৰ নিকটৱৰ্তী দেশলৈ স্থানান্তৰ কৰিছিল। ভূটান, ম্যানমাৰ, বাংলাদেশ আৰু চীনৰ পৰাই আলফাই প্ৰশিক্ষণ প্ৰদানৰ লগতে শিবিৰো স্থাপন কৰিছিল। ২০০৩ চনৰ আগলৈকে ভূটানৰ ঘন-জংঘলতে আলফাই কেন্দ্ৰীয় শিবিৰ প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে ২০০৩ চনত ভাৰতৰ সামৰিক বাহিনী আৰু ভূটানৰ সৈন্যৰ দ্বাৰা যুটীয়াভাবে চলা অপাৰেশ্বন অল ক্লিয়াৰৰ পাছত ভূটানৰ পৰা আঁতৰি আন দেশলৈ আলফাৰ কাৰ্যালয় স্থানান্তৰ কৰে। ভাৰত চৰকাৰৰ তথ্য অনুসৰি আলফাই বিভিন্ন দেশৰ ভাৰত বিৰোধী শক্তিৰ লগত সহযোগীতা কৰি ভাৰতক অস্থিৰ কৰাৰ কাৰ্যসূচী চলাই আছে। পাকিস্থানৰ আই. এচ. আই. আৰু বাংলাদেশৰ ডি.জি.এফ.আইৰ লগতে আন্তৰ্জাতিক সন্ত্ৰাসবাদী গোটসমূহৰ লগত এক নেটৱৰ্ক প্ৰতিষ্ঠা কৰাৰ দাবী ভাৰত চৰকাৰে কৰি আহিছে।

এফালে ভাৰত চৰকাৰৰ কঠোৰ সামৰিক অভিযান, আনফালে আলফাৰ মাজত বিভাজন আৰু বিভিন্ন সময়ত আলফাৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ অপপ্ৰয়োগে ক্ৰমাৎ আলফা শক্তি নিশকটীয়া কৰাৰ লগতে এক গণবিচ্ছিন্ন সংগঠনত পৰিণত কৰিছে।

আলফা সমস্যাৰ ৰাজনৈতিক সমাধানৰ বাবেও সময়ে সময়ে কিছু কাৰ্যসূচী গ্ৰহণ কৰা হৈ আহিছে। আলফাই নিজেই ভাৰত চৰকাৰৰ আগত তিনিটা চৰ্ত আগত ৰাখি আলোচনা কৰাৰ প্ৰস্তাৱ দিছিল। চৰ্তকেইটা হ'ল- (১) আলোচনাৰ স্থান তৃতীয় ৰাষ্ট্ৰ হ'ব লাগিব (২) আলোচনা ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত হ'ব লাগিব আৰু (৩) আলোচনাৰ বিষয়সূচীত সাৰ্বভৌমত্ব বিষয়টো অন্তৰ্ভুক্ত থাকিব লাগিব। ভাৰত চৰকাৰে আলফাৰ আটাইকেইটা প্ৰস্তাৱকে প্ৰত্যাখ্যান কৰিছিল। ২০০৪ চনত আলফাই প্ৰথম চৰ্ত দুটা ত্যাগ কৰি তৃতীয় বিষয়টোৰ ওপৰত আলোচনা কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। ভাৰত চৰকাৰে সাৰ্বভৌমত্বক আলোচনাৰ বিষয় হিচাবে ল'বলৈ অগ্ৰাহ্য কৰে। তথাপিও আলোচনাৰ সপক্ষে কিছু পৰিৱেশ সৃষ্টিৰ বাবে ২০০৫ চনৰ ৪ ছেপ্তেম্বৰত অৰবিন্দ ৰাজখোৱাই পিপলচ কনচাল্টিভ গ্ৰুপ (চমুকৈ পিচিজি) ড° মামনি ৰয়চম গোস্বামীৰ নেতৃত্বত গঠন কৰি দিয়ে। আলোচনা তিনিটা পৰ্যায়ত চলিছিল যদিও সাৰ্বভৌমত্বক আলোচনাৰ আওতাত আনিবলৈ ভাৰত চৰকাৰে অস্বীকাৰ কৰাত ই ব্যৰ্থ হয় আৰু আলফাই ২০০৬ চনৰ পৰা পুনৰ সশস্ত্ৰ আন্দোলন চলায়।

২০১১ চনত আলফাৰ লগত আলোচনাৰ বিষয়টো পুনৰ চৰ্চালৈ আহে। সংগঠনটোৰ সভাপতি অৰবিন্দ ৰাজখোৱাকে প্ৰমুখ্য কৰি অনুপ চেতিয়া, শশ চৌধুৰী, ৰাজু বৰুৱা, মিথিংগা দৈমাৰী আদি শীৰ্ষস্থানীয় ভালেমান নেতাই মূল সুঁতিলৈ ঘূৰি অহাৰ পাছত পুনৰ এলানি শান্তি আলোচনা আৰম্ভ হয়। ড° হীৰেণ গোঁহাইকে ধৰি ৰাজ্যৰ একাংশ সচেতন ব্যক্তিৰ উদ্যোগত অনুষ্ঠিত জাতীয় অভিৱৰ্তনে এই আলোচনা প্ৰক্ৰিয়া ত্বৰাম্বিত কৰিছিল। ৰাজনৈতিক ৰক্ষাকবচ, বিদেশী সমস্যা সমাধান আৰু অসমৰ সামগ্ৰীক উন্নতিক লৈ আলোচনা অৰ্থপূৰ্ণভাৱে আগবাঢ়িছিল যদিও বিদ্ৰোহী সংগঠনৰ নেতৃত্ব দি থকা আলফাৰ সেনাধ্যক্ষই সাৰ্বভৌমত্বৰ বিষয় বিহীন এনে আলোচনাৰ বিৰোধ কৰিছিল। ফলত আলফাৰ মাজত পুনৰ উলম্ব বিভাজন ঘটে। বিদ্ৰোহী

সংগঠনৰ নেতৃত্ব দি থকা আলফাৰ গোটটোক আলফা(স্বাধীন) আৰু আলোচনাৰ মেজলৈ অহা আলফাৰ শাখাটোক আলফা (আলোচনাপন্থী) নামেৰে দুটা পৃথক গোট তৈয়াৰ হয়। অন্যহাতেদি আলোচনাৰ দ্বাৰা আলফা সমস্যাৰ স্থায়ী সমাধান প্ৰক্ৰিয়াও পুনৰ স্থবিৰ হৈ পৰে।

২০১৭ চনৰ কোভিডকালীন পৰিস্থিতিৰ পৰা আলফা আৰু চৰকাৰে নিজা নিজাকৈ যুদ্ধ বিৰতিৰ (একপক্ষীয়ভাবে) প্ৰস্তাৱ ঘোষণা কৰিছে যদিও বিভিন্ন আৰ্থ-ৰাজনৈতিক কাৰকৰ বাবে আলফাত নতুন সদস্যৰ যোগদানৰ খবৰ প্ৰকাশ হৈ আহিছে। এনে নতুন সদস্য অন্তৰ্ভুক্তিয়ে হয়তো আলফাৰ গণশক্তি পুনৰুত্থানত সহায় কৰিলে আগন্তুক সময়ত আলফাই নতুন শক্তিৰে পুনৰ কৰ্মৰূপায়নত তৎপৰ হৈ পৰিব পাৰে।

## সশস্ত্ৰ সেনা বাহিনী বিশেষ ক্ষমতা আইন- ১৯৫৮
## [(Armed Force Special Power Act- 1958 (AFSPA)]

দেশৰ আভ্যন্তৰীন সমস্যাৰ সৈতে মোকবিলা কৰাৰ বাবে ১৯৫৮ চনৰ ২২ মে' তাৰিখে ভাৰতৰ সংসদত সশস্ত্ৰ সেনা বাহিনী বিশেষ ক্ষমতা আইনখন গৃহীত হৈছিল। প্ৰথম অৱস্থাত অসম আৰু মণিপুৰত বাহাল হোৱা এই আইনখন ১৯৫৮ চনৰ ১১ ছেপ্তেম্বৰ তাৰিখে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে কাৰ্যকৰী কৰা হয়। আইনখনৰ মূল উদ্দেশ্য আছিল উত্তৰ পূৰ্বাঞ্চলত গা-কৰি উঠা বিচ্ছিন্নতাবাদী শক্তিক সামৰিক দমনেৰে প্ৰতিহত কৰা। ১৯৮৩ চনত পঞ্জাৱ আৰু চণ্ডীগড়তো ইয়াক প্ৰযোজ্য কৰা হয়। ১৯৯০ চনৰ ছেপ্তেম্বৰ মাহত জম্মু-কাশ্মীৰতো ইয়াক বলবৎ কৰা হয়।

প্ৰকৃততে এই আইনখনৰ উৎস আছিল ঔপনিবেশিক, বৃটিছ শাসকে ভাৰতৰ স্বাধীনতা আন্দোলন দমন কৰা বাবে ১৯৪২ চনত বলবৎ কৰা “The Armed Forces special powers ordinance of 1942” খন। ইয়াৰ আধাৰতে ১৯৪৮ চনত The Armed Forces special powers ordinance of 1948 তৈয়াৰ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ১৯৫৮ চনত এক নতুন ৰূপত ইয়াক বলবৎ কৰে।

আইনখনৰ বিষয়বস্তু মানৱ অধিকাৰৰ একেবাৰে পৰিপন্থী। ইয়াত মূলতঃ ৭ টা ধাৰা আছে। ৪ ৰ পৰা ৬ নং ধাৰাত থকা ব্যৱস্থাৱলী মানুহৰ অধিকাৰৰ সম্পূৰ্ণ পৰিপন্থী।

আইনখনৰ ৪ নং ধাৰাত উল্লেখ আছে আইনৰ ৩ নং ধাৰাত ঘোষিত অশান্ত অঞ্চলত যদি আয়ুক্ত বা সম পৰ্যায়ৰ সেনা বিষয়াই অনুভৱ কৰে যে কোনোবাই আইন অমান্য কৰিছে তেন্তে সেই ব্যক্তিৰ ওপৰত গুলীচালনা বা সশস্ত্ৰ বল প্ৰয়োগ কৰিব পাৰিব। এনে অভিযান কালত মৃত্যু হ'লেও সেনা বিষয়া জগৰীয়া নহ'ব।

আইনখনত আৰৌ উল্লেখ আছে যে বিদ্ৰোহীয়ে ব্যৱহাৰ কৰা সন্দেহত যিকোনো গোপন ঘাটি বা প্ৰশিক্ষণ শিবিৰ বা যিকোনো তেনেধৰণৰ গাঁথনি সেনাবাহিনীয়ে ধ্বংস বা নষ্ট কৰিব পাৰে।

আইনখনত সেনাবাহিনীৰ হাতত যথেষ্ট ক্ষমতা অৰ্পন কৰি উল্লেখ কৰিছে যে আইনী জাননী নোহোৱাকৈয়ে কেৱল মাত্ৰ সন্দেহৰ ভিত্তিত এজন ব্যক্তিক অপৰাধত জড়িত বুলি আটক কৰিব পাৰিব, আনকি কোনো ব্যক্তিয়ে ভৱিষ্যতে অপৰাধ কৰিব পাৰে বুলি শংকা থাকিলেও তেনে ব্যক্তিক আটক কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে।

এই আইনৰ জৰিয়তে আইনী জাননী অবিহনে যিকোনো আবাসগৃহত প্ৰবেশ কৰি সেনাবাহিনীয়ে কোনো ব্যক্তিক আইন বিৰোধী সামগ্ৰী লগত ৰখাৰ অভিযোগত আটক কৰিব পাৰে।

প্ৰয়োগৰ সময়ৰ পৰাই AFSPA ৰ বিৰুদ্ধে মানৱ অধিকাৰ হননৰ বিভিন্ন অভিযোগ লাভ কৰি অহা হৈছে। আৰম্ভণিৰ পৰাই এই আইন প্ৰত্যাহাৰৰ দাবীত ৰাজপথত জনসাধাৰণে তীব্ৰ প্ৰতিবাদ আৰু সংগ্ৰাম অব্যাহত ৰাখিছে। এই আইনৰ দ্বাৰা অধিকতম ৰূপত মহিলাৰ অধিকাৰ ভংগ হৈছিল। উদাহৰণ স্বৰূপে এই আইন প্ৰয়োগৰ সময়তে ১৯৮৮ চনত অসম ৰাইফলচৰ সেনা জোৱানৰ দ্বাৰা ত্ৰিপুৰাৰ জনজাতীয় অধ্যোষিত অঞ্চলত ১৪ গৰাকী মহিলাক ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল আৰু ই সমগ্ৰ দেশতে চাঞ্চল্যৰ সৃষ্টি কৰি আইনখনৰ ভয়াবহতা প্ৰতিপন্ন কৰিছিল। ঠিক তেনেদৰে ২০০৬ চনৰ ৯ ফেব্ৰুৱাৰীত চন্দাই জিলাত সামৰিক অভিযান চলোৱা কালত ভাৰতীয় সেনাবাহিনীৰ দ্বাৰা তিনিগৰাকী মহিলাক হাত-ভৰি বান্ধি গণধৰ্ষণ কৰা হৈছিল।

সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনখনে জনসাধাৰণৰ জীৱনৰ অধিকাৰ সম্পূৰ্ণৰূপে খৰ্ব কৰিছিল। ১৯৯৩ চনৰ পৰা ২০০৭ চনলৈকে ১০৩ জন নিৰীহ যুৱকক ভুৱা সংঘৰ্ষত হত্যা কৰিছিল। ২০০২ চনৰ ৫ জুন তাৰিখে অৰুণাচলৰ বৰডুৰীয়া অঞ্চলত NSCN ৰ বিৰুদ্ধে সেনাবাহিনীয়ে অভিযান চলাই প্ৰায় চাৰি শতাধিক গাওঁৰ ওপৰত অমানুষিক শাৰীৰিক নিপীড়ন চলাইছিল। এই আইনৰ অধীনতে ৪ ডিচেম্বৰ ২০২১ চনত নাগালেণ্ডত সন্ত্ৰাসবাদী সন্দেহত কেইবাজনো শ্ৰমিকক গুলিয়াই হত্যা কৰা হৈছিল।

AFSPA ৰ দ্বাৰা অধিক ক্ষতিগ্ৰস্থ ৰাজ্য দুখন হৈছে মণিপুৰ আৰু অসম। অসমত আলফাৰ বিৰুদ্ধে চলোৱা সেনা অভিযান 'বজৰংগ' আৰু 'ৰাইনো'ৰ সময়ত ভালেমান সাধাৰণ লোকক নিৰ্যাতন কৰি জীৱন আৰু অন্য গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিছিল। ভালেমান ধৰ্ষণ, ভুৱা সংঘৰ্ষৰ ঘটনাৰ ন্যায়িক তদন্ত আজিলৈকে হৈ উঠা নাই।

উত্তৰ পূৰ্বাঞ্চলত বিশেষকৈ প্ৰযোজ্য হৈ থকা এই আইনখন প্ৰত্যাহাৰৰ দাবীত তীব্ৰ গণসংগ্ৰাম গঢ়ি উঠিছিল। মণিপুৰৰ লৌহ মানৱী ইৰম চানু শৰ্মিলাই এই আন্দোলনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। ২০০৫ চনৰ ২ নবেম্বৰৰ পৰা ১৬ বছৰ এই আইনৰ প্ৰত্যাহাৰৰ দাবীত শৰ্মিলাই অনশন কৰি বিশ্বৰে দীৰ্ঘ সময় ধৰি অনশন কৰা নাৰীত পৰিণত হৈছিল। ২০০৪ চনৰ ১৫ জুলাইত অসম ৰাইফলচৰ ধৰ্ষণৰ গোচৰ প্ৰতিবাদত মণিপুৰৰ বাংলা ফ'ৰ্টৰ সন্মুখত কেবাগৰাকী মহিলাই AFSPA ৰ বিৰোধিতাৰে উলংগ প্ৰতিবাদ সাব্যস্ত কৰি বিশ্ববাসীক এই আইনৰ ভয়াবহতাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছিল।

বিভিন্ন সময়ত হোৱা অভিযোগ আৰু প্ৰতিবাদৰ প্ৰতিক্ৰিয়া স্বৰূপে চৰকাৰে এই আইনৰ ওপৰত বিভিন্ন আয়োগ গঠন কৰি দিছিল। প্ৰতিটো আয়োগৰ প্ৰতিবেদনতে আইনখনৰ ভয়াবহতা প্ৰতিফলিত হৈছিল। ২০০৪ চনত গঠন কৰা ৰেড্ডী কমিটিয়ে এই কুখ্যাত আইনখন বাতিল কৰি এখন মানৱীয় আইন প্ৰৱৰ্তনৰ পৰামৰ্শ আগবঢ়াইছিল। ২০১২ চনত গঠিত ন্যায়াধীশ বাৰ্মা কমিটিয়েও আইখন বাতিলৰ পৰামৰ্শ আগবঢ়াইছিল। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ, এমনেষ্টি ইণ্টাৰনেচনেল, ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদ, হিউমেন ৰাইট্‌ছ ৱাটচ্‌ আদিৰ দৰে মানৱ অধিকাৰৰ প্ৰহৰী সংগঠনবোৰে AFSPA ৰ বাতিলৰ বাবে আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত হেঁচা প্ৰয়োগ কৰি আহিছে। সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলেও এনে আইনক আঁতৰ কৰা বা কাৰ্য পৰিধি সীমিতকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে।

মুঠতে AFSPA উত্তৰ-পূৰ্বাঞ্চলত মানৱ অধিকাৰ উলংঘনৰ এক অন্যতম কাৰক হিচাবে বিবেচিত হৈছে। আভ্যন্তৰীণ শান্তি-শৃংখলা প্ৰতিষ্ঠাৰ নামত ভাৰতীয় নাগৰিকৰ মূলতঃ উত্তৰ পূৰ্বাঞ্চলবাসীৰ মানৱ আৰু আন গণতান্ত্ৰিক অধিকাৰ খৰ্বৰ বিষয়টো কেতিয়াও গ্ৰহণযোগ্য নহয়। ই ৰাষ্ট্ৰ সন্ত্ৰাসৰ এক অন্যতম আহিলা হিচাবে মানৱ অধিকাৰৰ প্ৰেক্ষাপটত বিবেচিত হৈ আহিছে। প্ৰকৃত বিকাশ, শান্তি আৰু গণতান্ত্ৰিক পৰিবেশৰ স্বাৰ্থত এনে আইন বাতিল কৰাটো অতি আৱশ্যকীয়।

** ** **



## প্ৰশ্নাৱলী ঃ

১। সাম্প্ৰতিক সময়ত মানৱ অধিকাৰৰ লগত জড়িত ভাৰতবৰ্ষৰ চাৰিটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা।

২। খিলঞ্জীয়া কোন? ভাৰতৰ সংবিধানত কোনবিলাক লোকক খিলঞ্জীয়া আখ্যা দিয়া হৈছে? খিলঞ্জীয়া লোকৰ অধিকাৰৰ লগত জড়িত মূল ক্ষেত্ৰবোৰ আলোচনা কৰা।

৩। ভাৰতবৰ্ষত খিলঞ্জীয়া অধিকাৰ সুৰক্ষাৰ বাবে থকা ব্যৱস্থাৱসী আলোচনা কৰা।

৪। চিপকো আন্দোলনৰ মূল বিষয় কি আছিল? চিপকো আন্দোলন গঢ়ি উঠাৰ পটভূমি আৰু বিকাশৰ ওপৰত এটি টোকা লিখা।

৫। পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত চিপকো আন্দোলনৰ ভূমিকা আলোচনা কৰা।

৬। পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত নৰ্মদা বচাওঁ আন্দোলনৰ ভূমিকা আৰু তাৎপৰ্য ব্যাখ্যা কৰা।

৭। উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সংগঠন বিলাকৰ ওপৰত এটি আলোচনা যুগুত কৰা।

৮। উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদ গঢ়ি উঠাৰ মূল কাৰণবোৰ কি কি? আলোচনা কৰা।

৯। উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সংগঠনবোৰে কেনেধৰণৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱ পেলাইছে আলোচনা কৰা।

১০। আলফাৰ উৎপত্তি আৰু বিকাশৰ ওপৰত আলোচনা কৰা।

১১। চমুটোকা লিখা ঃ

(ক) AFSPA (খ) NSCN

(গ) MNC (ঘ) MNF

অধ্যায় 8

# অসুৰক্ষিত গোটৰ মানৱ অধিকাৰ
# Human Rights of Vulnerable Groups

প্ৰত্যেক সমাজব্যৱস্থাতে কিছুমান বিশেষ গোটৰ অধিকাৰ সঘনে খৰ্ব হৈ থকা দেখা যায়। বিভিন্ন আৰ্থ-সামাজিক তথা ৰাজনৈতিক পৰিস্থিতিৰ বাবে নিজৰ অধিকাৰবোৰ সুৰক্ষিত কৰি ৰাখিবলৈ অসমৰ্থ হোৱা এই গোটসমূহকে অসুৰক্ষিত গোট বা Vulnerable Group নামে জনা যায়। মহিলা, শিশু, ধৰ্মীয়, ভাষিক বা সাংস্কৃতিক সংখ্যালঘু, বিশেষভাৱে সক্ষম লোক, বৃদ্ধ লোকসকল এই অসুৰক্ষিত গোটৰ অন্তৰ্গত। এই গোটসমূহে যিহেতু বিভিন্ন পৰিস্থিতিত নিজৰ অধিকাৰৰ পৰা বঞ্চিত হ'ব লগা হয়, সেয়েহে এই গোটসমূহৰ অধিকাৰবোৰ সুৰক্ষাৰ বাবে কিছুমান পৃথক ব্যৱস্থাৱলী গ্ৰহণ কৰা হয়। ভাৰতৰ সংবিধানেও এই গোটসমূহৰ অধিকাৰ সুৰক্ষাৰ বাবে পৃথক ব্যৱস্থা গ্ৰহণত অনুমোদন জনাইছে। যাৰ বাবে পৰৱৰ্তী সময়ত বিভিন্ন আইন প্ৰণয়নৰ লগতে কিছুমান পৃথক ৰক্ষাকৱচো সেই গোটসমূহৰ বাবে গ্ৰহণ কৰা হৈ আহিছে। এই পাঠত পাঠ্যক্ৰম নিৰ্দ্ধাৰিত তিনিটা অসুৰক্ষিত গোটৰ অধিকাৰৰ বিষয়ে আলোচনা কৰা হৈছে।

**মহিলা** (Women) ঃ ভাৰতীয় সমাজ ব্যৱস্থাত অসুৰক্ষিত গোটসমূহৰ এটি অন্যতম গোট হ'ল মহিলাসকল। ভাৰতীয় সমাজ ব্যৱস্থা পিতৃ প্ৰধান বা পুৰুষ প্ৰধান। স্বাভাৱিকতে পুৰুষতান্ত্ৰিক সমাজসমূহত আৰ্থ-সামাজিক বা ৰাজনৈতিক ক্ষমতাৰ কেন্দ্ৰবোৰ পুৰুষৰ নিয়ন্ত্ৰণত থাকে। ফলত মহিলাসকলক এক অধিনস্থ গোট (Sub-ordinate Group) -ৰ মৰ্যাদা প্ৰদান কৰা হয়। এক অধিনস্থ গোট হিচাবে মহিলাসকল পুৰুষনিৰ্ভৰশীল হোৱা বাবে বিভিন্ন সময়ত মহিলাবোৰ বৈষম্যৰ বলী হ'ব লগা হৈছে। মহিলাসকল বৈষম্যৰ সন্মুখীন হোৱাৰ লগতে অনেক সময়ত শাৰীৰিক আৰু মানসিক নিৰ্যাতনবো বলী হ'ব লগা হৈছে। আনকি মহিলাক এক বোজা হিচাপেও জ্ঞান কৰা অনেক পিতৃ-মাতৃয়ে ভ্ৰুণ অৱস্থাতে লিংগ নিৰ্ণয় কৰি কন্যাভ্ৰুণ হত্যাৰ দৰে কামতো লিপ্ত হোৱাৰ অনেক উদাহৰণ ভাৰতীয় সমাজত পোৱা যায়। এনে নিৰ্যাতন আৰু

নিপিড়ন বন্ধ কৰি এক লিংগ ন্যায়পূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ বাবে সাংবিধানিক পৰিকাঠামোৰ মাজত যৎপৰোনাস্তি প্ৰচেষ্টা লোৱা হৈছে।

**মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে ভাৰতৰ সাংবিধানিক আৰু বৈধ ব্যৱস্থাৱলী** (Constitutional and Legal Prorisions for the Protection of the Rights of Women in India) ঃ

ভাৰতৰ সংবিধান প্ৰণেতাসকল প্ৰচলিত পুৰুষতান্ত্ৰিক সামাজিক ব্যৱস্থাপনাৰ পৰিৱৰ্তে যথেষ্ট পৰিমাণে লিংগ সংবেদনশীল আছিল। এক লিংগ সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাক সংবিধানৰ এক অন্যতম লক্ষ্য হিচাপে আগত ৰাখি তলেমান ব্যৱস্থাৱলী উল্লেখ কৰিছে যেনে—

১। ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত জাতি-বৰ্ণ-ভাষা-ধৰ্মৰ দৰে লিংগকো এক অসমতাপূৰ্ণ সমাজৰ কাৰক হিচাপে চিনাক্ত কৰি এই সকলোবোৰৰ উৰ্দ্ধত এক সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছে।

২। সংবিধানৰ তৃতীয় অধ্যায়ৰ মৌলিক অধিকাৰত সমতা প্ৰতিষ্ঠাৰ নিশ্চয়তা প্ৰদান কৰিছে। সমতাৰ অধিকাৰৰ মাজত আইনৰ চকুত আন স্বত্বীকৰণ গোটৰ লগতে লিংগ ভিত্তিক সমদৃষ্টি প্ৰদানৰ কথা ঘোষণা কৰিছে (অনুচ্ছেদ ১৪)। লগতে লিংগ বৈষম্যৰ ভিত্তিত কোনো বৈষম্যমূলক আচৰণ নকৰাৰ ব্যৱস্থা কৰিছে। (অনুচ্ছেদ ১৫)। চৰকাৰী চাকৰি বা ৰাজহুৱা স্থান ব্যৱহাৰৰ ক্ষেত্ৰত লিংগ ভিত্তিক বৈষম্য আচৰণ কৰিব নোৱাৰাটো দৃঢ়ভাৱে ঘোষণা কৰিছে (অনুচ্ছেদ ১৬)।

৩। সংবিধানৰ চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট ৰাষ্ট্ৰৰ নিৰ্দ্দেশনাত্মক নীতিৰ মাজতো মহিলাৰ অধিকাৰৰ বাবে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণৰ বিষয়ে উল্লেখ আছে। নিৰ্দেশাত্মক নীতিত উল্লেখ কৰা হৈছে যে পুৰুষ-মহিলা উভয়ৰে জীৱিকা উপাৰ্জনৰ বাবে সমান অধিকাৰ আছে আৰু পুৰুষ মহিলা উভয়ৰে কামৰ বাবে সম-মজুৰি পোৱাৰ ব্যৱস্থা কৰাৰ বাবে নিৰ্দেশনা দিয়া হৈছে। ইয়াৰ উপৰিও সংবিধানৰ ৪৪ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰই উমৈহতীয়া দেৱানী সংহিতাৰ আধাৰত সকলো মহিলাকে আইনগত সুৰক্ষা দিব।

৪। সংবিধানৰ ৭৩ আৰু ৭৪ তম সংশোধনী অনুসৰি পঞ্চায়ত আৰু পৌৰ নিকায়সমূহত মহিলাৰ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে। চৰকাৰৰ নিম্নস্তৰৰ এই স্থানীয় প্ৰশাসনত মহিলাৰ বাবে অতি কমেও এক তৃতীয়াংশ আসন সংৰক্ষিত কৰাৰ ব্যৱস্থা কৰিছে।

৫। ১৯৮০-৮৫ চনত গ্ৰহণ কৰা ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰথমবাৰৰ বাবে মহিলাৰ অধিকাৰ বিকাশৰ ক্ষেত্ৰত এক পৃথক অধ্যায়ৰ পাতনি মেলা হৈছে। এই পৰিকল্পনাত মহিলাসকলৰ বাবে মুক্ত সুবিধাৰে নিয়োগ আৰু আয় উপাৰ্জনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ লগতে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মহিলাৰ বাবে কৰ্ম আঁচনি প্ৰস্তুত কৰি প্ৰশাসনিয়, ন্যায়িক আৰু আন কিছুমান দিশত মহিলাৰ উন্নয়নৰ যথোচিত ব্যৱস্থা কৰা হৈছে।

৬। ১৯৯২ চনত মহিলাৰ বাবে ৰাষ্ট্ৰীয় আয়োগ গঠন কৰা হৈছে। এই আয়োগৰ দ্বাৰা মহিলাৰ অধিকাৰৰ বিষয়টো পৃথক ভাবে চোৱাৰ লগতে মহিলাৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত চৰকাৰক প্ৰয়োজনীয় পৰামৰ্শ দিবলৈ আয়োগক কৰ্তৃত্ব দিয়ে।

৭। মহিলাৰ আৰ্থ-সামাজিক উন্নয়ন ফলপ্ৰসু কৰিবৰ বাবে চৰকাৰে বিভিন্ন সময়ত বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে। এনে কেইখনমান আঁচনি হ'ল—

ক) **জৱাহৰ ৰোজগাৰ আঁচনি ঃ** এই আঁচনিৰ দ্বাৰা গ্ৰহণ কৰা উন্নয়নমূলক প্ৰকল্পসমূহত ৩০% মহিলাৰ অংশগ্ৰহণ সুনিশ্চিত কৰা হৈছে।

খ) **গাঁৱৰ মহিলা আৰু শিশুৰ সমন্বিত বিকাশৰ বাবে** DWCRA, **সম্পত্তিবিহীন মহিলাৰ বাবে** STEP, **ৰাষ্ট্ৰীয় মহিলা কোষ আৰু মহিলা সমৃদ্ধি যোজনা আদিৰ দ্বাৰা মহিলাসকলৰ** অৰ্থনৈতিক আৰু সামাজিক মৰ্যাদা বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছে।

মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে চৰকাৰে সময়ে সময়ে আইন প্ৰণয়ন কৰি আহিছে। চৰকাৰে গ্ৰহণ কৰা এনে কেইখনমান আইন হ'ল—

(১) নিম্নতম মজুৰি আইন, ১৯৪৮

(২) কাৰখানা আইন, ১৯৫২

(৩) হিন্দু উত্তৰাধিকাৰী আইন, ১৯৫৬

(৪) প্ৰসৱকালীন সাহায্য আইন, ১৯৬১

(৫) যৌতুক প্ৰথা নিবাৰণী আইন, ১৯৬১

(৬) চুক্তিভিত্তিক শ্ৰম (পৰিচালনা আৰু বিলুপ্তিকৰণ) আইন, ১৯৬৬

(৭) সম পাৰিশ্ৰমিক আইন, ১৯৭৬

(৮) সতীদাহ প্ৰথা ৰোধ আইন, ১৯৮৭

(৯) মহিলাৰ বাবে আসন সংৰক্ষণ আইন, ২০০৯

(১০) গাৰ্হস্থ্য হিংসা প্ৰতিৰোধী আইন, ২০০৫ আদি।

মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে সাংবিধানিক আৰু বৈধ ব্যৱস্থাৱলী অনেক থকাৰ পিছতো মহিলাৰ অধিকাৰ ভংগৰ বিভিন্ন পৰিঘটনাৰ পৰিসংখ্যা হ্ৰাস হোৱা নাই। ইয়াৰ মূল কাৰণ হ'ল সমাজত প্ৰচলিত মূল্যবোধ, পৰম্পৰা আৰু পিতৃতন্ত্ৰৰ দ্বাৰা প্ৰতিষ্ঠিত ৰীতি-নীতি, গণ সজাগতাৰ অভাৱ, আৰ্থ-সামাজিক পৰিবেশ আদি। এই সকলোবোৰ নেওচিব লাগিলে ৰাষ্ট্ৰ, নাগৰিক সমাজ, বেচৰকাৰী সংগঠন, নাৰীবাদী প্ৰতিষ্ঠানে সংহতৰূপত প্ৰচেষ্টা চলাব লাগিব।

**ঘৰুৱা/গাৰ্হস্থ হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন, ২০০৫**

মহিলাসকলক ঘৰুৱা হিংসাৰ পৰা সুৰক্ষিত কৰিবলৈ ভাৰতীয় সংসদে ২০০৫ চনত এখন আইন গ্ৰহণ কৰিছিল। ২০০৬ চনৰ ২৬ অক্টোবৰৰ পৰা ইয়াক কাৰ্যকৰী কৰা হয়। এই আইনখনে প্ৰথমবাৰৰ বাবে ঘৰুৱা হিংসাৰ সংজ্ঞা দাঙি ধৰে। শাৰীৰিক হিংসাৰ উপৰিও আবেগিক/মৌখিক, যৌন আৰু অৰ্থনৈতিক উৎপীড়নকো ইয়াৰ পৰিসৰত আবদ্ধ কৰা হৈছে। এই আইনে পত্নী, ভগ্নী, মাতৃৰ দৰে সকলোকে ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা দান কৰে।

**ভাৰতত মহিলাৰ অধিকাৰ ভংগৰ কেতবোৰ পৰিঘটনা ঃ**

অতি প্ৰাচীন কালৰ পৰাই ভাৰতীয় সমাজত নাৰীক দেৱীৰ মৰ্যাদা দি পূজা কৰি আহিলেও কালক্ৰমত পুৰুষতন্ত্ৰৰ শক্তিশালী গাঁথনি আৰু উপাদানসমূহে নাৰীৰ মৰ্যাদাত আঘাত হানি আহিছে। ভাৰতীয় সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা সাংস্কৃতিক সকলো ক্ষেত্ৰতে নাৰী বৈষম্যৰ বলী হৈ আহিছে। মহিলাৰ এনে বৈষম্যৰ লগতে শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰো ভালেমান পৰিঘটনা সমাজত দেখিবলৈ পোৱা যায় তলত তাৰ চমু আলোচনা কৰা হ'ল—

**সামাজিক ক্ষেত্ৰত বৈষম্য ঃ** ভাৰতৰ মহিলাসকলৰ সামাজিক মৰ্যাদা আৰু স্থান বৈদিক যুগৰ পৰৱৰ্তী সময়ৰ পৰা অৱনমিত হ'বলৈ ধৰে। সমাজ ব্যৱস্থাত প্ৰচলিত বিভিন্ন প্ৰথা পৰম্পৰাই ইয়াৰ অন্যতম কাৰণ। বিভিন্ন সামাজিক পৰম্পৰাৰ দোহাই দি মহিলাক ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ কৰি ৰখাৰ যি ব্যৱস্থা কৰিছিল সেয়াই মহিলাক ভালেমান সুযোগ সুবিধাৰ পৰা বঞ্চিত কৰিছিল। যৌতুক প্ৰথাই মহিলাৰ মৰ্যাদা অধিক অৱনমিত কৰিছিল। যৌতুকৰ বাবে অত্যাচাৰ বা নিপিড়ন ভাৰতীয় সমাজত বৰ্তমানেও দেখিবলৈ পোৱা যায়। বিবাহৰ সময়ত ছোৱালীৰ লগত যৌতুক দিব লগা প্ৰথাই ছোৱালী সন্তানক পৰিয়ালৰ বাবে এক বোজাস্বৰূপ কৰি গঢ়ি তুলিলে। ফলত কন্যা সন্তান জন্মক এক গৰ্হিত কাম হিচাবেহে সমাজত পৰিগণিত কৰিলে। এনে চিন্তাধাৰাৰ ভিত্তিতে কন্যা সন্তান হত্যা, জন্মৰ পূৰ্বে লিঙ্গ নিৰ্ণয়ৰ দ্বাৰা কন্যা ভ্ৰূণ হত্যাৰ দৰে গৰ্হিত পৰিঘটনাও ভাৰতীয় সমাজত পৰিলক্ষিত হয়।

পুৰুষ প্ৰধান ভাৰতীয় সমাজত নাৰীক অনেক সময়ত শিক্ষাৰ পৰাও বঞ্চিত কৰা হয়। ভাৰতীয় সমাজব্যৱস্থাত প্ৰচলিত এক ধাৰণা হ'ল পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পুৰুষৰ হাতত আৰু বৃদ্ধকালত পিতৃ-মাতৃৰ পৰিচৰ্যাৰ দায়িত্বও ল'ৰা-সন্তানেই গ্ৰহণ কৰে আনকি মৃত্যুৰ পিছত মোক্ষ লাভতো পুত্ৰ-সন্তানৰ অপৰিহাৰ্যতা সনাতন হিন্দু ধৰ্মৰ প্ৰচলিত এক পৰম্পৰা। এনে পৰম্পৰাসমূহৰ আঁত ধৰিয়েই ছোৱালী সন্তানৰ প্ৰতি এক হীনভাৱ অনেক সময়ত গ্ৰহণ কৰে। যাৰ বাবে পুত্ৰ সন্তানক কন্যা সন্তানতকৈ শিক্ষা বা জীৱিকা নিৰ্বাহৰ পথ অৱলম্বনৰ প্ৰয়োজনীয় জ্ঞান আহৰণত অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে। ইয়াৰ ফলত প্ৰতিভাসম্পন্ন অনেক কন্যা সন্তানৰ শিক্ষা অথবা প্ৰতিভা বিকাশৰ প্ৰক্ৰিয়া বাধাগ্ৰস্থ হৈছে। সেইবাবেই পুৰুষৰ তুলনাত মহিলাৰ স্বাক্ষৰতাৰ হাৰ এতিয়াও বহু কম হৈ আছে।

ভাৰতীয় সমাজত নাৰীক সামাজিক ক্ষেত্ৰত অৱহেলিত কৰাৰ আন এটি পৰিঘটনা হ'ল মন্দিৰ বা মছজিদত মহিলাৰ প্ৰবেশ নিষদ্ধ কৰা। যি মন্দিৰত নাৰীক দেৱী হিচাবে পূজা কৰা হয় সেই মন্দিৰতে নাৰীক প্ৰবেশৰ অধিকাৰৰ পৰা বাৰণ কৰে। অনেক সময়ত আকৌ ভাৰতৰ কিছুমান ৰাজ্যত দেৱতাৰ মন্দিৰত 'দেৱদাসী' হিচাবে নাৰীক উৎসৰ্গিত কৰা হয়। এই 'দেৱদাসী'ৰূপে উৎসৰ্গিত নাৰীসকলৰ গৰিষ্ঠসংখ্যাকে বলপূৰ্বকভাৱে বেশ্যাবৃত্তি অৱলম্বন কৰিবলৈ এক প্ৰকাৰ বাধ্য কৰোৱা হয়। মুঠতে ভাৰতীয় সামাজিক পৰম্পৰাত নাৰীক এক ভোগৰ সামগ্ৰী বা পণ্যত ৰূপায়িত কৰিছে। এনে মানসিকতাৰ বাবে নাৰী যৌন নিৰ্যাতন বা ধৰ্ষণৰ বলী হ'ব লগা হৈছে। সামাজিক দৃষ্টিভংগীত আকৌ এনে ধৰ্ষিতা বা নিৰ্যাতিতা গৰাকীকে হীন মৰ্যাদা প্ৰদান কৰে। এনেদৰে ভাৰতীয় সমাজব্যৱস্থা সৰহ ক্ষেত্ৰতে লিংগ অসংবেদনশীল। মহিলাৰ ওপৰত বিভিন্ন প্ৰথা বা পৰম্পৰা জাপি দি এক অ-সম সামাজিক ব্যৱস্থা গঢ়ি তুলিছে। সাম্প্ৰতিক সময়ত নাৰী শিক্ষা সম্প্ৰসাৰণে মহিলাৰ সামাজিক মৰ্যাদা কিছু উন্নত কৰিলেও অধিকাংশ সময়তে এক লিংগ অসহনশীল সমাজ ভাৰতীয় সমাজ ব্যৱস্থাত দেখা যায়।

**ৰাজনৈতিক ক্ষেত্ৰত বৈষম্য ঃ** ভাৰতীয় মহিলাসকল বৈষম্যৰ বলী হোৱা আন এক ক্ষেত্ৰ হ'ল ৰাজনৈতিক ক্ষেত্ৰ। ৰাজনৈতিক ক্ষমতাৰ ভিতৰত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত নাৰী সদায় অৱহেলিত হৈ আছে। ভাৰতবৰ্ষত নাৰীয়ে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী বা মন্ত্ৰীত্বৰ পদ শুৱনি কৰিলেও মহিলাৰ প্ৰতিনিধিত্বৰ হাৰ যথেষ্ট কম। কেন্দ্ৰীয় বিধানসভা আৰু ৰাজ্যৰ বিধানসভাসমূহলৈ লক্ষ্য কৰিলেই দেখা যায় যে ভাৰতবৰ্ষত ৰাজনৈতিক দলসমূহে মহিলাই প্ৰতিনিধিত্ব কৰাটো সমৰ্থন নকৰে। পঞ্চায়ত আৰু নগৰ পালিকাত সংবিধানৰ ৭৩ আৰু ৭৪ তম সংশোধনীৰ দ্বাৰা এক তৃতীয়াংশ আসন সংৰক্ষণ কৰিছে যদিও মহিলাক সেই আসনসমূহৰ অতিৰিক্ত ঠাইত প্ৰতিনিধিত্বৰ সুযোগ প্ৰদান কৰা নাই। কেন্দ্ৰীয় সংসদত মহিলাৰ প্ৰতিনিধিত্বৰ হাৰ মাত্ৰ হে ১১% হৈছে।

ৰাজনৈতিক ক্ষেত্ৰসমূহত মহিলাৰ সীমিত অংশগ্ৰহণে মহিলাৰ সমস্যাসমূহক সঠিক মাত্ৰাত উত্থাপন কৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। মহিলাসকলৰ সমস্যাবোৰৰ সঠিক সমাধান-সূত্ৰ নিৰ্ণতি হোৱা নাই।

**অৰ্থনৈতিক ক্ষেত্ৰত বৈষম্য ঃ** ভাৰতীয় সমাজত মহিলা বৈষম্যৰ বলি হোৱা আন এটি ক্ষেত্ৰ হ'ল অৰ্থনৈতিক ক্ষেত্ৰ। ভাৰতীয় সমাজত সম্পত্তিৰ মালিকীস্বত্ব পুৰুষৰ প্ৰজন্ম অনুসৰি হস্তান্তৰিত হয়। সম্প্ৰতি মহিলাক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰা হৈছে যদিও সামাজিক পৰম্পৰাৰ ভিত্তিত মহিলাসকলে সৰহক্ষেত্ৰতে ইয়াৰ পৰা বঞ্চিত হয়। ইয়াৰ উপৰিও বেচৰকাৰী ক্ষেত্ৰত পুৰুষ আৰু মহিলাক নিযুক্ত সৰহভাগ কামতে পুৰুষৰ তুলনাত মহিলাক কম মজুৰি প্ৰদান কৰা হয়। অৰ্থাৎ সম পৰিমাণৰ সম প্ৰকৃতিৰ কামৰ বিপৰীতে মহিলাই কম মজুৰি লাভ কৰা দেখা যায়। পৰম্পৰাগতভাৱে শিক্ষা আৰু আন প্ৰযুক্তিগত দিশত মহিলাক আগবাঢ়ি অহাত বাধা দিয়াৰ বাবেই নিয়োগ ক্ষেত্ৰত মহিলাৰ হাৰ পুৰুষৰ তুলনাত যথেষ্ট কম আকৌ অনেক সময়ত সন্তানৰ লালন পালন তথা ঘৰুৱা কৰ্মৰ দায়িত্বৰ মাজত মহিলাক আৱদ্ধ কৰি ৰখাৰ বাবেই উপযুক্ত অৰ্হতা থকা সত্বেও মহিলাসকলক কৰ্মত নিজকে নিয়োজিত কৰাত সুবিধা লাভ কৰে।

**সাংস্কৃতিক ক্ষেত্ৰত বৈষম্য ঃ** সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ক্ষেত্ৰৰ দৰে সাংস্কৃতিক ক্ষেত্ৰখনতো মহিলা অবহেলিত বা বঞ্চনাৰ বলি হৈ আহিছে। সামাজিক প্ৰথা পৰম্পৰা, ধৰ্মীয় ৰীতি-নীতিয়ে মহিলাক ৰাজহুৱা ক্ষেত্ৰখনৰ পৰা ক্ৰমাৎ আঁতৰাই ৰাখিছে। ফলত বিভিন্ন সাংস্কৃতিক কাম-কাজত পুৰুষে অগ্ৰাধিকাৰ লাভ কৰাৰ বিপৰীতে মহিলাসকল বঞ্চিত হ'ব লগা হয়।

**লিংগ সমতাপূৰ্ণ সমাজৰ বাবে কিছুমান পৰামৰ্শ ঃ** ভাৰতবৰ্ষৰ সমাজখন সমাজস্বীকৃত লিংগৰ নামত স্বীকৃত হোৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত দেখা পোৱা লিংগ অসমতাবোৰ স্পষ্ট। কিন্তু এখন শান্তিপূৰ্ণ আৰু প্ৰকৃত বিকাশমুখী সমাজৰ বাবে লিংগ সমতা প্ৰতিষ্ঠা অতি আৱশ্যক। ভাৰতত লিংগ সমতা প্ৰতিষ্ঠাৰ বাবে গ্ৰহণ কৰিবলগা কিছুমান পদক্ষেপ হ'ল—

(১) মহিলা শিক্ষাত অগ্ৰাধিকাৰ দিয়া। সাধাৰণ আৰু কাৰিকৰী উভয় ক্ষেত্ৰতে মহিলাক শিক্ষা প্ৰাপ্তিৰ ব্যৱস্থা কৰা। প্ৰয়োজনীয় ক্ষেত্ৰত ধনাত্মক বৈষম্য (Positive discrimination) নীতি গ্ৰহণ কৰিব লাগে।

(২) মহিলা জনিত অপৰাধ যেনে হত্যা, যৌতুক, ধৰ্ষণ, অপহৰণ, বাল্য বিবাহ, নিৰ্যাতন, নাৰী সৰবৰাহ আদি গোচৰৰ ক্ষেত্ৰত কঠোৰ আইন বলবৎ কৰা আৰু সেইবোৰৰ সঠিক ৰূপায়নৰ ব্যৱস্থা কৰা। অপৰাধীসকলৰ বিৰুদ্ধে তৎকালীন বা ক্ষিপ্ৰ গতিত বিচাৰ কৰি নিদৰ্শনমূলক শাস্তি প্ৰদান কৰা।

(৩) মহিলাৰ লগত জড়িত বিভিন্ন চৰকাৰী বা বেচৰকাৰী সবলীকৰণৰ পদক্ষেপসমূহৰ বিষয়ে শিক্ষা বা সজাগতা বৃদ্ধি কৰা লগতে মহিলাৰ অধিকাৰ সম্পৰ্কে সজাগ কৰা, মহিলাজনিত অপৰাধৰ গোচৰবোৰ তৰিব পৰা ব্যৱস্থাৰ সবলীকৰণ কৰা।

(৪) নাৰী বৈষম্য দূৰীকৰণ বা লিংগ সমতা প্ৰতিস্থাৰ মূল কৌশল হ'ল সমাজত লিংগ সবেদনশীলতা বৃদ্ধি কৰা। সৰুকালৰ পৰাই পাঠ্যক্ৰমত লিংগ সংবেদনশীল কাৰ্যসূচী অন্তৰ্ভুক্ত কৰাৰ লগতে বিভিন্ন চিত্ৰ, উদাহৰণ আদি যিবোৰত সমাজ প্ৰতিষ্ঠিত লিংগ ভূমিকা প্ৰকাশ পায় সেইবোৰ আঁতৰোৱা। স্কুল আৰু ৰাজহুৱা স্থানবোৰত সকলো কামতে পুৰুষ মহিলাৰ সম অংশ-গ্ৰহণৰ ব্যৱস্থা কৰা, সিদ্ধান্ত গ্ৰহণত পুৰুষ মহিলা উভয়কে সম-সুবিধা প্ৰদান কৰা আদি।

(৫) সমাজত প্ৰতিষ্ঠিত পুৰুষতান্ত্ৰিক মূল্যবোধ আঁতৰ কৰাৰ বাবে মানসিকতাৰ পৰিবৰ্ত্তন অতি আৱশ্যকীয়। সকলো ব্যক্তিয়ে নিজৰ লগতে নিজৰ পৰিয়ালৰ পৰাই লিংগভিত্তিক সম-মানসিকতা প্ৰতিষ্ঠা কৰিব পাৰিলেই এখন লিংগ সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠা হ'ব।

## সংখ্যালঘু (Minority) ঃ

পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰতে ভালেমান জাতি, বৰ্ণ, ধৰ্ম বা ভাষা ভিত্তিক মানুহ বাস কৰি আহিছে। কোনো ৰাষ্ট্ৰতে একে ভাষিক, ধৰ্মীয়, বৰ্ণগত অথবা নৃগোষ্ঠীয় লোকৰ উপস্থিতি দেখা নাযায়। সংখ্যাগতভাবে কিছুমান গোট বৃহৎ আৰু আন কিছুমান ক্ষুদ্ৰ বা সৰু। বৃহৎ জনগোষ্ঠীক সামৰি লোৱা ভাষিক, ধৰ্মীয় বা নৃগোষ্ঠীয়

লোকসকলক সংখ্যাগৰিষ্ঠ গোট আখ্যা দিয়াৰ বিপৰীতে ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ গোটসমূহক সংখ্যালঘু আখ্যা দিয়া হয়। অৱশ্যে সংখ্যাগুৰু আৰু সংখ্যালঘু জনগোষ্ঠী বা নৃগোষ্ঠীয় গোট কোনো এখন ৰাষ্ট্ৰ বা ভৌগলিক এলেকাত সংখ্যাগুৰু হিচাবে বিবেচিত হ'লেও আন কোনো ৰাষ্ট্ৰ বা ভৌগলিক এলেকাত সেই নিৰ্দিষ্ট ভাষিক, ধৰ্মীয় অথবা নৃগোষ্ঠীয় লোকসকল সংখ্যালঘু হিচাবে বিবেচিত হ'ব পাৰে। আকৌ কোনো এটা সময়ত সংখ্যাগৰিষ্ঠ গোট হিচাবে পৰিচিত সমূহ কিছু দশক পিছত সংখ্যালঘু হিচাবে বিবেচিত হ'ব পাৰে।

**সংখ্যালঘু ধাৰণাটোৰ ব্যাখ্যা এনেধৰণেই ৰাষ্ট্ৰবোৰে গ্ৰহণ কৰিছে ঃ** ৰাষ্ট্ৰসংঘৰ বৈষম্য নিৰ্মূলিকৰণ আৰু সংখ্যালঘু সুৰক্ষা উপ-আয়োগৰ মতে "সংখ্যালঘুসকল হ'ল কোনো ৰাষ্ট্ৰ বা সমাজৰ প্ৰভাৱহীন এনে এটা গোট যিয়ে সংখ্যাগতফালৰ পৰা দেশৰ সৰ্বমুঠ জনসংখ্যাৰ তুলনাত নগণ্য আৰু যাৰ সদস্যসকলে ৰাষ্ট্ৰৰ নাগৰিক হিচাবে জাতি, ধৰ্ম আৰু ভাষাৰ ক্ষেত্ৰত অৱশিষ্ট জনগণতকৈ বৈশিষ্টগতভাৱে সুকীয়া (A group numerically inferifor to the rest of the population of a state in a non dominant position, whose members being nationals of the state prossesses ethnic, religious and linguistic characteristics differing from the rest of the population and show, if only implicity, a sense of solidierity, directed towards preserving their culture tradition religion or language).

প্ৰত্যেক সমাজতে কম বেছি পৰিমাণে সংখ্যালঘিষ্ঠ লোকসকলৰ অধিকাৰ সংখ্যাগৰিষ্ঠ লোকৰ সন্মুখত নিষ্প্ৰভ হৈ থাকে। অনেক সময়ত আকৌ সংখ্যালঘু লোকসকলৰ অধিকাৰ সংখ্যাগুৰু লোকসকলৰ দ্বাৰা ভংগ কৰা হয়। আধুনিক গণতান্ত্ৰিক ব্যৱস্থা সম্প্ৰসাৰণৰ পাছতো সংখ্যালঘু লোকসকলৰ অধিকাৰে বিশেষ প্ৰাধান্য লাভ কৰা নাছিল। মূলতঃ গণতান্ত্ৰিক পদ্ধতি এটাত ক্ষমতা আহৰণৰ ভিত্তি সংখ্যাগৰিষ্ঠ লোকৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে বা সংখ্যগৰিষ্ঠৰ মতামত বা সমৰ্থনৰ ওপৰত ভিত্তি কৰি ৰাজনৈতিক সিদ্ধান্তবিলাক গ্ৰহণ কৰা বাবে অনেক সময়ত শাসন অধিষ্ঠিত লোকসকলে সংখ্যালঘু লোকসকলক উপেক্ষা কৰা দেখা যায়। যাৰ ফলত সংখ্যালঘিষ্ঠ লোকসকলৰ অধিকাৰ ভংগৰ প্ৰৱণতা সমাজত অধিক দেখা যায়। এনে দিশবোৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই ৰাষ্ট্ৰসংঘই সংখ্যালঘু লোকসকলৰ অধিকাৰ সুৰক্ষাৰ বিষয়ত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। ১৯৬৬ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ উদ্যোগত গ্ৰহণ কৰা নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তিপত্ৰৰ ২৭ নং অনুচ্ছেদত উল্লেখ কৰিছে যে যিবিলাক ৰাষ্ট্ৰৰ জাতিগত, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু আছে সেই ৰাষ্ট্ৰসমূহত সংখ্যালঘু সম্প্ৰদায়ৰ ব্যক্তিক নিজৰ বিশ্বাস অনুসৰি ধৰ্মীয় উপাসনা কৰাৰ, নিজৰ ভাষা ব্যৱহাৰ কৰা আৰু নিজৰ সংস্কৃতি উপভোগ কৰা অধিকাৰৰ পৰা বঞ্চিত কৰিব নালাগিব।

সংখ্যালঘু লোকসকলৰ অধিকাৰৰ বিষয়টোত সকলো ৰাষ্ট্ৰক গুৰুত্ব প্ৰদান কৰিবলৈ ৰাষ্ট্ৰসংঘই ১৯৯২ চনত জাতীয় অথবা নৃগোষ্ঠীয় ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু লোকসকলৰ অধিকাৰৰ ঘোষণা (Declaration on the Rights of persons belonging to National or Ethnic, Religious or Linguistic

minorities) গ্ৰহণ কৰে। এটা প্ৰস্তাৱ আৰু ন টা অনুচ্ছেদ সন্নিৱিষ্ট উক্ত ঘোষনা পত্ৰত সংখ্যালঘু লোকসকলৰ অধিকাৰৰ প্ৰায় আটাইবোৰ দিশকে সামৰি লৈছে। উক্ত ঘোষণাপত্ৰই সামৰি লোৱা কেইটামান মানৱ অধিকাৰ হ'ল—

(১) ৰাষ্ট্ৰই পৃথক পৰিচয় থকা জাতিগত, ধৰ্মীয়, ভাষিক আৰু সাংস্কৃতিক সংখ্যালঘু লোকসকলক সংৰক্ষা প্ৰদান কৰিব আৰু তেওঁলোকক নিজস্ব পৰিচয় ৰক্ষা কৰিবৰ বাবে উৎসাহিত কৰিব। ৰাষ্ট্ৰই ইয়াৰ কাৰণে প্ৰয়োজনীয় আইন ৰচনা কৰিব আৰু অন্য যিকোনো ব্যৱস্থা গ্ৰহণ কৰিব।

(২) সংখ্যালঘুসকলৰ নিজৰ ধৰ্মৰ চৰ্চা আৰু প্ৰচাৰ কৰাৰ লগতে নিজৰ ভাষা ব্যৱহাৰ কৰাৰ পূৰ্ণ অধিকাৰ থাকিব। নিজৰ সংস্কৃতিও তেওঁলোকৰ উপভোগ কৰাৰ অধিকাৰ থাকিব।

(৩) সকলো সংখ্যালঘুৱে ৰাষ্ট্ৰীয় আইনৰ নিয়ম অনুসৰি ৰাষ্ট্ৰীয় ৰাজ্যিক বা আঞ্চলিক পৰ্যায়ত সংখ্যালঘুৰ স্বাৰ্থৰ লগত জড়িত সকলো বিষয়ৰ ওপৰত সিদ্ধান্ত গ্ৰহণত অংশ গ্ৰহণ কৰিব পাৰিব।

(৪) সংখ্যালঘুসকলৰ নিজৰ পচন্দ অনুসৰি সংস্থা বা সংগঠন গঠন আৰু পৰিচালনা কৰাৰ অধিকাৰ থাকিব।

(৫) সংখ্যালঘু লোকসকলে বৈষম্যহীনভাবে অইন সংখ্যালঘু সম্প্ৰদায় আৰু নিজ সম্প্ৰদায়ৰে অইন সদস্যৰ সৈতে মুক্ত শান্তিপূৰ্ণ সম্পৰ্ক বজায় ৰাখিব পাৰিব।

(৬) ৰাষ্ট্ৰই সংখ্যালঘু সম্প্ৰদায়ক তেওঁলোকৰ ভাষা সংস্কৃতি ৰীতি-নীতি আৰু ধৰ্মীয় স্বাধীনতা উপভোগ কৰাৰ উপযুক্ত সুবিধা প্ৰদান কৰিব। ৰাষ্ট্ৰই ভাষিক সংখ্যালঘুসকলক মাতৃভাষাৰ যোগেদি শিক্ষা আহৰণৰ বাবে যথোপযুক্ত সুবিধা প্ৰদান কৰিব লাগিব। ইয়াৰ উপৰিও সংখ্যালঘুসকলক নিজৰ পৰম্পৰা, কলা-সংস্কৃতি আৰু ইতিহাসৰ পৰা জ্ঞান আহৰণ কৰাৰ বাবে ৰাষ্ট্ৰই উৎসাহিত কৰিব।

(৭) ৰাষ্ট্ৰই ইয়াৰ বিকাশমূলক পৰিকল্পনা আৰু কৰ্মসূচীত সংখ্যালঘুৰ স্বাৰ্থও প্ৰতিফলিত কৰিব।

শেষত ঘোষণাপত্ৰত উল্লেখিত অধিকাৰবোৰ কাৰ্যকৰী কৰিবলৈ বিশ্বৰ ৰাষ্ট্ৰসমূহে তেওঁলোকৰ মাজত সহযোগীতা বৃদ্ধি কৰাৰ আহ্বান জনোৱা হৈছে।

এনেদৰে আন্তৰ্জাতিক পৰ্যায়ত সংখ্যালঘু লোকসকলৰ মানৱ অধিকাৰ সুৰক্ষাৰ বাবে ভালেমান কাৰ্যসূচী আৰু ব্যৱস্থাৱলী উল্লেখ কৰা হৈছে। ইয়াৰ ভিত্তিতে ৰাষ্ট্ৰসমূহকো প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনোৱা হৈছে। ৰাষ্ট্ৰসমূহেও এনে আহ্বানৰ ভিত্তিতে নিজ নিজ ৰাষ্ট্ৰৰ সংখ্যালঘুসকলৰ বিকাশৰ বাবে কিছুমান কাৰ্যব্যৱস্থা গ্ৰহণ কৰা দেখা যায়।

**সংখ্যালঘুৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষ ঃ**

ভাৰতবৰ্ষৰ সমাজখন বহুত্ববাদী। বিভিন্ন ভাষা-ভাষা, ধৰ্মীয় গোট, নৃগোষ্ঠীয় ভালেমান গোটৰ সমষ্টিত বৃহৎ ভাৰতীয় সমাজ গঢ়ি উঠিছে। এই গোটসমূহৰ একাংশ সংখ্যাগৰিষ্ঠ গোট হোৱাৰ বিপৰীতে ভালেমান সংখ্যালঘিষ্ঠ গোট আছে। গতিকে ভাৰতত ভালেমান জাতি, ভাষা আৰু ধৰ্মভিত্তিক সংখ্যালঘিষ্ঠ গোটৰ

উপস্থিতি দেখা যায়। সংবিধান প্ৰণেতাসকলে ভাৰতৰ এই বিচিত্ৰতা ৰূপ উপলব্ধি কৰিছিল আৰু ইয়াক মান্যতা প্ৰদানৰ বাবে এখন বহুসাংস্কৃতিক সমাজৰ বাবে প্ৰয়োজনীয় পৰিকাঠামো তৈয়াৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। "small is beautifull" ৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱিত ভাৰতৰ সংবিধান প্ৰণেতাসকলে ভাৰতৰ সকলো সৰু সৰু গোট আৰু সংখ্যালঘুসকলৰ স্বকীয়তা বজায় ৰখাৰ বাবে ভালেমান ব্যৱস্থাৱলী সংবিধানত অনুৰ্ভুক্ত কৰিছে। স্বাধীনতাৰ পৰৱৰ্তী কালৰ চৰকাৰসমূহেও সংখ্যালঘু গোটসমূহৰ অধিকাৰ সংৰক্ষণৰ বাবে সময়ে সময়ে কিছুমান ব্যৱস্থা গ্ৰহণ কৰি আহিছে। এই আটাইবোৰক সামৰিয়েই সংখ্যালঘু লোকসকলে নিজ অধিকাৰ সুৰক্ষিত কৰি ৰাখিব পাৰে। এনে কেতবোৰ ব্যৱস্থাৱলী হৈছে—

**(১) সমতাৰ অধিকাৰৰ যোগেদি সংখ্যালঘুৰ অধিকাৰ সুৰক্ষা ঃ**

সংবিধানৰ তৃতীয় অধ্যায়টো ভাৰতীয় নাগৰিকৰ অধিকাৰৰ নামত উৎসৰ্গিত। এই অধ্যায়ত অন্তৰ্ভুক্ত এটি অন্যতম অধিকাৰ হৈছে সমতাৰ অধিকাৰ। ১৪ নং অনুচ্ছেদৰ পৰা ১৮ নং অনুচ্ছেদলৈ বিস্তাৰিত হৈ থকা সমতাৰ অধিকাৰৰ মাজত সংখ্যালঘু লোকৰ অধিকাৰ সুৰক্ষাৰ দিশটো প্ৰতিফলিত হৈছে। ১৪ নং অনুচ্ছেদত উল্লেখ আছে যে ভাৰতবৰ্ষৰ কোনো নাগৰিককে আইনৰ চকুত অসমান গণ্য কৰিব নোৱাৰিব। অৰ্থাৎ জাতি, ধৰ্ম বা নৃগোষ্ঠীয় কাৰণত আইনে পক্ষপাতমূলক আচৰণ প্ৰদৰ্শন কৰিব নোৱাৰিব। ইয়েই সংখ্যালঘু আৰু সংখ্যাগুৰু উভয়কে সম-ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিছে। ১৫ নং অনুচ্ছেদৰ দ্বাৰা জাতি, ধৰ্ম, বৰ্ণ বা লিংগৰ ভিত্তিত নাগৰিকৰ প্ৰতি কৰা বৈষম্যমূলক আচৰণ নিষিদ্ধ কৰা হৈছে। ইয়াত উল্লেখ কৰা হৈছে যে কোনো লোককে জাতি, ধৰ্ম, বৰ্ণ আদিৰ নামত ৰাজহুৱা দমকল, কুৱা, থিয়েটাৰগৃহ, চিনেমাগৃহ আদি ব্যৱহাৰ কৰা আৰু প্ৰবেশ কৰাৰ পৰা বিৰত কৰিব নোৱাৰিব। ১৫ নং অনুচ্ছেদৰ ৪ নং ধাৰাত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ অধিকাৰবোৰ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। ইয়াত কোৱা হৈছে যে ৰাষ্ট্ৰই অনুসূচিত জাতি, অনুসূচিত জনজাতি, শিক্ষাগত আৰু সমাজিকভাবে পিচপৰা শ্ৰেণীৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা কৰিব পাৰিব। উল্লেখ্য যে অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা লোকসকল ভাৰতত সংখ্যালঘু হিচাবে পৰিচিত। সমতাৰ অধিকাৰৰ অন্তৰ্ভুক্ত ১৬ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে চৰকাৰী সা-সুবিধা, চাকৰি-বাকৰি লাভৰ ক্ষেত্ৰত জাতি-ধৰ্ম-বৰ্ণ আদিৰ কোনো বৈষম্য নৰখাকৈ সকলোকে সম-অধিকাৰ প্ৰদান কৰা হৈছে। ১৬ নং অনুচ্ছেদৰ ৪ নং ধাৰা অনুসৰি ৰাষ্ট্ৰৰ অধীনস্থ সেৱাসমূহত যথোপযুক্ত প্ৰতিনিধিত্ব নোহোৱা পিছপৰা শ্ৰেণীৰ নাগৰিকসকলৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই ধাৰাই সংখ্যালঘু শ্ৰেণীক ধনাত্মক বৈষম্য নীতিৰ আধাৰত চৰকাৰী চাকৰি লাভত কিছু অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

**(২) ধৰ্মীয় স্বাধীনতাৰ অধিকাৰৰ যোগেদি সংখ্যালঘুক সুৰক্ষা ঃ**

ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত এটি অধিকাৰ হ'ল ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ। এই ধৰ্মীয় স্বাধীনতাৰ অধিকাৰৰ মাজেদি ধৰ্মীয় সংখ্যালঘুসকলক নিজৰ অধিকাৰ সুৰক্ষাৰ ব্যৱস্থা কৰিছে। সংবিধানৰ ২৫ নং অনুচ্ছেদ অনুসৰি ধৰ্মীয় সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ দৰে ধৰ্মীয় সংখ্যালঘুসকলেও নিজাববীয়াকৈ ধৰ্ম গ্ৰহণ, ধৰ্ম চৰ্চা আৰু ধৰ্ম প্ৰচাৰ কৰিব পাৰিব। ২৬ নং অনুচ্ছেদ অনুসৰি সংখ্যালঘুসকলে নিজাববীয়াকৈ

ধৰ্মীয় অনুষ্ঠান বা সংস্থা গঠনৰ অধিকাৰ লাভ কৰিছে। এনে অধিকাৰবোৰ সুৰক্ষাৰ দ্বাৰা ধৰ্মীয় সংখ্যালঘু গোটসকলে নিজ নিজ ধৰ্মীয় পৰম্পৰা আৰু ৰীতি-নীতিবোৰ সুৰক্ষিতভাৱে প্ৰবাহিত আৰু পালন কৰাৰ অধিকাৰ লাভ কৰিছে।

**(৩) শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰৰ যোগেদি সংখ্যালঘুৰ অধিকাৰৰ সুৰক্ষা ঃ**

ভাৰতৰ সংবিধানৰ মৌলিক অধিকাৰৰ অন্তৰ্গত শিক্ষা আৰু সাংস্কৃতিক অধিকাৰৰ মাজতো সংখ্যালঘুৰ অধিকাৰ সুৰক্ষাৰ বিভিন্ন ব্যৱস্থাৱলী উল্লেখ আছে। ২৯ নং অনুচ্ছেদ মতে সকলো নাগৰিকে নিজৰ ভাষা আৰু সংস্কৃতি ৰক্ষা কৰিব পাৰিব। চৰকাৰী ধন নাইবা অনুদানেৰে প্ৰতিষ্ঠা কৰা সকলোবোৰ শিক্ষানুষ্ঠানতে জাতি-বৰ্ণ-ভাষা ধৰ্ম নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীকে শিক্ষা লাভৰ সুযোগ প্ৰদান কৰিব। এনে সুযোগ সুবিধাই সংখ্যালঘুসকলৰ শিক্ষা লাভৰ সাৰ্বজনীন অধিকাৰক স্বীকৃতি প্ৰদান কৰিছে। ৩০ নং অনুচ্ছেদৰ ১ নং ধাৰা অনুসৰি ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকলে নিজৰ পচন্দ অনুসৰি শিক্ষানুষ্ঠান প্ৰতিষ্ঠা আৰু পৰিচালনা কৰাৰ অধিকাৰ লাভ কৰিব। ৩০ নং অনুচ্ছেদৰ ২ নং ধাৰা মতে ৰাষ্ট্ৰই শিক্ষানুষ্ঠানবিলাকক আৰ্থিক অনুদান বা সাহায্য প্ৰদান কৰোঁতে ভাষিক বা ধৰ্মীয় সংখ্যালঘুৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানৰ প্ৰতি কোনো ধৰণৰ বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব। অৰ্থাৎ চৰকাৰী দৃষ্টিকোণৰ পৰা সংখ্যাগুৰুৰ দ্বাৰা প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানৰ দৰে সংখ্যালঘুৰ দ্বাৰা প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানসমূহেও সমানে ৰক্ষণাবেক্ষণ লাভ কৰিব।

**(৪) অনুসূচিত জাতি আৰু জনজাতিৰ বাবে বিশেষ অধিকাৰ ঃ**

ভাৰতৰ সংখ্যালঘু গোটৰ অন্তৰ্ভুক্ত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহে যাতে ৰাষ্ট্ৰৰ আইন প্ৰণয়ন বা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিব পাৰে তাৰ কাৰণে সংবিধানৰ ৩২০ আৰু ৩৩৪ নং অনুচ্ছেদত ভাৰতীয় সংসদ আৰু ৰাজ্যিক বিধানমণ্ডল আৰু ভাৰতীয় সংসদত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু এংলো ইণ্ডিয়ান সম্প্ৰদায়ৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বিকাশ আৰু অধিকাৰ সংৰক্ষণৰ বাবে পৃথক সাংগঠনিক গাথনি তৈয়াৰ কৰা হৈছে।

**(৫) নিৰ্দেশাত্মক নীতিৰ যোগেদি সংখ্যালঘুৰ অধিকাৰ সংৰক্ষণ ঃ**

ভাৰতৰ সংবিধানৰ চতুৰ্থ অধ্যায়ৰ অন্তৰ্গত নিৰ্দেশাত্মক নীতিসমূহৰ মাজতো সংখ্যালঘু লোকসকলৰ অধিকাৰ সুৰক্ষাৰ বাবে ভালেমান নিৰ্দেশনা প্ৰদান কৰা হৈছে। বিশেষকৈ সংখ্যালঘুসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে দুৰ্বল আৰু পিছপৰা শ্ৰেণীক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক শোষণৰ পৰা মুক্ত কৰাৰ বাবে ৰাষ্ট্ৰই বিভিন্ন ব্যৱস্থা হাতত লৈছে।

ইয়াৰ উপৰিও সংসদে বিভিন্ন সময়ত সংখ্যালঘুৰ অধিকাৰ সুৰক্ষা আৰু সংখ্যালঘুৰ কল্যাণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আছে। যেনে ২০০৬ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু লোকসকলৰ প্ৰগতিৰ বাবে "Ministry of Minorities Affairs" নামেৰে এক দপ্তৰো প্ৰতিষ্ঠা কৰিছে। ১৯৯২ চনত National

Commission for Minorities Act অৰ্থাৎ ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ আইনৰ আধাৰত সংখ্যালঘু লোকসকলৰ সৰ্বাঙ্গীন দিশ চোৱা-চিতাৰ বাবে ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ গঠন কৰা হয়।

**ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ- ১৯৯২ (National Commission for Minorities) ঃ**

সংখ্যালঘু লোকসকলৰ অধিকাৰৰ দিশটো চোৱা-চিতা কৰিবলৈ আৰু প্ৰয়োজনীয় ক্ষেত্ৰত পৰামৰ্শ প্ৰদানেৰে সংখ্যালঘু লোকসকলক আগবঢ়াই নিয়াৰ বাবে ১৯৯২ চনত ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ আইন গৃহীত কৰা হয়। এই আইনৰ আধাৰত ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ গঠন কৰা হয়।

**আয়োগৰ গঠন ঃ** ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগৰ গঠন এনেধৰণৰ—

(১) এগৰাকী অধ্যক্ষ

(২) এগৰাকী উপাধ্যক্ষ

(৩) পাঁচগৰাকী সদস্য

আয়োগৰ অধ্যক্ষ, উপাধ্যক্ষ সদস্যসকলক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়ে।

**আয়োগৰ কাৰ্যাৱলী ঃ** আয়োগে পালন কৰা কাৰ্যবোৰ এনেধৰণৰ—

(i) আয়োগে বিভিন্ন অঞ্চলত বাস কৰা সংখ্যালঘু লোকৰ অগ্ৰগতিৰ মূল্যায়ন কৰে।

(ii) সংখ্যালঘুৰ অধিকাৰ সম্পৰ্কে তথা সাংবিধানিক আৰু আন বিধিগত ব্যৱস্থাক নজৰ দিয়ে।

(iii) সংখ্যালঘু লোকসকলৰ বিকাশ আৰু স্বাৰ্থ সম্বলিত বিষয়ত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ আগবঢ়ায়।

(iv) সংখ্যালঘুৰ অধিকাৰ ভংগ বিষয়ক গোচৰৰ তদন্ত চলায় আৰু কৰ্তৃপক্ষক অৱগত কৰায়।

(v) সংখ্যালঘু লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে অধ্যয়ন, গৱেষণা আৰু বিশ্লেষণ আগবঢ়োৱা।

(vi) কেন্দ্ৰীয় চৰকাৰে অৰ্পন কৰা সংখ্যালঘু উন্নয়নৰ লগত জড়িত যিকোনো দায়িত্ব পালন কৰা।

ভাৰতৰ সংখ্যালঘু লোকসকলৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন ব্যৱস্থাৱলী গ্ৰহণ কৰা হৈছে যদিও সাম্প্ৰতিক সময়তে ভাষিক, ধৰ্মীয় অথবা নৃগোষ্ঠীয় সংখ্যালঘু গোটসমূহ বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। অনেক সময়ত সংখ্যালঘু শ্ৰেণী বা গোটসমূহৰ মাজত বিচ্ছিন্নতাবাদী অথবা স্বতন্ত্ৰতাৰ মনোভাৱো গঢ়ি উঠা দেখা গৈছে। এখন সফল গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাবে বিশ্বত নিজৰ শিৰ উচ্চ কৰি ৰাখিবলৈ হ'লে সংখ্যাগুৰু আৰু সংখ্যালঘু সকলোকে একত্ৰিতভাৱে আগবঢ়াই নিবলৈ ৰাষ্ট্ৰীয় কৰ্তৃপক্ষ সক্ষম হ'ব লাগিব।

**শিশু (Child) ঃ**

এই পৃথিৱীত জন্ম লাভ কৰা সকলো মানুহৰে কিছুমান জন্মগত অধিকাৰ আছে। শিশুসকলো ইয়াৰ ব্যতিক্ৰম নহয়। প্ৰতিটো শিশুৰে পূৰ্ণাঙ্গ বিকাশ আৰু মৰ্যাদাপূৰ্ণ জীৱন ধাৰণৰ অধিকাৰ আছে, অৰ্থাৎ শিক্ষা,

স্বাস্থ্য আদিকে ধৰি সকলো ধৰণৰ শাৰীৰিক আৰু মানসিক বিকাশৰ সা-সুবিধা লাভ কৰি জীয়াই থকাৰ অধিকাৰ সকলো শিশুৰে প্ৰাপ্য। কিন্তু পৰিতাপৰ কথা এয়ে যে সকলো শিশুৰ বাবে এই অধিকাৰসমূহ ভোগ কৰাটো সম্ভৱপৰ নহয়। বৰ্তমানো বিশ্বৰ লাখ লাখ শিশু শোষিত, নিৰ্যাতিত আৰু পক্ষপাতমূলক ব্যৱহাৰৰ সন্মুখীন হৈ আহিছে। বহুতো শিশু অৰ্ধাহাৰ আৰু অনাহাৰত জীৱন অতিবাহিত কৰাৰ লগতে আন কিছুমানক জোৰ-জবৰদস্তি শ্ৰম কৰিবলৈ বাধ্য কৰোৱা হৈছে। আশ্ৰয়স্থলৰ অভাৱত বহুতো শিশুৱে পদপথত জীৱন-নিৰ্বাহ কৰি আহিছে, লগতে কিছুমান শিশুক দেহ ব্যৱসায়, ড্ৰাগছৰ ব্যৱসায় আদিতো লিপ্ত কৰোৱা হৈছে। ইয়াৰোপৰি, বহুতো শিশু বিশ্বৰ বিভিন্ন কোণত বৰ্ণ-বৈষম্যমূলক ব্যৱহাৰৰো সন্মুখীন হৈ আহিছে, যদিও এই সকলো কাৰ্য আন্তৰ্জাতিক আইন আৰু মানৱ অধিকাৰ আইনৰ বিৰোধী।

বিংশ শতিকামানৰ পৰাহে শিশুৰ অধিকাৰৰ ধাৰণাই গুৰুত্ব লাভ কৰা দেখা যায়। ইয়াৰ লগতে চৰকাৰৰ কল্যাণমূলক ব্যৱস্থা (Welfare measure) ৰ দ্বাৰাহে শিশুসকলৰ সুৰক্ষা আৰু বিকাশত মনোনিৱেশ কৰা হৈছিল। সামাজিক ন্যায়, অবৈষম্যতা, সাম্যভাৱ, সৰলীকৰণ আদি ধাৰণাৰ লগত অধিকাৰৰ দৃষ্টিভংগী প্ৰাথমিকভাৱে জড়িত। সমাজ এখনত শিশুসকলৰ অৱস্থান অতি স্পৰ্শকাতৰ, কিয়নো এজন প্ৰাপ্তবয়স্কলোকৰ দৰে শিশুসকল তেওঁলোকৰ অধিকাৰসমূহৰ বিষয়ে জ্ঞাত নহয়। সংকটময় পৰিস্থিতিৰ পৰা নিজকে মুক্ত কৰাৰ বাবে শিশুসকল সক্ষম নহয়। গতিকে এই বিশেষ দুৰ্বলতাৰ পৰা সুৰক্ষিত কৰাৰ বাবে শিশুসকলৰ কিছুমান বিশেষ অধিকাৰৰ খুবেই প্ৰয়োজন।

'শিশুৰ অধিকাৰ সম্বন্ধীয় আচাৰ বিধি, ১৯৮৯', মতে "শিশু হ'ল ওঠৰ বছৰৰ তলৰ প্ৰতিজন মানুহ যদিহে শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য আইন অনুসৰি সংখ্যাগৰিষ্ঠতা আগতেই লাভ কৰা নহয়।"

ভাৰতীয় সংবিধান আৰু ভাৰতৰ লোকপিয়লত চৈধ্য বছৰৰ তলৰ ব্যক্তিক শিশু হিচাপে সংজ্ঞায়িত কৰা হৈছে। শিশু আইনৰ দ্বাৰা ১৬ বছৰৰ তলৰ ল'ৰা আৰু ১৮ বছৰৰ তলৰ ছোৱালীক শিশু হিচাবে সংজ্ঞাবদ্ধ কৰিছে ('a person who has not attended the age of 16 years if it is a boy or 18 years if it is a girl.')

আন্তৰ্জাতিক ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ দ্বাৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা গৃহীত হোৱাৰ পৰাই শিশুৰ অধিকাৰে গুৰুত্ব লাভ কৰি আহিছে। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰত উল্লেখিত অনুচ্ছেদ ২৫ (২) -ত কোৱা হৈছে যে শিশুসকলক সুনাগৰিক হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত বিশেষ যত্ন আৰু সহায়ৰ আৱশ্যক হয়। বৈবাহিক সম্পৰ্কৰ ভিতৰত বা বিবাহ বহিৰ্ভূতভাৱে জন্ম লোৱা সকলো শিশুৱে একে ধৰণৰ সামাজিক সুৰক্ষা প্ৰাপ্য। 'ৰাজনৈতিক আৰু পৌৰ অধিকাৰৰ আন্তৰ্জাতিক চুক্তি' আৰু 'অৰ্থনৈতিক সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি' দুখনে শিশুৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি উল্লেখ কৰিছে যে শিশু আৰু যুৱকসকলক অৰ্থনৈতিক আৰু সামাজিক শোষণৰ পৰা সুৰক্ষা দিয়া উচিত, ঠিক একেদৰে আন কেবাখনো আন্তঃৰাষ্ট্ৰীয় নথিত উল্লেখ আছে যে শিশুসকল সুখ, মৰম আৰু বুজা-বুজিৰে পৰিৱেষ্টিত এক পাৰিবাৰিক পৰিৱেশত ডাঙৰ-দীঘল হ'ব পাৰে।

**১৯২৪ চনত গৃহীত জেনেভা ঘোষণা পত্ৰত (The Geneva Declaration of the Rights of the Child, 1924)ঃ**

শিশুৰ মানৱ অধিকাৰৰ বিষয়ে পাঁচটা নীতি উল্লেখ কৰা হৈছিল—

(i) শিশুৰ আৰ্থিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত স্বাভাৱিক বিকাশৰ সুযোগ প্ৰদান।

(ii) ভোকাতুৰ শিশুৰ বাবে আহাৰ, ৰুগীয়া শিশুৰ বাবে সহায়-সাহায্য, পিছপৰা শিশুৰ বাবে অৰ্থনৈতিক সাহায্য, অপৰাধী শিশুৰ সংশোধন তথা অনাথ আৰু গৃহহীন শিশুৰ বাবে আশ্ৰয়ৰ ব্যৱস্থা কৰিব লাগিব।

(iii) যিকোনো ধৰণৰ দুৰ্যোগৰ সময়ত শিশুৱে প্ৰথমে সাহায্য লাভ কৰিব লাগিব।

(iv) সকলো ধৰণৰ শোষণৰ পৰা শিশুসকল মুক্ত হ'ব লাগিব।

(v) শিশুৰ ব্যক্তিত্বৰ বিকাশৰ সাধনৰ লগতে মানৱ সম্পদ হিচাপে শিশুসকলক গঢ় দিয়া।

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ ঘোষণা পত্ৰৰ ২৪ নং অনুচ্ছেদ অনুসৰি প্ৰত্যেক শিশুৰে কেতবোৰ অলংঘনীয় মানৱ অধিকাৰ আছে-

(i) প্ৰত্যেক শিশুৰে বৈষম্যহীনভাৱে জীয়াই থকাৰ অধিকাৰ আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ অধিকাৰ আছে।

(ii) জন্মৰ পিছতে প্ৰতিজন শিশুৰে জন্ম পঞ্জীয়নৰ লগতে নামাকৰণ কৰিব লাগিব।

(iii) প্ৰতিজন শিশুৰে জাতীয়তা অৰ্জন কৰাৰ অধিকাৰ থাকিব।

১৯৫৯ চনৰ শিশুৰ অধিকাৰ সম্পৰ্কীয় এখন স্বতন্ত্ৰ ঘোষণা পত্ৰ (Independent declaration of Rights of the Child) গৃহীত কৰা হয়। এই ঘোষণা পত্ৰখনে ৰাজহুৱা আৰু ব্যক্তিগত ক্ষেত্ৰত শিশুসকলৰ ওপৰত বিভিন্ন ধৰণৰ শোষণ আৰু নিৰ্যাতন ৰোধ কৰাৰ ক্ষেত্ৰত পথ প্ৰদৰ্শকৰূপে ভূমিকা পালন কৰি আহিছে। উক্ত ঘোষণাত সন্নিবিষ্ট দহটা নীতিৰ জৰিয়তে স্বীকৃতি প্ৰদান কৰা কেইটামান গুৰুত্বপূৰ্ণ শিশুৰ অধিকাৰ আছিল-- আইনগত সুৰক্ষা প্ৰদান কৰাৰ উপৰিও জাতি, ধৰ্ম, ভাষা, বৰ্ণ, লিংগ নিৰ্বিশেষে শাৰীৰিকভাৱে, মানসিকভাৱে বাধাগ্ৰস্ত শিশুসকলক সুবিধা প্ৰদান কৰা, কোনো দেশৰ নাগৰিকত্ব লাভৰ অধিকাৰ, উপযুক্ত খাদ্য, বাসস্থান আৰু চিকিৎসা সেৱা লাভৰ অধিকাৰ, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ ইত্যাদি।

১৯৭৯ চনত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগে বিশ্বজুৰি শিশুৰ অধিকাৰৰ আচাৰ বিধিখন প্ৰস্তুত কৰি উলিয়াইছিল আৰু ১৯৭৯ চনটোৰে আন্তৰ্জাতিক শিশুবৰ্ষ (International Years of the Child) হিচাপে উদ্‌যাপন কৰা হৈছিল। (ৰাষ্ট্ৰসংঘৰ দ্বাৰা ২০ নৱেম্বৰৰ দিনটোক সাৰ্বজনীন শিশু দিৱস হিচাপে নিৰ্ধাৰণ কৰিছে।)

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৮৯ চনৰ ২০ নৱেম্বৰ তাৰিখে 'শিশুৰ অধিকাৰ সম্পৰ্কীয় আচাৰ বিধি' গ্ৰহণ কৰে (Comulation on the Rights of the Child, 1989)। বিশ্বৰ সকলো প্ৰান্তৰ শিশুৰ

অধিকাৰৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত এইখনেই আছিল প্ৰথম ঐতিহাসিক বিধিবদ্ধ দলিল। উক্ত সিদ্ধান্ত ৰাষ্ট্ৰসংঘৰ চনদ, মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি পত্ৰ ১৯৫৯ চনৰ শিশু অধিকাৰ ঘোষণা আৰু ৰাষ্ট্ৰসংঘই সময়ে সময়ে গ্ৰহণ কৰা শিশুৰ অধিকাৰ সম্বন্ধীয় বিভিন্ন প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। ১৯৮৯ চনৰ ২০ নৱেম্বৰত গৃহীত হোৱা এই আচাৰ বিধিখন ১৯৯০ চনৰ ২০ ছেপ্তেম্বৰৰ পৰা আন্তৰাষ্ট্ৰীয় আইন ৰূপে প্ৰচলিত হৈ আহিছে। এই আচাৰ বিধিখন গৃহীত হোৱা ২০ নৱেম্বৰৰ দিনটোক ৰাষ্ট্ৰসংঘই সাৰ্বজনীন শিশু দিৱস হিচাপে নিৰ্ধাৰণ কৰিছে।

এই আচাৰ-বিধিমতে, শিশুৰ সংজ্ঞা হ'ল "A child means every human being below the age of eighteen years unless under the law applicable to the child, majority is attained easlies." (শিশু হ'ল ওঠৰ বছৰৰ তলৰ প্ৰতিজন মানুহ যদিহে শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য আইন অনুসৰি সংখ্যা গৰিষ্ঠতা আগতেই লাভ কৰা নহয়।)

শিশুৰ অধিকাৰ সম্পৰ্কীয় আচাৰ বিধিখনত শিশুৰ অধিকাৰসমূহক জীয়াই থকাৰ অধিকাৰ, বিকাশ, নিৰাপত্তা আৰু অংশগ্ৰহণ এই চাৰিটা মূল ক্ষেত্ৰৰ অধিকাৰ সন্নিবিষ্ট কৰা হয়—

(a) **জীয়াই থকাৰ অধিকাৰ** (Survival Right) ঃ এই ক্ষেত্ৰৰ ভিতৰত শিশুৰ জীৱন ধাৰণৰ বাবে অত্যাৱশ্যকীয় খাদ্য, বাসস্থান, বিশুদ্ধ পানী আৰু প্ৰাথমিক স্বাস্থ্যৰ যতনক সামৰি লয়।

(b) **বিকাশৰ অধিকাৰ** (Development Rights) ঃ এই ক্ষেত্ৰৰ ভিতৰত তথ্য লাভৰ অধিকাৰ, শিক্ষা লাভ, সাংস্কৃতিক কাৰ্য-কলাপত অংশগ্ৰহণ, জিৰণিৰ সুবিধা লাভৰ অধিকাৰ, খেলা-ধূলা, চিন্তা-মত প্ৰকাশ, ধৰ্ম আৰু উপাসনাৰ অধিকাৰ আদি অন্তৰ্ভুক্ত হয়।

(c) **নিৰাপত্তা সুৰক্ষাৰ অধিকাৰ** (Protection Rights) ঃ এনে অধিকাৰে শিশুক সকলো প্ৰকাৰৰ শোষণ আৰু নিষ্ঠুৰতাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰক সামৰি লয়। বিশেষকৈ পৰিত্যক্ত শিশু, বাট-পথৰ শিশু আৰু নিৰ্যাতিত শিশুৰ ক্ষেত্ৰত ই অতি গুৰুত্বপূৰ্ণ।

(d) **অংশগ্ৰহণৰ অধিকাৰ** (Participation Rights) ঃ এই ক্ষেত্ৰৰ ভিতৰত শিশুসকলক সংস্থা গঠনৰ জৰিয়তে সমাজ আৰু সম্প্ৰদায়ত, ৰাজহুৱা জীৱনত সক্ৰিয় ভূমিকা পালন কৰাৰ অধিকাৰ আদি অন্তৰ্ভুক্ত হয়।

(i) ১৯৬০ চনৰ ৩০ চেপ্তেম্বৰত ৰাষ্ট্ৰসংঘৰ মূল কাৰ্যালয়ত 'শিশুৰ বিশ্ব' শীৰ্ষক সন্মিলন এখন অনুষ্ঠিত হৈছিল। এই সন্মিলনত শিশুৰ জীৱন ৰক্ষা, নিৰাপত্তা আৰু বিকাশৰ বিশ্ব ঘোষণা পত্ৰ (World declaration on the survival, protection and the development of Children) গৃহীত কৰা হয়। প্ৰত্যেক শিশুৰ বাবে সুন্দৰ ভৱিষ্যত নিশ্চিত কৰিবলৈ বিশ্বৰ সকলো ৰাষ্ট্ৰকে সাৰ্বজনীনভাৱে আবেদন জনোৱা এই সন্মিলনৰ উদ্দেশ্য আছিল। এই ঘোষণা পত্ৰত শিশুৰ অধিকাৰ আৰু তেওঁলোকৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ বাবে দহদফীয়া কাৰ্যসূচী হাতত লোৱা হৈছিল।

(ii) শিশুৰ অধিকাৰ সম্বন্ধীয় আচাৰ বিধিত যথাসম্ভৱ সোনকালে সন্মতি দি ইয়াক কাৰ্যকৰী কৰা। শিশু অধিকাৰ সম্পৰ্কে বিস্তৃত প্ৰচাৰৰ ব্যৱস্থা কৰা।

(iii) ক্ষুধা, অপুষ্টি আৰু আকাল দুৰ্ভিক্ষ দূৰ কৰি শিশুৰ সৰ্বাধিক বিকাশ সাধন কৰা।

(iv) পৰিয়াল পৰিকল্পনা ব্যৱস্থা গ্ৰহণৰ দ্বাৰা শিশুৰ উপযুক্ত চোৱা-চিতাকৰণ।

(v) শিশুৰ লালন-পালনত পৰিয়ালৰ ভূমিকা বৃদ্ধি কৰা আৰু পৰিয়ালৰ পৰা বিচ্ছিন্ন হোৱা শিশুৰ বাবে বিশেষ যত্ন লোৱা।

(vi) সকলো শিশুৰ বাবে বাধ্যতামূলকভাৱে সাৰ্বজনীন শিক্ষাৰ ব্যৱস্থা কৰা।

(vii) বৰ্ণ বৈষম্য আৰু সশস্ত্ৰ সংগ্ৰামৰ বলি হোৱা শিশু, অনাথ শিশু, শিশু শ্ৰমিক, শৰনাৰ্থী শিশু আদিৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা লোৱা।

(viii) যুদ্ধ বিগ্ৰহত শিশুৰ নিয়োগ বন্ধ কৰা, বিশেষকৈ শ্ৰীলংকা, উগাণ্ডা আদি দেশৰ দৰে ৰাষ্ট্ৰৰ সামৰিক বাহিনীৰ বিৰুদ্ধে গৃহ যুদ্ধত শিশুৰ নিয়োগ বন্ধ কৰা।

(ix) শিশুৰ নিৰাপদ ভৱিষ্যতৰ বাবে পৰিৱেশ সুৰক্ষিত কৰা।

(x) শিশুৰ কল্যাণ সুনিশ্চিত কৰাৰ বাবে দৰিদ্ৰতা নিৰ্মূলৰ ব্যৱস্থা কৰা।

১৯৯৩ চনত ভিয়েনাত এক ঘোষণা পত্ৰ গ্ৰহণৰ দ্বাৰা শিশুৰ অধিকাৰ সুনিশ্চিতকৰণৰ ব্যৱস্থা লোৱা হৈছিল। ১৯৯৩ চনৰ শিশুৰ অধিকাৰ সম্পৰ্কীয় ভিয়েনা ঘোষণা পত্ৰই (Veinna declaration on child Rights) সকলো ৰাষ্ট্ৰকে শিশুৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ কেইটামান পৰামৰ্শ আগবঢ়াইছিল—

(i) শিশুৰ বিৰুদ্ধে শোষণ আৰু নিৰ্যাতন বন্ধ কৰা।

(ii) শিশু বিক্ৰী, শিশু সৰবৰাহ, শিশুৰ ক্ষেত্ৰত অশ্লীলতা, যৌন নিৰ্যাতন, শিশুৰ বেশ্যাবৃত্তি নাইকীয়া কৰাৰ বাবে কঠোৰ আইন প্ৰণয়ন কৰা।

(iii) সশস্ত্ৰ সংঘৰ্ষত লিপ্ত শিশুসকলৰ পুনৰ সংস্থাপনৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা।

২০০৪ চনৰ ২৫ মে' তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত শিশুৰ অধিকাৰ সম্বন্ধীয় আচাৰ-বিধিৰ ওপৰত দুটা ঐচ্ছিক প্ৰট'কল গ্ৰহণ কৰা হয়- (a) সশস্ত্ৰ সংঘৰ্ষত শিশু জড়িত হৈ পৰাৰ ওপৰত ঐচ্ছিক প্ৰট'কল (Optional Protocol on the Involvement of children in Armed conflict.), (b) শিশু বেশ্যাবৃত্তি আৰু পৰ্ণগ্ৰাফীৰ ওপৰত ঐচ্ছিক প্ৰট'কল (Optional protocol on the sale of children prostitution and child pornography)।

**শিশুৰ অধিকাৰ আৰু ভাৰতবৰ্ষ ঃ** (India and child Rights) ঃ

ভাৰতবৰ্ষত প্ৰাক স্বাধীনতা যুগত, অৰ্থাৎ ব্ৰিটিছসকল শাসনৰ কালৰ পৰাই শিশুৰ অধিকাৰ ৰক্ষাৰ্থে বিশেষভাৱে মনোনিৱেশ কৰা হৈছিল। ইংৰাজসকলে তেওঁলোকৰ শাসনকালত শিশুৰ কিছুমান অধিকাৰ

সুৰক্ষিত কৰাৰ বাবে বিভিন্ন আইন-কানুন প্ৰণয়ন কৰিছিল। এই ক্ষেত্ৰত ব্ৰিটিছসকলে প্ৰণয়ন কৰা আইনসমূহৰ ভিতৰত আছিল— "শিশু বিবাহ প্ৰতিৰোধী আইন, ১৯২৯", "শিশু আইন, ১৯৩৩", "শিশু নিয়োগ আইন, ১৯৩৮ ইত্যাদি। স্বাধীনতাৰ পৰৱৰ্তী কালতো ভাৰতবৰ্ষৰ স্বাধীন চৰকাৰে শিশুৰ অধিকাৰক যথাযথ মৰ্যাদা প্ৰদান কৰি সাংবিধানিকভাৱে শিশুৰ অধিকাৰ ৰক্ষাৰ্থে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ভাৰতীয় শিক্ষণ পটত শিশুৰ অধিকাৰ ৰক্ষাত সংবিধানৰ ধাৰা ভিত্তিক অৱদান মনকৰিবলগীয়া। সংবিধানত উল্লেখিত মৌলিক অধিকাৰ, ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিসমূহৰ জৰিয়তে শিশুৰ কিছুমান অধিকাৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা হৈছে।

সংবিধানৰ ২৪ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে, '১৪ বছৰৰ তলৰ কোনো শিশুকে ফেক্টৰী, খনি বা অইন কোনো বিপদ সংকুল কৰ্মত নিযুক্তি দিব পৰা নাযাব।' শিশুসকলক শোষণমুক্ত কৰাৰ লগতে তেওঁলোকক শিক্ষা প্ৰদানৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছিল যাতে তেওঁলোকে নিজৰ ব্যক্তিত্বৰ বিকাশৰ দ্বাৰা এক মৰ্যাদাপূৰ্ণ জীৱন পালন কৰিব পাৰে।

সংবিধানৰ ২৩ নং অনুচ্ছেদৰ ধাৰা অনুসৰি শিশুকে ধৰি যিকোনো মানুহ বা মানৱ অংগৰ ব্যৱসায়ত বাধা আৰোপ কৰা হৈছে। মহিলা আৰু শিশুৰ সৰবৰাহ ৰোধ কৰাৰ বাবে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰাটো বাধ্যতামূলক। আনহাতে, ভাৰতীয় সংবিধানৰ ৩৯ নং অনুচ্ছেদত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে কোনো নাগৰিককে বয়স আৰু শক্তিৰ সতে সংগতি নোহোৱা কৰ্মৰ সৈতে জড়িত কৰি অৰ্থনৈতিক প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে বাধ্য কৰাব নোৱাৰিব। শিশুসকলৰ সুস্থ বিকাশ আৰু স্বাধীনতা তথা মৰ্যাদা ৰক্ষাৰ সুযোগ দিব লাগিব যাতে শিশু আৰু কৈশোৰ কালক নৈতিক আৰু বস্তুগত পৰিত্যক্ততাৰ পৰা সুৰক্ষিত কৰিব পৰা যায়।

৪৪ নং অনুচ্ছেদ অনুসৰি সংবিধান গ্ৰহণ কৰাৰ দহ বছৰৰ ভিতৰত চৈধ্য বছৰৰ তলৰ শিশুসকলক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ বাবে ৰাষ্ট্ৰই ব্যৱস্থা গ্ৰহণ কৰিব। সংবিধানৰ ৮৬ তম সংশোধনী অনুসৰি ২১ (ক) অনুচ্ছেদত কোৱা হৈছে যে ৬ ৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। তাৰোপৰি ৬ ৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক শিক্ষাৰ সুবিধা প্ৰদান কৰাটো পিতৃ-মাতৃ আৰু অভিভাৱকসকলৰ মৌলিক কৰ্তব্য। এই ব্যৱস্থাৰ দ্বাৰা ভাৰতে সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ যোগেদি প্ৰাথমিক শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাবে ঘোষণা কৰিছে। ইয়াৰোপৰি শিশুৰ যতন লোৱা আৰু শিক্ষা আঁচনিৰ অধীনত ৬ বছৰ বয়সলৈকে সকলো শিশুক সামৰি লোৱাৰ ব্যৱস্থা ২০০২ চনৰ ৮৬ তম সংশোধনী সংবিধান সংশোধনীৰ দ্বাৰা ৰাষ্ট্ৰৰ ওপৰত অৰ্পন কৰা হৈছে।

সংবিধানৰ উপৰিও আন কেতবোৰ আইনগত ব্যৱস্থাৰ দ্বাৰাও শিশুৰ অধিকাৰ, বিশেষকৈ শিশু শ্ৰমিক সমস্যাক নিৰ্মূল কৰাৰ ব্যৱস্থা লোৱা হৈছে। প্ৰাক্ স্বাধীনতা কালতেই ১৯৩৮ চনত শিশু শ্ৰমিক সম্পৰ্কীয় প্ৰথমখন আইন গৃহীত কৰা হৈছিল। ১৯৩৮ চনৰ 'শিশুৰ নিযুক্তি আইন' (Employment of Children Act, 1938) শীৰ্ষক এই আইনখনৰ জৰিয়তে শিশু, শ্ৰমিকক শোষণৰ পৰা ৰক্ষা কৰাটো নিশ্চিত কৰা হৈছিল। এই আইনখনৰ দ্বাৰা ১৪ বছৰৰ তলৰ সকলো শিশুকে কোনো কৰ্মক্ষেত্ৰতে জড়িত হোৱাৰ ক্ষেত্ৰত

বাধা প্ৰদান কৰা হৈছে। ১৯৮৬ চনত এই আইনখনৰ সলনি শিশু শ্ৰমিক (নিষেধ আৰু নিয়ন্ত্ৰণ) আইন (Child labour Prohibition and Regulation Act. 1986) প্ৰণয়ন কৰা হয়।

১৯৯৮ চনৰ ২২ আগষ্টত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় শিশু নীতি (National Policy for children) প্ৰণয়ন কৰা হয়, যাৰ দ্বাৰা শিশুক সমাজৰ আটাইতকৈ নিপীড়িত অৱক্ষিত গোট হিচাপে চিনাক্ত কৰা হয়। এই নীতিৰ দ্বাৰা জন্মৰ পূৰ্বে আৰু জন্মৰ পিছত শিশুৰ সামাজিক, বৌদ্ধিক, মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে যথাসম্ভৱ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়।

ইয়ৰোপৰি, শিশুৰ অধিকাৰ ৰক্ষাত ভাৰতীয় সংসদে, প্ৰণয়ন কৰা কেইখনমান উল্লেখযোগ্য আইন হ'ল-

(i) ভাৰতীয় কাৰখানা আইন (১৯৪৮)।

(ii) ভাৰতীয় খনি আইন (১৯৫২)।

(iii) মটৰ পৰিবহণ শ্ৰমিক আইন (১৯৬২)

(iv) নদী আৰু সাগৰ শ্ৰমিক (নিয়োগৰ সমস্যা) আইন- ১৯৬৬।

(v) দোকান পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান আইন আৰু

(vi) শিশু শ্ৰমিক প্ৰতিৰোধ কাৰ্যকৰীকৰণ আইন (১৯৮৬)। আদি

ওপৰোক্ত আইনসমূহৰ কাৰ্যকৰণৰ যোগেদি ভাৰতত শিশুৰ ওপৰত হোৱা নিৰ্যাতন বন্ধ কৰিব বিচৰা হৈছে। ২০০৬ চনত শিশুসকলক গৃহভৃত্য হিচাপে নিয়োগ কৰা আইনগতভাৱে নিষিদ্ধ কৰাৰ বাবে গৃহভৃত্য নিয়োগ নিষিদ্ধকৰণ আইন (Domestic Servant Preveation Act.) কৰা হৈছে। তথাপিও কিন্তু ভাৰতত বিভিন্ন ৰূপত শিশুৰ মানৱ অধিকাৰসমূহ উলংঘন হোৱা পৰিলক্ষিত হয়। ভাৰতত শিশু শ্ৰমিক সমস্যা এচিয়া মহাদেশৰ ভিতৰতে বেছি। চৰম দৰিদ্ৰতা এই সমস্যাৰ মূল কাৰণ। তামিলনাডুৰ শিৱকাশীত ফটকা উদ্যোগ, জম্মু কাশ্মীৰৰ কাৰ্পেট উদ্যোগ, গ্লাছ উদ্যোগত এনে শিশু শ্ৰমিকৰ সমস্যা সৰ্বাধিক।

ভাৰতত শিশুসকলৰ মানৱ অধিকাৰ বনকৰা শিশু হিচাপেও নিৰবে উলংঘিত হোৱা পৰিলক্ষিত হয়। বনকৰা শিশু ল'ৰা-ছোৱালীসকলক বিভিন্ন ধৰণৰ শাৰীৰিক, মানসিক আৰু যৌন অতিশয্যাৰ বলি হোৱা ঘটনাও বহু সময়ত আমি দেখিবলৈ বা শুনিবলৈ পাওঁ। ইয়াৰোপৰি বিভিন্ন অসংগঠিত উদ্যোগত শিশুসকলে বিভিন্ন শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ সম্মুখীন হ'বলগা হয়। মহিলাৰ লগতে শিশুৰ সৰবৰাহ আদিও শিশুৰ মানৱ অধিকাৰৰৰ প্ৰতি এটি কঠিন প্ৰত্যাহ্বান। ক'লকাতা, মুম্বাই, দিল্লী, হাৰিয়ানা আদি ৰাজ্যত কন্যা শিশুক জোৰ জুলুমভাৱে বেশ্যাবৃত্তিত নিয়োগ কৰাটো মানৱ অধিকাৰ উলংঘনৰ এক চৰম নিদৰ্শন। তাৰোপৰি, দিল্লী, মুম্বাই আদি মহানগৰীত শিশুসকলক বিভিন্ন ধৰণৰ আণ্ডাৰ ৱৰ্ল্ড ব্যৱসায়, যেনে ড্ৰাগচ্‌ৰ দৰে অবৈধ ব্যৱসায়ত নিয়োগ কৰা ঘটনাও সচৰাচৰ দেখিবলৈ পোৱা যায়। অসম মুলুকতে শেহতীয়াকৈ ড্ৰাগচ্‌ৰ দৰে এনে অবৈধ ব্যৱসায়ত শিশুকে ধৰি বহুতো যুৱক-যুৱতী নিয়োজিত হৈ থকাৰ বাতৰি পোহৰলৈ আহিছে।

লিংগ বৈষম্য হ'ল ভাৰতীয় সমাজৰ আন এক বৈশিষ্ট্য। ভাৰতীয় সমাজত কন্যা শিশু প্ৰায়ে অনাদৰ অৱহেলাৰ সম্মুখীন হয়। লিংগ বৈষম্যৰ নামত কন্যা শিশুক মানসিকভাৱে নিৰ্যাতন কৰা দেখা যায়। গৰ্ভস্থ সন্তানৰ লিংগ নিৰ্ণয় কৰি যদি কন্যা সন্তান বুলি নিশ্চিত হয়, তেতিয়া তেনে সন্তানক জোৰ জুলুমকৈ গৰ্ভপাত কৰাই হত্যা কৰোৱাটো মানৱ অধিকাৰ ভংগৰ চূড়ান্ত নিদৰ্শন। তাৰোপৰি উগ্ৰপন্থী সংগঠনৰ নেতাৰ লগত কাৰাবন্দী শিশুৰ মানৱ অধিকাৰ এটি গুৰুত্বপূৰ্ণ বিষয়।

গতিকে, বিভিন্ন ধৰণে শিশুৰ অধিকাৰ ভংগ হৈ থকাৰ ঘটনা নুই কৰিব নোৱাৰি। চৰকাৰৰ দ্বাৰা বিভিন্ন পদক্ষেপ হাতত লোৱাৰ পিছতো ভাৰতত শিশু শ্ৰমিক, বিপজ্জনক অৱস্থাত কাম কৰা শিশু শ্ৰমিক আদিৰ সংখ্যা তাকৰ নহয়। কিন্তু এই ক্ষেত্ৰত ভাৰতৰ লগতে বৰ্তমান বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰই শিশুসকলৰ শাৰীৰিক, মানসিক বিকাশ আৰু অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত সজাগ হোৱা পৰিলক্ষিত হৈছে। সকলোৰে বাবে শিক্ষা (Education for all) বাণীৰে সকলো শিশুকে উপযুক্ত শিক্ষা প্ৰদানৰ দিহা কৰা হৈছে। বৰ্তমান সমাজ ব্যৱস্থাত মুক্ত আৰু বাধ্যতামূলক শিক্ষাইহে শিশুসকলৰ সামগ্ৰীক বিকাশত পৰ্যাপ্ত অৰিহনা আগবঢ়াব পাৰিব। গতিকে এই ক্ষেত্ৰত উপযুক্ত আৰু কঠোৰ পদক্ষেপৰ খুবেই প্ৰয়োজন।

** ** **



**প্ৰশ্নাৱলী ঃ**

১। অসুৰক্ষিত গোটৰ অৰ্থ লিখা।

২। ভাৰতীয় সমাজত দেখা দুটা অসুৰক্ষিত গোটৰ নাম লিখা।

৩। ভাৰতীয় সমাজত মহিলাৰ অধিকাৰ উলংঘনৰ দুটা পৰিঘটনা লিখা।

৪। শিশু বুলিলে কি বুজা?

৫। সংখ্যালঘুৰ অৰ্থ লিখা।

৬। ভাৰতীয় সমাজৰ দুটা সংখ্যালঘু গোটৰ নাম লিখা।

৭। ভাৰতীয় সমাজত শিশুৰ অধিকাৰ উলংঘনৰ দুটা পৰিঘটনা লিখা।

৮। শিশু শ্ৰমিক মানে কি বুজা?

৯। মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থাৱলীবোৰ আলোচনা কৰা।

১০। শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থাৱলীবোৰ আলোচনা কৰা।

১১। সংখ্যালঘুৰ অধিকাৰ সুৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰা।

১২। ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগৰ গঠন ক্ষমতা আৰু কাৰ্য আলোচনা কৰা।

১৩। ভাৰতীয় সমাজত মহিলা বঞ্চনাৰ সন্মুখীন হোৱা ক্ষেত্ৰবোৰ আলোচনা কৰা।

## সহায়ক গ্ৰন্থপঞ্জী—

[1] Sing Sehgal, B.P. : Human Rights in India, Deep and Deep Publication, New Delhi, 1999.

[2] Yasin Adilll & Archana Upadhya : Human Rights, Akansha Publication House, New Delhi, 2004.

[3] Agarwala H.O. : International Law and Human Rights, Central Law Publication, 2000.

[4] Chiranjibi J. Nirmal : Human Rights in India, Oxford University Press, 2002.

[5] Sing Arun Kr. : Human Rights in India, AAYU Publication, 2016.

[6] বৈশ্য ধনেশ্বৰ ঃ মানৱ অধিকাৰ, লয়াৰ্চ বুক ষ্টল, 2000.

[7] তালুকদাৰ ছাইকী, কাকতি ভবেন ঃ ভাৰতৰ ৰাজনৈতিক প্ৰক্ৰিয়া, কনচেপ্ত পাব্লিকেচন, 2020.

[8] http://nhre.nic.in

[9] http://www.ahre.gov.in

[10] http://new.nic.in

[11] http://ncsc.nic.in

[12] http://ncst.nic.in

[13] Upadhaya Archana; 'Terrorism in the North East' Epw, vol-41, No 48, 02 dec, 2006.

[14] Goswami Sandhya : Assam Politics in post congress Era : 1985 and beyond, (Vol-IV) Sage, 2020.